ND24 newsdaily24.in
সৰ্বশ্ৰেষ্ঠ নহয়, সৰ্বোত্তমৰ দৌৰত

জাতিৰ সেৱাত উৎসৰ্গিত ৬১ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
https://dainikasam.in

RN-11989/65 । ৬১ বছৰ । ২৮৪ সংখ্যা, ৯ জেঠ, দেওবাৰ, ১৯৪৮ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 284। GUWAHATI, SUNDAY, MAY 24, 2026 । পৃষ্ঠা ১২+৪ (Pages 12+4) ৯.০০ টকা (Rs. 9.00)

আজিৰ পৰিপূৰিকা




গীতাৰ বচন

জীৱনৰ অন্বেষণ-১০

## জীৱন আগুৱাই যায়

■ ডঃ পাৰ্থসাৰথি মহন্ত



**দ্বিতীয়** অধ্যায়ৰ এই পৰ্যায়ত কৃষ্ণই এতিয়া প্ৰতিটো শ্লোকত সম্পূৰ্ণ নতুন ধাৰণা প্ৰৱৰ্তন কৰা নাই। বৰঞ্চ তেওঁ একেটা সত্যকে বিভিন্ন কোণৰ পৰা পুংখানুপুংখভাৱে ব্যাখ্যা কৰিছে। ব্যাখ্যা গভীৰ কৰি তুলিছে। কাৰণ কৃষ্ণই মানৱীয়

৬ পৃষ্ঠাত চাওক

# অত্যাৱশ্যকীয় সামগ্ৰীৰ অভাৱনীয় দাম বৃদ্ধিৰ সৈতে কিদৰে মোকাবিলা কৰিব চৰকাৰে ?

দেওবৰীয়া বিশেষ চ'ৰা

সঠিক তথ্য প্ৰকাশেৰে জনগণক সজাগ কৰাটো জৰুৰী ঃ ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য ■ যুদ্ধ অজুহাততহে ঃ বিজন বায়ন ■ ৰাজহুৱা বিতৰণ ব্যৱস্থা শক্তিশালী হ'ব লাগিব ঃ বন্দনা কৌশিক বৰদলৈ ■ কৰ হ্ৰাস, ৰাজ সাহায্য, বজাৰত চোকা নজৰ ৰাখিব লাগিব ঃ সিদ্ধাৰ্থ লাহন


জনগণৰ স্বাৰ্থত নীতি গ্ৰহণ কৰিলে দাম নিয়ন্ত্ৰণ হ'ব ঃ সুব্ৰত তালুকদাৰ ■ আমদানি সুগম কৰা, উৎপাদন বৃদ্ধিত গুৰুত্ব দিলে সমস্যাৰ বোজা লাঘৱ হ'ব ঃ ডঃ লোহিত শইকীয়া ■ পুঁজিপতিৰ স্বাৰ্থ বিঘ্নিত নকৰাকৈ নীতি গ্ৰহণ কৰি থাকিলে সুফল নাহে ঃ ডঃ অখিল ৰঞ্জন দত্ত ■ আমদানিৰ ওপৰত নিৰ্ভৰশীলতা কমাব লাগিব ঃ দিতু কুমাৰ দাস



দৈনিক অসমৰ প্ৰতিবেদন

মধ্যপ্ৰাচ্যৰ যুদ্ধৰ প্ৰভাৱত দেশত সৃষ্টি হৈছে ইন্ধন সংকট। যোৱা ১০ দিনৰ ভিতৰতে দেশত তিনিবাৰকৈ বৃদ্ধি হৈছে পেট্ৰ'ল-ডিজেলৰ দাম। অনুৰূপধৰণে ৰন্ধন গেছৰ নাটনিয়েও ঘৰুৱা আৰু বাণিজ্যিক খণ্ডক ব্যাপকভাৱে প্ৰভাৱিত কৰিছে। এই সংকটৰ পৰিপ্ৰেক্ষিতত দেশৰ ঘৰুৱা বজাৰতো ভয়াৱহ মুদ্ৰাস্ফীতি আৰম্ভ হৈছে। খাদ্য-সামগ্ৰীৰ পৰা আৰম্ভ কৰি সকলো অত্যাৱশ্যকীয়

২ পৃষ্ঠাত চাওক



প্ৰথমগৰাকী অসমীয়া যুৱতীৰ সাফল্যত উৎফুল্ল ৰাজ্যবাসী, দল-সংগঠনৰ শুভেচ্ছা

মুখ্যমন্ত্ৰীয়ে ক'লে ঃ নতুন প্ৰজন্মৰ বাবে প্ৰেৰণাৰ অম্লান উৎস হৈ ৰ'ব

অভিযানৰ নেতৃত্বত আছিল ভণিতা টিমুংপী

## ইতিহাস ৰচি এভাৰেষ্ট জয় লখিমপুৰৰ ৰূপামণিৰ

দৈনিক অসমৰ প্ৰতিনিধি

লখিমপুৰ/নাওবৈচা/বোকাখাত, ২৩ মে' ঃ লখিমপুৰৰ এখন ভিতৰুৱা গাঁৱৰ কৃষকৰ জীয়ৰী ৰূপামণি গড়ে পৃথিৱীৰ সৰ্বোচ্চ শৃংগ মাউণ্ট

৬ পৃষ্ঠাত চাওক



বুকিঙৰ ১৫-২০ দিনলৈ গ্ৰাহকে পোৱা নাই চিলিণ্ডাৰ

# ৰন্ধন গেছ বিচাৰি চৌদিশে হাহাকাৰ

## চৰকাৰ-প্ৰশাসনৰ দাবীৰ সম্পূৰ্ণ বিপৰীত ছবি গ্ৰামাঞ্চলত



তেজপুৰত দৈনিক বঞ্চিত সহস্ৰাধিক গ্ৰাহক ■ নলবাৰীত আধাৰ লিংক নোহোৱাত সমস্যাত শ শ উপভোক্তা ■ নগাঁৱতো সংকট, ৰহস্যজনক কাৰণত ডি এ চি নম্বৰ পোৱাত বিলম্ব ■ তালাপ-আমগুৰিত প্ৰতিবাদ


দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ২৩ মে' ঃ পশ্চিম এছিয়াৰ যুদ্ধৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ দেশৰ লগতে অসমতো ৰন্ধন গেছৰ নাটনি পৰিলক্ষিত হৈছে। দেশৰ অন্য ৰাজ্যৰ দৰে অসমত ৰন্ধন গেছৰ নাটনিয়ে এতিয়াও অভাৱনীয় ৰূপ ধাৰণ কৰা নাই। কিন্তু ৰাজহুৱা তৈল বিপণন প্ৰতিষ্ঠান আৰু জিলা প্ৰশাসনসমূহে সময়োচিত পদক্ষেপ নল'লে ৰাজ্যত অব্যাহত থকা ৰন্ধন গেছৰ নাটনিয়ে অনাগত দিনত তীব্ৰ ৰূপ ধাৰণ কৰিব। ইতিমধ্যে তৈল বিপণন প্ৰতিষ্ঠান

২ পৃষ্ঠাত চাওক

অনিয়ন্ত্ৰিত দাম বৃদ্ধিত জুৰুলা ৰাইজ

## কোকৰাঝাৰত একাপ চাহৰ দাম হ'লগৈ ১৭ টকা



বাঢ়িছে সকলো প্ৰকাৰৰ মিঠাইৰ দাম

দৈনিক অসমৰ প্ৰতিনিধি

**কোকৰাঝাৰ, ২৩ মে'** ঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দ্বিতীয়বাৰ শাসনৰ দায়িত্ব লোৱাৰ পাছতে ৰাজ্যত সকলো বয়বস্তু-সামগ্ৰীৰ অস্বাভাৱিক দাম বৃদ্ধিয়ে কোঙা কৰি তুলিছে বিটিচিবাসীক। লক্ষণীয় কথা যে বিটিচিৰ সদৰ কোকৰাঝাৰ জিলাত বয়বস্তু-সামগ্ৰীৰ অত্যধিক দাম বৃদ্ধিয়ে হাহাকাৰময় পৰিস্থিতিৰ সৃষ্টি কৰিছে ৰাইজৰ মাজত। আলু, পিঁয়াজ, নহৰু, আদা, কেঁচা জলকীয়া, বিলাহী, ভাত কেৰেলা, গাজৰকে ধৰি সকলোবিধ শাক-পাচলিৰ

৬ পৃষ্ঠাত চাওক

দহ দিনৰ ভিতৰত তৃতীয়বাৰলৈ বাঢ়িল

## পুনৰ পেট্ৰ'লত ৮৭, ডিজেলত ৯১ পইচা বৃদ্ধি



দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ২৩ মে' ঃ পশ্চিম এছিয়াৰ যুদ্ধৰ পৰিপ্ৰেক্ষিতত দহ দিনৰ

৬ পৃষ্ঠাত চাওক

মন্ত্ৰিত্বৰ আশাৰ পৰিৱৰ্তে সমষ্টিত মনোনিৱেশ কৰিবলৈ বিধায়কক মুখ্যমন্ত্ৰীৰ পৰামৰ্শ

## মন্ত্ৰীসভা সম্প্ৰসাৰণত পৰিব ব্যয় সংকোচন নীতিৰ প্ৰভাৱ

মুখ্যমন্ত্ৰীকে ধৰি ১৯ বিধায়কৰ মন্ত্ৰিত্বৰ সুযোগ থাকিলেও মুৰকত খালী ৰখা হ'ব পাৰে কেইবাটাও পদ

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ২৩ মে' ঃ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বিজেপি বিধায়কক মন্ত্ৰিত্বৰ বাবে আশা কৰি থকাৰ সলনি সমষ্টিত নিজৰ কাম কৰাত অগ্ৰাধিকাৰ দিবলৈ পৰামৰ্শ দিয়া বুলি জানিব পৰা গৈছে। অকল সেয়াই নহয়, মন্ত্ৰী পৰিষদৰ সম্প্ৰসাৰণ কৰিলেও কেইবাটাও মন্ত্ৰীৰ পদ খালী ৰখাৰ কথাও তেওঁ একাংশ বিধায়কক জানিবলৈ দিয়ে। উল্লেখ্য যে জুন

৬ পৃষ্ঠাত চাওক

দাম বৃদ্ধিৰ প্ৰসংগত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল

## চৰকাৰৰ ওপৰত বিশ্বাস ৰাখক, সকলো ঠিক হ'ব

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ২৩ মে' ঃ দাম বৃদ্ধিক লৈ দেশজুৰি প্ৰতিক্ৰিয়া অব্যাহত থকাৰ মাজতে আজি কেন্দ্ৰীয়

৬ পৃষ্ঠাত চাওক



গুৱাহাটীৰপৰা ভাৰ্চুৱেলী সংযুক্ত হ'ল কেন্দ্ৰীয় মন্ত্ৰী সোণোৱাল

## প্ৰধানমন্ত্ৰীৰ ৰোজগাৰ মেলাত ৫১ সহস্ৰাধিকক নিযুক্তি-পত্ৰ

নতুন দিল্লী/গুৱাহাটী, ২৩ মে' ঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি দিনৰ ১১ বজাত ১৯ সংখ্যক ৰোজগাৰ মেলা উপলক্ষে ভিডিঅ' কনফাৰেন্সৰ

৬ পৃষ্ঠাত চাওক

পৰিচয় দিছিল হস্ততাঁত-বস্ত্ৰশিল্প মন্ত্ৰণালয়ৰ বিষয়া বুলি

## প্ৰলোভনেৰে কোটি কোটি লুণ্ঠন, প্ৰৱঞ্চক অনুৰাগ গগৈক ডিব্ৰুগড়ত গ্ৰেপ্তাৰ

আৰক্ষীয়ে কৰায়ত্ত কৰাৰ সময়ত উত্তম-মধ্যম শোধালে একাংশ ভুক্তভোগীয়ে

দৈনিক অসমৰ প্ৰতিনিধি

**ডিব্ৰুগড়, ২৩ মে'** ঃ নিজকে কেন্দ্ৰীয় চৰকাৰৰ হস্ততাঁত-বস্ত্ৰশিল্প বিভাগৰ উচ্চপদস্থ বিষয়া বুলি পৰিচয় দি ৰাজ্যৰ বিভিন্ন প্ৰান্তত কোটি কোটি টকাৰ প্ৰৱঞ্চনা কৰাৰ অভিযোগত শিৱসাগৰৰ পাণবেচাৰ বিষ্ণুপ্ৰাণ গগৈ ওৰফে অনুৰাগ গগৈ নামৰ এজন লোকক ডিব্ৰুগড়ৰ টেঙাখাত আৰক্ষীয়ে আজি গ্ৰেপ্তাৰ কৰে। ডিব্ৰুগড়ৰ কনভয় ৰোড তথা

৬ পৃষ্ঠাত চাওক



কাঁহুদী



— এ চি এছ বিষয়াই চুৰ কৰিলে একো নাই। আমি চুৰ কৰিলে ৰাইজৰ আৰু পুলিচৰ ৰাম ধুলাই। এয়া অন্যায়!

গো-কুৰ্বানীত বাধা দিলে আৰক্ষীক কুৰ্বানী দিয়াৰ হুংকাৰ দিছিল

## প্ৰাক্তন বিধায়ক আলী আকবৰ মিঞাক গ্ৰেপ্তাৰ, জামিন নাকচ



প্ৰধানমন্ত্ৰী-মুখ্যমন্ত্ৰীক কটাক্ষ কৰা আন এজনৰ লগতে গো-মাংসসহ ৪জনকো আটক

দৈনিক অসমৰ প্ৰতিনিধি

ধুবুৰী/ধৰ্মশালা/বিলাসীপাৰা, ২৩ মে' ঃ ৰাজ্যৰ মুছলমান সমাজে এইবাৰ গৰু কুৰ্বানী নকৰিবলৈ এক ঐতিহাসিক সিদ্ধান্তত উপনীত হোৱাৰ সময়তে ধুবুৰীৰ পশ্চিম বিলাসীপাৰা সমষ্টিৰ প্ৰাক্তন

৬ পৃষ্ঠাত চাওক



অসম চৰকাৰ



স্বৰ্গদেউ সৰ্বানন্দ সিংহ দিৱস

২৪মে' ২০২৬

অসমৰ ইতিহাসত এক উজ্জ্বল অধ্যায়ৰ সূচনা কৰা মটক ৰাজ্যৰ অন্যতম শ্ৰেষ্ঠ ৰজা সৰ্বানন্দ সিংহদেৱৰ মৃত্যু দিৱসত তেখেতলৈ অসমবাসীৰ হৈ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ।

স্বদেশপ্ৰেমৰ অমল প্ৰতীক ৰজা সৰ্বানন্দ সিংহৰ অসাধাৰণ বীৰত্ব আৰু দূৰদৰ্শী নেতৃত্বৰ আদৰ্শৰে তৰুণ প্ৰজন্ম আগুৱাই যাওক।

ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

DIPR/D/DA/84/24-May-26

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

# দৈনিক অসম

61 বছৰ। ২৮৪ সংখ্যা, গুৱাহাটী, ৯ জেঠ, দেওবাৰ, ১৯৪৮ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 284। GUWAHATI, SUNDAY, MAY 24, 2026




**অসম কোষ**

২০১৩ চনৰ ১৮ মে'। সেইদিনটোতে তৰুণ শইকীয়াই প্ৰথমজন অসমীয়া হিচাপে এভাৰেষ্ট জয় কৰি ইতিহাস সৃষ্টি কৰিছিল। এই সফলতা লাভ কৰা দ্বিতীয়জন অসমীয়া হৈছে মনীষ কুমাৰ ডেকা।

**দিনটোৰ তাপমান (ডিগ্ৰী চেলছিয়াছ)**

| | সৰ্বাধিক | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩১.৫ | ২৫.৩ |
| ডিব্ৰুগড় | ২৫.৮ | ২২.১ |
| যোৰহাট | ২৯.৯ | ২৪.৮ |
| শ্বিলং | ২৪.৪ | ১৭.৬ |

### ৰিণিকি ভূঞা শৰ্মাৰ গোচৰ
## হাজিৰ নহ'ল কংগ্ৰেছ নেতা সূৰ্যৰেখা

**৫ জুনত পুনৰ জেৰাৰ সন্মুখীন হ'ব পৱন খেৰা**

**দৈনিক অসমৰ বাতৰি**
**গুৱাহাটী, ২৩ মে'** ঃ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিণিকি ভূঞা শৰ্মাই দাখিল কৰা গোচৰত অসম আৰক্ষীৰ অপৰাধ শাখাৰ সন্মুখত হাজিৰ নহ'ল— ১১ পৃষ্ঠাত চাওক

## ২৯ মে'ৰপৰা বন্ধ কাজিৰঙা
### পৰ্যটকৰ আগমনত পূৰ্বৰ অভিলেখ ভংগ

**দৈনিক অসমৰ প্ৰতিনিধি**
**বোকাখাত, ২৩ মে'** ঃ অহা ২৯ মে'ৰ পৰা আনুষ্ঠানিকভাৱে পৰ্যটকৰ বাবে বন্ধ হ'ব বিশ্বৰ ঐতিহ্য কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চল। ২২মে'ত ৰাষ্ট্ৰীয় উদ্যানখনৰ পূব অসম বন্যপ্ৰাণী সংমণ্ডলৰ ডি এফ অ' ১১ পৃষ্ঠাত চাওক



**কৃষ্ণগুৰু সেৱাশ্ৰমত প্ৰতিষ্ঠাপক কৃষ্ণগুৰুৰ আৱিৰ্ভাৱ মহোৎসৱ**

## প্ৰকৃতি-পৰিৱেশৰ প্ৰতি দায়বদ্ধ হোৱাৰ শিক্ষা দি গৈছে কৃষ্ণগুৰুৱে ঃ সোণোৱাল

**দৈনিক অসমৰ প্ৰতিনিধি**
**সৰ্থেবাৰী, ২৩ মে'** ঃ বৰপেটা জিলাৰ নসত্ৰত অৱস্থিত কৃষ্ণগুৰু সেৱাশ্ৰমত আজি সেৱাশ্ৰমখনৰ প্ৰতিষ্ঠাপক কৃষ্ণগুৰুৰ ৯২ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ পালন কৰা হয়। এই উপলক্ষে নসত্ৰৰ মূল সেৱাশ্ৰমৰ লগতে দেশৰ বিভিন্ন প্ৰান্তত থকা ১০৭খন শাখা সেৱাশ্ৰমত পুৱাৰে পৰা গধূলিলৈ কৃষ্ণগুৰু একনাম অখণ্ড কীৰ্তন অনুষ্ঠিত হয়। কৃষ্ণগুৰু শিক্ষা পৰিষদৰ অন্তৰ্গত কৃষ্ণগুৰু বিদ্যাজ্যোতি বিদ্যালয়ৰ শিক্ষক, ছাত্ৰ-ছাত্ৰীসকলে পুৱা নসত্ৰৰ আদৰ্শ চিকিৎসালয় আৰু নসত্ৰৰ পথসমূহত স্বচ্ছ অভিযান গ্ৰহণ কৰে। আনহাতে গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱৰ লগত সংগতি ১১ পৃষ্ঠাত চাওক



## তামুলপুৰত হাতীৰ আক্ৰমণত নিহত যুৱক



**দৈনিক অসমৰ প্ৰতিনিধি**
**তামুলপুৰ, ২৩ মে'** ঃ তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তত হাতী-মানুহৰ সংঘাতত এজন যুৱকৰ মৃত্যু হৈছে। চন্দ্ৰনগৰ নিবাসী যুৱকজন ব্যৱসায়ী ৰিজয় দে' (২৭)। তামোলৰ ব্যৱসায় কৰা ১১ পৃষ্ঠাত চাওক

### ■ বৰপেটা সত্ৰত আশিস ল'লে ৰঞ্জিত কুমাৰ দাসে ■
# 'সত্ৰৰ ভূমি বেদখলৰ বিৰুদ্ধে কঠোৰ আইন লাগে'

**দৈনিক অসমৰ প্ৰতিনিধি**
**বৰপেটা, ২৩ মে'** ঃ 'ভৱিষ্যতে যাতে কোনো লোকে সত্ৰৰ ভূমি বেদখল কৰিব নোৱাৰে তাৰ বাবে চৰকাৰে কঠোৰ আইন প্ৰণয়ন কৰি ব্যৱস্থা গ্ৰহণ কৰিব লাগে।' —এই আহ্বান অসম বিধানসভাৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসৰ। দ্বিতীয়বাৰৰ বাবে অসম বিধানসভাৰ অধ্যক্ষ নিৰ্বাচিত হৈ আজি সত্ৰনগৰী বৰপেটাৰ



সুসন্তান ৰঞ্জিত কুমাৰ দাসে মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱে স্থাপিত ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত আশিস ল'বলৈ আহি সংবাদ মাধ্যমৰ আগত এইদৰে মন্তব্য কৰে। তেওঁ আৰু কয় যে সত্ৰৰ ভূমিৰ প্ৰতি যাতে কোনেও চকু দিব নোৱাৰে তাৰ বাবে কঠোৰ আইন প্ৰণয়ন কৰি বেদখলকাৰীক শাস্তিৰে সত্ৰৰ ভূমি বেদখলৰ স্থায়ী সমাধান কৰিব লাগে। বিধানসভাৰ নৱনিৰ্বাচিত ১১ পৃষ্ঠাত চাওক



**অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম বৃদ্ধি**

## বোকাজানত প্ৰশাসনৰ টাস্ক ফৰ্চ গঠন

**দৈনিক অসমৰ বিশেষ প্ৰতিনিধি**
**বোকাজান, ২৩ মে'** ঃ অভাৱনীয় দাম বৃদ্ধিয়ে বিমোৰত পেলাইছে ৰাজ্যৰ সৰ্বসাধাৰণ লোকক। পেট্ৰ'ল, ডিজেল, গেছ, জীৱনদায়িনী ঔষধৰ লগতে বিশেষকৈ খাদ্য-সামগ্ৰীৰ অত্যধিক দাম বৃদ্ধি পাইছে। এই অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম নিৰীক্ষণ আৰু বজাৰৰ সুস্থিৰতা সন্দৰ্ভত অসম চৰকাৰৰ মুখ্য সচিবৰ অধ্যক্ষতাত সকলো জিলাৰ সৈতে অনুষ্ঠিত পৰ্যালোচনা বৈঠকৰ পাছত কাৰ্বি আংলং জিলাৰ বোকাজানতো বোকাজান ১১ পৃষ্ঠাত চাওক

**অস্তিত্বৰ সংকটত খিলঞ্জীয়া গৰু-ম'হ পালক, উচ্ছেদৰ দাবী**

## হাজোৰ দোকনীয়া ৰিজাৰ্ভত বেদখলকাৰীৰ দপ্‌দপনি

**দৈনিক অসমৰ প্ৰতিনিধি**
**হাজো, ২৩ মে'** ঃ হাজোৰ দোকনীয়া গ্ৰেজিং ৰিজাৰ্ভত পুনৰ বেদখলকাৰীৰ দপ্‌দপনি বৃদ্ধি পোৱাৰ লগতে থলুৱা খিলঞ্জীয়া গৰু-ম'হ পালকসকল অস্তিত্বৰ সংকটত পৰাৰ এক গুৰুতৰ অভিযোগ উত্থাপন হৈছে। অভিযোগ অনুসৰি ৰিজাৰ্ভৰ সংৰক্ষিত ভূমিত পৰম্পৰাগতভাৱে পশুপালন কৰি অহা খিলঞ্জীয়া লোকসকলক একাংশ সন্দেহযুক্ত নাগৰিকে ভয়-ভাবুকি দেখুৱাই খেদি পঠোৱাৰ চক্ৰান্ত ৰচনা কৰিছে। প্ৰাপ্ত তথ্য মতে শুৱালকুছি বাথানৰ হৰি দাস নামৰ এজন খিলঞ্জীয়া ম'হপালকে নিজৰ ম'হকেইটাক ১১ পৃষ্ঠাত চাওক

### দাম বৃদ্ধিক লৈ ৰাইজৰ দলৰ সংবাদমেল
## ইন্ধনৰ বৰ্দ্ধিত দামে হাহাকাৰ লগাইছে ঃ অখিল





**পেট্ৰ'ল-ডিজেল, ৰন্ধন গেছৰ কৰ হ্ৰাসৰ আহ্বান**

**দৈনিক অসমৰ বাতৰি**
**গুৱাহাটী, ২৩ মে'** ঃ ৰাজ্যৰ অৰ্থনৈতিক সংকট আৰু দাম বৃদ্ধিক লৈ বিজেপি চৰকাৰক সমালোচনা কৰিছে ৰাইজৰ দলে। দলৰ সভাপতি অখিল গগৈয়ে আজি মুখ্য কাৰ্যালয়ত সংবাদমেল সম্বোধন কৰি কয়— 'খাদ্য-সামগ্ৰীৰ আকাশলংঘী দাম বৃদ্ধিত সৰ্বসাধাৰণ লোক সাংঘাতিক বিপদৰ সন্মুখীন হৈছে। অন্যতো বাদেই, পইচা থাকিলেও এতিয়া চিলিণ্ডাৰ পাবলৈ নাই। যাৰ বাবে চাৰিওপিনে হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। আনকি ৩ হাজাৰ টকা পৰ্যন্ত দি মানুহে গেছ চিলিণ্ডাৰ কিনিব লগা হৈছে। ১১ পৃষ্ঠাত চাওক

### দাম বৃদ্ধি নিয়ন্ত্ৰণক লৈ তৎপৰতা
## টোল ফ্ৰী নম্বৰ মুকলি কৰিলে তিনিচুকীয়া জিলা প্ৰশাসনে

**দৈনিক অসমৰ প্ৰতিনিধি**
**তিনিচুকীয়া, ২৩ মে'** ঃ নিত্য-ব্যৱহাৰ্য খাদ্য-সামগ্ৰী, ৰন্ধন গেছ, ইন্ধন আদিৰ যাতে অভাৱনীয়ভাৱে দাম বৃদ্ধি হ'ব নোৱাৰে তাৰ বাবে তিনিচুকীয়া জিলা প্ৰশাসনৰ তৰফৰ পৰা যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিছে। ৰাইজৰ সুবিধাৰ কাৰণে জিলা প্ৰশাসনে ওজৰ-আপত্তি দাখিল কৰিবৰ বাবে ৬০২৬৯-০১১০৮ টোল ফ্ৰী নম্বৰটো মুকলি কৰিছে। উক্ত নম্বৰত দাম বৃদ্ধি সম্বন্ধীয় যিকোনো ওজৰ-আপত্তি জনসাধাৰণে প্ৰশাসনক জনাব পাৰিব আৰু প্ৰশাসনে তাৎক্ষণিকভাৱে ১১ পৃষ্ঠাত চাওক

### নাওবৈচাত নৈশ বাছ দুৰ্ঘটনাগ্ৰস্ত
## নিহত যুৱক, গুৰুতৰভাৱে আহত ১৩



**দৈনিক অসমৰ প্ৰতিনিধি**
**নাওবৈচা, ২৩ মে'** ঃ লখিমপুৰ জিলাৰ নাওবৈচা আৰক্ষী চকীৰ অধীনস্থ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দলহাট তিনিআলিৰ সমীপত আজি পুৱাই এক ভয়ংকৰ নৈশবাছ দুৰ্ঘটনা সংঘটিত হয়। ১১ পৃষ্ঠাত চাওক

## গোসাঁইগাঁও-গোলাঘাটত বজ্ৰ পৰি দুজনৰ মৃত্যু

**দৈনিক অসমৰ প্ৰতিনিধি**
**গোসাঁইগাঁও, ২৩ মে'** ঃকোকৰাঝাৰ জিলাৰ গোসাইগাঁৱত আজি পুৱা বজ্ৰ পৰি এজন ব্যক্তিৰ মৃত্যু হোৱাৰ লগতে এটা পশুধন নিহত হয়। মৃত ব্যক্তিজন মহকুমাটোৰ চন্দ্ৰপুৰ গাঁৱৰ বাসিন্দা ছিনান টুডু (৬৮) বুলি চিনাক্ত কৰা হৈছে। আজি পুৱাৰ ভাগত প্ৰচণ্ড ধুমুহা-বতাহ ১১ পৃষ্ঠাত চাওক

### ইম্ফলত পথ যোগাযোগ বন্ধ হৈ পৰাত হাহাকাৰ
## দুদিনৰ মূৰত নিৰাপদে উদ্ধাৰ ১৩২ এন চি চি কেডেটক

**দৈনিক অসমৰ বাতৰি**
**গুৱাহাটী, ২৩ মে'** ঃ যোৱা ১১ৰ পৰা ২০ মে'লৈ ইম্ফলত অনুষ্ঠিত উত্তৰ-পূৰ্বাঞ্চলীয় উৰণ শিবিৰত অংশগ্ৰহণ কৰিবলৈ যোৱা ৰাষ্ট্ৰীয় কেডেট কোৰ (এনচিচি) সদস্যসকল যোৱা দুদিন ধৰি পথ বন্ধ হৈ থকা বাবে আবদ্ধ হৈ পৰাৰ পাছত আজি এনচিচি উত্তৰ-পূৰ্বাঞ্চল সঞ্চালকালয়ে নিৰাপদে উদ্ধাৰ কৰি অসমলৈ ১১ পৃষ্ঠাত চাওক

**ঈদত গৰু কুৰ্বানী পৰিহাৰৰ আহ্বান ঈদগাহ, কবৰস্থান সমিতিৰ**



### প্ৰশংসনীয় উদাহৰণ আখ্যা মুখ্যমন্ত্ৰী ডঃ শৰ্মাৰ
## ৰাজ্যৰ সাম্প্ৰদায়িক সৌহাৰ্দ্য অধিক সুদৃঢ় কৰিব

**দৈনিক অসমৰ বাতৰি**
**গুৱাহাটী, ২৩ মে'** ঃ হোজাই, ধুবুৰী, উদাৰবন্দ, বঙাইগাঁও আৰু ৰাজ্যৰ অন্য কিছু ঠাইৰ ঈদগাহ আৰু কবৰস্থান সমিতিসমূহে সমাগত ঈদৰ সময়ত গৰু কুৰ্বানী পৰিহাৰ কৰিবলৈ জনোৱা আহ্বান ৰাজ্যৰ সামাজিক সম্প্ৰীতিৰ এক ইতিবাচক আৰু প্ৰশংসনীয় উদাহৰণ বুলি আজি মন্তব্য কৰিছে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। সামাজিক মাধ্যমত ডঃ শৰ্মাই কয়— সংখ্যাগৰিষ্ঠ সমাজৰ অনুভূতিৰ প্ৰতি সন্মান জনাই আইনগত ১১ পৃষ্ঠাত চাওক

### শিলভেটাত খাৱৈত বাগৰিল জিপ্‌ছী
## থিতাতে নিহত মহিলা, গুৰুতৰভাৱে আহত চাৰি

**দৈনিক অসমৰ প্ৰতিনিধি**
**বকলীয়াঘাট, ২৩ মে'** ঃ বকলীয়াঘাট থানাৰ অন্তৰ্গত শিলভেটাত আজি সংঘটিত এক পথ দুৰ্ঘটনাত এগৰাকী মহিলা থিতাতে নিহত হোৱাৰ লগতে আন চাৰিজন লোক গুৰুতৰভাৱে আহত হয়। প্ৰাপ্ত তথ্য অনুসৰি আজি দিনৰ প্ৰায় ১০.৩০ বজাত ডিফুৰ পৰা ডিচ'বাই অভিমুখে আহি থকা এন এল-০৭চিচি-০৮১১ নম্বৰৰ জিপ্‌ছী বাহনখন নিয়ন্ত্ৰণ ১১ পৃষ্ঠাত চাওক




### তদন্তকাৰীৰ গাফিলতিতে ব্যৰ্থ হ'ল জিম্মাত লোৱাত
## লাচিত দাসৰ ৫ কোটি টকাৰো অধিক মূল্যৰ সম্পত্তি জব্দ

**দৈনিক অসমৰ বাতৰি**
**গুৱাহাটী, ২৩ মে'** ঃ দুৰ্নীতিৰে সম্পত্তিৰ পাহাৰ গঢ়া, ধৃত জ্যেষ্ঠ এ চি এছ বিষয়া তথা অতিৰিক্ত ভূমিলেখ্য সঞ্চালক লাচিত কুমাৰ দাসৰ বাসগৃহৰ পৰা নগদ ধনৰ লগতে যোৱা দুদিনত কমেও পাঁচ কোটি টকা মূল্যৰ স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তি, নথিপত্ৰ জব্দ কৰা হৈছে। যোৱা ২১ মে'ত গ্ৰেপ্তাৰ কৰা দুৰ্নীতিগ্ৰস্ত বিষয়াজনৰ ঘৰৰ পৰা বৃহস্পতিবাৰে ৪৮.৩৮ লাখ নগদ টকা জব্দ কৰাৰ পাছত শুকুৰবাৰে নিশাও তদাৰকী আৰু দুৰ্নীতি নিবাৰক সঞ্চালকালয়ৰ বিষয়াই তেওঁৰ আন এটা ঘৰৰ পৰা ১ কোটি ১১ পৃষ্ঠাত চাওক

**ৰহা, হোজাই গুৱাহাটীৰ একাধিক স্থানত ঘৰ-মাটি ঃ নগদ ধন ১.৬৭ কোটি টকা**



## ৰহস্য ভেদ হোৱা নাই ঢোলমাৰা কাণ্ডৰ

**দৈনিক অসমৰ প্ৰতিনিধি**
**কোকৰাঝাৰ, ২৩ মে'** ঃ কোকৰাঝাৰ জিলাৰ ঢোলমাৰাৰ লালকুৰা গাঁৱত যোৱা ২১ মে'ত দুগৰাকী ছাত্ৰীৰ ৰহস্যজনক মৃত্যুৰ ঘটনাই জোকাৰি গৈছে সমগ্ৰ ৰাজ্য। ঘটনাৰ ৪৮ ঘণ্টা উকলি গ'ল যদিও ১১ পৃষ্ঠাত চাওক

**ভুক্তভোগী পৰিয়ালৰ কাষত বিধায়ক ধীৰাজ গোৱালা**

**এই আয়োজনে সভাক এটি নতুন মাত্ৰা প্ৰদান কৰিব ঃ ডঃ বসন্তকুমাৰ গোস্বামী**

## গুৱাহাটীত অসম সাহিত্য সভাৰ লেখক শিবিৰ আৰম্ভ

### বানানৰ প্ৰতি আমি সকলোৱেই অৱহেলা কৰোঁ ঃ ডঃ সমুদ্ৰগুপ্ত কাশ্যপ

**দৈনিক অসমৰ বাতৰি**
**গুৱাহাটী, ২৩ মে'** ঃ অসম সাহিত্য সভাৰ উদ্যোগত আজিৰে পৰা ব্যাপক উৎসাহ-উদ্দীপনাৰে দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে গুৱাহাটীৰ ভগৱতীপ্ৰসাদ বৰুৱা ভৱনত দ্বিতীয় লেখক শিবিৰ আৰম্ভ হৈছে। ৰাজ্যখনৰ ভিন্নপ্ৰান্তৰ পৰা অহা ন-পুৰণি সাহিত্যিকসকলৰ অংশগ্ৰহণেৰে অনুষ্ঠিত এই লেখক শিবিৰ আজি পুৱা সভাৰ সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামীয়ে পতাকা উত্তোলনেৰে আৰু আদৰণী সমিতিৰ কাৰ্যকৰী সভাপতি প্ৰশান্ত শইকীয়াই স্মৃতি তৰ্পণেৰে শুভাৰম্ভ কৰে। পতাকা উত্তোলন কৰি দিয়া ভাষণত সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামীয়ে কয়— 'লেখক শিবিৰৰ আয়োজনে অসম ১১ পৃষ্ঠাত চাওক




## ডিব্ৰুগড়ৰ সামাজিক পৰিৱেশক প্ৰভাৱিত কৰিছে ড্ৰাগ্‌ছে

**অচেতন অৱস্থাত উদ্ধাৰ আসক্ত যুৱক**

**দৈনিক অসমৰ প্ৰতিনিধি**
**ডিব্ৰুগড়, ২৩ মে'** ঃ 'ড্ৰাগ্‌ছমুক্ত অসম' গঢ়াৰ লক্ষ্যৰে ৰাজ্য চৰকাৰ আৰু আৰক্ষী প্ৰশাসনে অবিৰত অভিযান চলাই থকাৰ সময়তে ডিব্ৰুগড় মহানগৰত পুনৰ এবাৰ পোহৰলৈ আহিল ড্ৰাগ্‌ছৰ ভয়ংকৰ ১১ পৃষ্ঠাত চাওক


প্ৰ-পত্ৰ নং- ৩
[নিয়মাৱলী-১৩(১)(ক) চাওক]
**ঋণ আদায়কাৰী ন্যায়াধিকৰণ**
**গুৱাহাটী**
সুৱৰ্ণ ভৱন, গৃহ নং ১২,
নিউ টাউন পথ, হনুমান মন্দিৰৰ সমীপত,
জি এছ ৰোড, উলুবাৰী, গুৱাহাটী - ৭৮১০০৭ (অসম)

গোচৰ নং ঃ অ'এ/৬২৩/২০২৫
**আইনৰ ধাৰা ১৯ৰ উপ-ধাৰা (৪) তথা ঋণ আদায়কাৰী ন্যায়াধিকৰণ (প্ৰক্ৰিয়া) বিধি ১৯৯৩ৰ বিধি ৫ৰ উপ-বিধি (২ক)ৰ অধীনত চমন**

এক্স নং ঃ ৫৯৬৪
**এইচডিএফচি বেংক লিমিটেড**
- বনাম -
**মেছাৰ্ছ বড়োলেণ্ড ৰোডৱেজ আৰু অন্যান্য**

প্ৰতি,
**(১) মেছাৰ্ছ বড়োলেণ্ড ৰোডৱেজ (ডি নং-১),** এটা অংশীদাৰী প্ৰতিষ্ঠান, লতা গাঁও, তাৰংগুৰি, বিশাল মেগা মাৰ্টৰ কাষত, কোকৰাঝাৰ, অসম-৭৮৩৩৭৬।
**(২) হিৰণ্য কুমাৰ দৈমাৰী (ডি নং-২),** পিতাঃ মন্টুৰাম দৈমাৰী, গাঁও- তাৰংগুৰি, ডাকঃ হল্টুগাঁও, থানা আৰু জিলাঃ কোকৰাঝাৰ, বিটিআৰ, অসম।
**(৩) স্বমাওছাৰ দৈমাৰী (ডি নং-৩),** পিতাঃ বব্ৰুবাহন দৈমাৰী, গাঁও- তাৰংগুৰি, ডাকঃ হল্টুগাঁও, থানা আৰু জিলাঃ কোকৰাঝাৰ, বিটিআৰ, অসম।
**(৪) স্বমকুৰ পাটগিৰি (ডি নং-৫),** পিতাঃ গুৰুগোবিন্দ পাটগিৰি, গাঁও- ফুক্ৰাগাঁও, ডাকঃ দোলাগাঁও, থানা আৰু জিলাঃ কোকৰাঝাৰ, বিটিআৰ, অসম।

**চমন**
যিহেতু **অ'এ/৬২৩/২০২৫** মাননীয় প্ৰিজাইডিং বিষয়া/পঞ্জীয়কৰ ওচৰত ২৫/০৩/২০২৬ত তালিকাভুক্ত কৰা হৈছিল।
যিহেতু এই মহামান্য আদালতে আপোনাৰ বিৰুদ্ধে ঋণ হিচাপে থকা ৭২৭৯৭২৯.২০/-টকা আদায় কৰাৰ বাবে আইনৰ ধাৰা ১৯(৪)ৰ অধীনত দাখিল কৰা উক্ত আবেদন (অ'এ)ৰ ভিত্তিত এই মহামান্য ন্যায়াধিকৰণে চমন/জাননী জাৰি কৰিছে। (আৱেদনৰ সৈতে নথিৰ প্ৰতিলিপি আদি সংলগ্নিত)
আইনৰ ধাৰা ১৯ৰ উপ-ধাৰা(৪) অনুসৰণ কৰি বিবাদী হিচাপে আপোনাক তলত দিয়া ধৰণে নিৰ্দেশ দিয়া হয় ঃ-
(১) কিয় প্ৰাৰ্থনা কৰা সকাহ গ্ৰাহ্য কৰা নহ'ব সেই সম্পৰ্কে চমন সেৱা/সেয়া প্ৰকাশৰ ত্ৰিশ দিনৰ ভিতৰত কাৰণ দৰ্শাবলৈ;
(২) মূল আবেদনৰ ক্ৰমিক নম্বৰ ৩কৰ অধীনত প্ৰকাশ কৰা সম্পত্তিবোৰ অথবা সম্পদবোৰৰ ব্যতিৰেকে কোনো সম্পত্তিবোৰ বা সম্পদবোৰৰ বিষয়ে প্ৰকাশ।
(৩) মূল আবেদনৰ ক্ৰমিক নম্বৰ ৩কৰ অধীনত সম্পদ আৰু সম্পত্তিসমূহৰ ব্যতিৰেকে কোনো সাধাৰণ ব্যৱসায়িক কাৰ্যক্ৰমণিকাৰ বাহিৰে আন সম্পদ আৰু সম্পত্তিৰ লেনদেন কৰাত আপোনাক বাৰণ কৰা হৈছে, শুনানি স্থগিত আৰু সম্পত্তি চামিলকৰণৰ বাবে আবেদন মীমাংসিত;
(৪) ন্যায়াধিকৰণৰ পূৰ্বলিখিত অনুমতি অবিহনে ক্ৰমিক নম্বৰ ৩কৰ অধীনত থকা মূল আবেদনত উল্লেখ কৰা সম্পদ আৰু সম্পত্তিসমূহৰ প্ৰতিভূতি স্বাৰ্থ সৃষ্টি কৰা হৈছে, সেয়ে ইয়াক সাধাৰণ ব্যৱসায়িক কামৰ বাহিৰে অন্য প্ৰকাৰে বিক্ৰী, লীজ বা আন ধৰণে হস্তান্তৰ কৰাত আপোনাক বাৰণ কৰা হৈছে;
(৫) সাধাৰণ ব্যৱসায়িক কামৰ বাহিৰে প্ৰতিভূতি সম্পদ আৰু আন সম্পদ তথা সম্পত্তিসমূহ বিক্ৰী প্ৰক্ৰিয়াপ্ৰাপ্ত একাউণ্টৰ বাবে আপুনি দায়বদ্ধ থাকিব আৰু তেনে একাউণ্টৰ সম্পত্তিসমূহ-সম্পদৰ প্ৰতিভূতি সুত বেংক একাউণ্ট বা বিত্তীয় প্ৰতিষ্ঠানত জমা দিব লাগিব।
আপোনাক লিখিত বিবৃতি আৰু তাৰ প্ৰতিলিপি আবেদনকাৰীক দিবলৈ আৰু পঞ্জীয়কৰ ওচৰত **০১/০৬/২০২৬ৰ দিনৰ ১০.৩০ বজাত** হাজিৰ হ'বলৈ জনোৱা হ'ল, অন্যথা আবেদনৰ শুনানি গ্ৰহণ কৰা হ'ব আৰু আপোনাৰ অনুপস্থিতিত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব।
মোৰ হাতেৰে আৰু এই ন্যায়াধিকৰণৰ মোহৰেৰে ২৬/০৩/২০২৬ তাৰিখে প্ৰদান কৰা হ'ল।
**স্বাক্ষৰ/- পঞ্জীয়ক**
**ঋণ পুনৰুদ্ধাৰ ন্যায়াধিকৰণ, গুৱাহাটী**



**আ**জৰি সময় অথবা অলস আবেলি একোটাত বহুবাৰ শ্ৰেষ্ঠ অসমীয়া পাঁচজন বা দহজন ঔপন্যাসিকৰ নাম ভাবি উলিয়াবলৈ যত্ন কৰিছোঁ। কোন সেই দহজন শ্ৰেষ্ঠ অসমীয়া ঔপন্যাসিক? ইন্দিৰা গোস্বামী,... দেৱেন্দ্ৰনাথ



▷▶ হৰ্ষজিৎ কলিতা

# কাহিনীৰ সিপাৰে...

দেখা গৈছে, শেহতীয়াকৈ অসমীয়া সাহিত্যত কেৱল ইতিহাসভিত্তিক উপন্যাস লিখাৰ এক জোৱাৰ আহিছে! ইতিহাসৰ নিৰ্দিষ্ট ঘটনাপঞ্জীৰ আওতাত কিছুমান চৰিত্ৰৰ নিৰ্মাণ-বিনিৰ্মাণক লৈ লিখি থকা ঐতিহাসিক উপন্যাসে শুদ্ধকৈ ইতিহাসক তুলি ধৰিলে এটা জাতিৰ ঐতিহাসিক বিমোচনৰ বাট মুকলি হ'ব বুলি একে আষাৰে ক'ব পাৰি; কিন্তু এইধৰণৰ উপন্যাস পলায়নৰ বাট হ'ব নোৱাৰে!

আচাৰ্য, বীৰেন ভট্ট, আব্দুল মালিক, উমাকান্ত শৰ্মা... তাৰ পিছত? সলনা-সলনি হৈ থকা তালিকাখনৰ তলে-ওপৰে সোমাই পৰে নতুন নাম, মনতেই প্ৰশ্ন জাগে— নতুন প্ৰজন্মৰ কোন আছে? নিঃসন্দেহে তলৰফালে নতুন প্ৰজন্মৰ দুই-এটা নামে ভিৰ কৰে মনৰ পদূলিত। মাজে মাজে ভাব হয়, অসমীয়া নামৰ সৰু ভাষা এটাৰ পৰাই যোৱা সময়খিনিত কিমান যে মহৎ সাহিত্য সৃষ্টি হৈছে! কিমান যে নতুন পোহৰত নতুন দিনৰ দিনলিপি লিখি অসমীয়া সাহিত্যই আজি এক বৃহৎ ৰূপ পৰিগ্ৰহ কৰিছে! সেয়া নিঃসন্দেহে আমাৰ দৰে এটা ক্ষুদ্ৰ পৰিসৰৰ ভাষাৰ বাবে গৌৰৱ আৰু আশাৰেই থল নহয় জানো?



আজৰি পৰৰ কাম হিচাপে অসমীয়া আৰু বিশ্ব সাহিত্যত অনেক গল্প-উপন্যাসৰ ঘটনা-পৰিঘটনাৰ চিনাকি-অচিনাকি অনেক পাঠ মথি কোনোবাখিনিত ভাব হয়— আমি অসমীয়া উপন্যাসৰ পাঠক হিচাপে যোৱা কেইটামান বছৰত আমি নিৰ্দিষ্ট একধৰণৰ শৈলীত আবদ্ধ হৈ পৰিলোঁ নেকি? আমি সেই শৈলীৰ পৰা দূৰত অৱস্থান কৰিলেই উপন্যাস-গল্প পঢ়িবলৈ অপাৰগ নেকি? অনিয়মীয়াকৈ উপন্যাসৰ পঢ়ুৱৈসকলৰ কথা বাদ দিও নিয়মীয়া পঢ়ুৱৈসকলেই নতুন বস্তু হজম কৰিবলৈ কিমান সাজু? ভাব হয়, আজিৰ তাৰিখত মাৰ্কেজ,বৰ্হেছজাতীয় লেখকে অসমীয়া ভাষাত লিখিবলৈ ল'লে তেওঁলোকৰ সৃষ্টিৰ বজাৰ মূল্য খুবেই কম হৈ পৰাৰ সম্ভাৱনা আছে। অধিকসংখ্যক অসমীয়া পাঠকে এতিয়াও এইধৰণৰ লেখকৰ সৃষ্টিক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সমাদৃত বুলি নাইবা বঁটা পাইছে বাবে মহৎ সৃষ্টিজাতীয় এক তাড়নাতহে পঢ়ে যেন ভাব হয়। মহৎ সৃষ্টিক ধৰা পেলোৱাৰ স্বতঃস্ফূৰ্ত প্ৰতিভা অথবা নতুন ধাৰণাৰ হজম, বদহজমজাতীয় বিষয়ত আমাৰ পঢ়ুৱৈ সমাজ কিমান সিদ্ধহস্ত, সেয়া সন্দেহৰ আৱৰ্তত।

দেখা গৈছে, শেহতীয়াকৈ অসমীয়া সাহিত্যত কেৱল ইতিহাসভিত্তিক উপন্যাস লিখাৰ এক জোৱাৰ আহিছে! ইতিহাসৰ নিৰ্দিষ্ট ঘটনাপঞ্জীৰ আওতাত কিছুমান চৰিত্ৰৰ নিৰ্মাণ-বিনিৰ্মাণক লৈ লিখি থকা ঐতিহাসিক উপন্যাসে শুদ্ধকৈ ইতিহাসক তুলি ধৰিলে এটা জাতিৰ ঐতিহাসিক বিমোচনৰ বাট মুকলি হ'ব বুলি একে আষাৰে ক'ব পাৰি; কিন্তু এইধৰণৰ উপন্যাস পলায়নৰ বাট হ'ব নোৱাৰে! কাহিনীসজ্জা অৱগত কাৰণেই ঐতিহাসিক উপন্যাস আজিৰ প্ৰেক্ষাপটত উজু সাহিত্য সৃষ্টিৰ প্ৰলোভন হোৱাটো উচিত নহয়। বংগত শাহজাদ ফিৰদৌচিৰ 'ব্যাস'ৰ দৰে সৃষ্টিৰ দৃষ্টি অথবা দক্ষিণত আনন্দ নীলকণ্ঠন আৰু আমিশ ত্ৰিপাঠীৰ ঐতিহাসিক উপন্যাসত বৰ্তমান, ভৱিষ্যতৰ স'তে সংযুক্ত কৰিবলৈ ব্যৱহাৰ কৰা দাৰ্শনিক টিপ্পনী আদি নিঃসন্দেহে প্ৰণিধানযোগ্য। আনকি ইতিহাসক কেন্দ্ৰীয় বিষয় হিচাপে নলৈও কেৱল পটভূমিৰ চাকচিক্যৰে ব্যৱহাৰ কৰা আমাৰ অন্যতম প্ৰিয় লেখক অৰহান পামুকৰ লেখাত ইষ্টানবুল চহৰক কেন্দ্ৰ কৰি গঢ়ি উঠা অনন্য বিৰল ঐতিহাসিক চেতনা, অমিতাভ ঘোষৰ মাজত দেখা পোৱা ইতিহাস আৰু ভৱিষ্যৎ চেতনাৰ সূক্ষ্মতম ব্যংগৰ শ্ৰেষ্ঠতম প্ৰকৰণ আদিৰ দৰে বিষয়ৰ বিকাশো নিঃসন্দেহে আমি অসমীয়া ভাষাৰ ঐতিহাসিক উপন্যাসৰ মাজত বিচাৰোঁ। কিন্তু কোনোবাখিনিত ভাব হয় যে আমাৰ শেহতীয়া উপন্যাসৰ মাজত ঐতিহাসিক প্ৰৱাহক অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ সেতু হিচাপে নিৰ্মাণ কৰি নিৰ্মাণ-বিনিৰ্মাণেৰে মহৎ সাহিত্যৰ পৰ্যায়লৈ নিয়াত বেছিভাগ লেখকেই অক্ষম। যোৱাটো শতিকাত মেদিনী চৌধুৰী, নৱকান্ত বৰুৱা, দেৱেন্দ্ৰ নাথ আচাৰ্য আৰু ত্ৰৈলোক্য ভট্টাচাৰ্য; এই শতিকাত ৰীতা চৌধুৰী, চন্দনা গোস্বামী, পূৰৱী বৰমুদৈৰ মাজত দেখা ঐতিহাসিক চেতনা, মৃদুল শৰ্মাৰ 'তেজীমলাৰ মাকৰ সাধু' আৰু 'লুপ্তকথা'ৰ বিস্মৃত ইতিহাসক লৈ কৰা সম্পৰীক্ষণ অসমীয়া ঐতিহাসিক উপন্যাসৰ নতুন বাট উন্মোচনৰ বাবে মাইলৰ খুঁটি হ'ব পাৰে।

তেনেস্থলত ভাব হয় যে অসমীয়া সাহিত্যত সম্প্ৰতি বিষয় অথবা সমলৰ অভাৱ নেকি? সৰহসংখ্যক নবীন লেখকে ঐতিহাসিক বিষয়ক চৰ্বিত-চৰ্বণৰ ৰূপত আধাৰ হিচাপে ল'বলৈ ইচ্ছা কৰাৰ পৰত কোনোবাখিনিত এয়া এক সফল সাহিত্যৰ বাবে নিৰাপদ বিষয় হৈ পৰিছে নেকি? এই মুহূৰ্তত আমাৰ সাহিত্যত সম্ভৱনে এখন উন্নত পৰ্যায়ৰ ডিছটোপিয়ান উপন্যাস? ক'ৰ'না অতিমাৰী জৰ্জৰিত অসমীয়া গ্ৰাম্য, অৰ্দ্ধ নগৰীয় পটভূমিত সমাজ-বাস্তৱ-ভৱিষ্যতক নতুন দৃষ্টিৰে চাব পৰা গল্প-উপন্যাস? 'কা' আন্দোলনে জোকাৰি যোৱা সংকটকালত জাতিৰ ভৱিষ্যতক লৈ লিখি উলিওৱা ফেণ্টাছী, বাস্তৱ আৰু অতীতবিষয়ক উপন্যাস? লক্ষ্মীনন্দন বৰাৰ 'কায়কল্প' ৰচনাৰ দুই দশকৰ পাছতো সমপৰ্যায়ৰ কৌতূহলোদ্দীপক, মননশীল বিজ্ঞানভিত্তিক কল্পকাহিনী কিমান সৃষ্টি হ'ল? ঔপন্যাসিক মামণি ৰয়ছম গোস্বামীয়ে কৈছিল যে অসমত লেখকৰ বাবে সমল বা কাহিনীৰ অভাৱ নাই, যদি কোনোবাই সমল বা কাহিনীৰ অভাৱ বুলিও ভাবে, তেন্তে সেয়া বিশ্বাস কৰিব নোৱাৰি। চাৰিওফালে অসূয়া-অপ্ৰীতি, সংঘৰ্ষ-শান্তি, প্ৰেম-বিৰহৰ মাজত চপলা পাহাৰ-পৰ্বতে বেৰি ধৰা উপলা অসমখনৰ কাহিনীৰ বৰপেৰাটো কেতিয়াও খালী নহ'ব!

মনত পৰিছে প্ৰাসংগিক আন এটা কথা। কেইবছৰমান আগতে গ্ৰন্থমেলাৰ বতৰত এজন বাছ চালকৰ আত্মজীৱনীমূলক উপন্যাস (নে উপন্যাসোপম গাথা?) প্ৰকাশ হৈছিল। স্বাভাৱিকতেই ফেচবুকত জনপ্ৰিয় হৈ উঠা উপন্যাসখন গ্ৰন্থ আকাৰে প্ৰকাশ হোৱাৰ পৰত অসমীয়া পাঠক সমাজৰ নিয়মীয়া আৰু অনিয়মীয়া গোটটোৰ অনেকে বাৰুকৈয়ে আদৰি লৈছিল উপন্যাসখন। আকৌ সামাজিক মাধ্যমত এই গ্ৰন্থখনক লৈ প্ৰবল আলোচনাও চলিছিল। এই গ্ৰন্থখনৰ শিল্পমূল্য আদি বিষয়ক লৈ চলি থকা সমূহ আলোচনাৰ মৰ্ম ভেদি অনুভৱ কৰিছিলোঁ যে এজন বাছ চালকৰ জীৱনৰ কথাবোৰ সদৌ শেষত এজন বাছ চালকেই ক'ব লাগিব। মাজে-সময়ে যাত্ৰী হ'বলৈ আহৰি পোৱা আমাৰ কাৰণে অগোচৰ সেই গল্পবোৰে প্ৰাৰম্ভিকতে মহৎ সাহিত্যৰ জোখৰ শিল্পমূল্য দাবী নকৰিলেও তেনেকুৱা এজন বৃত্তৰ বাহিৰৰ লেখকৰ প্ৰথম, অনভিজ্ঞ, অদক্ষ খোজক অসমীয়া সাহিত্যই আদৰি লোৱাৰ দুঃসাহস কৰিবনে? অন্ততঃ নতুন বিষয়ৰ সাহিত্য সৃষ্টি হোৱাৰ দুৰ্বাৰ লোভত!

ফোন ঃ ৯১০১৫৪৫২৯৫




ত্ৰিভুজ

দীপাংকৰ কৌশিক

# ট্ৰায়োণ্ডা, ব্ৰাজুকা ইত্যাদি

**ট্ৰা**য়োণ্ডা— এইকেইদিন বৰ বিশেষ চৰ্চাত নাই। ১১ জুনৰপৰা কিন্তু সকলোৰে মুখে মুখে হ'ব নামটো। এইটো হৈছে সমাগত ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ অফিচিয়েল মেচ বল। এডিডাছ কোম্পানীয়ে প্ৰস্তুত কৰি উলিয়াইছে এই বলটো। বলটোত মেপল গছৰ পাতৰ সৈতে থকা ৰঙা ৰংটোৱে কানাডাক প্ৰতিনিধিত্ব কৰিছে। সোণালী ঈগলৰ সৈতে থকা সেউজীয়া ৰংটোৱে মেক্সিকোক আৰু পাঁচটা তৰাযুক্ত নীলা ৰঙে আমেৰিকা যুক্তৰাজ্যক বুজাইছে। বলটোৰ নামৰ লগতো আয়োজক দেশ তিনিখন সংযুক্ত হৈ আছে। ইংৰাজী, ফৰাচী আৰু স্পেনিছত ট্ৰাই মানে তিনি। আকৌ স্পেনিছত অ'ণ্ডা মানে ঢৌ।

> বিশ্বকাপ ফুটবলত কেতিয়াও খেলাৰ যোগ্যতা অৰ্জন নকৰা পাকিস্তানৰ শিয়ালকোটত থকা ফৰৱাৰ্ড স্প'ৰ্টছ নামৰ কোম্পানীটোৱে এডিডাছৰ সৈতে মিলি বিশ্বকাপৰ মেচবলবোৰ প্ৰস্তুত কৰে। ১৯৯১ চনত খাজা মাছুদ আখতাৰ নামৰ লোকজনে আৰম্ভ কৰা ফৰৱাৰ্ড স্প'ৰ্টছৰ সৈতে এডিডাছৰ মিত্ৰতা হয় ১৯৯৪ চনত...

অৰ্থাৎ ট্ৰায়োণ্ডাৰ অৰ্থ হৈছে তিনিটা ঢৌ। সেই তিনিটাই আয়োজক দেশ তিনিখনকে বুজাইছে। এই বিশ্বকাপৰ বলটোৰ সৈতে পাকিস্তানো জড়িত হৈ আছে। হয়, আচৰিত যেন লাগিলেও সঁচা। বিশ্বকাপ ফুটবলত কেতিয়াও খেলাৰ যোগ্যতা অৰ্জন নকৰা পাকিস্তানৰ শিয়ালকোটত থকা ফৰৱাৰ্ড স্প'ৰ্টছ নামৰ কোম্পানীটোৱে এডিডাছৰ সৈতে মিলি বিশ্বকাপৰ মেচবলবোৰ প্ৰস্তুত কৰে। ১৯৯১ চনত খাজা মাছুদ আখতাৰ নামৰ লোকজনে আৰম্ভ কৰা ফৰৱাৰ্ড স্প'ৰ্টছৰ সৈতে এডিডাছৰ মিত্ৰতা হয় ১৯৯৪ চনত। তেতিয়াৰেপৰা বহুকেইখন আন্তঃৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ বাবে এই কোম্পানীটোৱে এডিডাছৰ হৈ বল যোগান ধৰি আহিছে। তাৰ ভিতৰত উৱেফা চেম্পিয়ন্‌ছ লীগ আৰু ফিফা বিশ্বকাপ অন্যতম। ২০১৪ চনৰ বিশ্বকাপৰ মেচবল ব্ৰাজুকা, ২০১৮ৰ টেলষ্টাৰ ১৮, ২০২২ৰ অল ৰিহালা আৰু এইবাৰ ট্ৰায়োণ্ডা প্ৰস্তুতৰ ক্ষেত্ৰত এডিডাছৰ সৈতে হাত মিলাইছে পাক কোম্পানীটোৱে। বিশেষ প্ৰযুক্তি ব্যৱহাৰ কৰি প্ৰস্তুত কৰা এই বলটোও বিশ্বকাপৰ তাৰকাসকলৰ দৰেই এতিয়া চৰ্চিত হৈ পৰিছে।

**এ**কেখন উশাহৰ নৈতে উটি-ভাহি থাকোঁ আমি। মই, তুমি, আপুনি অথবা এনেদৰে ক'ব পৰি নাৰী-পুৰুষ সকলোৱে। সুখ-দুখবোৰ একেই সকলোৰে; মাথোঁ অনুভৱৰ তাৰতম্যতা থাকে। হয়তো আহাৰ-বিহাৰ, পৰিৱেশৰ বৈপৰীত্যই আৱেগ কিদৰে নিয়ন্ত্ৰণ কৰিব তাক শিকাই দিয়ে অজানিতে। চাওকচোন যদুবংশীয় ৰজা সুৰসেনৰ ঔৰসজাত ৰজা কুন্তীভোজৰ পালিতা কন্যা আদৰ্শ, জ্ঞান, দায়বদ্ধতা, সেৱাভাবসম্পন্না কুন্তীয়েনো চিৰজীৱন নিঃসংগতাৰ বোজা কঢ়িয়াব লাগেনে?

দায়িত্বশীলা কুন্তীৰ হাতত পালক পিতৃ কুন্তীভোজে অৰ্পণ কৰিছিল ৰাজধৰ্মৰ অন্যতম দায়িত্ব অতিথি সেৱাৰ। সেইমৰ্মে এদিনাখন পৰম জ্ঞানী, বেদজ্ঞ, দিব্যজ্ঞানসম্পন্ন, কিন্তু অতি ক্ৰোধী ঋষি দুৰ্বাসাৰ সেৱাৰ দায়িত্ব কুন্তীৰ হাতত পৰিল। সেৱাভাবসম্পন্না বিবেকী কুন্তীয়ে সুচাৰুৰূপে দায়িত্ব পালন কৰি স্ব-গুণেৰে ঋষিৰ মন আপ্লুত কৰিলে। আৰু সেৱাৰ



ডঃ বিনীতা পাঠক

# আশীৰ্বাদো কেতিয়াবা অভিশাপ হয়



প্ৰতিদানস্বৰূপে ঋষি দুৰ্বাসাই কুন্তীক এক অলৌকিক মন্ত্ৰ বৰৰূপে প্ৰদান কৰিলে। সেই বৰ অনুসৰি কুন্তীয়ে সেই মন্ত্ৰৰ জৰিয়তে যিকোনো দেৱতাক আৱাহন কৰিব পাৰিব আৰু সেই দেৱতা তেওঁৰ সন্মুখত উপস্থিত হ'ব তথা উত্তম পুত্ৰ প্ৰদান কৰিব। প্ৰাতঃযৌৱনা কুন্তীয়ে কৌতূহলবশতঃ ঋষিৰ বৰৰ প্ৰামাণিকীকৰণৰ অৰ্থে সূৰ্যদেৱতাক আৱাহন কৰিলে। কুন্তীক আচৰিত কৰি সূৰ্যদেৱ তেওঁৰ সন্মুখত উপস্থিত হ'ল। নিজৰ ভুল বুজিব পাৰি কুন্তীয়ে দেৱতাক স্ব-স্থানলৈ পুনৰ উভতি যাবলৈ অনুৰোধ কৰিলে। কিন্তু দিব্য ঋষিৰ বৰ জানো অথলে যাব; অভীষ্ট সাধন হ'ল। কুন্তীয়ে সূৰ্যৰ তেজস্বিতাযুক্ত প্ৰথম পুত্ৰ সন্তানৰ মাতৃ হ'ল। যদিও মাতৃত্ব লাভ নাৰীৰ জীৱনৰ অনন্য সুন্দৰ অনুভূতি, কিন্তু লোকলজ্জা আৰু মৰ্যাদা হনন ব্যক্তিজীৱনৰ প্ৰবল ভয়। প্ৰতিজন ব্যক্তিয়ে সকলোতকৈ আগতে নিজকে ভাল পায়। সেই ভালপোৱাই ব্যাপকতা লাভ কৰি আনকো ভাল পাবলৈ শিকায়। সেই আনগৰাকীয়ে ব্যক্তিজনৰ জীৱনত পূৰ্ণতা বা প্ৰাপ্তিৰ আনন্দ সিঁচি দিয়ে। দৰাচলতে সেই ভালপোৱা ব্যাপক হৈয়ো আত্মকেন্দ্ৰিক। কিন্তু প্ৰথম সন্তানৰ আগমনে কুন্তীৰ জীৱনত নিজৰ ব্যক্তিত্বৰ শুভ দিশটোৰ বিলুপ্তি ঘটাব বুলি ভাবিলে। শুভৰ বিনাশেই একপ্ৰকাৰৰ সংকোচন। সংকোচনে চিৰদিন হীনমন্যতাৰ সৃষ্টি কৰে। হয়তো সেই ভয়ে কুন্তীক বাধ্য কৰালে প্ৰথম সন্তানটিক নৈৰ বুকুত উটুৱাই দিবলৈ। সকলো ভুলতে হয়তো চাৰিত্ৰিক স্খলন নাথাকে; হয়তো নজনা-নুবুজা এক কৌতূহলৰ বশৱৰ্তী হৈয়ো কেতিয়াবা ভুলক প্ৰশ্ৰয় দিয়া যায়। কিন্তু নিশ্চিতভাৱে ভুলৰ ক্ষতিপূৰণ মানুহে কেনেবাকৈ হ'লেও দিবলগীয়া হয়। অৱশ্যে বহু সময়ত লোকচক্ষুৰ আঁৰত বুকুত এক বোজা কঢ়িয়ায় নতুবা যন্ত্ৰণাময় জীৱনৰ গতি-প্ৰৱাহত ছটফটায়। সেইবাবেই হয়তো বহু সময়ত মানুহে জীৱনৰ অন্তিম বেলাত ভুল স্বীকাৰ কৰি মুক্তিৰ বাট বিচাৰে। নহ'লেনো যৌৱনৰ আদিবেলাত কৌতূহলবশতঃ কৰা এটি ভুলৰ স্বীকাৰ জীৱনৰ অপৰাহ্ণ বেলাত কুন্তীয়ে ব্যাসদেৱৰ সন্মুখত কৰিলেহেঁতেননে? সেইবাবেই হয়তো কোৱা হয় চিৰমুক্তিৰ বাবে চিৰদিন নিৰ্ভেজাল আত্মসমৰ্পণৰ প্ৰয়োজন। যিদৰে দ্ৰৌপদীক ৰাজ সভাসদৰ সন্মুখত অপমান কৰোঁতে প্ৰথমে দ্ৰৌপদীয়ে নিজক ৰক্ষা কৰাৰ সকলো প্ৰয়াস নিজেই কৰি ভাগৰি পৰাত অৱশেষত সখা কেশৱৰ হাতত সম্পূৰ্ণ আত্মসমৰ্পণেৰে সেই দায়িত্ব অৰ্পণ কৰে। সেই সময়ত দ্ৰৌপদীয়ে নিজৰ লজ্জা নিবাৰণৰ দায়িত্বও সখাৰ হাতত অৰ্পণ কৰি পূৰ্ণ ৰূপত আত্মসমৰ্পণ কৰিলে ঈশ্বৰতেই। শ্ৰীঅৰবিন্দৰ এষাৰ বাক্য এইক্ষেত্ৰতেই মনত পৰে— None can reach heaven who has not passed through hell. পঞ্চপাণ্ডৱৰ পত্নী, ৰাজকুলজাত, অগ্নিৰ কন্যা, ৰাজকুলবধূ এগৰাকীয়ে ৰাজসভাৰ সমগ্ৰ আত্মীয়, সভাসদবৰ্গৰ সন্মুখত নিজ লজ্জা নিবাৰণৰ প্ৰয়াস কৰিবলগীয়া হোৱাটো নৰক ভোগতকৈ কোনোগুণে কম হ'ব নোৱাৰে। কিন্তু এই নৰক-যন্ত্ৰণাক অতিক্ৰম কৰিয়েই ঈশ্বৰৰ কৃপা লাভ কৰিছে যাজ্ঞসেনীয়ে।

কুন্তীয়েও জীৱনৰ বিভিন্ন পৰ্যায়ত বিভিন্ন যন্ত্ৰণাৰ মুখামুখি হৈছিল। জীৱন বিচিত্ৰ বিবাহৰ পৰৱৰ্তী সময়ত স্বামীৰ আজ্ঞানুসৰি কুন্তীয়ে পুনৰ সন্তান লাভৰ বাবে মন্ত্ৰৰ জৰিয়তে দেৱতাক আৱাহন কৰিবলগীয়া হ'ল। এইবাৰ কিন্তু মৰ্যাদাৰ হনন নহ'ল; বৰং ই ধৰ্মলৈ পৰ্যৱসিত হ'ল। জীৱনৰ এনে জটিল ক্ষণতো কিন্তু কুন্তীয়ে নিজৰ সেই প্ৰথম সন্তানৰ কথা স্বামীৰ সন্মুখত প্ৰকাশ কৰা নাছিল, হয়তো মৰ্যাদা হননৰ ভয়ত। কিন্তু কুন্তীৰ পৰৱৰ্তী তিনি পুত্ৰওতো স্বামীৰ ঔৰসজাত নাছিল; আছিল দেৱ প্ৰদত্ত। কিন্তু আশ্চৰ্যজনকভাৱে তেওঁৰদ্বাৰা পৰিত্যক্ত সেই প্ৰথম সন্তানক তেওঁ নিজেই মাতৃৰূপে পৰিচয় দিছিল এদিন। সেই ক্ষণে কিন্তু কুন্তীৰ মাতৃৰ বহল অন্তৰে সকলোটি সন্তানকেই সমানে আপোন বুলি ভবাৰ পৰিচয় বহন কৰা নাছিল; বৰং মৰমৰ অসমানতাৰেই ইংগিত বহন কৰিছিল। কৰ্ণ হৈ পৰিছিল নিঠৰুৱা। কৌৰৱ পক্ষক ৰক্ষা কৰাৰ একমাত্ৰ শেষ ভৰসা। আনহাতে কৰ্ণৰ গভীৰ আকাংক্ষা আছিল কুন্তী পুত্ৰ অৰ্জুনক পৰাভূত কৰা; এয়া নিশ্চিত আছিল যে দুয়ো বীৰৰ মাজৰ এজনহে পৰৱৰ্তী কালত জীৱিত ৰূপত যুদ্ধক্ষেত্ৰৰপৰা উভতিব। কুন্তীৰ আকাংক্ষা আছিল অৰ্জুন দীৰ্ঘজীৱী হওক। সেয়ে মাতৃ হিচাপে দুয়ো সন্তানৰ জীৱন ৰক্ষাৰ উপায় উলিয়াইছিল; অৰ্জুনৰ প্ৰতি মৰমৰ ভৰ বেছি আছিল। সেয়ে নিজৰ মমত্বৰে কৰ্ণক বন্ধাৰ প্ৰয়াস কৰিল। কিন্তু কিবা এটা স্বাৰ্থৰ গোন্ধে যেন তেওঁৰ মমতাময়ী হৃদয়ৰ মিঠা গোন্ধটোক ছানি ধৰিছিল। যদিও ব্যাসদেৱে কুন্তীৰ সকলো দোষ পৰিত্ৰতাৰ পানীৰে ধুই নিকা হোৱা পুণ্যৰ চানেকি বুলিয়েই কৈছে, তথাপি লোক লজ্জাৰ ভয়ত পৰিত্যক্ত সেই সন্তানক যিজনে নিজৰ কঠোৰ পৰিশ্ৰমেৰে নিজৰ পৰিচয় গঢ়ি তুলিছে, দায়িত্ব আৰু কৰ্তব্য পালনৰ জটিল সন্ধিক্ষণত মমতাৰ বান্ধোনেৰে বান্ধি বিচলিত কৰাৰ প্ৰয়াস কৰা অনুচিত যেনেই লাগে। অৱশ্যে শেষপৰ্যন্ত কুন্তীয়ে গভীৰ বেদনাৰে যুধিষ্ঠিৰৰ সন্মুখতো নিজৰ প্ৰথম সন্তানৰ কথা স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল। অনাকাংক্ষিত হ'লেও প্ৰতিটো ভুলৰ এক বোজা থাকে। স্বৰূপাৰ্থত সৎ অন্তৰৰ প্ৰতিগৰাকী ব্যক্তিৰ ক্ষেত্ৰত এই কথা প্ৰযোজ্য যেন লাগে। সেইবাবেই সেই ভুলৰ বোজা স্বীকাৰ কৰি নিৰ্ভাৰ হৈহে ব্যক্তিয়ে মুক্তিৰ পথত অগ্ৰসৰ হ'ব পাৰে। অৱশ্যে অনুশোচনাৰ সমান শক্তিশালী আত্মশুদ্ধি একোৱেই হ'ব নোৱাৰে। এয়া যেন এজন ব্যক্তিৰ এটা জন্মতেই হোৱা নতুন সংস্কৰণ বা পুনৰ জন্ম।


*ফোন ঃ ৭০০২৬-০৪৫১২*

**১**৯৯৩ চন, তেতিয়া আমি 'গুৱাহাটী বিশ্ববিদ্যালয়'ৰ ছাত্ৰ। সেই বছৰতে প্ৰকাশিত সৰু কলেৱৰৰ এটা কাব্য সংকলনে আমাৰ কোমল হিয়াত এক অভূতপূৰ্ব হেন্দোলনি তুলিছিল। গ্ৰন্থখন আছিল 'তোক দেখি ন জোনে'। তেতিয়াৰ প্ৰচলিত অসমীয়া কবিতাৰ ধাৰাৰ পৰা এই বিশেষ সংকলনৰ কবিতাখিনি দস্তুৰমত কিছু দূৰৱৰ্তী আছিল। 'তোক দেখি ন জোনে' শীৰ্ষক কবিতাটোৰ এটা শাৰীতো মোৰ খুবেই আপোন হৈ পৰিছে, 'সখী যাতনাৰ মাজতে যাতনাৰ উপশম'। আজিৰ অসমীয়া পঢ়ুৱৈতো বাৰুকৈ বিভ্ৰান্ত; সকলো প্ৰয়াত শিল্পী-সাহিত্যিকক সমানে মনতো নাৰাখে— সৌভাগ্যৱান দুই-এগৰাকীকহে বছৰি জন্ম বা মৃত্যু দিৱসত স্মৰণ কৰা হয়; সেয়াও প্ৰধানতঃ সংশ্লিষ্ট পৰিয়ালৰ প্ৰত্যক্ষ উদ্যোগতহে! আনে কেনেবাকৈ পাহৰিলেও, মইতো 'তোক দেখি ন জোন'ৰ কবিগৰাকীক আজিলৈকে পাহৰা নাই— তেওঁ আন কেও নহয়; তেওঁ প্ৰাতঃস্মৰণীয় আধুনিক অসমীয়া সাহিত্যিক কবীন ফুকন। (জন্ম ঃ ১৯৪৬ চন, মৃত্যু ঃ ২৪ মে', ২০১১ চন)। তেওঁৰ নাছিল যশস্যাৰ প্ৰতি অহেতুক আকাংক্ষা; মাথোঁ আমৃত্যু নিৰন্তৰ সাহিত্য-চৰ্চাকে কৰি গৈছিল— যথাৰ্থতে তেওঁ আছিল 'নীৰৱ সাধক'। মই 'ভাল লেখক' নহ'ব পাৰোঁ— কিন্তু এশ শতাংশই সদ্যপ্ৰয়াত বাংলা লেখক সমৰেশ মজুমদাৰৰ এটা মন্তব্য সমৰ্থন কৰোঁ। তেওঁ 'আমাৰ সময়' নামৰ আলোচনীত প্ৰকাশিত এটা সুদীৰ্ঘ সাক্ষাৎকাৰত কৈছিল— 'অকৃতজ্ঞ মানুহ কেতিয়াও ভাল লেখক হ'ব নোৱাৰে।' অন্ততঃ মই কবীন ফুকনৰ ওচৰত কৃতজ্ঞ। তেওঁ যে কিমান ধৰণে অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছিল! এই কথাত সন্দেহ নাই যে কবিতা আৰু গদ্য উভয়তে কবীন ফুকন এক ব্যতিক্ৰমী, একক স্বৰ। তেওঁৰ চুটি-দীঘল সমগ্ৰ লেখাতে স্বাতন্ত্ৰ্যৰ চাপ স্পষ্ট। আজিকালিতো সমাজত ডক্টৰেট (PhD) উপাধিধাৰী উভৈনদী; কিন্তু কবীন ফুকন যে কেনে ঈৰ্ষণীয়মানৰ ডক্টৰেট! গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজীৰ স্নাতকোত্তৰ ফুকনে ইংলেণ্ডৰ লীড্‌ছ বিশ্ববিদ্যালয়ৰ পৰা টি এছ এলিয়টৰ বিষয়ে গৱেষণা কৰি ডক্টৰেট উপাধি পোৱাৰ উপৰি মাৰ্কিন যুক্তৰাজ্যৰ য়েল বিশ্ববিদ্যালয়তো 'ফুলব্ৰাইট ফেল'' হিচাপে এজ্ৰা পাউণ্ডৰ কবিতাৰ বিষয়ে গৱেষণা কৰিছিল। 'এনেকৈয়ে দিন, এনেকৈয়ে ৰাতি', 'কোনে কয় নুপুৰায় আঁউসীৰ ৰাতি', 'এই অনুৰাগী এই উদাস' প্ৰমুখ্যে কাব্যপুথিৰ ৰচয়িতা কবীন ফুকন নিঃসন্দেহে এগৰাকী আগশাৰীৰ বিদ্যায়তনিক সমালোচকো; তথ্যনিষ্ঠ, প্ৰণালীবদ্ধ আৰু অধ্যয়নপুষ্ট বিচাৰেৰে তেওঁ সাধ্যানুসাৰে অসমীয়া কবিতাৰ বিষয়ে আমৃত্যু মূল্যৱান বিচাৰ আগবঢ়াই গৈছে। প্ৰাচ্য আৰু পাশ্চাত্যৰ বিভিন্ন কাব্যতত্ত্বৰে সমৃদ্ধ, সংবেদনশীল-ৰসগ্ৰাহী কাব্য সমালোচক কবীন ফুকনৰ 'অসমীয়া কবিতাৰ প্ৰৱাহ' আৰু 'কবিতাৰ জুতি বিচাৰ' নামৰ পুথি দুখন নিশ্চয়কৈ অসমীয়া সমালোচনা-সাহিত্যৰ একো একোটি নজহা-নপমা সম্পদ! তেওঁ সমালোচনাৰ এটা পৰিভাষা গঠন কৰিবলৈ আজীৱন এক সচেতন প্ৰচেষ্টা চলাই গৈছিল। নীলমণি ফুকনৰ বহুচৰ্চিত 'গোলাপী জামুৰ লগ্ন' নামৰ জটিল কবিতাটোৰ জঁট খুলিবলৈ আমি নিশ্চয়কৈ আজিও কবীন ফুকনৰ সেই বিশেষ কবিতাৰ বিষয়ে কৰা সুচিন্তিত আলোচনাৰ সহায় ল'ব পাৰোঁ। প্ৰতীকবাদী কবিতাটোৰ আলোচনাতো কবীন ফুকনৰ নিৰহংকাৰিতা মন কৰিবলগীয়া; তেওঁ কৈছে— 'কোনোবাই ভুল কৰাৰ সাহস কৰিলেহে আন কোনোবাই শুধৰোৱাৰ সুযোগ পাব।' আজিকালিতো আত্মতুষ্টি আৰু আত্মঅহংকাৰত ওফন্দি থকা লেখকৰ মাজত কবীন ফুকনৰ দৰে এইধৰণৰ বিনয় প্ৰায় শূন্য। অনুবাদ সাহিত্যতো তেওঁৰ বৰঙণি সামান্য নহয়; জন কীট্‌ছৰ কেইবাটাও তাৎপৰ্যপূৰ্ণ কবিতা তেওঁ সফলতাৰে অসমীয়ালৈ ভাঙিছিল। ব্যক্তিগতভাৱে মইতো প্ৰথম ফুকনৰ ভাঙনিৰ যোগেদিয়ে কীট্‌ছৰ কবিতাৰ জুতি লৈছিলোঁ; পাছতহে 'শিহৰণ আৰু কল্পনাৰ অতি-ইন্দ্ৰিয়জ প্ৰকাশৰ ওজা' জন কীটছৰ 'ছিলেক্টেড পয়েমছ্ এণ্ড লেটাৰ্ছ' পঢ়িছোঁ— অৱশ্যে, সেয়া এক অন্য অধ্যায়। কবীন ফুকনে বিশ্ববৰেণ্য সাহিত্যিক জৰ্জ অৰ্‌ৱেল (১৯০৩-১৯৫০)ৰ 'এনিমেল ফাৰ্ম' নামৰ কালজয়ী উপন্যাসখন দক্ষতাৰে 'পশুধাম' (প্ৰথম প্ৰকাশ ঃ ১৯৯৮) নামেৰে অসমীয়ালৈ ভাঙিছিল। উল্লেখৰ লোভ সামৰা নাযায় যে ১৯৯৭ চনত বৃটেইনৰ ৱাটাৰষ্ট'নছ বুকশ্বপে কুৰি শতিকাৰ দহখন শ্ৰেষ্ঠ উপন্যাস নিৰ্বাচন কৰিছিল— সেই তালিকাত অৰৱেলৰ 'এনিমেল ফাৰ্ম'-এ তৃতীয় স্থান অধিকাৰ কৰিছিল। সেই দৃষ্টিৰেও ফুকনে ভাঙনি কৰিবলৈকে এখন উচিত গ্ৰন্থকে বাছনি কৰিছিল। ফুকনৰ শেষ ৰচনাখনৰ (প্ৰকাশ ঃ 'গৰীয়সী'; জুলাই ২০১১) বিষয়ো আছিল চিন্তা উদ্ৰেককাৰী— 'বিহগী কবিৰ আধুনিক কবিতা'। কিমান গভীৰ প্ৰত্যাশাৰে তেওঁ সেই নাতিদীৰ্ঘ ৰচনাখন সামৰিছিল; সেয়াও মন কৰিবলগীয়াই, 'সেয়েহে আশা ৰাখিছোঁ যে মোৰ এই প্ৰবন্ধৰ আঁত ধৰি কোনোবা ডেকা অসমীয়া অধ্যাপক-অধ্যাপিকাই মই উল্লেখ কৰা বাকী তিনিটা চৌধাৰীদেৱৰ আধুনিক কবিতাৰ আধুনিকতা আঙুলিয়াই দেখুৱাব।'



ছাঁ-পোহৰ

অংকুৰ ডেকা



> আজিকালিতো আত্মতুষ্টি আৰু আত্মঅহংকাৰত ওফন্দি থকা লেখকৰ মাজত কবীন ফুকনৰ দৰে এইধৰণৰ বিনয় প্ৰায় শূন্য। অনুবাদ সাহিত্যতো তেওঁৰ বৰঙণি সামান্য নহয়; জন কীট্‌ছৰ কেইবাটাও তাৎপৰ্যপূৰ্ণ কবিতা তেওঁ সফলতাৰে অসমীয়ালৈ ভাঙিছিল।

# সাধক ডঃ কবীন ফুকনক পাহৰা অনুচিত!

এতিয়া আহোঁ— এক ব্যক্তিগত প্ৰসংগলৈ; অৱশ্যে কেতিয়াবা ব্যক্তিগত আৰু নৈৰ্ব্যক্তিকৰ সীমাৰেখাডালো আপাততঃ অস্পষ্ট হৈ পৰে। মোৰ বিশ্বাস, তেওঁ নব্বৈৰ দশকত মোলৈ ডাকত প্ৰেৰণ কৰা চিঠি দুখনৰ বক্তব্যই নতুন লেখক-লেখিকাকো অনুপ্ৰাণিত কৰিব। সাঁচতীয়া চিঠি দুখনে মোকো বাৰুকৈ অনুপ্ৰাণিত কৰিছিল—

চিঠি নং ১ ঃ 'প্ৰিয়বৰেষু, যোৱা বছৰেই (৩০ জুলাই, ১৯৯৩ৰ) চিঠি আৰু 'তুমি ৰ'দৰ উৎসৱ'ৰ উপহাৰটি পাইছিলোঁ। ব্যস্ততাৰ বাবে আৰু কিতাপপত্ৰৰ খেলি-মেলিবোৰ চম্ভালিব নোৱৰাৰ বাবে কিতাপখন চাই উত্তৰ দিম বুলি আধা বছৰেই পাৰ হ'ল। এতিয়া পলমকৈ মোৰ আন্তৰিক ধন্যবাদ আৰু লগতে নতুন বছৰৰ শুভেচ্ছা জনাইছোঁ।

কিতাপখন পাই আৰু পঢ়ি ভাল পালোঁ। সম্ভাৱনাবোৰৰ পূৰ্ণ বিকাশৰ বাবে সাধনাৰ কঠোৰ বাটেৰে বাট বুলিবলৈ পণ কৰি ল'লে ভাল হ'ব। বিচিত্ৰ বিষয় আৰু বিচিত্ৰ লয়-ছন্দৰ প্ৰতি মন মেলিলেও ফলাফল শুভ হ'ব। শুভ ইচ্ছাৰে— কবীন ফুকন, ২ জানুৱাৰী, ১৯৯৪।'

চিঠি নং ২ ঃ 'প্ৰিয় শ্ৰীমান অংকুৰ, তোমাৰ ১৭-৮-৯৭ৰ চিঠি পোৱা দিন হ'ল। 'গৰীয়সী'ত তোমাৰ প্ৰবন্ধটো (ফুকনে উল্লেখ কৰা মোৰ প্ৰবন্ধটি 'গৰীয়সী'ৰ ১৯৯৭ চনৰ আগষ্ট সংখ্যাত প্ৰকাশ পাইছিল; শিৰোনাম আছিল 'অৰ্দ্ধশতাব্দীৰ অসমৰ চিত্ৰকলা') মই পঢ়িছোঁ। তোমাৰ চিঠি পোৱাৰ পিছত আকৌ পঢ়ি চোৱা নাই। প্ৰবন্ধটোত তোমাৰ প্ৰচেষ্টা ভাল হৈছে। এই বিষয়ত তুমি আত্মশিক্ষাৰ কঠোৰ বাট ল'ব লাগিব। এনেবোৰ বিষয়ত আত্মশিক্ষা— কঠোৰ আত্মশিক্ষাই— একমাত্ৰ পথ। মই নিজে সংগীত, চিত্ৰকলা আদিৰ বিষয়ে নিচেই সামান্যহে জানো। সেই স্তৰ তুমি ইতিমধ্যে অতিক্ৰম কৰিছা। প্ৰীতি শুভ ইচ্ছাৰে— কবীন ফুকন, ৫।৯।৯৭।'

এৰা, অসমীয়া পাঠকে কবীন ফুকনক পাহৰিলেও; মই পাহৰিব নোৱাৰিলোঁ, ভৱিষ্যতেও নাপাহৰিম।

ফোন ঃ ৯৮৬৪০৭০১৪৪

## ষ্টেট বেংক অব ইণ্ডিয়া
# কৰ্মবিৰতি স্থগিত

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ২৩ মে'** ঃ বিভিন্ন দাবী পূৰণৰ বাবে অল ইণ্ডিয়া ষ্টেট বেংক অব ইণ্ডিয়া ষ্টাফ ফেডাৰেচনে ২ মে'ৰ পৰা বিভিন্ন প্ৰতিবাদী কাৰ্যসূচী চলাই আহিছে। ইয়াৰ অংশ হিচাপে ষ্টেট বেংক অব ইণ্ডিয়াৰ কৰ্মচাৰীসকলে ২৫ আৰু ২৬ মে'ত ষ্টেট বেংক অব ইণ্ডিয়াত কৰ্মবিৰতিৰ সিদ্ধান্ত লৈছিল। তাৰ পাছৰে পৰা সংগঠনৰ বেংক কৰ্তৃপক্ষই নিৰৱচ্ছিন্নভাৱে দ্বিপাক্ষিক আলোচনা চলাই আছিল। ইয়াৰ ফলস্বৰূপে বেংক কৰ্তৃপক্ষৰ পৰা সদৰ্থক আৰু ইতিবাচক সঁহাৰি পোৱাৰ বাবে ঘোষিত কৰ্মবিৰতি আপাততঃ স্থগিত ৰাখিছে। সেয়েহে ২৫ আৰু ২৬ মে'ত ষ্টেট বেংক অব ইণ্ডিয়াৰ শাখাসমূহত অন্যান্য দিনৰ দৰেই স্বাভাৱিক কাম-কাজসমূহ চলিব বুলি আজি এক বিজ্ঞপ্তিযোগে প্ৰকাশ কৰিছে ভাৰতীয় ষ্টেট বেংক কৰ্মচাৰী সন্থাৰ উত্তৰ-পূব মণ্ডলৰ সাধাৰণ সম্পাদক শ্যামন্ত কোঁৱৰে।

## ছেটেলাইট টাউনশ্বিপৰ বিৰোধিতাৰে বাগানত তিনি জনজাতীয় সংগঠনৰ সংবাদমেল
# পুঁজিপতিৰ স্বাৰ্থত ভূমি কাঢ়ি নিয়াৰ ষড়যন্ত্ৰ চৰকাৰৰ



**দৈনিক অসমৰ প্ৰতিনিধি**

**পলাশবাৰী, ২৩ মে'** ঃ খিলঞ্জীয়া আৰু জনজাতীয় লোকৰ ভূমিৰ অধিকাৰ খৰ্ব কৰি জাগীৰোডত চৰকাৰে 'ছেটেলাইট টাউনশ্বিপ' নিৰ্মাণৰ বাবে উঠিপৰি লাগিছে। ইয়াৰ বাবে তিৰা আৰু অন্যান্য দল-সংগঠনে চৰকাৰৰ এই হঠকাৰী সিদ্ধান্তৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছে। জাগীৰোডৰ এই ছেটেলাইট টাউনশ্বিপবিৰোধী আন্দোলনলৈ সমৰ্থন জনাই আজি পলাশবাৰী সমষ্টিৰ অন্তৰ্গত বৰদুৱাৰ বাগান অঞ্চলৰ বৰদুৱাৰ বাগান ভূমিপট্টন দাবী সমিতি, বৰদুৱাৰ ভোলাগাঁও আঞ্চলিক ৰাভা জাতীয় পৰিষদ আৰু বৰদুৱাৰ প্ৰাইমাৰী ট্ৰাইবেল সংঘৰ উদ্যোগত এখন সংবাদমেল অনুষ্ঠিত কৰা হয়। চানডুবিৰ সমীপৰ বাগান জাৰাপাটা খেলপথাৰত অনুষ্ঠিত এই সংবাদমেলৰ আঁত ধৰে ভূমিপট্টন দাবী সমিতিৰ মুখ্য সমন্বয়ক গোবিন্দ ৰাভাই। তেওঁ জাগীৰোডত ছেটেলাইট টাউনশ্বিপ প্ৰকল্প স্থাপন কৰাৰ বিৰোধ কৰে। লগতে এই ছেটেলাইট টাউনশ্বিপবিৰোধী আন্দোলনকাৰীলৈ পূৰ্ণ সমৰ্থন আগবঢ়ায়। তেওঁ চৰকাৰৰ এই সিদ্ধান্তক 'অসাংবিধানিক আৰু খিলঞ্জীয়াবিৰোধী' বুলি আখ্যা দিয়ে। তেওঁ কয়— পুঁজিপতি গোষ্ঠীৰ স্বাৰ্থত ভূমিপুত্ৰসকলৰ মাটি আৰু জংঘল কাঢ়ি নিয়াৰ এক গভীৰ ষড়যন্ত্ৰ চলিছে। জাগীৰোডৰ সিদ্ধিশৰ, বিহিতা, নলধৰা আদি অঞ্চলত প্ৰস্তাৱিত এই প্ৰকল্পৰ ফলত গোভা ৰজাৰ দিনৰ পৰাই বসবাস কৰি অহা তিৱা আৰু অন্যান্য জনজাতীয় ৰাইজক উচ্ছেদ কৰিব বিচৰাটো এক চৰম অন্যায় আৰু অমানৱীয়। ষষ্ঠ অনুসূচীৰ অধীনৰ ভূমি ৰাইজৰ অনুমতি অবিহনে হস্তান্তৰ কৰা কাৰ্য ৰাষ্ট্ৰসংঘৰ খিলঞ্জীয়াৰ অধিকাৰ ঘোষণাপত্ৰৰ (২০০৭) পৰিপন্থী বুলিও দাবী কৰে। আনহাতে পলাশবাৰীৰ বৰদুৱাৰ বাগানত খিলঞ্জীয়া ৰাইজৰ ভূমি উচ্ছেদ নহয় বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ আহ্বানমৰ্মে মন্ত্ৰী পীযূষ হাজৰিকাই যোৱা এপ্ৰিলত বাগানৰ এখন নিৰ্বাচনী সভাত ভাষণ প্ৰদান কৰা কাৰ্যত এই তিনি সংগঠনে সন্তোষ প্ৰকাশ কৰে। সংবাদমেলত সংগঠনকেইটাই জাগীৰোডৰ উচ্ছেদবিৰোধী আন্দোলনলৈ পূৰ্ণ সমৰ্থন জনাই চৰকাৰলৈ কেইবাটাও দাবী উত্থাপন কৰে। এই সংবাদমেলত বৰদুৱাৰ বাগান ভূমিপট্টন দাবী সমিতিৰ মুখ্য উপদেষ্টা আদিত্য ৰাভা, বৰদুৱাৰ ভোলাগাঁও আঞ্চলিক ৰাভা জাতীয় পৰিষদৰ সভাপতি ইন্দ্ৰেশ্বৰ ৰাভা, বৰদুৱাৰ প্ৰাইমাৰী ট্ৰাইবেল সংঘৰ সভাপতি মহেশ্বৰ ৰাভা আৰু আন আন বিষয়ববীয়া গজেন ৰাভা, আদিত্য নাগ, পখীৰাজ ৰাভা, নৃপেন ৰাভা আদি বহুসংখ্যক লোক উপস্থিত থাকি জাগীৰোডৰ টাউনশ্বিপবিৰোধী আন্দোলনলৈ সমৰ্থন আগবঢ়ায়।



## কৃষ্ণগুৰু প্ৰভু ঈশ্বৰৰ ৯২ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ
# নলবাৰী মেডিকেল কলেজ হাস্পতালতো গছপুলি ৰোপণ

**দৈনিক অসমৰ প্ৰতিনিধি**

**ঘগ্ৰাপাৰ, ২৩ মে'** ঃ কৃষ্ণগুৰু সেৱাশ্ৰমৰ প্ৰতিষ্ঠাপক কৃষ্ণগুৰু প্ৰভু ঈশ্বৰৰ ৯২ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ উপলক্ষে দেশৰ ৯২ স্থানৰ সমান্তৰালভাৱে নলবাৰী মেডিকেল কলেজ হাস্পতালতো স্বচ্ছ অভিযান আৰু গছপুলি ৰোপণ কাৰ্যসূচী গ্ৰহণ কৰা হয়। আজি দিনৰ ১০.৩০ বজাত নলবাৰী চিকিৎসা মহাবিদ্যালয় হাস্পতালত কৃষ্ণগুৰু প্ৰেমানন্দ প্ৰভু আৰু ভক্তি মাতৃ কুন্তলা পাটোৱাৰী গোস্বামী উপস্থিত হয়। কৃষ্ণগুৰু প্ৰভুৰ আৱিৰ্ভাৱ মহোৎসৱৰ লগত সংগতি ৰাখি তেওঁলোকে নলবাৰী চিকিৎসা মহাবিদ্যালয় হাস্পতালত এলানি গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। তদুপৰি হাস্পতালৰ ৰোগীৰ মাজত ফলমূল বিতৰণ কৰে। উক্ত কাৰ্যসূচী ৰূপায়ণত তেওঁলোকক সংগ দিয়ে নলবাৰী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অধ্যক্ষ ডাঃ বাবুল কুমাৰ বেজবৰুৱা, অধীক্ষক ডাঃ মাধৱ ৰাজবংশীকে ধৰি কিছুসংখ্যক কৰ্মচাৰীয়ে।




## বিজনী কলেজত ফেশ্বন শ্ব' প্ৰতিযোগিতা
# সৌৰজি মুছাহাৰী-অপূৰ্ব বসুমতাৰীক 'মিছ'-'মিষ্টাৰ' বিজনী কলেজ বঁটা প্ৰদান

**দৈনিক অসমৰ প্ৰতিনিধি**

**চিৰাং, ২৩ মে'** ঃ চিৰাঙৰ বিজনী মহাবিদ্যালয়ৰ শিক্ষক আলোচনা কক্ষত 'ফেশ্বন শ্ব' প্ৰতিযোগিতা ২০২৬'ৰ বঁটা কালি প্ৰদান কৰা হয়। উল্লেখ্য যে বিজনী মহাবিদ্যালয়ৰ গৱেষণা, উদ্ভাৱন আৰু প্ৰকাশন কোষৰ উদ্যোগত তথা ইণ্ডিজেনাছ কালচাৰেল ফ'ৰাম আৰু বিজনী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সহযোগত চলিত বৰ্ষৰ ৩ ফেব্ৰুৱাৰীত মহাবিদ্যালয়ত 'ফেশ্বন শ্ব' প্ৰতিযোগিতা ২০২৬' শীৰ্ষক পৰম্পৰাগত সাজপাৰ আৰু অলংকাৰ পৰিধান তথা ফটো শ্বুট প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। উক্ত প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগীসকলক বঁটা প্ৰদান কৰাৰ উদ্দেশ্যে আজি আয়োজন কৰা বঁটা প্ৰদান অনুষ্ঠানত বিজনী মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ স্নাতক শাখাৰ ছাত্ৰী সৌৰজি মুছাহাৰীক 'মিছ বিজনী কলেজ' (২০২৫-২৬), অসমীয়া বিভাগৰ স্নাতক শাখাৰ ছাত্ৰ অপূৰ্ব বসুমতাৰীক 'মিষ্টাৰ বিজনী কলেজ' (২০২৫-২৬) আৰু ইংৰাজী বিভাগৰ স্নাতকোত্তৰ শাখাৰ ছাত্ৰ চন্দ্ৰ বসুমতাৰীক 'শ্ৰেষ্ঠ ফটোগ্ৰাফী'ৰ বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ বীৰহাসগিৰি বসুমাতাৰী, উপাধ্যক্ষা সবিতা ৰায়সহ অধ্যাপক-অধ্যাপিকাসকল উপস্থিত থাকে। উক্ত অনুষ্ঠানতেই বিজনী মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা ডঃ শেৱালি পাঠকৰ ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ৰ পাঠ্যক্ৰম অনুসৰি ৰচিত 'Animal Husbandry and Livestock Management' আৰু 'Organic Evolution' শীৰ্ষক পাঠ্যপুথি দুখন উন্মোচন কৰা হয়।

## নিৰ্মাণৰ এবছৰতে পথৰ মাজত বৃহৎ গাঁত ■ নিতৌ সংঘটিত দুৰ্ঘটনা
# টীয়কত চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথে পথচাৰীক ভোগাইছে যমৰ যাতনা

**দৈনিক অসমৰ বিশেষ প্ৰতিনিধি**

**টীয়ক, ২৩ মে'** ঃ এফালে উজনিত চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথত যুঁজাৰু বিমান অৱতৰণ কৰি সমগ্ৰ দেশ গৌৰৱান্বিত হৈছে, আনফালে একেই যোৰহাট জিলাৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথত গাঁতত পৰি যান-বাহন বিকল হোৱাৰ ঘটনাই ৰাইজক অতিষ্ঠ কৰি তুলিছে। ২০১৪ চনত আৰম্ভ হোৱা উজনিৰ এই চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণকাৰ্য ২০২৬ চনলৈকে সম্পূৰ্ণ কৰিব নোৱাৰা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ কাৰ্যপদ্ধতি এতিয়া ৰাইজৰ তীব্ৰ সমালোচনাৰ বিষয় হৈ পৰিছে। বিশেষকৈ যোৰহাটৰ অজন্তা বাইপাছৰ পৰা জাঁজী পৰ্যন্ত প্ৰায় ৪০ কিলোমিটাৰ পথ নিৰ্মাণৰ ক্ষেত্ৰত বিগত ১২ বছৰত কাপোৰ সলোৱাদি একাধিক নিৰ্মাণকাৰী প্ৰতিষ্ঠান সলনি কৰা হৈছিল যদিও আজিও এটা আসোঁৱাহমুক্ত পথ নিৰ্মাণ কৰিব পৰা নগ'ল। বিগত সময়ছোৱাত স্থানীয় ৰাইজৰ প্ৰতিবাদ আৰু দাবীৰ পৰিপ্ৰেক্ষিতত লোকসভা নিৰ্বাচনৰ পূৰ্বে খৰতকীয়াকৈ পথ নিৰ্মাণৰ কাম সম্পন্ন কৰা হৈছিল। কিন্তু নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ মাত্ৰ এবছৰৰ ভিতৰতে পথৰ বহু অংশত ডাঙৰ ডাঙৰ গাঁত সৃষ্টি হোৱাত পুনৰ উদঙাই দিছে নিৰ্মাণকাৰ্যৰ গুণগত মান। বিশেষকৈ টীয়ক নগৰৰ মাজমজিয়াৰ মিধাখাট অঞ্চলত পথৰ একাংশ সম্পূৰ্ণ ভাগি পৰাত প্ৰতিদিনে বিপদসংকুলভাৱে যাতায়াত কৰিবলগীয়া হৈছে সাধাৰণ পথচাৰী। সামান্য বৰষুণতে গাঁতসমূহ পুখুৰীৰ ৰূপ ধাৰণ কৰে আৰু পথৰ প্ৰকৃত অৱস্থা বুজি নাপাই বহু যান-বাহন দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ অভিযোগ উত্থাপন হৈছে। স্থানীয় ৰাইজে অভিযোগ কৰা মতে, নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ, তদাৰকীৰ অভাৱ আৰু দায়িত্বজ্ঞানহীনতাৰ ফলতেই কোটি কোটি টকাৰ এই পথ প্ৰকল্প এতিয়া জন-দুৰ্ভোগৰ অন্যতম কাৰণ হৈ পৰিছে। ৰাইজে শীঘ্ৰে পথছোৱাৰ মেৰামতি আৰু স্থায়ী সমাধানৰ দাবী জনাইছে।



# চাইবাৰ অপৰাধ ঃ বৰপেটাত গ্ৰেপ্তাৰ ২

**দৈনিক অসমৰ প্ৰতিনিধি**

**বৰপেটা, ২৩ মে'** ঃ বৰপেটা সদৰ থানাৰ আৰক্ষীয়ে কয়াকুছি অঞ্চলত অভিযান চলাই কালি নিশা দুই চাইবাৰ অপৰাধীক গ্ৰেপ্তাৰ কৰে। ধৃত অপৰাধী দুটা ক্ৰমে ছাহিল আহমেদ আৰু আছিফ ইকবাল। নলবাৰী কাৰাগাৰৰ পৰা মুকলি হৈয়েই পুনৰ বৰপেটা আৰক্ষীৰ জালত পৰিল দুই চাইবাৰ অপৰাধী। আৰক্ষীয়ে দুই চাইবাৰ অপৰাধীৰ হাতৰ পৰা জব্দ কৰিছে ১১খন ডেবিট কাৰ্ড, এখন ভোটাৰ কাৰ্ড আৰু চাৰিটা ম'বাইল ফোন। বৰপেটাৰ সবিতা দাস মেধি নামৰ মহিলা এগৰাকীৰ ডেবিট কাৰ্ড সলনি কৰি একাউণ্টত জমা থকা ৪০ হাজাৰ টকা উলিয়াই নিছিল দুই অপৰাধীয়ে। জানিব পৰা মতে কিছুদিন পূৰ্বে সবিতা দাস মেধিয়ে এ টি এমৰ পৰা টকা উলিয়াবলৈ গৈ দুই চাইবাৰ অপৰাধীৰ প্ৰৱঞ্চনাৰ বলি হৈছিল। মহিলাগৰাকীৰ ডেবিট কাৰ্ডখন সলনি



কৰি দুই চাইবাৰ অপৰাধীয়ে জালিয়াতিৰে মহিলাগৰাকীৰ একাউণ্টৰ পৰা উলিয়াই নিছিল ধনখিনি। ইয়াৰ পাছতে মহিলাগৰাকীয়ে বৰপেটা সদৰ থানাত দাখিল কৰা এজাহাৰৰ ভিত্তিত অভিযান চলাই যোৱানিশা দুই চাইবাৰ অপৰাধীক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে দুয়োটা অপৰাধীক সোধা-পোছ আৰম্ভ কৰিছে।

## অবৈধ বালি সৰবৰাহৰ বিৰুদ্ধে সোণাপুৰ বন বিভাগৰ অভিযান
# ধাৰাবাহিক অভিযানত ৬ চালানবিহীন বালিভৰ্তি ডাম্পাৰ জব্দ




**দৈনিক অসমৰ বিশেষ প্ৰতিনিধি**

**সোণাপুৰ, ২৩ মে'** ঃ অবৈধ বালি সৰবৰাহৰ বিৰুদ্ধে সোণাপুৰ বন বিভাগে চলোৱা ধাৰাবাহিক অভিযানত বৃহৎ সফলতা লাভ কৰিছে। সোণাপুৰ বনাঞ্চলিক বিষয়া ভাৰ্গৱ হাজৰিকাৰ নেতৃত্বত বৃহস্পতিবাৰে নিশাৰ পৰা আৰম্ভ হোৱা অভিযানত মৰিগাঁও দিশৰ পৰা গুৱাহাটী মহানগৰীৰ অভিমুখে অবৈধভাৱে বালি সৰবৰাহ কৰা মুঠ ছখনকৈ চালানবিহীন বালিভৰ্তি ডাম্পাৰ জব্দ কৰে। জানিব পৰা মতে, বৃহস্পতিবাৰে নিশা প্ৰথম পৰ্যায়ত সোণাপুৰৰ বালিগেট অঞ্চলত অভিযান চলাই এ এছ-০১ কিউ চি-৭৬৩৮ নম্বৰৰ এখন বালিভৰ্তি ডাম্পাৰ জব্দ কৰে। পুনৰ যোৱানিশা চলোৱা অভিযানত আৰু পাঁচখন অবৈধভাৱে বালি কঢ়িওৱা ডাম্পাৰ জব্দ কৰা হয়। জব্দ কৰা বাহনসমূহৰ নম্বৰ হৈছে এ এছ-০২ ডি চি-০২৭৮, এ এছ-০১ কিউ চি-৪৪৭০, এ এছ-০১ কে চি-৬৫৭৮, এ এছ-১৩ এ চি-৩০৫৩ আৰু এ এছ-০১ এল চি-৭৪৬৪। সূত্ৰ অনুসৰি, দীৰ্ঘদিন ধৰি এক চক্ৰই মৰিগাঁও জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা কোনো বৈধ নথি-পত্ৰ বা চালান অবিহনে ৰাজহ ফাঁকি দি অত্যধিক বোজা কঢ়িয়াই গুৱাহাটী মহানগৰীলৈ বালি সৰবৰাহ অব্যাহত ৰাখিছিল। ইয়াৰ ফলত চৰকাৰে বিপুল পৰিমাণৰ ৰাজহ লাভৰ পৰা বঞ্চিত হৈ অহাৰ অভিযোগ উত্থাপন হৈ আহিছে।

# ডিব্ৰুগড়ত দোছাৰ তৰকাৰীত মৃত পঁইতাচোৰা উদ্ধাৰক লৈ চাঞ্চল্য

## খাদ্য-সুৰক্ষা বিভাগৰ নিৰ্লিপ্ত ভূমিকাক লৈ প্ৰশ্ন




**দৈনিক অসমৰ প্ৰতিনিধি**

**ডিব্ৰুগড়, ২৩ মে'** ঃ ডিব্ৰুগড় চহৰত পুনৰ পোহৰলৈ আহিল খাদ্য সুৰক্ষাক লৈ এক চাঞ্চল্যকৰ ঘটনা। চৌকিডিঙীস্থিত প্ৰকাশ হোটেলত এজন গ্ৰাহকৰ খাদ্যৰ মাজত মৃত পঁইতাচোৰা ওলোৱাক কেন্দ্ৰ কৰি সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়া। জানিব পৰা মতে, শনিবাৰে পুৱা চৌকিডিঙীৰ মিলন নগৰ আৰক্ষী চকীৰ সন্মুখত অৱস্থিত প্ৰকাশ হোটেলত এজন গ্ৰাহকে দ'ছা খাবলৈ সোমায়। দ'ছাৰ সৈতে দিয়া তৰকাৰী খাই থাকোঁতে তৰকাৰীখিনিৰ সোৱাদ অস্বাভাৱিক টেঙা অনুভৱ কৰাত গ্ৰাহকজনে আন এখন তৰকাৰী দিবলৈ কয়। হোটেল কৰ্তৃপক্ষই পুনৰ তৰকাৰী দিয়াৰ পাছত খাই থাকোঁতেই গ্ৰাহকজনে তৰকাৰীৰ মাজত মৃত পঁইতাচোৰা প্ৰত্যক্ষ কৰি হতভম্ব হৈ পৰে। ইয়াৰ পাছতেই ঘটনাস্থলীত উত্তেজনাৰ সৃষ্টি হয়। ভুক্তভোগী গ্ৰাহকে তৎক্ষণাত কাষতে থকা মিলন নগৰ আৰক্ষী চকীত খবৰ দিয়ে। আৰক্ষী উপস্থিত হৈ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে ডিব্ৰুগড়ৰ খাদ্য সুৰক্ষা বিভাগকো অৱগত কৰে। পাছত খাদ্য সুৰক্ষা বিভাগৰ লোক উপস্থিত হৈ সংশ্লিষ্ট খাদ্যৰ নমুনা সংগ্ৰহ কৰি পৰীক্ষাৰ বাবে লৈ যায়। ইফালে ঘটনাক কেন্দ্ৰ কৰি ডিব্ৰুগড়ৰ খাদ্য আৰু সুৰক্ষা বিভাগৰ ভূমিকাক লৈ তীব্ৰ অসন্তোষ প্ৰকাশ কৰিছে সচেতন মহলে। অভিযোগ অনুসৰি, মহানগৰৰ বিভিন্ন স্থানত অবৈধভাৱে গঢ় লৈ উঠা বহু হোটেল আৰু ৰেস্তোৰাঁত কোনোধৰণৰ নিয়মীয়া তদাৰক বা পৰিদৰ্শন নকৰাৰ ফলতেই এনে ভয়ংকৰ ঘটনা সংঘটিত হৈছে। এই ঘটনাই ডিব্ৰুগড় চহৰৰ খাদ্য সুৰক্ষা ব্যৱস্থাৰ বাস্তৱ ছবি উন্মোচিত কৰাৰ লগতে প্ৰশাসনৰ দায়িত্ববোধক লৈও বহু প্ৰশ্ন উত্থাপন কৰিছে।

# গোসাঁইগাঁৱত ব্যৱসায়িক প্ৰতিষ্ঠানত চুৰি

**দৈনিক অসমৰ প্ৰতিনিধি**

**গোসাঁইগাঁও, ২৩ মে'** ঃ আজি পুৱতি নিশা গোসাঁইগাঁৱত এখন ব্যৱসায়িক প্ৰতিষ্ঠানত চুৰিকাণ্ড সংঘটিত হয়। সদৰ চহৰৰ উত্তৰপাৰাৰ সমীপৰ ডি কে ৰোডস্থিত 'গোপাল বেটাৰী ছাৰ্ভিচ' নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানখনৰ তলা ভাঙি চোৰে ২২টাকৈ বেটাৰী চুৰি কৰি লৈ যায়। আঢ়ৈ লক্ষাধিক টকাৰ বেটাৰী চুৰি কৰে বুলি প্ৰতিষ্ঠানখনৰ স্বত্বাধিকাৰী জয়কুমাৰ কালৱাৰে জানিবলৈ দিয়ে। গোসাঁইগাঁও থানাত এজাহাৰ দাখিল কৰে স্বত্বাধিকাৰী জয়কুমাৰ কালৱাৰে।

# ভুৱনেশ্বৰত নিখোজ জামুগুৰিহাটৰ যুৱক

**দৈনিক অসমৰ প্ৰতিনিধি**

**জামুগুৰিহাট, ২৩ মে'** ঃ শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ এজন যুৱক বহিঃৰাজ্যত নিৰুদ্দেশ হোৱা ঘটনাই অঞ্চলটোত ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। জামুগুৰিহাটৰ খ্ৰীষ্টানবস্তি গাঁওখনৰ প্ৰয়াত জেম্‌ছ হৰৰ পুত্ৰ ছিলবিষ্টাৰ হৰ (২৫) ৫ মে'ত বন্ধুৰ সৈতে বেংগালুৰুলৈ কৰ্মসংস্থাপন বিচাৰি গৈছিল। ৰে'লযোগে বহিঃৰাজ্যলৈ বুলি গৈ থকা অৱস্থাত ভুৱনেশ্বৰ ৰে'ল ষ্টেচনৰ পৰাই নিৰুদ্দেশ হৈ পৰে। পাছত বন্ধুবৰ্গই ইফালে-সিফালে বিচাৰ-খোঁচাৰ কৰিও কোনো সন্ধান নাপালে ছিলবিষ্টাৰ হৰৰ। এই সন্দৰ্ভত তেওঁৰ বন্ধুৱে জামুগুৰিহাটৰ খৃষ্টানবস্তি গাঁৱৰ পৰিয়ালক অৱগত কৰিছিল যদিও ঘৰৰ পৰা ওলাই যোৱাৰ পাছৰে পৰাই যুৱকজনৰ সৈতে পৰিয়ালৰ কোনোধৰণৰ যোগাযোগ নোহোৱাত এতিয়া চিন্তিত হৈ পৰিছে মাতৃ বাহামণি হৰ আৰু পৰিয়ালবৰ্গ। এই সন্দৰ্ভত পৰিয়ালে জামুগুৰি থানাত এখন এজাহাৰ দাখিল কৰিছে। কোনো লোকে যুৱকজনৰ সন্ধান পালে ৯৩৬৫০৩৪৮৯৪/৬০০৩১৪৫৭৫১ নম্বৰ ফোনত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে পৰিয়ালে।



# বহিঃৰাজ্যত সন্ধানহীন বিহালীৰ ধন কটকী



**দৈনিক অসমৰ প্ৰতিনিধি**

**বৰগাং, ২৩ মে'** ঃ বিহালী সমষ্টিৰ অন্তৰ্গত জামুৰনী গাঁও নিবাসী ধন কটকীয়ে বেংগালুৰুলৈ কৰ্মসূত্ৰে ১৫ মে'ত ঘৰৰ পৰা ওলাই গৈছিল। জানিব পৰা মতে উক্ত দিনা ডিব্ৰুগড়ৰ পৰা ৰে'লযোগে গৈ থকাৰ সময়ত অন্ধ্ৰপ্ৰদেশৰ বিজয়ৱাড়া ৰে'ল ষ্টেচনৰ পৰা নিৰুদ্দেশ হোৱা বুলি পৰিয়ালৰ সূত্ৰই জানিবলৈ দিয়ে। ১৭ মে'ৰ নিশাৰে পৰা পৰিয়ালৰ লগত ধনৰ কোনো যোগাযোগ নাই। ম'বাইলৰো চুইছ অফ দেখুৱাইছে। উদ্বিগ্ন পৰিয়ালটোৱে ঘটনা সন্দৰ্ভত ইতিমধ্যে বিহালী থানাত এজাহাৰযোগে অৱগত কৰিছে যদিও বৰ্তমানেও ধন কটকীৰ কোনো সন্ধান লাভ কৰা নাই। এতিয়া অসহায় পৰিয়ালটোৱে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, সাংসদ ৰঞ্জিত দত্ত আৰু স্থানীয় বিধায়ক মুনীন্দ্ৰ দাসৰ সহায় বিচাৰিছে।

## পলাশবাৰী শংকৰদেৱ শিশু-বিদ্যা নিকেতনৰ সম্বৰ্দ্ধনা সভাত বিমল শৰ্মা
# অধ্যৱসায়েই সংগ্ৰামী-সফল জীৱনৰ মূল চাবিকাঠী

**দৈনিক অসমৰ প্ৰতিনিধি**

**ৰামপুৰ, ২৩ মে'** ঃ 'প্ৰতিগৰাকী বিদ্যাৰ্থী সদায়ে অনুসন্ধিৎসু মনৰ হ'ব লাগে। তেওঁলোকে শিক্ষাগুৰুৱে পাঠদান কৰাৰ সময়খিনি অতি নিষ্ঠাসহকাৰে শুনি আয়ত্ত কৰিব লাগে।' — পলাশবাৰী শংকৰদেৱ শিশু-বিদ্যা নিকেতনৰ পৰা শেহতীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ ১৫গৰাকীকৈ কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা জনোৱা সভাত নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰি মিৰ্জাৰ দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ নৱজ্যোতি দাসে আজি এনেদৰে মন্তব্য কৰে। নিকেতনখনৰ পৰিচালনা সমিতিৰ সভাপতি পদ্মেশ্বৰ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত সম্বৰ্ধনা সভাত অধ্যক্ষ ডঃ দাসে নৈতিকভাৱে সবল মনৰ অধিকাৰী হ'বলৈ বিদ্যাৰ্থী সমাজক আহ্বান জনায়। সভাখনৰ বন্তি প্ৰজ্বালক তথা কেৰিয়াৰ প্লাছ একাডেমীৰ অধ্যক্ষ বলেন্দ্ৰ চন্দ্ৰ কুমাৰেও ভাষণ দিয়ে। তদুপৰি সভাত বক্তব্য আগবঢ়াই জ্যেষ্ঠ সাংবাদিক বিমল শৰ্মাই অধ্যৱসায়েই সংগ্ৰামী আৰু সফল জীৱনৰ মূলধন বুলি কৈ ছাত্ৰ-ছাত্ৰীসকলে ইয়াৰ অনুশীলন কৰা উচিত বুলি দোহাৰে। নিকেতন পৰিচালনা সমিতিৰ সম্পাদক সোণ কলিতাই উদ্দেশ্য ব্যাখ্যা কৰা সভাৰ আৰম্ভণিতে সৰস্বতী বন্দনাকে ধৰি কেইবাটাও কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সভাত বিদিশা কলিতা, নিৰূপম দাস, গৌৰৱ কুমাৰ, নৱনীতা কলিতা, মেঘনা কলিতা, পূজা মিশ্ৰ, দিশা দে', তৃষ্ণা কলিতা, তাপস দাস, উজ্জ্বল গৌড়, বিতোপন বৰা, নয়নজ্যোতি দাস, ইমন ডেকা, মনীষা বৰুৱা আৰু ভাৰ্গৱ প্ৰতিম দাসক ফুলাম গামোচা, অভিনন্দন পত্ৰ, স্মাৰকেৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ইয়াৰে প্ৰথম তিনিগৰাকীয়ে ষ্টাৰ, পাছৰ সাতগৰাকীয়ে প্ৰথম বিভাগ আৰু শেষৰ পাঁচগৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। তদুপৰি এই কীৰ্তিমান শিক্ষাৰ্থীসকলক বিচিত্ৰ কুমাৰ ন্যাসৰ ফালৰ পৰাও দুখনকৈ গ্ৰন্থেৰে শুভাশিস জনায় ন্যাসৰ সভাপতি বিমল শৰ্মা আৰু সচিবপ্ৰধান বিচিত্ৰ কুমাৰে। নিকেতন পৰিচালনা সমিতিৰ উপ-সভাপতি ক্ৰমে নৱ কুমাৰ আৰু জিতেন্দ্ৰ কুমাৰ দাস, কোষাধ্যক্ষ ডিম্বেশ্বৰ দাস, প্ৰধানাচাৰ্য মণ্টু গোস্বামী, কাৰ্যকৰী সদস্য ক্ৰমে দিলীপ গোস্বামী, নয়ন মহন্ত আৰু বিচিত্ৰ কুমাৰ, প্ৰতিষ্ঠাপক সদস্য জিতেন কলিতা, শৈলেন মেধি, নীৰেন মহন্তৰ লগতে সমূহ আচাৰ্য-আচাৰ্যা উপস্থিত থাকে।




## গোলাঘাটৰ ৰঙাজানত জুৱাৰ ঘাটি উৎখাত
# আৰক্ষীৰ জালত আঠ জুৱাৰী

**দৈনিক অসমৰ প্ৰতিনিধি**

**গোলাঘাট, ২৩ মে'** ঃ গোলাঘাট জিলাৰ ৰঙাজান অঞ্চলত শুকুৰবাৰে নিশা আৰক্ষীয়ে চলোৱা এক বিশেষ অভিযানত উৎখাত কৰা হয় এটা বৃহৎ জুৱাৰ ঘাটি। গোপন সূত্ৰৰ পম খেদি গোলাঘাট আৰক্ষীয়ে অভিযান চলাই আঠজন জুৱাৰীক আটক কৰে। আটকাধীন আটাইকেইজন জুৱাৰী যোৰহাট জিলাৰ বাসিন্দা বুলি আৰক্ষীৰ এক বিশেষ সূত্ৰই জানিবলৈ দিয়ে। উল্লেখ্য যে ৰঙাজানৰ এটা বিশেষ স্থানত দীৰ্ঘদিন ধৰি জুৱাৰ আড্ডা চলি আহিছিল। যোৰহাটৰ পৰাও বহু জুৱাৰী আহি ইয়াত অংশগ্ৰহণ কৰিছিল বুলি অভিযোগ উত্থাপন হৈ আহিছিল। আৰক্ষীৰ দলটো ৰঙাজানৰ ঘটনাস্থলীত উপস্থিত হোৱাৰ লগে লগেই জুৱাৰীসকলে পলায়নৰ চেষ্টা চলায় আৰু সেই সময়তে আৰক্ষীয়ে আঠজনক আটক কৰে। অভিযানকালত ঘটনাস্থলীৰ পৰা দুখন বিলাসী বাহন, এখন বাইক আৰু তিনিখন স্কুটী আৰক্ষীয়ে জব্দ কৰে। আটকাধীন জুৱাৰীসকলে সাংবাদিকৰ কেমেৰাৰ সন্মুখত মুখ ঢাকি ৰাখিবলৈ চেষ্টা কৰাৰ লগতে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰ দিবলৈও অস্বীকাৰ কৰে।

# ডিব্ৰুগড়ৰ খোৱাং মইনা গাঁৱত বাঘৰ সন্ত্ৰাস

**পোহনীয়া ছাগলী বচাবলৈ গৈ বাঘৰ আক্ৰমণত আহত তিনিজন, এএমচিএইচত চিকিৎসাধীন**

**দৈনিক অসমৰ প্ৰতিনিধি**

**মৰাণ, ২৩ মে'** ঃ ডিব্ৰুগড় জিলাৰ খোৱাং অঞ্চলৰ মইনা গাঁৱত পুনৰ বাঘৰ আতংকই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। কালি দিন-দুপৰতে গাঁওখনত প্ৰৱেশ কৰা এটা বাঘে এজনী পোহনীয়া ছাগলী ধৰি নিয়া ঘটনাক কেন্দ্ৰ কৰি সৃষ্টি হয় আতংকময় পৰিস্থিতিৰ। প্ৰত্যক্ষদৰ্শীৰ তথ্য অনুসৰি, গাঁওখনৰ এজন বাসিন্দাৰ পোহনীয়া ছাগলীটো এটা প্ৰকাণ্ড বাঘে টানি নিয়া সময়ত ছাগলীটোক ৰক্ষা কৰিবলৈ আগবাঢ়ি যায় ভূপেন ফুকন। সেই সময়তে বাঘটোৱে ভূপেন ফুকনক আক্ৰমণ চলায়। ভূপেন ফুকনক বচাবলৈ আগবাঢ়ি যোৱা বগাধৰ গোহাঁই আৰু অৰুণজ্যোতি বৰুৱাও বাঘৰ আক্ৰমণৰ বলি হয়। বাঘৰ আক্ৰমণত তিনিওজন গুৰুতৰভাৱে আহত হয়। ঘটনাৰ পিছতে স্থানীয় ৰাইজে আহত তিনিওজনক উদ্ধাৰ কৰি ততাতৈয়াকৈ মৰাণ তিলৈ নগৰ সামূহিক চিকিৎসালয়লৈ লৈ যায়। কিন্তু আঘাত গুৰুতৰ হোৱাত চিকিৎসকে উন্নত চিকিৎসাৰ বাবে তিনিওজনক ডিব্ৰুগড়স্থিত অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। বৰ্তমান তিনিওজনৰ চিকিৎসা চলি থকা বুলি জানিব পৰা গৈছে। ইফালে, অঞ্চলবাসীয়ে অভিযোগ উত্থাপন কৰি কয় যে, খোৱাং অঞ্চলত দীৰ্ঘদিন ধৰি বাঘৰ উপদ্ৰৱ অব্যাহত আছে। বিশেষকৈ নিশা আৰু পুৱতি নিশাৰ সময়ত বাঘে গাঁওসমূহত প্ৰৱেশ কৰি পোহনীয়া গৰু, ছাগলী আদি মাৰি খাই সন্ত্ৰাস সৃষ্টি কৰি আহিছে। এই সন্দৰ্ভত খোৱাং আঞ্চলিক বন বিভাগক বহুবাৰ অৱগত কৰা হৈছিল যদিও বন বিভাগে বিষয়টোত কোনো ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ তোলে ৰাইজে। ঘটনাটোৰ পিছতে অঞ্চলজুৰি আতংকৰ পৰিৱেশ বিৰাজ কৰিছে। বিশেষকৈ শিশু আৰু মহিলাসকলৰ মাজত অধিক ভয়ৰ সৃষ্টি হৈছে। স্থানীয় ৰাইজে শীঘ্ৰে বন বিভাগে বাঘটোক ধৰি নিৰাপদ স্থানলৈ স্থানান্তৰ অথবা প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনাইছে।

# টেঙাখাতত আদিবাসী সমাজৰ উত্তৰণত শিক্ষাৰ ভূমিকা সন্দৰ্ভত আলোচনা

**দৈনিক অসমৰ প্ৰতিনিধি**

**টেঙাখাত, ২৩ মে'** ঃ ডিব্ৰুগড় জিলাৰ অন্যতম অগ্ৰণী শিক্ষানুষ্ঠান টেঙাখাত মহাবিদ্যালয়ত অলপতে এখন গুৰুত্বপূৰ্ণ বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ শিক্ষাতত্ত্ব বিভাগৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত 'অসমৰ আদিবাসীসকলৰ সামাজিক আৰু সাংস্কৃতিক উত্তৰণত শিক্ষাৰ ভূমিকা' শীৰ্ষক বিষয়ত এই বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত মূল বক্তা হিচাপে উপস্থিত থাকে ডুমডুমা ডনবস্কো' ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ ফাদাৰ ডঃ এমিল কুজুৰ। শিক্ষাতত্ত্ব বিভাগৰ অধ্যাপিকা মুনমী শইকীয়াই আঁত ধৰা অনুষ্ঠানটোৰ মূল উদ্দেশ্য ব্যাখ্যা কৰে বিভাগীয় মুৰব্বী ডঃ সোণালী চেতিয়াই। ইয়াৰ পাছতে মহাবিদ্যালয়ৰ অধ্যক্ষ যতীন্দ্ৰনাথ গগৈয়ে আদৰণী ভাষণ প্ৰদান কৰে। তেওঁ ভাষণত অসমীয়া ভাষাৰ সংকটকালত খ্ৰীষ্টান মিছনেৰীসকলে আগবঢ়োৱা ঐতিহাসিক অৱদানৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। তদুপৰি, মহাবিদ্যালয়খনৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপিকা ডঃ মঞ্জুলা গগৈয়েও অনুষ্ঠানত এটি শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। বক্তৃতানুষ্ঠানৰ মূল বক্তা ডঃ কুজুৰে অসমৰ আদিবাসী সমাজৰ ভাষা-সংস্কৃতি, সমাজ ব্যৱস্থাৰ উত্তৰণ আৰু দক্ষতা বৃদ্ধিৰ ক্ষেত্ৰত শিক্ষাই কেনেকৈ এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে, সেই দিশবোৰ তথ্যসহকাৰে উপস্থাপন কৰে। মূলতঃ ঝাৰখণ্ডত জন্মগ্ৰহণ কৰা ডঃ কুজুৰে অসমৰ লগতে সমগ্ৰ ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ আদিবাসীসকলৰ জীৱনধাৰা আৰু তেওঁলোকৰ সামাজিক-সাংস্কৃতিক পৰম্পৰাৰ বিষয়ে বক্তব্য দিয়ে।



# মাজুলীৰ ৰঙাচাহী মহাবিদ্যালয়ত ড্ৰাগ্‌ছ সজাগতা সভা

**দৈনিক অসমৰ প্ৰতিনিধি**

**মাজুলী, ২৩ মে'** ঃ মাজুলীৰ ৰঙাচাহী মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষ, এন এছ এছ, স্বাস্থ্য আৰু অনাময় কোষৰ উদ্যোগত তথা নাৰ্কো ক'অৰ্ডিনেচন চেণ্টাৰ সমিতিৰ সহযোগত কালি ড্ৰাগ্‌ছৰ বিৰুদ্ধে এখন সজাগতা সভা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ ভাৰ্চুৱেল ক্লাছৰূমত অনুষ্ঠিত সভাখনৰ মূল উদ্দেশ্য আছিল যুৱ সমাজক ড্ৰাগ্‌ছৰ কু-প্ৰভাৱৰ বিষয়ে সজাগ কৰি তোলা আৰু সুস্থ সমাজ গঠনৰ বাবে সচেতনতা বৃদ্ধি কৰা। মহাবিদ্যালয় উপাধ্যক্ষ তথা বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক তৰুণ কুমাৰ নাথে আঁত ধৰা সভাখনত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ নৱ কুমাৰ গামে। আদৰণী ভাষণত তেওঁ কয় যে ড্ৰাগ্‌ছে এজন ব্যক্তিকেই নহয়, পৰিয়াল আৰু সমাজকো ধ্বংস কৰে। সেয়েহে ছাত্ৰ-ছাত্ৰীসকলে ড্ৰাগ্‌ছৰ পৰা আঁতৰি সুস্থ চিন্তা আৰু সুস্থ জীৱনশৈলী গঢ়ি তোলাটো সময়ৰ দাবী। সভাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে মাজুলী জিলা বিশেষ শাখাৰ আৰক্ষী উপ-অধীক্ষক ৰাজীৱ কুমাৰ শইকীয়া। নিজৰ বক্তব্যত তেওঁ কয় যে ড্ৰাগ্‌ছ আসক্তিয়ে শিক্ষাজীৱন নষ্ট কৰাৰ লগতে অপৰাধ, হিংসা আৰু সামাজিক অস্থিৰতা বৃদ্ধি কৰে। সভাত অধ্যাপক বদন চন্দ্ৰ নেওগ, অধ্যাপক কৃষ্ণকান্ত দলে আৰু অধ্যাপিকা চিত্ৰলেখা দেৱী, অধ্যাপিকা গায়ত্ৰী গগৈয়েও ড্ৰাগ্‌ছৰ অপকাৰিতা, সুস্থ জীৱনশৈলী, নৈতিক মূল্যবোধ আৰু যুৱপ্ৰজন্মৰ দায়িত্ব সম্পৰ্কে বক্তব্য আগবঢ়ায়। অনুষ্ঠানত 'ড্ৰাগ্‌ছমুক্ত সমাজ গঢ়োঁ, সুস্থ যুৱ প্ৰজন্ম গঢ়োঁ' শ্ল'গানৰ জৰিয়তে ড্ৰাগ্‌ছমুক্ত সমাজ গঠনৰ শক্তিশালী বাৰ্তা প্ৰচাৰ কৰা হয়। সভাত উপস্থিত সকলো শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীক ড্ৰাগ্‌ছৰ বিৰুদ্ধে শপতবাক্য পাঠ কৰোৱা হয়। অনুষ্ঠানৰ শেষত আয়োজকসকলে সকলো অংশগ্ৰহণকাৰীক ধন্যবাদ জ্ঞাপন কৰি সমাজৰ প্ৰতিজন ব্যক্তিক ড্ৰাগ্‌ছৰ বিৰুদ্ধে একত্ৰিতভাৱে আগবাঢ়ি আহিবলৈ আহ্বান জনায়।

**বাৰিষাৰ পূৰ্বে মেৰামতিৰ দাবী স্থানীয় ৰাইজৰ**

# কুৰুৱাবাহীত বিধ্বস্ত পথেৰে যাতায়াতত হাহাকাৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**নুমলীগড়, ২৩ মে'** ঃ বোকাখাত বিধানসভা সমষ্টিৰ অন্তৰ্গত কুৰুৱাবাহীৰ এক গুৰুত্বপূৰ্ণ গ্ৰাম্য পথৰ শোচনীয় অৱস্থাই এতিয়া স্থানীয় সৰ্বসাধাৰণ ৰাইজক ত্ৰাহি মধুসূদন সোঁৱৰাইছে। কুৰুৱাবাহীৰ চিনাকান চাৰিআলিৰ পৰা কুৰুৱাবাহী তিনিআলিস্থিত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথক সংযোগ কৰা লোকনিৰ্মাণ বিভাগৰ পথছোৱাত সৃষ্টি হোৱা দ গাঁতে এতিয়া চৰম বিপদত পেলাইছে পথচাৰীক। প্ৰতিদিনে এই পথেৰে যাতায়াত কৰা ছাত্ৰ-ছাত্ৰী, ৰুগী, বাইক আৰোহী আৰু ই-ৰিক্সাৰ যাত্ৰীসকল এতিয়া দৈনিক দুৰ্ঘটনাৰ আশংকাত ভুগিবলগীয়া হৈছে। পথৰ মাজে মাজে সৃষ্টি হোৱা পুখুৰীসদৃশ গাঁতবোৰৰ বাবে যান-বাহন চলাচল কৰাটো দুৰূহ হৈ পৰিছে। চৰকাৰী গ্ৰাম চড়ক যোজনাৰ অধীনৰ এনে গ্ৰাম্যপথসমূহত গধুৰ যান-বাহন চলাচলৰ ক্ষেত্ৰত কিছু নিৰ্দিষ্ট আইনী নীতি-নিয়ম আছে যদিও একাংশ গধুৰ যান-বাহনৰ মালিকে এই নিয়মক সম্পূৰ্ণৰূপে অংগুষ্ঠ প্ৰদৰ্শন কৰি আহিছে। প্ৰশাসনৰ চকুৰ সমুখতেই দৈনিক গধুৰ বাহনসমূহ অবাধে চলাচল কৰাৰ ফলত পথছোৱাৰ অৱস্থা দিনক দিনে অধিক শোচনীয় হৈ পৰিছে বুলি স্থানীয় ৰাইজে ক্ষোভ প্ৰকাশ কৰিছে। স্থানীয় ৰাইজে অভিযোগ কৰা অনুসৰি, বোকাখাত বিধানসভা সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী অতুল বৰাৰ দ্বিতীয়টো কাৰ্যকালৰ ঠিক আগে আগে এই পথছোৱা পকী কৰা হৈছিল। অতি পৰিতাপৰ কথা যে নিৰ্মাণকাৰ্য সম্পূৰ্ণ হোৱাৰ পিছৰে পৰা লোকনিৰ্মাণ বিভাগে পথছোৱাৰ কোনোধৰণৰ মেৰামতিৰ ব্যৱস্থা গ্ৰহণ নকৰিলে। বিভাগীয় কৰ্তৃপক্ষৰ এনে উদাসীনতাৰ বাবেই আজি সমগ্ৰ পথছোৱা সম্পূৰ্ণৰূপে বিধ্বস্ত হৈ পৰিছে। 'পৰিস্থিতি যদি এনেদৰেই চলি থাকে, তেনেহ'লে অনাগত বাৰিষাত এই পথছোৱাৰে যাতায়াত কৰাটো অসম্ভৱ হৈ পৰিব। সামান্য বৰষুণ দিলেই পথ আৰু পুখুৰীৰ মাজত পাৰ্থক্য নোহোৱা হৈ পৰে।'— এগৰাকী স্থানীয় ক্ষুব্ধ বাসিন্দাই কয় এনেদৰে। বৰ্তমান বাৰিষা কাল সমাগত। বাৰিষাৰ ধাৰাসাৰ বৰষুণ আৰম্ভ হ'লে এই পথছোৱাই কেনে ভয়াৱহ ৰূপ ল'ব, তাক লৈ এতিয়া চিন্তিত হৈ পৰিছে অঞ্চলবাসী। সেয়েহে পৰিস্থিতি অধিক বেয়াৰ ফালে যোৱাৰ পূৰ্বেই, অৰ্থাৎ বাৰিষা সম্পূৰ্ণৰূপে আৰম্ভ হোৱাৰ আগতেই লোকনিৰ্মাণ বিভাগক পথছোৱাৰ মেৰামতি নিশ্চিত কৰিবলৈ স্থানীয় ৰাইজে তীব্ৰ দাবী জনাইছে।



# দিহা চাহ বাগিচাত হুল দিৱসৰ প্ৰস্তুতি

**দৈনিক অসমৰ প্ৰতিনিধি**

**টীয়ক, ২৩ মে'** ঃ সদৌ অসম চাওতাল উন্নয়ন সংস্থা, যোৰহাট জিলা সমিতিৰ উদ্যোগত,আচ্‌ড়া কাকজান আঞ্চলিক সমিতি আৰু দিহা চাহ বাগিচাবাসীৰ সহযোগত ৩০ জুনত ১৭১ সংখ্যক হুল দিৱসৰ আয়োজন কৰিছে। দিহা চাহ বাগিচা, নাগিনীজান,ৰাজৈ শিমলুগুৰি আৰু কয়লা জংঘল আতু চাওতাল ৰাইজৰ আতিথ্যত দিহা চাহ বাগিচাত অনুষ্ঠিত কৰিবলৈ লোৱা এই অনুষ্ঠানত অঞ্চলটোৰ কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱা হ'ব। হুল দিৱস উদ্‌যাপনৰ বাবে লক্ষণ মাৰ্ডীক সভাপতি, আকাশ মাৰ্ডী আৰু প্ৰবীণ মুণ্ডাক যুটীয়া সম্পাদকৰূপে লৈ ৩১জনীয়া সমিতি এখন গঠন কৰি ব্যাপক প্ৰস্তুতি চলাই থকা হৈছে বুলি সদৌ অসম চাওতাল উন্নয়ন সংস্থা, যোৰহাট জিলা সমিতিৰ সভাপতি বাপুৰাম বেশ্ৰাই জনাইছে।

# গড়ভগা জয়মতী মধ্য অসমীয়া বিদ্যালয়ত কম্পিউটাৰ শিক্ষণ কাৰ্যসূচী

**শৈক্ষিক ন্যাসৰ বঁটা প্ৰদান**

**দৈনিক অসমৰ প্ৰতিনিধি**

**ডিমৌ, ২৩ মে'** ঃ ডিমৌ প্ৰাথমিক শিক্ষাখণ্ডৰ অন্তৰ্গত গড়ভগা জয়মতী মধ্য অসমীয়া বিদ্যালয়ত যোৱা ২১ মে'ত শুভাৰম্ভ কৰা হয় কম্পিউটাৰ শিক্ষণ কাৰ্যসূচী। বিদ্যালয়খনে নিজা প্ৰচেষ্টাৰে ছাত্ৰ-ছাত্ৰীসকলক কম্পিউটাৰৰ প্ৰাথমিক জ্ঞান প্ৰদান কৰাৰ অৰ্থে আৰম্ভ কৰা উক্ত কম্পিউটাৰ শিক্ষণ কাৰ্যসূচী মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক পদ্ম ভৰালীৰ উপস্থিতত আনুষ্ঠানিকভাৱে মুকলি কৰে ডিমৌ প্ৰাথমিক শিক্ষা বিষয়া নৰনাথ গোহাঁয়ে। ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ বাবে বিদ্যালয়খনলৈ কম্পিউটাৰ দান কৰিছে প্ৰয়াত শিক্ষক নন্দেশ্বৰ দত্তৰ পৰিয়ালে। উক্ত দিনাই বিদ্যালয়খনত তৃতীয় বাৰ্ষিক শৈক্ষিক ন্যাস বঁটা প্ৰদান কাৰ্যসূচীও সম্পন্ন কৰা হয়। এই উপলক্ষে বিদ্যালয়ৰ প্ৰধান শিক্ষক সুজিৎ বড়াই আঁত আৰু উদ্দেশ্য ব্যাখ্যা কৰা সভাখনৰ সভাপতিত্ব কৰে বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নিত্যা ভৰালীয়ে। জাতীয় সংগীত পৰিৱেশন আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা সভাখনত অতিথি হিচাপে নিতাইপুখুৰী বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক সুখেশ্বৰ দত্ত, গড়ভগা জয়মতী মধ্য অসমীয়া বিদ্যালয়ৰ প্ৰাক্তন শিক্ষক বিপুল দত্ত, অৱসৰপ্ৰাপ্ত অভিযন্তা ৰাজেন বড়া, সমাজকৰ্মী ফণীধৰ বড়া, স্থানীয় জ্যেষ্ঠ মহিলা পুণ্য দত্ত বড়া আদি উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি বক্তব্য আগবঢ়ায়। স্থানীয় ভালেসংখ্যক লোক আৰু অভিভাৱক উপস্থিত থকা শৈক্ষিক ন্যাসৰ বঁটা প্ৰদান সভাত মেধা ভিত্তিত বিদ্যালয়খনৰ নিম্ন প্ৰাথমিক শ্ৰেণীৰ ছাত্ৰী প্ৰিন্সিপ্ৰিয়া গগৈক প্ৰাক্তন শিক্ষক গুণ দত্ত সোঁৱৰণী শৈক্ষিক ন্যাসৰ বঁটা আৰু উচ্চ প্ৰাথমিকৰ ছাত্ৰী কুকি দত্তক যতীন দত্ত সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। গুণ দত্ত আৰু যতীন দত্ত সোঁৱৰণী ন্যাসৰ হৈ দুই ব্যক্তিৰ পুত্ৰ-কন্যা বিতুল দত্ত আৰু ৰেণু দত্ত সভাত উপস্থিত থাকে।

# চেপনৰ অভিযন্তা গাৰ্গী বৰুৱাৰ মৃত্যুত শোকৰ ছাঁ

**দৈনিক অসমৰ প্ৰতিনিধি**

**চেপন, ২৩ মে'** ঃ শিৱসাগৰ নগৰৰ নাতিদূৰৈৰ ভটিয়াপাৰত ২১ মে'ৰ বিয়লি প্ৰায় ৩.৩০ বজাত সংঘটিত এক পথ দুৰ্ঘটনাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱা ডিব্ৰুগড় জিলাৰ চেপন দিৰৈঘাট নিৱাসী বুবুল বৰুৱা আৰু মমী গগৈ বৰুৱাৰ একমাত্ৰ কন্যা তথা অসামৰিক (নিৰ্মাণকাৰী) বিভাগৰ অভিযন্তা গাৰ্গী বৰুৱা (২৪)ৰ কালি দুপৰীয়া প্ৰায় ১ বজাত ডিব্ৰুগড়ৰ এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত মৃত্যু হয়। পৰিয়াল সূত্ৰই সদৰি কৰা মতে, নগাঁও জিলাৰ কাকী অঞ্চলৰ 'যজ্ঞ কনষ্ট্ৰাকচন্' নামৰ নিৰ্মাণকাৰী প্ৰতিষ্ঠানত কৰ্মৰত গাৰ্গী বৰুৱাই কৰ্মস্থলীৰ পৰা আহোতে ভটিয়াপাৰত স্কুটীখনৰ চকা ফুটি ৰাজপথতে বাগৰি পৰে। মূৰত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱা গাৰ্গীক ততাতৈয়াকৈ চিকিৎসাৰ বাবে ডিব্ৰুগড়ৰ সঞ্জীৱনী চিকিৎসালয়ত ভৰ্তি কৰে। অৱশেষত কলি দিনৰ প্ৰায় ১ বজাত গাৰ্গী বৰুৱাই মৃত্যুৰ ওচৰত হাৰ মানে। দেউতাক বুবুল বৰুৱাই সাধাৰণ এখন ই-ৰিক্সা চলাই পৰিয়াল পোহপাল দিয়াৰ লগতে গাৰ্গীৰ পঢ়াৰ সকলো খৰচ যোগাৰ কৰি দি আহিছিল। ২০২৫ বৰ্ষত নগাঁও জিলাৰ যজ্ঞ কনষ্ট্ৰাকচন্‌ত এগৰাকী অভিযন্তা হিচাপে যোগদান কৰি মাক-দেউতাকক সকাহ দিবলৈ চেষ্টা কৰিছিল। এইগৰাকী মেধাৱী আৰু সৰলমনা যুৱতীৰ আকস্মিক মৃত্যুত দুৰ্ভগীয়া পৰিয়ালটোৰ মূৰত সৰগ ভাগি পৰাৰ দৰে অৱস্থা হৈছে। পৰিয়ালটোৰ একমাত্ৰ উপাৰ্জনক্ষম কন্যা সন্তানৰ মৃত্যুত ঘৰৰ চাৰিওফালে এক অবৰ্ণনীয় পৰিৱেশৰ সৃষ্টি হৈছে। যুৱতীগৰাকীৰ মৃত্যুত সমগ্ৰ চেপন আৰু দিৰৈঘাট অঞ্চলত শোকৰ ছাঁ পৰিছে। ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়ত যুৱতীগৰাকীৰ মৰণোত্তৰ পৰীক্ষা সম্পন্ন হোৱাৰ পাছত সন্ধিয়া ৭ বজাত মৃতদেহ চেপন দিৰৈঘাটৰ নিজা বাসগৃহ আহি পোৱাৰ লগে লগে এক শোকাকুল পৰিৱেশে বিৰাজ কৰে। চেপন আঞ্চলিক ব্যৱসায়ী সন্থা, চেপন বজাৰ ই-ৰিক্সা চালক আৰু মালিক সন্থা, ছাত্ৰ সন্থা, আটাছু, দিৰৈঘাট ইউথ প্ৰিমিয়াৰ ক্লাব, দিৰৈঘাট যুৱক সমাজ আদি অনুষ্ঠান-প্ৰতিষ্ঠানে তেওঁ মৃত্যুত শোক প্ৰকাশ কৰে।



**আকৰ্ষণীয় আৰ্হিৰে দক্ষতা প্ৰদৰ্শন গৌৰীসাগৰৰ ছাত্ৰ-ছাত্ৰীৰ**

# দিখৌমুখ জনজাতি বিদ্যালয়ত বিজ্ঞান প্ৰতিযোগিতা




**দৈনিক অসমৰ প্ৰতিনিধি**

**গৌৰীসাগৰ, ২৩ মে'** ঃ গৌৰীসাগৰৰ ঐতিহাসিক দিখৌমুখ জনজাতি উচ্চমাধ্যমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক বিকাশ আৰু বিজ্ঞানমনস্কতা বৃদ্ধিৰ লক্ষ্যৰে এখন বিজ্ঞান আৰ্হি প্ৰদৰ্শনী, প্ৰতিযোগিতা কালি অনুষ্ঠিত হয়। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অন্তৰ্নিহিত উদ্ভাৱনী শক্তিৰ বিকাশ সাধন কৰা আৰু বিজ্ঞানৰ ব্যৱহাৰিক-প্ৰায়োগিক দিশত বিশেষ গুৰুত্ব আৰোপ কৰি এই প্ৰদৰ্শনীখন অনুষ্ঠিত হৈছিল। সমগ্ৰ প্ৰতিযোগিতাখন মূলতঃ দুটা শাখাত বিভক্ত কৰা হৈছিল। ইয়াৰে ষষ্ঠ শ্ৰেণীৰপৰা অষ্টম শ্ৰেণীলৈকে নিম্ন শাখা আৰু নৱম শ্ৰেণীৰপৰা দশম শ্ৰেণীলৈকে উচ্চ শাখা হিচাপে নিৰ্দ্ধাৰণ কৰা হৈছিল। দুয়োটা শাখাতে ছাত্ৰ-ছাত্ৰীসকলে ব্যাপক উৎসাহ-উদ্দীপনাৰে অংশগ্ৰহণ কৰা দেখা যায় আৰু প্ৰতিযোগিতাখনত মুঠ কুৰিটাৰো অধিক দলে নিজৰ নিজৰ বিজ্ঞান আৰ্হি প্ৰদৰ্শন কৰে। বিদ্যালয়খনৰ বিজ্ঞান শাখাৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বলিষ্ঠ তত্ত্বাৱধানত সমগ্ৰ কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে সহকাৰী শিক্ষয়িত্ৰী পপী নেওগে বিজ্ঞান প্ৰদৰ্শনীৰ মূল উদ্দেশ্য আৰু ইয়াৰ প্ৰয়োজনীয়তা ব্যাখ্যা কৰে। ইয়াৰ পাছতে বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰঞ্জন বৰাই প্ৰদৰ্শনীখন উদ্বোধন কৰে। ছাত্ৰ-ছাত্ৰীসকলে প্ৰস্তুত কৰা আকৰ্ষণীয় আৰ্হিসমূহ নিৰীক্ষণ কৰি শেষত বিচাৰক মণ্ডলীয়ে বিজয়ী দলসমূহ নিৰ্বাচিত কৰে। সামৰণী অনুষ্ঠানত বিচাৰকসকলৰ সিদ্ধান্ত অনুসৰি স্থানপ্ৰাপ্ত বিজয়ী দলসমূহক উৎসাহিত কৰাৰ উদ্দেশ্যে মানপত্ৰ আৰু জ্ঞানবৰ্দ্ধক গ্ৰন্থৰে পুৰস্কৃত কৰা হয়। প্ৰদৰ্শনীখনে ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞান চৰ্চাৰ প্ৰতি অধিক আকৰ্ষিত কৰিব বুলি বিদ্যালয় কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে।

# নৃত্যাংগনা কলাকেন্দ্ৰৰ উদ্যোগত গ্ৰীষ্মকালীন নৃত্য কৰ্মশালা

**দৈনিক অসমৰ প্ৰতিনিধি**

**মহুৰামুখ, ২৩ মে'** ঃ গোলাঘাট জিলাৰ বাদুলিপাৰৰ নৃত্য শিক্ষাৰ অগ্ৰণী অনুষ্ঠান নৃত্যাংগনা কলাকেন্দ্ৰই প্ৰতিবৰ্ষৰ দৰে এইবাৰো অহা ৬ৰ পৰা ১৮ জুলাইলৈ আয়োজন কৰিছে গ্ৰীষ্মকালীন নৃত্য আৰু মডেলিং প্ৰশিক্ষণ কৰ্মশালাৰ। উল্লেখ্য যে ১৮ বছৰীয়া অভিজ্ঞতাৰে পুষ্ট নৃত্যাংগনা কলাকেন্দ্ৰৰ বহুকেইটা শাখা ইতিমধ্যে গোলাঘাট জিলাৰ বহুকেইটা অঞ্চলত সুন্দৰকৈ চলি আছে। এই শাখাসমূহৰ ভিতৰত মুখ্য কাৰ্যালয় বাদুলিপাৰ আৰু ৰঙাগড়া শাখাত পৃথকে পৃথকে আয়োজন কৰা হৈছে এই গ্ৰীষ্মকালীন কৰ্মশালাৰ। বাদুলিপাৰ লেপলেপি প্ৰাথমিক বিদ্যালয়ত পুৱা ১০ বজাৰ পৰা ১.৩০ লৈ আৰু ৰঙাগড়া জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত ৩ বজাৰ পৰা ৬ বজালৈ অনুষ্ঠিত হ'ব এই কৰ্মশালাৰ প্ৰশিক্ষণ। অসমৰ সাংস্কৃতিক জগতৰ বহুকেইজন প্ৰতিষ্ঠিত নৃত্য প্ৰশিক্ষক, কৰিঅ'গ্ৰাফাৰৰ দ্বাৰা এই কৰ্মশালাত আধুনিক সৃষ্টিশীল নৃত্য, বিভিন্ন পাশ্চাত্য নৃত্য, অৰ্দ্ধশাস্ত্ৰীয় নৃত্য আৰু মডেলিঙৰ প্ৰশিক্ষণ আগবঢ়াব বুলি নৃত্যাংগনা কলাকেন্দ্ৰৰ মুখ্য সঞ্চালক, কৰিঅ'গ্ৰাফাৰ কামাল ৰাজাই জানিবলৈ দিছে। তদুপৰি কৰ্মশালাৰ সামৰণিত 'নাচোনৰ জিলিঙনি' শীৰ্ষক এক আড়ম্বৰপূৰ্ণ সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হ'ব। এই সাংস্কৃতিক অনুষ্ঠানত বিভিন্ন আকৰ্ষণীয় দলীয়, দ্বৈত নৃত্যানুষ্ঠানৰ লগতে সাজপাৰ প্ৰতিযোগিতা এখনো অনুষ্ঠিত হ'ব। তদুপৰি কামাল ৰাজাৰ ৰচনা, পৰিচালনা আৰু কৰিঅ'গ্ৰাফীত হিয়াৰ আমঠু জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই এখন সুমধুৰ সংগীতালেখ্য 'অমৃত সুৰৰ অঞ্জলি' প্ৰদৰ্শন কৰা হ'ব। উক্ত অনুষ্ঠানত অংশগ্ৰহণকাৰী সকলো ছাত্ৰ-ছাত্ৰীক একোখনকৈ প্ৰমাণপত্ৰ প্ৰদান কৰাৰ লগতে বহুকেইজন জনপ্ৰিয় অভিনেতা, কণ্ঠশিল্পী তথা সমাজকৰ্মী আৰু সাংস্কৃতিক কৰ্মীক সম্বৰ্দ্ধনা জনোৱা হ'ব। এই কৰ্মশালাৰ প্ৰতিটো শাখাৰ আসন সীমিত। ৫ বছৰৰ ওপৰৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব পাৰিব। আগ্ৰহীসকলে ৭৮৯৬৯০৩৭৬৭ যোগাযোগ কৰিব পাৰিব।

# ডিমৌ বৰুৱা চাংমাই গাঁৱৰ পথৰ দাঁতিত বৃহৎ পৰিমাণৰ ব্যৱহৃত চিৰিঞ্জ

**ড্ৰাগ্‌ছ আসক্ত দলে পেলোৱাৰ সন্দেহ**

**দৈনিক অসমৰ প্ৰতিনিধি**

**ডিমৌ, ২৩ মে'** ঃ ডিমৌ বৰুৱা চাংমাই গাঁৱৰ পথৰ দাঁতিত বৃহৎ পৰিমাণৰ ব্যৱহৃত চিৰিঞ্জ উদ্ধাৰক কেন্দ্ৰ কৰি গাঁওখনত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বৰুৱা চাংমাই গাঁৱৰ মাজেদি পাৰ হৈ যোৱা এ চি চি আলিৰ এক জনবসতি নথকা অংশত মধুমেহ ৰোগীয়ে ইনচুলিন লওঁতে ব্যৱহাৰ কৰা ক্ষুদ্ৰাকৃতিৰ চিৰিঞ্জখিনি ড্ৰাগ্‌ছ আসক্ত দলে সেই স্থানত পেলাই থৈ যোৱা বুলি গাঁওবাসীয়ে সন্দেহ প্ৰকাশ কৰিছে। ডিমৌ আৰক্ষী থানাৰ অন্তৰ্গত ড্ৰাগ্‌ছ সৰবৰাহকাৰী আৰু আসক্তৰ সংখ্যা দিনে দিনে বৃদ্ধি পোৱা বুলি চৰ্চিত হৈ অহাৰ সময়তে বৰুৱা চাংমাইৰ ব্যস্ততাপূৰ্ণ এটা পথৰ দাঁতিত পেলাই থৈ যোৱা ব্যৱহৃত চিৰিঞ্জখিনিয়ে গাঁওখনৰ বদনাম অনাৰ লগতে পৰিৱেশ বিনষ্ট কৰিছে বুলি ৰাইজে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। লগতে চিৰিঞ্জখিনি উদ্ধাৰ হোৱা স্থানলৈ এচাম অচিনাকি যুৱকে মটৰচাইকেলেৰে সঘনে আহি আড্ডা দিয়েহি বুলিও স্থানীয় যুৱকসকলে অভিযোগ কৰিছে। বৰুৱা চাংমাই গাঁৱৰ একাংশ যুৱকে বিষয়টো সন্দৰ্ভত কালি বিয়লিতে ডিমৌ আৰক্ষীক অৱগত কৰে।

# বৰপথাৰত শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**ধনশিৰি, ২৩ মে'** ঃ বৰপথাৰ নগৰৰ ১০ নং ৱাৰ্ডত থকা বৰপথাৰ মৌজাৰ মৌজাদাৰৰ কাৰ্যালয়ৰ সন্মুখৰ এটা নলাত কালি আবেলি এজন শ্ৰমিকৰ অৰ্দ্ধগলিত মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, এটা নিৰ্মীয়মাণ নলাৰ পৰা ওলোৱা দুৰ্গন্ধৰ উৎস অনুসৰণ কৰি স্থানীয় লোকে নলাটোত এটা মৃতদেহ প্ৰত্যক্ষ কৰি বৰপথাৰ আৰক্ষীক খবৰ দিয়ে। পিছত আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে। শেহতীয়া খবৰ অনুসৰি মৃত লোকজন স্থানীয় পাভজান চাহ বাগানৰ ৭ নম্বৰ লাইনৰ নাৰায়ণ তিৰ্কী বুলি প্ৰকাশ পাইছে। পৰিয়ালৰ সূত্ৰই জনোৱা মতে, বৰপথাৰ নগৰত চাৰিচকীয়া বাহনত সামগ্ৰী উঠোৱা শ্ৰমিক হিচাপে কাম কৰা নাৰায়ণ তিৰ্কী যোৱা তিনিদিন ধৰি নিৰুদ্দেশ হৈ আছিল। লোকজনৰ মৃত্যুৰ কাৰণ বৰ্তমানলৈকে পোহৰলৈ অহা নাই।

# নীট পৰীক্ষাৰ আৰ্হি সলনিৰ দাবীত ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাৰ সঞ্চালকপ্ৰধানলৈ ধেমাজিৰ দ্য ভেটেৰান্‌ছ ক্লাবৰ স্মাৰকপত্ৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**ধেমাজি, ২৩ মে'** ঃ মেডিকেল পাঠ্যক্ৰমৰ ৰাষ্ট্ৰীয় প্ৰৱেশিকা পৰীক্ষা নীটৰ প্ৰশ্নকাকত ফাদিল আৰু পৰীক্ষা বাতিলক কেন্দ্ৰ কৰি সমগ্ৰ দেশৰ লগতে ৰাজ্যতো প্ৰতিবাদৰ জুই জ্বলিছে। যোৱা ১৯ মে'ত ধেমাজিত এই ঘটনাৰ তীব্ৰ বিৰোধিতা কৰি ধেমাজিৰ 'দ্য ভেটেৰান্‌ছ ক্লাব'ৰ কাৰ্যকৰী সভাপতি বলীন বৰগোহাঞি আৰু সম্পাদক নগেন্দ্ৰ নাথ গগৈৰ নেতৃত্বত এটা সঁজাতি দলে ধেমাজি জিলা আয়ুক্তক সাক্ষাৎ কৰি নতুন দিল্লীৰ ওখলা ইণ্ডাষ্ট্ৰিয়েল ইষ্টেটত থকা ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাৰ সঞ্চালকপ্ৰধানলৈ ধেমাজি জিলা আয়ুক্তৰ জৰিয়তে ৰাষ্ট্ৰীয় নীট পৰীক্ষাৰ আৰ্হি সালসলনি কৰাৰ বাবে দাবী আৰু পৰামৰ্শৰ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। স্মাৰকপত্ৰত সংগঠনটোৱে কয় যে ভৱিষ্যৎ প্ৰজন্মক সুৰক্ষিত কৰিবলৈ সকলো ধৰণৰ অনিয়ম দূৰ কৰাৰ বাবে স্মাৰকপত্ৰ প্ৰেৰণ কৰে। স্মাৰকপত্ৰত তেওঁলোকে কয় যে সকলো পৰীক্ষাৰ্থী পৰীক্ষা কক্ষত প্ৰৱেশ কৰাৰ পিছতহে প্ৰশ্নকাকত প্ৰস্তুত কৰা আৰু প্ৰশ্নকাকতখন ই-মেইলৰ জৰিয়তে পৰীক্ষা কেন্দ্ৰলৈ এনে এটা ছফ্‌টৱেৰৰ সহায়ত পঠিওৱা, যিয়ে প্ৰতিখন প্ৰশ্নকাকতৰ প্ৰশ্নৰ ক্ৰমিক নম্বৰসমূহ সালসলনি কৰি দিব, কিন্তু পূৰ্বে নিৰ্দ্ধাৰিত প্ৰশ্নসমূহ একেই ৰাখিব। ইয়াৰ দ্বাৰা প্ৰশ্নকাকত ফাদিল আৰু নকল ইত্যাদিৰ সকলো সম্ভাৱনা দূৰ কৰা, পৰীক্ষাৰ বাবে নিৰ্দ্ধাৰিত তাৰিখৰ ঠিক আগদিনা বিশেষজ্ঞৰ পেনেলে প্ৰশ্ন প্ৰস্তুত কৰিব লাগে আৰু তেওঁলোকে প্ৰস্তুত কৰা মুঠ প্ৰশ্নৰ সংখ্যা এক লাখৰ কম হ'ব নালাগে, অৰ্থাৎ জীৱবিজ্ঞান ৫০ হাজাৰ, পদাৰ্থ বিজ্ঞান ২৫ হাজাৰ, ৰসায়ন বিজ্ঞান ২৫ হাজাৰ। কেৱল প্ৰশ্নৰ কম্পিউটাৰ ডাটাবেছ সৃষ্টি কৰিব লাগে যাতে কোনোধৰণৰ ফাদিল/অনিয়ম ৰোধ কৰা, কোনো ধৰণৰ সম্ভাব্য অনিয়ম পৰিহাৰ কৰিবলৈ বিশেষজ্ঞৰ ডাটাবেছৰ বিপৰীতে এ আই কম্পিউটাৰ ৰেণ্ডমাইজেচন প্ৰক্ৰিয়াৰ দ্বাৰা বিশেষজ্ঞৰ পেনেল প্ৰস্তুত কৰা, চূড়ান্ত প্ৰশ্নকাকতখন কেৱল পৰীক্ষাৰ দিনাহে প্ৰস্তুত কৰা, য'ত সকলো পৰীক্ষাৰ্থী পৰীক্ষা কক্ষত প্ৰৱেশ কৰাৰ পিছত কৰ্তৃত্বপ্ৰাপ্ত বিশেষজ্ঞসকলে আগৰ দিনা আৰু তাৰিখত দাখিল কৰা প্ৰশ্নৰ পৰা কম্পিউটাৰ ৰেণ্ডমাইজেচন প্ৰক্ৰিয়াৰ জৰিয়তে প্ৰশ্ন বাছনি কৰা হ'ব। ইয়াৰ ফলত মেজিষ্ট্ৰেটৰ উপস্থিতিত প্ৰশ্নকাকত ফাদিল হোৱাৰ সম্ভাৱনা সম্পূৰ্ণৰূপে নোহোৱা কৰা, এন টি এয়ে সাধাৰণ শ্ৰেণীৰ পৰা ১৭০০ টকা, অন্যান্য পিছপৰা শ্ৰেণী আৰু ই ডব্লিউ এছৰ পৰা ১৫০০ টকা আৰু অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ পৰা ১০০০ টকাকৈ পৰীক্ষাৰ মাচুল সংগ্ৰহ কৰে। গতিকে এন টি এয়ে প্ৰায় ৩০ টকা মূল্যৰ এটা কাৰ্যকৰী আহাৰ, যেনে— পুৰি-সবজি বা ব্ৰেড-বাটাৰ, কণী, কল আদি পৰীক্ষাৰ্থীসকলক যোগান ধৰিব লাগে। কিয়নো পৰীক্ষাৰ্থীসকলক পুৱা ৮ বজাতে পৰীক্ষা কক্ষত প্ৰৱেশ কৰিবলৈ দিয়া হয় আৰু প্ৰয়োজনসাপেক্ষে তেওঁলোকে আবেলি ৩ পৰা ৪ বজালৈকে থাকিব লগা হ'ব পাৰে বুলি উল্লেখ কৰে।

## প্ৰতিকূল বতৰৰ বাবেই ক্ষতিগ্ৰস্ত বৃহৎসংখ্যক কৃষক পৰিয়াল

# শ শ বিঘা কৃষিভূমিত ধানৰ সলনি পতান



**দৈনিক অসমৰ প্ৰতিনিধি**
**সৰুপেটা, ২৩ মে'ঃ** ভৱানীপুৰত বৃহৎ ক্ষতিৰ সন্মুখীন হ'বলগীয়াত পৰিছে অঞ্চলটোৰ কেইবাশ কৃষক পৰিয়াল। সম্প্ৰতি বান ক্ষতিগ্ৰস্ত কৃষিপ্ৰধান অঞ্চলটোত শালিধানৰ খেতিত বিস্তৰ ক্ষতিৰ সন্মুখীন হৈ অহা অঞ্চলটোৰ স্থানীয় কৃষক ৰাইজে ইৰি ধানৰ খেতিতে অধিক মনোনিৱেশ কৰি আহিছিল যদিও এইবেলি ইৰি ধান চপাবলৈ গৈ অঞ্চলটোৰ কেইবা সহস্ৰাধিক কৃষকে মূৰে-কপালে হাত দিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। অঞ্চলটোৰ কঁহুৱা, ভাৰেগাঁও, বাটোৰা, দলোপথাৰ, সানিকুৰা, বাংলীপাৰা, মাধৱপুৰকে ধৰি কুৰিখনৰো অধিক গাঁৱৰ কৃষক ৰাইজ ইয়াৰ ফলত ব্যাপকভাৱে ক্ষতিগ্ৰস্ত হোৱা দেখা গৈছে। বৰ্তমান অঞ্চলটোৰ পথাৰত মুঠিয়ে মুঠিয়ে ইৰি ধানৰ ডাঙৰি য'তে-ত'তে সিচঁৰতি হৈ পৰি থকা দেখা গৈছে। অঞ্চলটোৰ কৃষকে ইৰি ধানৰ অন্যান্য জাতৰ লগতে অঞ্চলটোৰ ৰাইজৰ মাজত অতিকে জনপ্ৰিয় অধিক উৎপাদনক্ষম লালগংগা নামৰ ধানবিধৰ খেতি অধিক পৰিমাণে কৰিছিল যদিও লালগংগা নামৰ ধানবিধেই অধিক আক্ৰান্ত হোৱাত ক্ষতিৰ পৰিমাণ অধিক হ'ব বুলি জানিব পৰা গৈছে। অঞ্চলটোৰ আজিজুল হক, বিৰাজ আলী, তফজুল হক, নাচিবৰ ৰহমান, ৰিজুল আলী, মোজাম্মিল আলী, ইছলাম আলী, স্বপন মণ্ডল, বাবুল দাস, উপেন বসুমতাৰীকে ধৰি কেইবাগৰাকীও অভিজ্ঞ কৃষকে লালগংগা নামৰ ইৰি ধানবিধৰ খেতিত থোৰ মেলাৰ সময়তে অঞ্চলটোৰ ওপৰেৰে পাৰ হৈ যোৱা বতাহ-ধুমুহা আৰু শিল-বৰষুণৰ ফলতেই ইৰি ধানৰ খেতিত পতান পৰাৰ বিষয়ে জানিবলৈ দিছে। ইতিপূৰ্বে প্ৰতি বিঘা মাটিত গড়ে কুৰি মোনকৈ ধান উৎপাদন হোৱা কৃষিভূমিত ইৰি ধানৰ উৎপাদন আঢ়ে অথবা তিনি মোনতে সীমিত থকাৰ সম্ভাৱনা প্ৰকাশ কৰিছে ক্ষতিগ্ৰস্ত কৃষকসকলে। আনহাতে সাৰ, বীজ, ঔষধ ক্ৰয়, ভাৰালৈ অনা পাম্পছেট আৰু ইন্ধনত হোৱা খৰচৰ উপৰি পৰিবহন ব্যয়কে ধৰি ১৫,০০০ টকাকৈ প্ৰতি বিঘা মাটিত ব্যয় হোৱাৰ বিষয়ে জানিবলৈ দি এনে অৱস্থাত ক্ষতিগ্ৰস্ত কৃষকসকলে খেতি কৰাৰ সাহস হেৰুৱাই পেলোৱাৰ বিষয়ে দুৰ্দশাগ্ৰস্ত কৃষকসকলে জানিবলৈ দিছে। চৰকাৰ আৰু কৃষি বিভাগৰ ওচৰত ক্ষতিপূৰণ আদায়ৰ দাবী উত্থাপন কৰিছে ক্ষতিগ্ৰস্ত কৃষকসকলে।





# ইতিহাস হোৱাৰ পথত বাহাৰঘাটৰ দুটাকৈ পৰিদৰ্শন বাংলো

## এটা জহি-খহি যোৱাৰ বিপৰীতে আনটো ছানিছে জংঘলে

**দৈনিক অসমৰ প্ৰতিনিধি**
**বৰভাগ, ২৩ মে'ঃ** আজিও নতুনকৈ নিৰ্মাণ কৰা নহ'ল বাহাৰঘাটৰ দুটাকৈ পৰিদৰ্শন বাংলো। বিগত অগপ চৰকাৰৰ প্ৰথমটো কাৰ্যকালতে বাহাৰঘাটত ৰাইজৰ দাবীত এটি পৰিদৰ্শন বঙলা নিৰ্মাণ কৰিছিল। চৰকাৰী বিধি অনুযায়ী প্ৰয়োজনীয় কৰ্মচাৰীৰো নিযুক্তি দিয়া হৈছিল। কিন্তু পৰিতাপৰ বিষয় যে নিৰ্মাণৰ কেইটামান বছৰৰ পিছত ৰহস্যময়ভাৱে বঙলাটো ভস্মীভূত হয়। তাৰপিছত কংগ্ৰেছ চৰকাৰৰ দিনত মেৰামতিৰ ব্যৱস্থা কৰিছিল যদিও উন্নত নহ'ল। ফলত বাংলো গুচি জয়াল হাবি হৈ পৰিল সমগ্ৰ ঠাইখিনি। ইয়াৰ পিছত ২০১৬ চনত বিধায়ক অশোক শৰ্মাক বাহাৰঘাটৰ দুটা আই বি পুনৰ নিৰ্মাণৰ বাবে ৰাইজে অনুৰোধ কৰিছিল। উল্লেখ কৰিবলগীয়া যে কামৰূপ আৰু নলবাৰী জিলাৰ সীমামূৰীয়া ঠাই বাহাৰঘাটত দুটাকৈ পৰিদৰ্শন বাংলো আছিল। এটা বৰলীয়া নৈৰ পূব পাৰে আৰু এটা বৰলীয়াৰ পশ্চিম পাৰে অৱস্থিত। বৰলীয়াৰ পূব পাৰৰটো জলসম্পদ বিভাগৰ আৰু পশ্চিম পাৰৰটো লোকনিৰ্মাণ বিভাগৰ দ্বাৰা পৰিচালিত। বৰ্তমান দুয়োটা বাংলোই অস্তিত্বহীন হৈছে। মন কৰিবলগীয়া যে পূব পাৰৰ আই বিটো ভাঙি-ছিগি যোৱাৰ বিপৰীতে পশ্চিম পাৰৰটো হাবি-জংঘলে জয়াল কৰি তুলিছে। ৰাইজৰ অনুৰোধমৰ্মে জলসম্পদ বিভাগৰ নলবাৰী সংমণ্ডলৰ বৰমূৰীয়াসকলে বৰলীয়া নৈৰ পূব দিশৰ পৰিদৰ্শন বঙলাটো পৰ্যবেক্ষণ কৰি সোনকালে বিহিত ব্যৱস্থা লোৱাৰ আশ্বাস দিছিল। কিন্তু পৰিতাপৰ বিষয় যে আজিকোপতি বিভাগটোৱে কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। ইয়াৰ মাজতে বিগত ২০১৯ৰ লোকসভা নিৰ্বাচনত সাংসদ দিলীপ শইকীয়া মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ নিৰ্বাচিত হয়। স্থানীয় এজন সাংসদ পায় বাহাৰঘাট অঞ্চলৰ ৰাইজে অঞ্চলটোৰ বহুতো সমস্যাৰ লগতে পৰিদৰ্শন বঙলা দুটাৰ কথাও অৱগত কৰে। সাংসদগৰাকীয়ে পোনতে দুয়োটাৰে এটা বঙলা নিৰ্মাণ কৰাৰ আশ্বাস দিছিল যদিও কোনো কাম কৰা বৰ্তমানলৈ ৰাইজৰ চকুত পৰা নাই। বৰ্তমান পৰিদৰ্শন বঙলা দুয়োটাই সাংসদগৰাকীৰ সমষ্টিৰ অন্তৰ্গত নহয় যদিও জন্ম গাঁৱৰ কাষতে লাগি থকা পৰিদৰ্শন বঙলা দুয়োটা নিৰ্মাণত গুৰুত্ব দিলে সফল হ'ব বুলি ৰাইজ আশাবাদী।

## চাৰিদুৱাৰত বজ্ৰপাতত চাৰিটা পশুধনৰ মৃত্যু

**দৈনিক অসমৰ প্ৰতিনিধি**
**তেজপুৰ, ২৩ মে'ঃ** শোণিতপুৰৰ চাৰিদুৱাৰত কালি দুপৰীয়া ব্ৰজপাতৰ ফলত চাৰিটা পশুধনৰ মৃত্যু ঘটে। ঘটনাৰ বিৱৰণ অনুসৰি কালি দুপৰীয়া হঠাতে শোণিতপুৰত অহা বতাহ-বৰষুণৰ সময়তে চাৰিদুৱাৰৰ ঔহলা গাঁৱত এই শোকাৱহ ঘটনাটো সংঘটিত হয়। এই সময়তে ব্ৰজপাতৰ ফলত পথাৰত এৰাল দি থোৱা চাৰিটা গো-ধনৰ মৃত্যু ঘটে।

## হতাপাৰাত জনজাতীয় গৰিমা উৎসৱ

**দৈনিক অসমৰ প্ৰতিনিধি**
**হাউলী, ২৩ মে'ঃ** অসমৰ জনভাগীদাৰী অভিযানৰ অংশস্বৰূপে ২১ মে'ত বৰপেটা জিলাৰ সীমামূৰীয়া অঞ্চল আৰু বাক্সা জিলাৰ গোবৰ্দ্ধনা ব্লকৰ অন্তৰ্গত হতাপাৰা গাঁৱৰ ৰাইজৰ উপস্থিতিত এফ এম ডি ভেকচিনেচন কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। জনজাতীয় গৰিমা উৎসৱৰ অংশবিশেষ এই কাৰ্যসূচীত গাঁৱৰ ৰাইজৰ উপস্থিতিত অনুষ্ঠিত হয়। ব্যাসপাৰা অঞ্চলৰ ৰাইজৰ সহযোগিতাত এই কাৰ্যসূচী ৰূপায়ণ কৰাত যথেষ্ট সহায়ক হৈছে বুলি জানিবলৈ দি এনেকুৱা অনুষ্ঠান যাতে হতাপাৰাত পুনৰ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰে তাৰ বাবে স্বাস্থ্যকৰ্মীসকলক আহ্বান জনায়।

# গুৱাহাটী বিশ্ববিদ্যালয়ৰ মাচুল বৃদ্ধিৰ সিদ্ধান্ত বাতিলৰ দাবী এছ এফ আইৰ

**দৈনিক অসমৰ বাতৰি**
**গুৱাহাটী, ২৩ মে'ঃ** দেশৰ বৰ্ধিত দাম বৃদ্ধি আৰু আৰ্থিক সংকটৰ মাজতে গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষই শিক্ষাৰ্থীবিৰোধী স্থিতি গ্ৰহণ কৰি পাঁচ বছৰীয়া সংহত স্নাতকোত্তৰ পাঠ্যক্ৰমত ব্যাপক হাৰত মাচুল বৃদ্ধি কৰা কাৰ্যক এছ এফ আইৰ অসম ৰাজ্যিক কমিটীয়ে তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। বিশ্ববিদ্যালয়খনৰ এই সিদ্ধান্তই সাধাৰণ পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীৰ বাবে উচ্চ শিক্ষাৰ দুৱাৰ বন্ধ কৰি দিয়াৰ উপক্ৰম কৰিছে। বিগত সময়ছোৱাত ছাত্ৰ সমাজে বাৰম্বাৰ প্ৰতিবাদ জনোৱাৰ পাছতো কৰ্তৃপক্ষই ছাত্ৰ-ছাত্ৰীৰ অসুবিধাৰ প্ৰতি ভ্ৰূক্ষেপ নকৰিলে। অসমীয়া, বড়ো, বাংলা, আৰবী, অৰ্থনীতি, শিক্ষা, ইংৰাজী, হিন্দী, ইতিহাস, লোক-সংস্কৃতি, ভাষাতত্ত্ব, জনসংযোগ আৰু সাংবাদিকতা, ৰাজনীতি বিজ্ঞান, সংস্কৃত আদি স্নাতকোত্তৰ বিভাগসমূহৰ পূৰ্বৰ বছৰি ৭,৫০০ টকাৰ পৰা এতিয়া প্ৰতি ষাণ্মাসিকত ১২,৫০০ টকালৈ বৃদ্ধি কৰিলে। তদুপৰি পাঁচ বছৰীয়া সংহত পাঠ্যক্ৰমসমূহৰ ছাত্ৰ-ছাত্ৰীয়ে পূৰ্বৰ পৰা চলি অহা স্নাতকোত্তৰ পাঠ্যক্ৰমতকৈ অধিক মাচুল দিবলগীয়া হ'ব। বিশ্ববিদ্যালয়খনে মুকলি কৰা জাননী অনুসৰি বাণিজ্য বিভাগৰ ২৫,০০০, মাইক্ৰ'বায়'লজী বিভাগৰ ৩০,২৫০ আৰু এম এডৰ ৫৫,০০০ টকালৈকে মাচুল বৃদ্ধি কৰিছে। ইয়াৰ ফলত এগৰাকী শিক্ষাৰ্থীয়ে পূৰ্বতকৈ বহু পৰিমাণৰ ধনেৰে নামভৰ্তি কৰিবলগীয়া হৈছে, যিটো অৰ্থনৈতিকভাৱে পিছপৰা পৰিয়ালৰ বাবে এতিয়া অসম্ভৱ হৈ পৰিছে। দুই লাখৰ তলত মাহিলি আয় থকা পৰিয়ালৰ বাবে মুকলি কৰা প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত আৰ্থিকভাৱে পিছপৰা শিক্ষাৰ্থীয়ে পাবলগীয়া বিনামূলীয়া নামভৰ্তিও গুৱাহটী বিশ্ববিদ্যালয়ত বন্ধ কৰি ৰখা হৈছে। কৰ্তৃপক্ষৰ মতে এই আঁচনিৰ জৰিয়তে পাবলগীয়া আৰ্থিক অনুদান চৰকাৰে মুকলি কৰি দিয়া নাই, যাৰ ফলত হাজাৰ হাজাৰ দুখীয়া শিক্ষাৰ্থী বঞ্চিত হৈ আছে। বিশ্ববিদ্যালয় কৰ্তৃপক্ষই চৰকাৰৰ পৰা পৰ্যাপ্ত অনুদান নোপোৱাৰ কথা সোঁৱৰাই এই সিদ্ধান্ত গ্ৰহণ কৰিছে। কিন্তু পুঁজিৰ অভাৱৰ দোহাই দি দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীৰ ওপৰত অতিৰিক্ত বোজা জাপি দিয়াটো গ্ৰহণযোগ্য নহয়। যদি চৰকাৰে শিক্ষাখণ্ডত পৰ্যাপ্ত পুঁজি আবণ্টন দিয়া নাই, তেন্তে তাৰ উত্তৰ চৰকাৰে দিব লাগিব, ছাত্ৰ-ছাত্ৰীয়ে নহয়। এছ এফ আইৰ অসম ৰাজ্যিক কমিটীয়ে চৰকাৰ আৰু বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত গুৱাহাটী বিশ্ববিদ্যালয়ে বৃদ্ধি কৰা অযুক্তিকৰ মাচুল বৃদ্ধিৰ সিদ্ধান্ত অতিশীঘ্ৰে বাতিল কৰা, সাধাৰণ আৰু দৰিদ্ৰ ছাত্ৰ-ছাত্ৰী যাতে শিক্ষাৰ পৰা বঞ্চিত হ'বলগীয়া নহয় তাৰ বাবে চৰকাৰে বিশ্ববিদ্যালয়খনক পৰ্যাপ্ত আৰ্থিক অনুদান প্ৰদান কৰিব লাগে। আৰ্থিকভাৱে পিছপৰা শিক্ষাৰ্থীৰ বাবে বিনামূলীয়া নামভৰ্তি বিনাচৰ্তে মুকলি কৰা আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদক অৱমাননা কৰি গোপনে জাৰি কৰা এই জাননী শীঘ্ৰে প্ৰত্যাহাৰ কৰিব লাগে বুলি দাবী উত্থাপন কৰে। বিশ্ববিদ্যালয় কৰ্তৃপক্ষই অনতিপলমে এই মাচুল বৃদ্ধিৰ সিদ্ধান্ত বাতিল নকৰিলে সৰ্বাত্মক গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিবলৈ বাধ্য হ'ব বুলি এছ এফ আইৰ অসম ৰাজ্যিক কমিটীৰ সভাপতি দেৱান ইফতিকাৰ হুছেইন আৰু সম্পাদক ৰাজদীপ মহন্তই সকীয়াই দিছে।

# কাৰ্বি আংলং জিলা প্ৰশাসনৰ উদ্যোগত কৃতী শিক্ষাৰ্থীক সম্বৰ্দ্ধনা



**দৈনিক অসমৰ প্ৰতিনিধি**
**বকলীয়াঘাট, ২৩ মে'ঃ** সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ জিলাখনলৈ গৌৰৱ কঢ়িয়াই অনা কৃতী শিক্ষাৰ্থীসকলক কালি কাৰ্বি আংলং জিলা প্ৰশাসনৰ তৰফৰপৰা সম্বৰ্দ্ধনা জনোৱা হয়। এই উদ্দেশ্যে কালি ডিফু আৰৰ্ত ভৱনত আয়োজিত এক বিশেষ অনুষ্ঠানত জিলাখনৰপৰা উচ্চ আৰু উচ্চতৰ মাধ্যমিকত শীৰ্ষ দহটা স্থান লাভ কৰা তথা চি বি এছ ইৰ অধীনত দুয়োটা পৰীক্ষাত শীৰ্ষ পাঁচটা স্থান দখল কৰা শিক্ষাৰ্থীসকলক জিলা প্ৰশাসনৰ তৰফৰপৰা সম্বৰ্দ্ধনা জনোৱা হয়। মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্দ্ধনা জনাই প্ৰদান কৰা ভাষণত জিলা আয়ুক্তগৰাকীয়ে শিক্ষাৰ্থীসকলক অভিনন্দন জনোৱাৰ লগতে তেওঁলোকৰ এনে সাফল্যই গৌৰৱ কঢ়িয়াই অনা বুলি মন্তব্য কৰে। জিলা আয়ুক্তগৰাকীয়ে শিক্ষাৰ্থীসকলক পঠন অভ্যাসৰ লগতে সামাজিক মাধ্যমৰ শৃংখলাবদ্ধ ব্যৱহাৰৰ বাবেও পৰামৰ্শ প্ৰদান কৰে।

# দেউদুৱাৰৰ সৰবৰহী যুৱক ভাস্কৰ কলিতাৰ মৃত্যুত বৃহত্তৰ অঞ্চলত শোক

**বাইহাটা চাৰিআলি, ২৩ মে'ঃ** চাংসাৰি থানাৰ অন্তৰ্গত দেউদুৱাৰ গাঁৱৰ সৰবৰহী যুৱক ভাস্কৰ কলিতৰ কালি পুৱা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ২৬ বছৰ। দেউদুৱাৰ অঞ্চলৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ স'তে জড়িত ভাস্কৰ কলিতা জটিল ৰোগত আক্ৰান্ত হৈ কিছুদিন নেমকেয়াৰ হাস্পতাল আৰু জি এম চি এইচত ভৰ্তি হৈ থকাৰ অন্তত শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ পাছতে শ শ গুণমুগ্ধই বাসগৃহত ভিৰ কৰে। বাসগৃহৰপৰা তেওঁৰ মৃতদেহ শোক সমদলৰে দেউদুৱাৰ জনকল্যাণ সংঘলৈ অনা হয় আৰু তাতে শতাধিক লোকে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি ৰাজহুৱা শ্মশানত শেষকৃত্য সম্পন্ন কৰা হয়। দেউদুৱাৰ জনকল্যাণ সংঘৰ প্ৰাক্তন সম্পাদক, ব'হাগী বিদায় সন্মিলনৰ প্ৰাক্তন সম্পাদক তথা বিভিন্ন প্ৰতিষ্ঠানৰে জড়িত ভাস্কৰৰ মৃত্যুত বিভিন্নজনে গভীৰ শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ ইহসংহাৰত পিতৃ-মাতৃ, এগৰাকী ভগ্নীসহ ইষ্ট-কুটুম্বক এৰি যায়।

# বৰগাঁওত চাহ দিৱস উদ্‌যাপন

## সন্তোষজনক উপস্থিতিৰ বাবে পুৰস্কৃত শ্ৰমিক

**দৈনিক অসমৰ প্ৰতিনিধি**
**বৰগাং, ২৩ মে'ঃ** ২১ মে' তাৰিখটোৰ সৈতে সংগতি ৰাখি বৰগাং চাহ বাগিচাৰ ৰঙাগড় ফেক্টৰী প্ৰাংগনত গুড্ৰিক চাহগোষ্ঠীৰ বৰগাং চাহ বাগিচাৰ পৰিচালক মণ্ডলীৰ উদ্যোগত ২১ মে'ত ইণ্টাৰনেচনেল টি-ডে অৰ্থাৎ আন্তৰ্জাতিক চাহ দিৱসটি এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত উদ্‌যাপন কৰা হয়। বাগিচাৰ জ্যেষ্ঠ পৰিচালক ভগৱান উজিৰৰ লগতে জ্যেষ্ঠ সহকাৰী পৰিচালক মিত্ৰ বৰা প্ৰমুখ্যে বিক্ৰম সিং ৰাথোড়, ৰামানন্দ যাদৱ, অনিৰ্বাণ সেন, ৰাহুল বালি, শুভম মল্লিক আদি শাখাৰ সহকাৰী পৰিচালক মণ্ডলী আৰু শ্ৰমিকসকলৰ উপস্থিতিত উদ্‌যাপন কৰা অনুষ্ঠানত ক্ষুদ্ৰ চাহ খেতিয়ক ক্ৰমে ইন্দ্ৰেশ্বৰ কটকী আৰু বিকি বিশ্বকৰ্মাক এখন গামোচা আৰু শৰাইৰে সম্বৰ্দ্ধনা জনোৱা হয়। কল্যাণ বিষয়া ৰাজেশ পাত্ৰই আঁত ধৰা সভাত পৰিচালক ভগৱান উজিৰে আন্তৰ্জাতিক চাহ দিৱসৰ তাৎপৰ্য দাঙি ধৰাৰ লগতে সম্বৰ্দ্ধিত ব্যক্তি ইন্দ্ৰেশ্বৰ কটকী আৰু সাংবাদিক অমিতাভ বৰুৱা আৰু উপস্থিত চাহ কৰ্মচাৰী সংঘ আৰু চাহ মজদুৰ সংঘৰ কেইবাগৰাকী বক্তাই নিজৰ নিজৰ মত প্ৰকাশ কৰি বক্তব্য আগবঢ়ায়। সভাত কলঘৰকে ধৰি তিনিওতা শাখাৰ কেইবাগৰাকী শ্ৰমিকক কামত সন্তোষজনক শ্ৰম আৰু উপস্থিতিৰ বাবে চাহ বাগিচা কৰ্তৃপক্ষৰ ফালৰ পৰা একোটিকৈ উপহাৰেৰে পুৰস্কৃত কৰা হয়।



## ৰঙিয়াত হেৰ'ইনসহ গ্ৰেপ্তাৰ সৰবৰাহকাৰী

**দৈনিক অসমৰ প্ৰতিনিধি**
**ৰঙিয়া, ২৩ মে'ঃ** ৰঙিয়া ৰে'ল আৰক্ষীয়ে ৰাজ্যখনৰ নগাঁৱৰ পৰা সুদূৰ কেৰালামলৈ ৰে'লযোগে ড্ৰাগছ সৰবৰাহৰ এক ভয়ংকৰ পৰিকল্পনা কালি ব্যৰ্থ কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত তথ্য মতে নগাঁৱৰ নেকিবুৰ ৰহমান নামৰ এজন কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰীয়ে কালি ৰঙিয়া ৰে'ল জংচনৰ পৰা ৰে'লযোগে কেৰালামলৈ বুজন পৰিমাণৰ হেৰ'ইন সৰবৰাহৰ বাবে সুযোগৰ অপেক্ষাত আছিল। তাৰ বাবে নেকিবুৰে হেৰ'ইনখিনি লৈ ৰঙিয়া জংচনত কেৰালাম অভিমুখী ৰে'লৰ অপেক্ষাত আছিল। পিছে ৰঙিয়া ৰে'ল আৰক্ষীয়ে এক গোপন সূত্ৰৰ পম খেদি যুৱকজনক তালাচী চলায়। আৰক্ষীয়ে যুৱকজনৰ জিম্মাৰ পৰা ৫টাকৈ পেকেটত মুঠ ৬২ গ্ৰাম হেৰ'ইন জব্দ কৰিবলৈ সক্ষম হয়।

## শব্দৰ ধেমালি ঃ ২৩২



**পথালিকৈ**

১। কাপ, লেখনী (৩)
৩। মৃগয়া, খেদি খেদি জন্তু মৰা বা ধৰা কাৰ্য (৩)
৫। বোকাত থকা এবিধ কেঁচু (৪)
৮। পৰিষ্কাৰ, চাফা (২)
১০। কবিগুৰুৰ কেৱল নামটো (৫)
১২। এই গছৰ ফুল সবাহ, পূজাত নালাগে (ভূপেন দাৰ গীত) (৩)
১৩। একতাঁৰা জাতীয় এবিধ বাদ্য (৩)
১৪। এটা উপাধি; লাচিত — (৫)
১৬। ওলমি লাগি থকা ফলৰ থোপা (২)
১৮। নষ্ট, অপব্যয় কৰা (৪)
১৯। বয়সত হোৱা চকুৰ শক্তিহীনতা (৩)
২০। সুৰা, মদ (৩)

**থিয়কৈ**

২। সাগৰতকৈ ডাঙৰ জলভাগ (৫)
৩। ইয়াক মাৰি বহুতে হাত নোগোন্ধায়! (২)
৪। ভাতৰ মাড় (৩)
৬। তেজ, শোণিত (৩)
৭। যাৰ মাক-দেউতাক নাই (৩)
৯। কাম বা পৰিশ্ৰম এৰি চলা ব্যক্তি, এখন হিন্দী চিনেমা (৩)
১১। ভিতৰত পানী থকা এবিধ ফল (৪)
১৩। খৰধৰ, লৰালৰি (৫)
১৪। বান্ধোন, অৱৰোধ (৩)
১৫। দৃষ্টি, চকু (৩)
১৭। অভাৱ, অনাটন (৩)
১৮। পঁজা ঘৰ (২)

**শব্দৰ ধেমালি ঃ ২৩১ৰ উত্তৰ**

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ত | ৰ্জ | মা | | ন | গ | ৰ | ৰ | ক্ষ | ক |
| ৰি | | ঘ | টি | কা | | চ | হ | | বি |
| ত | লা | | ন | | না | না | | পি | তা |
| ৰ | জ | ক | | পো | ক | | বা | প | |
| কা | | মা | প | | | খো | | ৰা | প |
| ৰী | তি | | দ | | | না | শ | | য় |
| | ৰো | ম | | নো | ট | | হা | লি | চা |
| আ | তা | | সো | ম | | সা | | পি | ং |
| ও | | গা | ৰো | | বা | হ | ন | | কে |
| লা | লি | ত | পা | লি | ত | | গ | হী | ন |

*ঐশানুব্ৰত*

# বিহু বিশেষজ্ঞ ডঃ অলকেশ বৈশ্যৰ মৃত্যুত শোকস্তব্ধ ৰঙিয়া



**দৈনিক অসমৰ প্ৰতিনিধি**
**ৰঙিয়া, ২৩ মে'ঃ** ৰঙিয়াৰ মূৰাৰা নিৱাসী বিশিষ্ট সমাজকৰ্মী তথা বিহু বিশেষজ্ঞ ডঃ অলকেশ বৈশ্যৰ কালি নিজ বাসভৱনত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৩ বছৰ। তেওঁ পত্নীৰ লগতে দুগৰাকী কন্যাক এৰি যায়। উল্লেখ্য যে ডঃ বৈশ্য দীৰ্ঘদিন ধৰি দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ আছিল। কালি দুপৰীয়া তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে ৰাইজৰ মাজত গভীৰ শোকৰ ছাঁ পৰা পৰিলক্ষিত হয়। ২০১৪ চনত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গুৱাহাটী শাখাৰ পৰা সহকাৰী প্ৰবন্ধক হিচাপে অৱসৰ গ্ৰহণ কৰা ডঃ অলকেশ বৈশ্য এগৰাকী সমাজহিতৈষী ব্যক্তি হোৱাৰ উপৰি সাংস্কৃতিক মনৰ অধিকাৰী ব্যক্তি আছিল। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ দৰে এটা সৰ্বোচ্চ বিত্তীয় সংস্থাত কৰ্মৰত হৈও তেওঁ অসমৰ থলুৱা শিল্প-সংস্কৃতিৰ গৱেষণাত ব্ৰতী হৈছিল। ৰঙিয়াৰ ভালেমান সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানৰ সৈতে তেওঁ জড়িত আছিল। তেওঁৰ মৃত্যুৰ বাতৰি পাই অগণন গুণমুগ্ধ লোক তেওঁৰ বাসগৃহত উপস্থিত হয় আৰু শ্ৰদ্ধা নিবেদন কৰে। তেওঁৰ মৃত্যুত ৰঙিয়া আলোচনী সভা, স্বৰগোষ্ঠী, ইলোৰা বিজ্ঞান মঞ্চ, উদয়ন সংঘ, ৰঙিয়া জিলা জ্যেষ্ঠ নাগৰিক সন্মিলন, পূব ৰঙিয়া প্ৰগতি সংঘ, ৰঙিয়া লেখিকা সমাৰোহ সমিতি, ভাৰতীয় গণনাট্য সংঘৰ ৰঙিয়া শাখা, ৰাইজৰ দল, চি পি আই (এম), কৃষক মুক্তি সংগ্ৰাম সমিতি, ৰঙিয়া ৰাইজমেল, শ্বহীদ স্মৃতি ৰক্ষা সমিতি, ৰঙিয়া ব্লক কংগ্ৰেছ কমিটীকে ধৰি ভালেমান অনুষ্ঠান আৰু দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰিছে।

# বজালীত ১০০ দিনীয়া যক্ষ্মা নিৰ্মূল অভিযানৰ সভা

**দৈনিক অসমৰ প্ৰতিনিধি**
**বজালী, ২৩ মে'ঃ** বজালী জিলাৰ অন্তৰ্গত সমূহীয়া স্বাস্থ্যকেন্দ্ৰৰ স্বাস্থ্যকৰ্মী, এম পি ডব্লিউ আৰু এছটিএছৰ সৈতে কালি পাঠশালাত দ্বিতীয় পৰ্যায়ৰ ১০০ দিনীয়া যক্ষ্মা নিৰ্মূল অভিযানৰ পুনৰ অভিমুখী সংবেদনশীলতা সভা অনুষ্ঠিত হয়। পাঠশালা প্ৰেছ ক্লাবৰ সভাকক্ষত অসম ৰাজ্যিক যক্ষ্মা কোষৰ বিশেষজ্ঞ ডাঃ অভিজিৎ বসু, বৰপেটা জিলা যক্ষ্মা বিষয়া ডাঃ ভাৰতী দাস আৰু বজালী জিলাৰ ভাৰপ্ৰাপ্ত যক্ষ্মা বিষয়া ডাঃ কুলেন কাকতিৰ উপস্থিতিত অনুষ্ঠিত সভাত যক্ষ্মাক প্ৰতিহত কৰাৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হয়। সভাত অসম ৰাজ্যিক যক্ষ্মা কোষৰ বিশেষজ্ঞ ডাঃ অভিজিৎ বসুৱে যক্ষ্মামুক্ত এখন ৰাজ্য গঢ়ি তোলাৰ বাবে স্বাস্থ্যকৰ্মীসকলৰ দায়িত্ব অধিক বুলি উল্লেখ কৰি ইয়াৰ বাবে এই ৰোগত আক্ৰান্ত হোৱা ৰোগীসকলৰো সচেতনতাৰ অতি প্ৰয়োজন বুলি মন্তব্য কৰে। সভাত বজালী জিলা ভাৰপ্ৰাপ্ত যক্ষ্মা বিষয়া ডাঃ কুলেন কাকতিয়ে সম্প্ৰতি সমাজত যক্ষ্মা ৰোগ ডাঙৰ বেমাৰ নহয় বুলি উল্লেখ কৰি ইয়াক চিকিৎসাৰ জৰিয়তে অতি সহজে নিৰ্মূল কৰিব পাৰি বুলি মন্তব্য কৰি এই ৰোগত আক্ৰান্ত হোৱাৰ লক্ষণ দেখিলে ৰোগীসকলে নিকটৱৰ্তী চিকিৎসালয়ৰ সৈতে যোগাযোগ কৰিবলৈ আহ্বান জনায়। ডাঃ ভাৰতী দাসেও ভাষণ দিয়া সভাত উপস্থিত স্বাস্থ্যকৰ্মীসকলে বিভিন্ন প্ৰশ্নৰে চিকিৎসা বিষয়াসকলৰ সৈতে মত বিনিময় কৰে।

# ছিপাঝাৰত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত প্ৰকল্প উপস্থাপন প্ৰতিযোগিতা


**দৈনিক অসমৰ প্ৰতিনিধি**
**ছিপাঝাৰ, ২৩ মে'ঃ** অসম চৰকাৰৰ বিজ্ঞান-প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ অধীনত, আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, ছিপাঝাৰ খণ্ডৰ সহযোগত কালি মাৰৈ উচ্চ মাধ্যমিক বিদ্যালয়ত খণ্ডৰ অন্তৰ্গত বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিজ্ঞানভিত্তিক প্ৰকল্প উপস্থাপন প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাৰ আৰম্ভণিতে প্ৰাচীন গণিতজ্ঞ আৰ্যভট্টৰ স্মৃতিত বন্তি প্ৰজ্বলন কৰি কাৰ্যসূচী শুভাৰম্ভ কৰে বাপুজী বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শিক্ষক হিৰণ্য কুমাৰ নাথে। প্ৰতিযোগিতাখনত মুঠ কুৰিখনৰো অধিক বিদ্যালয়ে অংশগ্ৰহণ কৰে। খণ্ড সমন্বয়ক শ্ৰীমন্ত প্ৰসাদ বৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰাৰ পাছত মাৰৈ হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী চুফিয়া বেগমে আদৰণী ভাষণ আগবঢ়ায়। প্ৰতিযোগিতাত মাৰৈ হাইস্কুলৰ




চেহনাছ ইয়াছমিন আৰু জ্যোতিষ্মিতা চহৰীয়াৰ প্ৰকল্পই প্ৰথম, ছিপাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ জিজ্ঞাস কুমাৰ নাথ আৰু নেহৰু স্মৃতি বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ আস্মিতা ডেকাৰ প্ৰকল্পই দ্বিতীয় আৰু অংকিতা দেৱীৰ প্ৰকল্পই তৃতীয় স্থান লাভ কৰে। প্ৰতিযোগিতাত বিচাৰক হিচাপে উপস্থিত থাকে বৰদৌলগুৰি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা বিদ্যাপীঠৰ অৱসৰপ্ৰাপ্ত শিক্ষক দিলীপ কুমাৰ শইকীয়া, ছিপাঝাৰ কলেজৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অধ্যাপিকা মৌচুমী দাস আৰু বিজ্ঞান শিক্ষক আব্দুছ চালেহ। ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ শিক্ষক ইকবান ৰছিদ হাজৰিকাই আঁত ধৰা বঁটা বিতৰণী অনুষ্ঠানত শ্ৰেষ্ঠ দল তিনিটাক ট্ৰফী আৰু প্ৰমাণপত্ৰৰে পুৰস্কৃত কৰা হয়। তদুপৰি অংশগ্ৰহণকাৰী সকলো প্ৰতিযোগীলৈয়ো প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। এই অনুষ্ঠানত ৰাজ্যিক বঁটাপ্ৰাপ্ত শিক্ষক তথা সাংবাদিক এম হাফিজ আলী, আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, দৰং জিলা সমন্বয়ক তথা দেওমৰনৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ত্ৰৈলোক্য মোহন গোস্বামীৰ উপৰি অংশগ্ৰহণকাৰী বিদ্যালয়সমূহৰ গাইড শিক্ষকসকল উপস্থিত থাকে। জিলা পৰ্যায়ৰ প্ৰতিযোগিতালৈ কালিৰ প্ৰতিযোগিতাত স্থানপ্ৰাপ্ত তিনিটা প্ৰকল্পক বাছনি কৰা হয়।

## স্মৃতি তৰ্পণ

### উদ্ধৱ মহন্ত



শুৱালকুছি গাঁৱৰ হৰিপুৰৰ স্থায়ী নিৱাসী উদ্ধৱ মহন্তৰ যোৱা ১৩ মে'ত নিজা বাসগৃহত শাৰীৰিক অসুস্থতাবশতঃ পৰলোকপ্ৰাপ্তি হয়। ১৯৫৯ চনত জন্মগ্ৰহণ কৰা উদ্ধৱ মহন্তৰ মৃত্যুৰ সময়ত বয়স আছিল ৬৭ বছৰ। অত্যন্ত দৰিদ্ৰ পৰিয়ালৰ সন্তান উদ্ধৱ মহন্তই কৰ্মমুখী চিন্তা-চেতনাৰে নিজকে সংস্থাপিত কৰিবলৈ প্ৰযত্ন কৰিছিল যদিও সঠিক পৰিকল্পনা আৰু নীতি-নিৰ্দেশনাৰ অভাৱত তেওঁ হ'ব লগাত পৰে বিফলতাৰ সন্মুখীন। তথাপি তেওঁ কষ্টোপাৰ্জিত ধনেৰে পৰিয়ালটোৰ ভৰণ-পোষণ দিয়াৰ বাবে প্ৰয়াস অব্যাহত ৰাখিছিল। তেওঁৰ মৃত্যুত সমগ্ৰ হাস্পতাল ৰোড আৰু হৰিপুৰ অঞ্চলৰ পৰা সকলোৰে চিনাকি এটা মাত চিৰদিনৰ বাবে হেৰাই গ'ল। এই সংসাৰৰ পৰা পৰলোক গমনৰ সময়ত তেওঁ পত্নী দময়ন্তী মহন্ত, দুই পুত্ৰ সীমান্ত আৰু সোণমণি, দুগৰাকী কন্যা, বহুতো আত্মীয়-স্বজন তথা কেইবাটাও নাতি-নাতিনী এৰি যায়। আজি হৰিনাম কীৰ্তনৰ পৱিত্ৰ দিনটোত তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ চৰণত প্ৰাৰ্থনা জনালোঁ।

■ কুঞ্জমোহন ডেকা

পৌৰসভাই ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ ■ স্থানীয় মাছৰ বজাৰলৈ তীব্ৰ প্ৰত্যাহ্বান

# বৰপেটা চহৰৰ চুকে-কোণে গঢ়ি উঠিছে অবৈধ মাছ-মাংসৰ বজাৰ


**দৈনিক অসমৰ প্ৰতিনিধি**

**বৰপেটা, ২৩ মে'ঃ** শতাব্দী প্ৰাচীন তথা সত্ৰ নগৰীৰ আন এক ঐতিহাসিক ব্যৱসায়িক কেন্দ্ৰস্থল হৈছে বৰপেটা বৰবজাৰ। এই বৰবজাৰখনৰ ভিতৰত থকা মাছৰ বজাৰখনৰ এসময়ত এক সুকীয়া ঐতিহ্য আছিল। চহৰখনৰ লগতে চহৰখনৰ উপকণ্ঠ অঞ্চলৰ থলুৱা মৎস্য ব্যৱসায়ীৰে পৰিপূৰ্ণ এসময়ৰ এই মাছৰ বজাৰখনৰ বাবে সৃষ্টি হৈছে তীব্ৰ প্ৰত্যাহ্বান। এই প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে চহৰখনৰ ঠাইবিশেষে গঢ়ি উঠা একাংশ অবৈধ মাছৰ বজাৰে। বৰপেটা পৌৰসভাৰ জ্ঞাতসাৰেই চহৰখনৰ দূৰৱৰ্তী কিছুমান অঞ্চলৰপৰা অহা একাংশ লোকে অবৈধভাৱে মাছ-মাংসৰ বজাৰ পাতি চহৰখনৰ মূল মাছৰ বজাৰখনৰ প্ৰতি একপ্ৰকাৰ সংকটৰ সৃষ্টি কৰিছে। সমান্তৰালভাৱে চহৰখনৰ কিছুমান ঠাইৰ পৰিৱেশ বিনষ্ট কৰাৰ লগতে যান-জঁটৰ সৃষ্টি কৰি আহিছে। শেহতীয়াভাৱে চহৰখনৰ গলিয়াহাটী-বৃন্দাৱনহাটীৰ চাৰি আলি চ'কত সৃষ্টি হৈছে এখন অবৈধ মাছ-মাংসৰ বজাৰ। উল্লেখ্য যে চহৰখনৰ গলিয়াহাটী আৰু বৃন্দাৱনহাটীৰ মাজত শংকৰদেৱৰ শিশু নিকেতনৰ তিনিটা পৃথক স্কুল আছে। স্কুল আৰম্ভ হোৱাৰ আগতে আৰু স্কুল ছুটী হোৱাৰ সময়ত এই পথটোত অত্যন্ত ভিৰ হোৱাৰ লগতে যান-জঁটৰ সৃষ্টি হোৱা দেখা যায়। কেইবছৰমান ধৰি উক্ত চ'কটোত মাছ-মাংসৰ এখন বজাৰৰ সৃষ্টি হৈছে আৰু এই বজাৰখনে যান-জঁটৰ সৃষ্টি কৰাৰ লগতে পূতিগন্ধময় পৰিৱেশৰ সৃষ্টি কৰি অস্বাস্থ্যকৰ পৰিৱেশ গঢ়ি তুলিছে। দিনৰ প্ৰায় ১০ বজাৰপৰা ১২.৩০ বজালৈকে কিছুমান বিশেষ অঞ্চলৰপৰা অহা একাংশ লোকে মাছ-মাংসৰ অবৈধ বজাৰ পাতি পৰিৱেশ বিনষ্ট কৰা সন্দৰ্ভত একাংশ সচেতন লোক তথা বিভিন্ন দল-সংগঠনে বৰপেটা পৌৰসভাৰ ওচৰত অভিযোগ উত্থাপন কৰি আহিছে যদিও বৰপেটা পৌৰসভাই কোনোধৰণৰ গুৰুত্ব আৰোপ কৰা নাই। জানিব পৰা মতে, এই চ'কটোত মাছ-মাংস বিক্ৰী বন্ধ কৰা হৈছে। উক্ত স্থানত বৰপেটা পৌৰসভাৰপৰা এখন জাননীও আঁৰি দিয়া হৈছে। জাননীখনত উক্ত স্থানত মাছ-মাংস বিক্ৰী কৰিলে জৰিমনা বিহা হ'ব বুলিও উল্লেখ কৰা হৈছে। কিন্তু ইয়াৰ পাছতো কিদৰে উক্ত স্থানত মাছ-মাংস বিক্ৰী চলি আছে, সেয়া ৰহস্যৰ বিষয়। বৰপেটা পৌৰসভাৰ সহযোগতে এইদৰে উক্ত স্থানত মাছ আৰু মাংসৰ বজাৰ চলিছে বুলি ব্যাপক চৰ্চা হৈছে। চহৰখনৰ গলিয়াহাটী-বৃন্দাৱনহাটীৰ চাৰি আলি চ'কটোৰ লগতে আন চ'কতো এনেদৰে অবৈধ মাছ-মাংসৰ বজাৰ বহিছে। ইয়াৰ ফলত বৰবজাৰৰ থলুৱা মৎস্য ব্যৱসায়ীসকল যথেষ্ট ক্ষতিৰ সন্মুখীন হৈ আহিছে। শিশুৰ স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি গলিয়াহাটী-বৃন্দাৱনহাটীৰ শংকৰদেৱৰ শিশু নিকেতনৰ চাৰি আলিৰ চ'কটোত কঠোৰভাৱে মাছ-মাংস বিক্ৰী বন্ধ কৰিবলৈ জিলা প্ৰশাসনৰ ওচৰত বিভিন্ন মহলে দাবী উত্থাপন কৰিছে।

## বজালীৰ তৰণীসেন মেধিৰ মৃত্যু

**দৈনিক অসমৰ প্ৰতিনিধি**

**বজালী, ২৩ মে'ঃ** বজালী জিলাৰ ২১ নং সাদেৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত বৰসাদেৰী গাঁৱৰ ভকতপাৰা চুবাৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তৰণীসেন মেধিৰ কালি বাৰ্দ্ধক্যজনিত কাৰণত ৮৪ বছৰ বয়সত মৃত্যু হয়। উল্লেখ্য যে নাৰী শিক্ষাৰ অন্যতম শিক্ষানুষ্ঠান বজালীৰ সাদেৰীৰ চন্দ্ৰপ্ৰভা শইকীয়ানী বালিকা বিদ্যালয়ৰ তেওঁ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আছিল। এই শিক্ষানুষ্ঠানখনত ১৯৭২ চনৰপৰা ২০০৬ চনৰ ২৮ ফেব্ৰুৱাৰীলৈ প্ৰধান শিক্ষক হিচাপে সেৱা আগবঢ়াই আহিছিল। উল্লেখ্য যে মহিলা সবলীকৰণৰ উদ্দেশ্য আগত ৰাখি তেওঁ স্কুলখনৰ নামত এবিঘা মাটি দান দিছিল। আনহাতে বজালী তথা সাদেৰী অঞ্চলৰ বিভিন্ন অনুষ্ঠান- প্ৰতিষ্ঠানৰ লগত নিবিড়ভাৱে জড়িত হৈ কাম কৰিছিল। একেদৰে তেওঁ বজালীৰ ৰাজনৈতিক ক্ষেত্ৰখনৰ লগত জড়িত হৈ আছিল। তেওঁ ২০০০ চনত বিজেপিত যোগদান কৰিছিল। তেতিয়াৰপৰা তেওঁ বিজেপি দলৰ এগৰাকী নিষ্ঠাৱান কৰ্মী হিচাপে কাম কৰি আহিছিল। মৃত্যুৰ সময়ত তেওঁ দুজন পুত্ৰ, দুগৰাকী কন্যা এৰি যায়। তেওঁৰ মৃত্যুত বজালী সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ ৰয়, সাদেৰী গাঁও পঞ্চায়তৰ সভাপতি সীমান্ত খাটনিয়াৰ, ৱাৰ্ড



সদস্য গজেন ৰয়, অৱসৰপ্ৰাপ্ত শিক্ষক ক্ৰমে বলো ৰয়, কিৰণ তালুকদাৰ আদিয়ে শোক প্ৰকাশ কৰিছে। আনহাতে আজি বিজেপি দলৰ ফালৰপৰা দলটিৰ জ্যেষ্ঠ বিজেপিৰ নেতা সীমান্ত খাটনিয়াৰে দলৰ পতাকাৰে শেষ বিদায় জনায় আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উল্লেখ্য যে আজি দিনৰ ভাগত চন্দ্ৰপ্ৰভা শইকীয়ানী বালিকা বিদ্যালয়ৰ সমীপত থকা তেওঁৰ ভূমিত শেষকৃত্য সম্পন্ন কৰা হয়।

সাতটা ভাষাত প্ৰকাশ পাইছে গ্ৰন্থখন

## দুধনৈ মহাবিদ্যালয়ত 'একলব্য' উন্মোচন




**দৈনিক অসমৰ প্ৰতিনিধি**

**দুধনৈ, ২৩ মে'ঃ** দুধনৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত) আৰু দুধনৈ কবি সমাজৰ উদ্যোগত কালি দুধনৈ মহাবিদ্যালয়ৰ আলোচনা কক্ষত এখন গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত কৰা হয়। ধেমাজিৰ কবি, নাট্যকাৰ ডঃ বসন্ত মঙ্গল দত্তৰ সাতটা ভাষাত প্ৰকাশিত 'একলব্য' নামৰ কাব্যগ্ৰন্থখন উন্মোচন কৰা হয়। বিশিষ্ট লেখক, সাহিত্যিক, গৱেষক ডঃ বসন্ত মঙ্গল দত্তই অনুষ্ঠানত উপস্থিত থকা কেইবাগৰাকী কবি, সাহিত্যিকক ফুলাম গামোচাৰে সম্বৰ্দ্ধনা জনায়। কাব্যগ্ৰন্থখন উন্মোচন কৰে লেখিকা, কবি, সাহিত্যিক তথা দুধনৈ ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী জয়ন্তী দাসে। সাতটা ভাষাত প্ৰকাশ কৰা 'একলব্য'ৰ লেখক ডঃ বসন্ত মঙ্গল দত্তই কয় যে গ্ৰন্থখন ৰাভা, বড়ো, নেপালী, ইংৰাজী, অসমীয়া আদিকে ধৰি সাতটা ভাষাত প্ৰকাশ কৰা হয়। দুধনৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ দেৱ কুমাৰ শৰ্মাই বন্তি প্ৰজ্বলন কৰা গ্ৰন্থ উন্মোচনী সভাত দুধনৈ কবি সমাজৰ সম্পাদক চিত্ৰু কোচ, দুধনৈ কলেজৰ অধ্যাপিকা বন্দিতা বৰবৰা, প্ৰসিদ্ধ লেখক জয়চন্দ্ৰ ৰাভা, কনিষ্ক হাজোৱাৰী, দুধনৈৰ কেইবাগৰাকী বিশিষ্ট কবি, লেখিক-লেখিকা, মহাবিদ্যায়ৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। অনুষ্ঠানত দুধনৈ মহাবিদ্যালয়ৰ অধ্যাপক তথা অনাতাঁৰ শিল্পী হৰগোবিন্দ ডেকাৰ তত্ত্বাৱধানত মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা সমৱেত সংগীত পৰিৱেশন কৰা হয়।



সোণাপুৰ বন বিভাগৰ অভিযান

## চালানবিহীন বালিভৰ্তি ডাম্পাৰ জব্দ

**দৈনিক অসমৰ বিশেষ প্ৰতিনিধি**

**সোণাপুৰ, ২৩ মে'ঃ** সোণাপুৰ বন বিভাগে অবৈধ বালি সৰবৰাহৰ বিৰুদ্ধে কঠোৰ অভিযান চলাই কালি নিশা এখন চালানবিহীন বালিভৰ্তি ডাম্পাৰ জব্দ কৰিবলৈ সক্ষম হয়। সোণাপুৰ বনাঞ্চলিক বিষয়া ভাৰ্গৱ হাজৰিকাৰ নেতৃত্বত চলোৱা এই বিশেষ অভিযানত সোণাপুৰৰ বালিগেট অঞ্চলত মৰিগাঁৱৰ পৰা গুৱাহাটী অভিমুখে গৈ থকা এ এছ-০১ অ চি-৭৬৩৮ নম্বৰৰ এখন ডাম্পাৰ জব্দ কৰা হয়। জানিব পৰা মতে, জব্দ কৰা ডাম্পাৰখনত কোনো বৈধ চালান বা প্ৰয়োজনীয় নথিপত্ৰ নথকাৰ উপৰি অত্যধিক বোজা কঢ়িয়াই অবৈধভাৱে বালি সৰবৰাহ কৰা হৈছিল। বন বিভাগৰ বিষয়াসকলে গোপন সূত্ৰৰ পম খেদি অভিযান চলাই বাহনখন জব্দ কৰে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি মৰিগাঁও জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা এক চক্ৰই চালানবিহীনভাৱে তথা অধিক বোজা কঢ়িয়াই গুৱাহাটী মহানগৰীলৈ অবৈধ বালি সৰবৰাহ অব্যাহত ৰাখিছে। ইয়াৰ ফলত এফালে চৰকাৰ বহু পৰিমাণৰ ৰাজহ লাভৰ পৰা বঞ্চিত হৈ আহিছে, আনফালে সংশ্লিষ্ট চক্ৰটোৱে প্ৰতিদিনে লক্ষাধিক টকাৰ অবৈধ ব্যৱসায় চলাই অহাৰ অভিযোগ উত্থাপিত হৈছে। এই সন্দৰ্ভত পূৰ্বেও বিভিন্ন সংবাদ মাধ্যমত একাধিক বাতৰি প্ৰকাশ পাইছিল যদিও অভিযুক্ত চক্ৰটোৰ কাৰ্যকলাপ অব্যাহত আছিল। অৱশেষত সোণাপুৰ বন বিভাগে কঠোৰ ভূমিকা গ্ৰহণ কৰি অভিযান তীব্ৰতৰ কৰাৰ ফলত এই সফলতা লাভ কৰা বুলি জানিব পৰা গৈছে। ইফালে, বন বিভাগৰ এই পদক্ষেপক স্থানীয় সচেতন মহলে আদৰণি জনোৱাৰ লগতে অবৈধ বালি মাফিয়াৰ বিৰুদ্ধে নিয়মীয়া অভিযান অব্যাহত ৰাখিবলৈ দাবী উত্থাপন কৰিছে। ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত থকা বুলি বন বিভাগৰ সূত্ৰে জানিবলৈ দিয়ে।

## ধৰ্ষণকাৰীক ২০ বছৰৰ কাৰাদণ্ড

কোকৰাঝাৰ বিশেষ আদালতৰ ৰায়দান

**দৈনিক অসমৰ প্ৰতিনিধি**

**কোকৰাঝাৰ, ২৩ মে'ঃ** কোকৰাঝাৰ বিশেষ আদালতে কালি ২০২০ চনৰ ফেব্ৰুৱাৰী মাহত এগৰাকী ১৫ বছৰীয়া নাবালিকাক ধৰ্ষণ কৰাৰ অপৰাধত দোষী সাব্যস্ত কৰি আব্দুল কালাম শ্বেখক ২০ বছৰ কাৰাবাসৰ ৰায় দিছে। উল্লেখ্য যে কোকৰাঝাৰ বিশেষ আদালতৰ ন্যায়াধীশ নুৰজামাল হকৰ বিচাৰপীঠত অভিযুক্ত ধৰ্ষণকাৰী আব্দুল কালাম শ্বেখ (৩৮)ক গোসাঁইগাঁও পকছ' গোচৰ নং ৭৩/২০ মৰ্মে আজি দোষী সাব্যস্ত কৰে আৰু ধৰ্ষণকাৰীক কুৰি বছৰৰ কাৰাদণ্ডৰ লগতে ৫০ হেজাৰ টকাৰ জৰিমনা বিহে। প্ৰকাশ যে কোকৰাঝাৰ বিশেষ আদালতে যোৱা ১৫ মে'ত জিলাখনত আন এগৰাকী নাবালিকা ধৰ্ষণকাৰী মহৰ আলীক কুৰি বছৰৰ কাৰাদণ্ডৰ ৰায় দিছিল।



ৰঙিয়াত কলিতা জনগোষ্ঠী সন্মিলনৰ বিশেষ উদ্যোগ

## বীৰ ভাতৃদ্বয় হৰদত্ত-বীৰদত্তৰ ঐতিহ্য বিচাৰি ক্ষেত্ৰভিত্তিক অধ্যয়নৰ শুভাৰম্ভ

**দৈনিক অসমৰ প্ৰতিনিধি**

**ৰঙিয়া, ২৩ মে'ঃ** কামৰূপৰ দুই বীৰ হৰদত্ত-বীৰদত্তৰ সম্পূৰ্ণ ঐতিহাসিক সমল উদ্ধাৰৰ বাবে কালি কলিতা জনগোষ্ঠী সন্মিলনৰ সদস্যসকলে বীৰ ভাতৃদ্বয়ৰ সম্পূৰ্ণ তথ্য উদ্ধাৰৰ লক্ষ্যৰে ৰঙিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত হৰদত্ত পঞ্চায়তৰ বিভিন্ন ঠাইত ভালেসংখ্যক বয়োজ্যেষ্ঠ ব্যক্তিৰ সৈতে আলোচনাত মিলিত হয়। এই আলোচনা কালত অনুসন্ধানকাৰী দলটোৱে ৰঙিয়াৰ তিতকুৰি অঞ্চলত থকা বীৰদত্ত হাইস্কুল আৰু সেই স্থানত থকা ঐতিহাসিক 'গোসাঁই পুখুৰী'ৰ বিষয়ে ভালেমান অজানা তথ্য উদঘাটন কৰিবলৈ সক্ষম হয়। অনুসন্ধানকাৰী দলটোৱে হৰদত্ত গাঁও পঞ্চায়তৰ সভাপতি নিপেন দাসৰ সহযোগিতাত হৰদত্ত গাঁও পঞ্চায়ত কাৰ্যালয়ৰ সমীপতে থকা ঐতিহাসিক 'বৰুৱা পুখুৰী' পৰিদৰ্শন কৰে আৰু গাঁও পঞ্চায়ত কাৰ্যালয়ত এখন পৰ্যালোচনা সভা অনুষ্ঠিত কৰে। এই সভাত বীৰ ভাতৃদ্বয় হৰদত্ত-বীৰদত্ত সম্পৰ্কে অধিক তথ্য উদ্‌ঘাটনৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হয় আৰু সকলো পক্ষক এই দিশত সহায়ৰ হাত আগবঢ়াবলৈ আহ্বান জনোৱা হয়। সভাত কলিতা জনগোষ্ঠী সন্মিলনৰ তৰফৰপৰা হৰদত্ত গাঁও পঞ্চায়ত কৰ্তৃপক্ষক বীৰদত্ত হাইস্কুলৰ সন্মুখত পথৰ দাঁতিত 'বীৰ ভাতৃদ্বয় হৰদত্ত-বীৰদত্ত জন্মস্থান' বুলি উল্লেখ কৰি এখন পকী ফলকৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনোৱা হয়। সভাত অঞ্চলটোৰ ইতিহাস সম্পৰ্কে বিশেষ জ্ঞানৰ অধিকাৰী নিপেন শৰ্মাই বক্তব্য প্ৰদান কৰি ভালেমান তথ্যসম্বলিত দিশ উন্মোচন কৰে। ৰঙিয়া জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ এই কাৰ্যসূচীৰ নেতৃত্ব দিয়ে পূব কামৰূপ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক তথা কলিতা জনগোষ্ঠী সন্মিলন, অসমৰ মুখ্য পৃষ্ঠপোষক পবিন কলিতাই। সমগ্ৰ কাৰ্যসূচীত ৰঙিয়া জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ সভাপতি ৰীণা কলিতা মহন্ত, সাধাৰণ সম্পাদক ডঃ পৰেশ কলিতা, উপ-সভাপতি নাৰায়ণ কলিতা, কাৰ্যকৰী সভাপতি জয়ন্তজিত কলিতা, কেন্দ্ৰীয় সমিতিৰ উপ-সভানেত্ৰী চানু কলিতা, কেন্দ্ৰীয় মহিলা মঞ্চৰ সভানেত্ৰী গয়াৰাণী ডেকা, ৰঙিয়া জিলা মহিলা মঞ্চৰ সভানেত্ৰী মেঘালী ডেকা, শিক্ষক ৰবীন দাস, বীৰ দত্ত হাইস্কুলৰ প্ৰধান শিক্ষকৰ লগতে শিক্ষক-কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰীসকল আৰু হৰদত্ত গাঁও পঞ্চায়তৰ সমূহ বিষয়া-কৰ্মচাৰীয়ে সহযোগ আগবঢ়ায়।




## গোলোকগঞ্জত কোচ ৰাজবংশী সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস পালন

**দৈনিক অসমৰ প্ৰতিনিধি**

**তামাৰহাট, ২৩ মে'ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ চহৰস্থিত কোচ ৰাজবংশী সাহিত্য সভা ভৱন প্ৰাংগণত কালি দিনজোৰা কাৰ্যসূচীৰে কোচ ৰাজবংশী সাহিত্য সভাৰ ৩৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। কোচ ৰাজবংশী সাহিত্য সভা আৰু লেখিকা সভাৰ যৌথ উদ্যোগ তথা অভ্যৰ্থনা সমিতিৰ পৰিচালনাত উক্ত প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। অভ্যৰ্থনা সমিতিয়ে যুগুতোৱা কাৰ্যসূচী অনুসৰি আজি পুৱা ৭ বজাত ৰাজবংশী জনগোষ্ঠীৰ আৰাধ্যা দেৱী 'চুৰাছনী' পূজাৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। তাৰ পাছত ক্ৰমে কোচ ৰাজবংশী সাহিত্য সভাৰ পতাকা উত্তোলন, কোচ ৰাজবংশী লেখিকা সভাৰ পতাকা উত্তোলন, শ্বহীদ বেদীত শ্ৰদ্ধাঞ্জলি, পদ্মশ্ৰী প্ৰতিমা পাণ্ডে বৰুৱা, কমতাৰত্ন অম্বিকা চৰণ চৌধুৰী, সাহিত্য ৰত্ন অৰুণ কুমাৰ ৰায়, হিয়াৰ আমঠু জুবিন গাৰ্গ, স্বৰ্গীয় দীনেশ চন্দ্ৰ সৰকাৰ, প্ৰয়াত সুৰজিত ৰায় আৰু প্ৰয়াত মনীন্দ্ৰ নাথ ৰায়ৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি আৰু ৰাজহুৱা স্থানত গছপুলি ৰোপণ কৰা হয়। দুপৰীয়া বিভিন্ন সাংস্কৃতিক দল আৰু বিভিন্ন বাদ্যযন্ত্ৰ সংগত কৰি উলিওৱা সাংস্কৃতিক শোভাযাত্ৰাৰ শুভ উদ্বোধন কৰে গোলকগঞ্জ সমজিলাৰ কাৰ্যবাহী দণ্ডাধীশ কুকিল দাসে। দিনৰ ১.৩০ বজাত আগমনি প্ৰগতি মহাবিদ্যালয়ৰ অধ্যাপক ডঃ পৰমেশ্বৰ ৰায়ৰ পৰিচালনাত অনুষ্ঠিত কবি সন্মিলনত ২৩গৰাকী কবিয়ে কোচ ৰাজবংশী ভাষাৰ স্ব-ৰচিত কবিতা পাঠ কৰে। দিনৰ তিনি বজাৰ পৰা অনুষ্ঠিত হয় 'কোচ ৰাজবংশীৰ ইতিহাস আৰু ২০২৬ চনৰ লোকপিয়লত মাতৃভাষা হিচাপে ৰাজবংশী ভাষা অন্তৰ্ভুক্ত' শীৰ্ষক আলোচনাচক্ৰ। আবেলি চাৰি বজাৰ পৰা কোচ ৰাজবংশী সাহিত্য সভাৰ সভাপতি ডঃ দ্বিজেন্দ্ৰ নাথ ভকতৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে কোচ ৰাজবংশী সাহিত্য সভাৰ সাধাৰণ সম্পাদক কমল কুমাৰ বৰ্মনে। উক্ত মুকলি সভাত বিটিচিৰ কাৰ্যবাহী পাৰিষদ কৰ্মেশ্বৰ ৰায়ে মুখ্য অতিথিৰ ভাষণত কয় যে সাহিত্য অবিহনে কোনো এটা জাতিয়ে মৰ্যাদাৰে সমাজত জীয়াই থাকিব নোৱাৰে। ইয়াৰ উপৰি কাৰ্যবাহী পাৰিষদগৰাকীয়ে কয় যে আমি যদি সাহিত্যৰ যোগেদি আমাৰ ভাষা, কলা-কৃষ্টি, সংস্কৃতি, সামাজিক নীতি-নিয়মবোৰ লিপিবদ্ধ কৰি সংৰক্ষণ কৰিব নোৱাৰোঁ, তেনেহ'লে ভৱিষ্যতে আমাৰ পৰিচয় নাইকিয়া হৈ যাব।


## হাইস্কুল শিক্ষক সংস্থাৰে শিক্ষা সঞ্চালকৰ আলোচনা

শিক্ষক সমাজৰ সমস্যা সমাধানৰ বাবে কেইবাটাও দাবী উত্থাপন

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ২৩ মে'ঃ** অসমৰ শিক্ষক সমাজৰ বিভিন্ন সমস্যা সমাধানৰ বাবে অসম হাইস্কুল শিক্ষক সংস্থাৰ এটি সঁজাতী দলে কালি অসম চৰকাৰৰ শিক্ষা বিভাগৰ মাধ্যমিক শিক্ষা সঞ্চালিকা মমতা হোজাইৰ সৈতে এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত শিক্ষক সমাজৰ দীৰ্ঘদিনীয়া সমস্যাসমূহ সমাধানৰ বাবে সংস্থাৰ তৰফৰ পৰা কেইবাটাও গুৰুত্বপূৰ্ণ দাবী উত্থাপন কৰে। অসম হাইস্কুল শিক্ষক সংস্থাৰ সভাপতি সুনন্দ কলিতা, উপ-সভাপতি নন্দেশ্বৰ বৰুৱা, সম্পাদক ৰমেন দুৱৰা, পত্ৰিকা সম্পাদক ৰণজিৎ শইকীয়া আৰু সহকাৰী সম্পাদকসকল ক্ৰমে— ৰাকেশ শৰ্মা, প্ৰসন্ন বৰুৱা, সত্য তালুকদাৰ, চাণক্য দাস তথা কাৰ্যালয় সম্পাদক মণ্টু তালুকদাৰৰ উপস্থিতিত অনুষ্ঠিত আলোচনাত উত্থাপিত মূল দাবীসমূহ সমাধানৰ বাবে শিক্ষা সঞ্চালিকাগৰাকীয়ে ইতিবাচক পদক্ষেপ গ্ৰহণ কৰাৰ আশ্বাস প্ৰদান কৰে। সংস্থাৰ দাবীসমূহৰ ভিতৰত যিবোৰ জিলাত এতিয়ালৈকে স্থায়ী প্ৰধান শিক্ষক নিযুক্তি দিয়া হোৱা নাই সেই জিলাসমূহত অতি সোনকালে নিযুক্তি প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ দাবী জনোৱা হয় আৰু এইক্ষেত্ৰত অতিশীঘ্ৰে চৰকাৰে ব্যৱস্থা লোৱাৰ কথা অৱগত কৰে। ২০১৩ চনত প্ৰাদেশিকীকৰণ হোৱা বিদ্যালয়সমূহৰ ২০১৩ চনৰ আগৰ পৰাই কৰ্মৰত উপযুক্ত দক্ষতাসম্পন্ন শিক্ষকসকলক জিটি, পিজিটি পদলৈ উন্নীত কৰিবলৈ আহ্বান জনোৱা হয় আৰু বিষয়টো বিবেচনাধীন হৈ থকা বুলি উত্তৰ দিয়ে। একেদৰে ২০০৫ চনৰ পূৰ্বে নিযুক্তি পোৱা শিক্ষক-কৰ্মচাৰীসকলৰ বাবে অসম পেন্সন সেৱা বিধি-১৯৬৯ৰ অধীনত পুৰণি পেন্সন ব্যৱস্থা পুনৰ বাহাল ৰাখিবলৈ জোৰদাৰ দাবী উত্থাপন কৰা হয় আৰু ইয়াৰ কাৰ্যকৰণাৰ্থে ফাইল প্ৰক্ৰিয়া চলি আছে বুলি উল্লেখ কৰে। হাইস্কুলৰ পৰা উচ্চতৰ মাধ্যমিকলৈ উন্নীত হোৱা বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ পদসমূহ অধ্যক্ষলৈ পদোন্নতি দিয়াৰ দাবীৰ ক্ষেত্ৰত অতি শীঘ্ৰে পূৰণ কৰিবলৈ ব্যৱস্থা কৰাৰ কথা উল্লেখ কৰে। প্ৰাদেশিকীকৰণৰ বিসংগতি দূৰ কৰা আৰু বিদ্যালয়সমূহৰ দুৰ্বল আন্তঃগাঁথনি উন্নত কৰাৰ বিষয়েও আলোচনা কৰা হয়। ইয়াৰ উত্তৰত এইখিনি পৰ্যায়ক্ৰমে দিয়াৰ ব্যৱস্থা কৰি থকা বুলি উল্লেখ কৰে। আনহাতে, বিদ্যালয়সমূহৰ বিদ্যুৎ বিলৰ বোজা লাঘৱ কৰিবলৈ চৰকাৰী আঁচনি প্ৰৱৰ্তন কৰা দাবীৰ পৰিপ্ৰেক্ষিতত অচিৰেই ব্যৱস্থা কৰা, 'শিক্ষা সেতু' এপৰ কাৰিকৰী উন্নীতকৰণ আৰু মধ্যাহ্ন ভোজনৰ পুঁজি যোগানৰ ক্ষেত্ৰত 'অক্ষয় পাত্ৰ'ৰ দৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ জনোৱা অনুৰোধৰ উত্তৰত সমগ্ৰ শিক্ষা অসম আৰু পাঠ্যপুথি প্ৰণয়ন বিভাগৰ লগত আলোচনাৰ পিছত ব্যৱস্থা লোৱাৰ আশ্বাস দিয়ে। তদুপৰি মধ্যাহ্ন ভোজনৰ পুঁজি কেৱল ছাত্ৰ-ছাত্ৰীৰ ডিজিটেল উপস্থিতিৰ ওপৰত নিৰ্ভৰ নকৰি শাৰীৰিক উপস্থিতিৰ ওপৰত ভিত্তি কৰি দিয়াৰ লগতে নিম্ন হাৰৰ ফলাফল দেখুওৱা অপ্ৰাদেশিকীকৃত বিদ্যালয়সমূহৰ পঞ্জীয়ন বাতিল নকৰিবলৈও সংস্থাই সঞ্চালিকা মহোদয়াক অনুৰোধ জনায় যদিও এইক্ষেত্ৰত তেওঁ এইটো তেওঁৰ এক্তিয়াৰৰ ভিতৰত নাই বুলি অৱগত কৰে।

## তেজপুৰৰ 'তৰুণ অসম সংঘ'ৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন




**দৈনিক অসমৰ প্ৰতিনিধি**

**তেজপুৰ, ২৩ মে'ঃ** দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মাৰ বিশেষ ভূমিকাত তেজপুৰ চহৰৰ মাজমজিয়াত ১৯৩০ চনতে প্ৰতিষ্ঠা লাভ কৰা তেজপুৰ তথা অসমৰ এক অন্যতম অগ্ৰণী সামাজিক-সাংস্কৃতিক-ক্ৰীড়া অনুষ্ঠান 'তৰুণ অসম সংঘ'ৰ গৌৰৱোজ্জ্বল ৯৭ সংখ্যক প্ৰতিষ্ঠা দিৱস কালি দিনজোৰা কাৰ্যসূচীৰে সংঘ প্ৰাংগনত উদ্‌যাপন কৰা হয়। কাৰ্যসূচী আনুসৰি সংঘৰ চৌহদত আয়োজিত মুকলি সভাত 'সমন্বয়, মানৱতা আৰু ডঃ ভূপেন হাজৰিকা' শীৰ্ষক বিষয়ত নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰে 'অসম শিশু সাহিত্য ন্যাস'ৰ সচিব হৃষীকেশ গোস্বামীয়ে। তৰুণ অসম সংঘৰ সভাপতি, বিশিষ্ট শিক্ষাবিদ ডঃ ভুৱনেশ্বৰ চহৰীয়াৰ পৌৰোহিত্যত অধ্যাপিকা ডঃ স্বপ্নালী কাকতিয়ে আঁত ধৰা প্ৰতিষ্ঠা দিৱসৰ মূল সভাত নিৰ্দিষ্ট বিষয়ত ভাষণ আগবঢ়াই হৃষীকেশ গোস্বামীয়ে ডঃ ভূপেন হাজৰিকা অসমীয়া সমাজ নিৰ্মাণৰ অভিযন্তা আছিল বুলি মন্তব্য কৰে। এই মূল সভাতে তৰুণ অসম সংঘই তেজপুৰৰ সমাজ জীৱনৰ অগ্ৰণী ব্যক্তিত্ব, বিশিষ্ট সমাজকৰ্মী তথা প্ৰখ্যাত চিকিৎসক ডাঃ লক্ষ্মী গোস্বামী , তেজপুৰৰ বিশিষ্ট ক্ৰীড়াবিদ তথা প্ৰবীণ চিকিৎসক ডাঃ বিশ্বৰঞ্জন কলিতা ,সৰবৰহী সমাজকৰ্মী তথা প্ৰবীণ চিকিৎসক ডাঃ প্ৰদীপ বৰুৱা আৰু প্ৰবীণ চিকিৎসক ডাঃ কামাখ্যাপ্ৰসাদ চক্ৰৱৰ্তীক গামোচা, চেলেং, প্ৰশস্তি, স্মাৰক আদিৰে বিশেষভাৱে সম্বৰ্দ্ধনা জনায়। আনহাতে এই অনুষ্ঠানতে তৰুণ অসম সংঘৰ সদস্য তথা তেজপুৰৰ বিশিষ্ট চিত্ৰ-ভাস্কৰ্য শিল্পী জ্ঞানেন্দ্ৰ নাথ বৰাই অংকন কৰা দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মাৰ এখন প্ৰতিচ্ছবি আনুষ্ঠানিকভাৱে উন্মোচন কৰে হৃষীকেশ গোস্বামীয়ে। অনুষ্ঠানটিত আদৰণী ভাষণ আগবঢ়াই সভাপতি ডঃ ভুৱনেশ্বৰ চহৰীয়াই দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মাৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি তৰুণ অসম সংঘৰ ইতিহাস আৰু কৰ্মসূচী সদৰি কৰে। অনুষ্ঠানটিত ডঃ ভুৱনেশ্বৰ চহৰীয়াৰ 'শিক্ষা সংস্কৃতি আৰু জীৱন' শীৰ্ষক এখন গুৰুত্বপূৰ্ণ গ্ৰন্থ আনুষ্ঠানিকভাৱে উন্মোচন কৰে শোণিতপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট ঔপন্যাসিক তথা অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ ভূপেন শইকীয়াই। উল্লেখ্য যে প্ৰতিষ্ঠা দিৱসৰ স'তে সংগতি ৰাখি এখন চিত্ৰ প্ৰদৰ্শনীৰো আয়োজন কৰা হয়। প্ৰদৰ্শনীখন উন্মোচন কৰে বিশিষ্ট চিত্ৰশিল্পী তথা অভিনেতা অৰুণ নাথে ।

ভৱানীপুৰৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত বিচিত্ৰ ফুলৰ শোভা

## কৰৱী-মণিকুন্তলাই মন-প্ৰাণ হৰিছে প্ৰকৃতিপ্ৰেমীৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**সৰুপেটা, ২৩ মে'ঃ** প্ৰকৃতিৰ অনুকূল পৰিৱেশে ভৱানীপুৰৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথলৈ কঢ়িয়াইছে অনাবিল, মনোমোহা সৌন্দৰ্য। ভৱানীপুৰৰ 'টু ৱে' ৰাষ্ট্ৰীয় ঘাইপথছোৱাৰ 'ডিভাইডাৰ'ৰ উন্মুক্ত অংশত দেখা গৈছে বিচিত্ৰ ফুলৰ শোভা। ঘাইকৈ বৰষুণৰ পানীত জীপ পাই উঠা ৰঙা, গুলপীয়া আৰু ঘন ঠাৰিযুক্ত মণিকুন্তলা ফুলৰ সৈতে লহপহকৈ বাঢ়ি অহা ডাঠ হালধীয়া ৰঙৰ কৰৱী ফুলে সমগ্ৰ ভৱানীপুৰৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ 'ডিভাইডাৰ'ৰ উন্মুক্ত অংশত শোভাবৰ্দ্ধন কৰা দেখা গৈছে। ইংৰাজীত 'পাউডাৰ পুফ' আৰু 'ক্যালিয়াণ্ড্ৰা' বৈজ্ঞানিক নামেৰে পৰিচিত মণিকুন্তলা ফুলবিধ অসমীয়া আৰু বাংলা ভাষাত একে নামেৰে পৰিচিত হোৱাৰ তথ্য পোৱা গৈছে। আনবিধ আমাৰ ঘৰে-পদূলিয়ে শোভাবৰ্দ্ধন কৰি থকা ইংৰাজীত 'অ'লিয়েণ্ডাৰ' আৰু 'নেৰিয়াম অ'লিয়েণ্ডাৰ' বৈজ্ঞানিক নামেৰে পৰিচিত উজ্জ্বল হালধীয়া ৰঙেৰে দৃষ্টিনন্দন ৰূপত ফুলি উঠা আমাৰ অতিকে চিনাকি কৰৱী ফুলবিধেও পথচাৰী আৰু যাত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰা পৰিলক্ষিত হৈছে। আনহাতে, ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ অন্তৰ্গত ভৱানীপুৰৰ গলিয়া টোল গেট কৰ্তৃপক্ষই ৰাষ্ট্ৰীয় ঘাইপথছোৱাৰ দুয়োপথেৰে সমান্তৰালকৈ পৰস্পৰ বিপৰীতমুখী দিশেৰে অহা-যোৱা কৰা ঘাইকৈ নিশাৰ ভাগত চলাচল কৰা দ্ৰুতবেগী যান-বাহনসমূহৰ 'হেড লাইট'ৰ চকু ছাট মাৰি ধৰা পোহৰ মুখামুখিকৈ অহা গাড়ীৰ চালকৰ চকুত নপৰাৰ ব্যৱস্থাৰে দুৰ্ঘটনা ৰোধৰ উপৰি সৌন্দৰ্যবৰ্দ্ধন আৰু পৰিৱেশ প্ৰদূষণ ৰোধৰ লক্ষ্যৰে ৰাষ্ট্ৰীয় ঘাইপথৰ 'ডিভাইডাৰ'ৰ লগতে পথৰ দাঁতিত এইদৰে মধ্যমীয়া আৰু জোপাহা আকৃতিৰ বিভিন্ন গছপুলি ৰোপণ কৰি অহাৰ কথা জানিবলৈ দিছে।



### উপযুক্ত চিকিৎসা সেৱাৰপৰা বঞ্চিত হোৱাৰ অভিযোগ

# শিশুৰ মৃত্যুক কেন্দ্ৰ কৰি খোৱাং হালমাৰীত উত্তপ্ত পৰিস্থিতি

**দৈনিক অসমৰ প্ৰতিনিধি,**
**মৰাণ, ২৩ মে' ঃ** চিকিৎসকৰ অভাৱ আৰু অব্যৱস্থাপনাক কেন্দ্ৰ কৰি ডিব্ৰুগড় জিলাৰ খোৱাং হালমাৰী চাহ বাগিচাত এক হৃদয়বিদাৰক ঘটনাই অঞ্চলজুৰি চাঞ্চল্য সৃষ্টি কৰিছে। ডিব্ৰুগড় জিলাৰ টিংখাং বিধানসভা সমষ্টিৰ অন্তৰ্গত খোৱাং হালমাৰী চাহ বাগিচাত চিকিৎসাৰ অভাৱত এটি শিশুৰ মৃত্যুৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। জানিব পৰা মতে, হালমাৰী চাহ বাগিচাৰ প্ৰজা লাইনৰ বাসিন্দা এটি অসুস্থ শিশুক ২১ মে'ত হালমাৰী চাহ বাগিচাৰ চিকিৎসালয়লৈ অনা হৈছিল। কিন্তু চিকিৎসালয়খনত বহু সময় ধৰি অপেক্ষা কৰাৰ পাছতো শিশুটিক কোনোধৰণৰ উপযুক্ত চিকিৎসা প্ৰদান কৰা নহ'ল বুলি অভিযোগ উত্থাপন কৰিছে পৰিয়ালৰ লোকে। আনকি এখন এম্বুলেন্সৰ ব্যৱস্থাও চিকিৎসালয় কৰ্তৃপক্ষই কৰি নিদিয়াৰ অভিযোগ উত্থাপন হৈছে। পাছত পৰিয়ালৰ লোকে নিজ দায়িত্বত শিশুটিক হালমাৰী চিকিৎসালয়ৰপৰা মৰাণ তিলৈনগৰ সামূহিক চিকিৎসালয়লৈ লৈ যায় যদিও অৱশেষত চিকিৎসাধীন অৱস্থাত শিশুটিৰ মৃত্যু হয়। এই ঘটনাক কেন্দ্ৰ কৰি ক্ষুব্ধ হৈ উঠে স্থানীয় ৰাইজ। উত্তেজিত ৰাইজ চিকিৎসালয়ত উপস্থিত হৈ প্ৰতিবাদ সাব্যস্ত কৰে আৰু উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ঘটনাৰ খবৰ পাই আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা চলায়। অভিযোগ অনুসৰি ৰাইজৰ ক্ষোভ বৃদ্ধি পোৱাৰ পাছতে চিকিৎসালয়ৰ কৰ্মচাৰীসকল চিকিৎসালয় এৰি আঁতৰি যায়। স্থানীয় ৰাইজে অভিযোগ কৰে যে চিকিৎসালয়খনত নিয়মীয়া চিকিৎসক নাথাকে আৰু অধিকাংশ সময় ফাৰ্মাচীত গৰাকীয়ে ৰোগী চোৱাচিতা কৰাৰ লগতে ঔষধ বিতৰণ কৰে। এনে অৱস্থাই চাহ বাগিচাৰ শ্ৰমিক আৰু তেওঁলোকৰ পৰিয়ালৰ স্বাস্থ্যসেৱাক সংকটৰ মুখলৈ ঠেলি দিছে বুলি অভিযোগ উত্থাপন কৰিছে। ইফালে, শিশুটিৰ মৃত্যুৰ ঘটনাৰ সঠিক তদন্ত কৰাৰ লগতে চিকিৎসালয়খনত উন্নত চিকিৎসা ব্যৱস্থা, নিয়মীয়া চিকিৎসক নিয়োগ আৰু জৰুৰীকালীন স্বাস্থ্যসেৱা নিশ্চিত কৰাৰ দাবী উত্থাপন কৰিছে স্থানীয় ৰাইজে।






# গাঁওৰক্ষী বাহিনীৰ উদ্যোগত কচুমাৰীত সজাগতা সভা সম্পন্ন

**দৈনিক অসমৰ প্ৰতিনিধি**
**মাহমৰা, ২৩ মে' ঃ** অসম গাঁওৰক্ষী সংগঠন কচুমাৰী আৰু কচুমাৰী সমবায় গাঁওৰক্ষী বাহিনীৰ যৌথ উদ্যোগত তথা মৰাণহাট থানা পৰ্যায়ৰ নাগৰিক সমিতিৰ সহযোগত মাহমৰাৰ কচুমাৰী বহুমুখী ভৱনত ১৭ মে'ত এখন সজাগতা সভা অনুষ্ঠিত হৈ যায়। মৰাণহাট থানা নাগৰিক সমিতিৰ সভাপতি অৰণী শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাত উদ্দেশ্য ব্যাখ্যা আগবঢ়ায় কচুমাৰী গাঁওৰক্ষী বাহিনীৰ সম্পাদক ৰাজীৱ মহন্তই। সভাত মাহমৰা সমজিলা আৰক্ষী অধীক্ষক গজানন্দ শৰ্মাই উপস্থিত থাকি মদ, ভাং, ড্ৰাগ্‌ছ আদিয়ে সমাজখনত পেলোৱা কু-প্ৰভাৱৰ কথা উল্লেখ কৰি ইয়াৰ বিৰুদ্ধে মাৰবান্ধি থিয় দিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনায়। সভাত চৰাইদেউ জিলা গাঁওৰক্ষী বাহিনীৰ মুখ্য উপদেষ্টা কুশল দত্ত, মিলন আঞ্চলিক পঞ্চায়তৰ সদস্য মধুমিতা মহন্ত, মিলন পঞ্চায়তৰ সভানেত্ৰী ৰূপালী বৰুৱা, অৱসৰপ্ৰাপ্ত শিক্ষক যতীন বৰা, মৰাণহাট থানাৰ চক্ৰ সংগঠক দীপজ্যোতি দে' আদি উপস্থিত থাকে। সভাত অঞ্চলটোৰ কেইবাখনো গাঁওৰক্ষী বাহিনীৰ সদস্য তথা ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে।

# অৰ্থনৈতিকভাৱে অনগ্ৰসৰ গ্ৰামাঞ্চলৰ ৪ শিক্ষাৰ্থীক সাহায্য প্ৰদান

### এছ বি আই পেন্সনাৰ সন্থাৰ উদ্যোগ



**দৈনিক অসমৰ প্ৰতিনিধি**
**যোৰহাট, ২৩ মে' ঃ** এছ বি আই পেন্সনাৰ এছ'চিয়েচনৰ যোৰহাট সংমণ্ডলে উচ্চ মাধ্যমিকৰ শিক্ষান্ত পৰীক্ষাৰ সদ্যঘোষিত ফলাফলত ৮০ শতাংশৰো অধিক নম্বৰ লাভ কৰি উত্তীৰ্ণ হোৱা যোৰহাটৰ অৰ্থনৈতিকভাৱে অনগ্ৰসৰ গ্ৰামাঞ্চলৰ চাৰিগৰাকী ছাত্ৰক কালি অভিনন্দন জনোৱাৰ লগতে আৰ্থিক সাহায্য এছ বি আই যোৰহাট শাখাস্থিত সংস্থাৰ কাৰ্যালয়ত প্ৰদান কৰে। আৰ্থিক সাহায্য লাভ কৰা ছাত্ৰসকল হ'ল যোৰহাট বাল্যভৱনৰপৰা পৰীক্ষা দি ৯১.৮৩ শতাংশ নম্বৰ লাভেৰে উত্তীৰ্ণ হোৱা বাস্তৱজ্যোতি হাজৰিকা, হাতীগড় উচ্চ মাধ্যমিক বিদ্যালয়ৰপৰা পৰীক্ষা দি ৮৭.৬৬ শতাংশ নম্বৰ লাভেৰে উত্তীৰ্ণ হোৱা মৃণ্ময়জ্যোতি বৰা, যোৰহাট বাল্য ভৱনৰপৰা পৰীক্ষা দি ৮৩.৮৩ শতাংশ নম্বৰ লাভেৰে উত্তীৰ্ণ হোৱা মিংকুজ্যোতি শৰ্মা আৰু চৰাইবাহী জ্ঞানোদয় বিদ্যাপীঠৰপৰা পৰীক্ষা দি ৮০.৮৩ শতাংশ নম্বৰ লাভেৰে উত্তীৰ্ণ হোৱা ছানী কাকতি। এই উদ্দেশ্যে পেন্সনাৰ সংস্থাৰ বিষয়ববীয়া পল্লৱ শৰ্মাই আঁত ধৰা, সম্পাদক গৌতম হাজৰাই উদ্দেশ্য ব্যাখ্যা কৰা আৰু সভাপতি দিলীপ দত্তৰ সভাপতিত্বত অনুষ্ঠিত সভাত সংস্থাৰ সদস্য উৎপলা ঠাকুৰ, প্ৰভাত দত্তই উদগনিমূলক উপহাৰৰ লগতে সংস্থাৰ তৰফৰপৰা নগদ পাঁচ হেজাৰকৈ টকাৰ লগতে একোখনকৈ অভিনন্দনপত্ৰ পেন্সনাৰ সংস্থাৰে জড়িতসকলে আনুষ্ঠানিকভাৱে ছাত্ৰ চাৰিগৰাকীক প্ৰদান কৰে। সংস্থাৰ উপ-সভাপতি অনিলেশ্বৰ গোস্বামী, সৌৰভ কাকতি আৰু পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ সভাপতি ৰমেন শইকীয়াই বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰা সভাখনৰ সভাপতি দিলীপ দত্ত আৰু সম্পাদক গৌতম হাজৰাই গ্ৰামাঞ্চলৰ অৰ্থনৈতিকভাৱে অনগ্ৰসৰ পৰিয়ালৰ সন্তানক এই উপহাৰ সংস্থাৰ তৰফৰপৰা প্ৰদান কৰি কেউগৰাকী ছাত্ৰ ভৱিষ্যৎ জীৱনত একোগৰাকী সৰ্বদিশতে সফল ব্যক্তি হোৱাৰ কামনা কৰাৰ লগতে আগন্তুক শিক্ষা বৰ্ষসমূহতো তেওঁলোকৰপৰা সফলতা কামনা কৰে। উল্লেখ্য, সংস্থাৰ তৰফৰপৰা পূৰ্বেও মেধাৱী শিক্ষাৰ্থীসকলক অভিনন্দন জনাই অহা বুলি উল্লেখ কৰাৰ লগতে সমাজখনৰ উন্নয়নমূলক কাৰ্য ৰূপায়ণত সংস্থাই সসহযোগিতা কৰি আহিছে বুলি উল্লেখ কৰে। সভাখনত ভাৰতীয় ষ্টেট বেংক যোৰহাট সংমণ্ডল এলেকাৰ পেন্সনাৰসকল উপস্থিত থাকে।

### অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম বৃদ্ধি ৰোধৰ প্ৰয়াস

# ডুমডুমা-ৰূপাই চাইডিঙত পাইকাৰী প্ৰতিষ্ঠানত যোগান বিভাগৰ অভিযান

**দৈনিক অসমৰ প্ৰতিনিধি**
**ডুমডুমা, ২৩ মে' ঃ** চৰকাৰী নীতি-নিয়ম নমনা ব্যৱসায়ীৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সংশ্লিষ্ট কৰ্তৃপক্ষক ব্যৱস্থা লোৱাৰ নিৰ্দেশ দিয়াৰ পাছত কালি তিনিচুকীয়া জিলাৰ ডুমডুমা আৰু ৰূপাই চাইডিঙত খাদ্য আৰু অসামৰিক যোগান বিভাগৰ বিষয়াই ব্যৱসায়িক প্ৰতিষ্ঠানত অতৰ্কিতে অভিযান চলায়। প্ৰথমে ডুমডুমা নগৰত বিশেষকৈ গেলামালৰ পাইকাৰী প্ৰতিষ্ঠানত চৰকাৰী বিষয়াৰ দলটোৱে অভিযান চলাই কেইবাজনো ব্যৱসায়ীক ধমক দিয়ে। গেলামালৰ দোকানৰ সামগ্ৰীৰ তালিকাত প্ৰতিবিধ সামগ্ৰীৰ মূল্য লিখন কৰাটো বাধ্যতামূলক কৰিবলৈ ব্যৱসায়ীসকলক সকীয়াই দিয়ে। চৰকাৰী বিষয়াৰ দলটোৱে ব্যৱসায়িক প্ৰতিষ্ঠানত এজন গ্ৰাহকে পাবলগীয়া নিয়মাৱলীক ব্যৱসায়ীসকলে কাৰ্যকৰী কৰাৰ লগতে প্ৰতিষ্ঠানত চিচি কেমেৰা ব্যৱহাৰ কৰিছে নে নাই তন্ন তন্নকৈ পৰীক্ষণ কৰে। ইয়াৰ পাছতে দলটোৱে ৰূপাই চাইডিঙত কেইবাখনো গেলামালৰ পাইকাৰী দোকানত অভিযান চলোৱাৰ লগতে নথিপত্ৰ আৰু স্বাস্থ্যজনিত দিশবোৰ পৰীক্ষণ কৰে। অভিযানকাৰী দলটোক নেতৃত্ব দিয়ে ডুমডুমা সমজিলা আয়ুক্ত কাৰ্যালয়ৰ সহঃ আয়ুক্ত কৃতাৰ্থ নেওগ আৰু খাদ্য আৰু অসামৰিক যোগান বিভাগৰ পৰিদৰ্শক মৃগাংক কৃষ্ণ গগৈয়ে। উল্লেখ্য যে খাদ্য আৰু অসামৰিক যোগান বিভাগ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগে অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ যোগান আৰু মূল্য নিয়ন্ত্ৰণ কৰে।



# জ্যেষ্ঠ অধিবক্তা ঘনশ্যাম শইকীয়াৰ মৃত্যু

**দৈনিক অসমৰ প্ৰতিনিধি**
**লখিমপুৰ, ২৩ মে' ঃ** লখিমপুৰৰ মিলন নগৰৰ বাসিন্দা বিশিষ্ট আইনজীৱী ঘনশ্যাম শইকীয়া ২০ মে'ত চিকিৎসাধীন অৱস্থাত লখিমপুৰৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। তেওঁ ষ্টেট বেংক অব ইণ্ডিয়া আৰু বেংক অব বৰোদাৰ আইন উপদেষ্টা হিচাপে দীৰ্ঘদিন ধৰি সেৱা আগবঢ়োৱাৰ লগতে লখিমপুৰ বাৰ এছ'চিয়েচনৰ এগৰাকী জ্যেষ্ঠ সদস্য আছিল। তেওঁৰ সুদীৰ্ঘ আইনজীৱী জীৱন ধেমাজি, জোনাই তথা অৰুণাচল প্ৰদেশৰ জিৰো, ডাপৰিজো, আলং আৰু ইটানগৰৰ পাহাৰীয়া আদালতসমূহলৈ বিস্তৃত আছিল। প্ৰয়াত শইকীয়াই কেৱল ন্যায়ৰ পথত অবিচল হৈ থাকিয়েই নহয়, সমাজসেৱাৰ ক্ষেত্ৰতো নিস্বাৰ্থভাৱে আত্মনিয়োগ কৰি সমাজৰ কল্যাণ আৰু উন্নয়নৰ বাবে আজীৱন কাম কৰি গৈছে। জ্যেষ্ঠ অধিবক্তাগৰাকীৰ মৃত্যুত জন্মভূমি নাওবৈছাত শোকৰ ছাঁ পৰিছো। পত্নী লাৱণ্য শইকীয়া, কন্যা ডাঃ চয়নিকা শইকীয়া আৰু লেখাশ্ৰী শইকীয়া, জোঁৱাই সুৰংগ ভূঞা, নাতি বিহান আৰু বিশেষ ভূঞাক তেওঁ ইহসংসাৰত এৰি যায়। তেওঁৰ মৃত্যুত নাওবৈছা আঞ্চলিক ছাত্ৰ সন্থা, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নাওবৈছা আঞ্চলিক সমিতি, বীৰ লাচিত সেনা, অসম লখিমপুৰ জিলা সমিতিয়ে শোক প্ৰকাশ কৰে।

### বৰবৰুৱা-জামিৰাত সঞ্জীৱ কুমাৰ শৰ্মাৰ নীৰৱ সাধনা

# জৈৱিক কৃষি পামেৰে স্বাৱলম্বিতাৰ দৃষ্টান্ত

**দৈনিক অসমৰ প্ৰতিনিধি**
**মৰাণ, ২৩ মে' ঃ** আধুনিক যুগত য'ত অধিকাংশ শিক্ষিত যুৱক-যুৱতীয়ে চৰকাৰী বা বেচৰকাৰী চাকৰিকেই জীৱনৰ একমাত্ৰ লক্ষ্য হিচাপে বাছি লয়, তেনে সময়তে ডিব্ৰুগড় জিলাৰ বৰবৰুৱা সমীপৱৰ্তী জামিৰা মটক পাত্ৰ গাঁৱৰ এজন অৱসৰপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ বিষয়া জৈৱিক কৃষিক জীৱনৰ মূল ব্ৰত হিচাপে গ্ৰহণ কৰি গঢ়ি তুলিছে এক অনন্য উদাহৰণ। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহকাৰী পঞ্জীয়ক বিষয়া সঞ্জীৱ কুমাৰ শৰ্মাই নিজৰ দহ বিঘা মাটিত 'শৰ্মা এগ্ৰ' ফাৰ্ম' নামৰ এক বিশাল জৈৱিক কৃষিপাম স্থাপন কৰি উদ্যান শস্য, ফলমূল, ঔষধি উদ্ভিদ আৰু ঋতুভিত্তিক শাক-পাচলি খেতিৰে অৰ্থনৈতিক স্বাৱলম্বিতাৰ এক নতুন দিশ উন্মোচন কৰিবলৈ সক্ষম হৈছে। প্ৰকৃতিৰ সৈতে সহাৱস্থান আৰু স্বাস্থ্যসন্মত জীৱনধাৰাৰ লক্ষ্যৰে গঢ়ি তোলা এই কৃষিপামখন আজি কেৱল এক কৃষিক্ষেত্ৰ নহয়, বৰঞ্চ জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ, নতুন প্ৰজন্মক কৃষিৰ প্ৰতি আগ্ৰহী কৰি তোলা আৰু জৈৱিক কৃষিৰ গুৰুত্ব উপলব্ধি কৰোৱাৰ এক জীৱন্ত শিক্ষাকেন্দ্ৰ হিচাপেও পৰিগণিত হৈছে। কৃষিপামখনত জৈৱিক পদ্ধতিৰে উৎপাদিত শাক-পাচলি আৰু ফলমূলৰ চাহিদা স্থানীয় বজাৰত ক্ৰমাৎ বৃদ্ধি পাইছে আৰু গ্ৰাহকসকলেও স্বাস্থ্যসন্মত খাদ্য হিচাপে এইসমূহ সামগ্ৰীৰ প্ৰতি বিশেষ আস্থা প্ৰকাশ কৰিছে। সঞ্জীৱ কুমাৰ শৰ্মাই সংবাদ মাধ্যমৰ আগত জানিবলৈ দিয়ে যে জৈৱিক কৃষি মানে কেৱল বিহমুক্ত খাদ্য উৎপাদন নহয়, ই হৈছে সুস্থ সমাজ গঢ়াৰ এক শক্তিশালী মাধ্যম।

উল্লেখ্য যে ২০২০ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সহকাৰী পঞ্জীয়ক পদৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পিছত আৰামদায়ক অৱসৰ জীৱন অতিবাহিত কৰাৰ পৰিৱৰ্তে তেওঁ পুনৰ কৃষিকেন্দ্ৰিক জীৱনলৈ উভতি আহে। যদিও কৃষিৰ সৈতে তেওঁৰ সম্পৰ্ক নতুন নহয়, সৰুৰে পৰাই পিতৃৰ অনুপ্ৰেৰণাত গছ-গছনি ৰোপণ আৰু শাক-পাচলি খেতিৰ প্ৰতি গভীৰ আগ্ৰহ জন্মিছিল। নৱম শ্ৰেণীত অধ্যয়ন কৰি থাকোঁতেই তেওঁ নিজ হাতে শাক-পাচলি খেতি কৰি বৰবৰুৱা বজাৰত বিক্ৰী কৰিছিল আৰু পৰিয়ালৰ আৰ্থিক ক্ষেত্ৰত সহায় আগবঢ়াইছিল। পিতৃ বিয়োগৰ পিছতো তেওঁ কৃষিৰ সৈতে সংযোগ বিচ্ছিন্ন নকৰি জীৱনৰ বিভিন্ন সংগ্ৰামৰ মাজতো কৃষিক আঁকোৱালি লৈছিল। জামিৰাতেই মাধ্যমিক আৰু উচ্চ মাধ্যমিক শিক্ষা সমাপ্ত কৰি তেওঁ কানৈ বাণিজ্য মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী অৰ্জন কৰে। পিছত ১৯৮১ চনৰ পৰা ১৯৮৮ চনলৈ ডিব্ৰুগড় সমবায় সমিতিত গাণনিক বিষয়া হিচাপে কৰ্মজীৱন আৰম্ভ কৰে। ১৯৮৮ চনৰ ১ জুনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত কাৰ্যালয় সহায়ক হিচাপে যোগদান কৰি ঢাপে ঢাপে পদোন্নতি লাভ কৰি ২০১৪ চনত বিশ্ববিদ্যালয়ৰ পৰীক্ষা বিভাগৰ সহকাৰী পঞ্জীয়ক পদত অধিষ্ঠিত হয়। কৃষিপামখনত আম, কঁঠাল, কৰ্দৈ, কমলা, ৰবাব টেঙা, বগৰী, মধুৰিআম, নাৰিকল, মিৰিকা টেঙা, নৰা বগৰী, বৰথেকেৰা, কুজি থেকেৰা, জলফাই, অমৰা, তামোল-পাণ, জামুক, চজিনা, জালুক, নাচপতি, পনিয়ল, ডালিম, বনপিঠা, কুঁহিয়াৰ, কাঁচকল আদি বিভিন্ন উদ্যান শস্যৰ গছ ৰোপণ কৰা হৈছে। তদুপৰি বৰ্তমান ড্ৰেগন ফল, মহানিম, নৰসিংহ, নগাটেঙা, চজিনা আদি মূল্যৱান আৰু স্বাস্থ্যসন্মত উদ্ভিদৰো জৈৱিক পদ্ধতিৰে খেতি কৰা হৈছে।

# কাকপথাৰত ড্ৰাগ্‌ছসহ দুই সৰবৰাহকাৰীক আটক

**দৈনিক অসমৰ প্ৰতিনিধি**
**কাকপথাৰ, ২৩ মে' ঃ** কাকপথাৰত আৰক্ষীয়ে গোপন খবৰৰ ভিত্তিত অভিযান চলাই কালি দুই সৰবৰাহকাৰীসহ জব্দ কৰে ড্ৰাগ্‌ছ। কাকপথাৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অজিত সোণোৱালৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে কাকপথাৰ থানাৰ অন্তৰ্গত লাজুমত ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত এই দুই সৰবৰাহকাৰীৰপৰা জব্দ কৰে হেৰ'ইন। এ এছ-২৩ জি-৮৪৫০ নম্বৰৰ এখন চাৰিচকীয়া বাহনত দুই সৰবৰাহকাৰীয়ে নিছিল সন্দেহজনক হেৰ'ইন। ড্ৰাগ্‌ছসহ আটক কৰা সৰবৰাহকাৰী দুজন অৰূপ মৰাণ আৰু প্ৰাঞ্জল বৰুৱা।


# আটছাৰ কাজিৰঙা উপ-শাখাৰ অন্তৰ্গত দিৰিং বাগিচাৰ প্ৰাথমিক গোট গঠন

**দৈনিক অসমৰ প্ৰতিনিধি**
**বোকাখাত, ২৩ মে' ঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থা 'আটছা'ৰ, কাজিৰঙা উপ-শাখাৰ অন্তৰ্গত দিৰিং চাহ বাগিচাৰ প্ৰাথমিক গোট ২১ মে'ত পুনৰ গঠন কৰা হয়। এই উপলক্ষে আয়োজিত এখন সভাত সৰ্বসন্মতিক্ৰমে ঋতেশ তাঁতীক সভাপতি আৰু নীলোৎপল মুণ্ডাক সম্পাদক হিচাপে লৈ নতুন সমিতি গঠন কৰা হয়। নৱনিৰ্বাচিত দুয়োগৰাকী বিষয়ববীয়াক আটছা বোকাখাত শাখা তৰফৰপৰা আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰা হয়। এই সভাত আটছা কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি অনিত গড়, আটছা বোকাখাত শাখাৰ সম্পাদক কৃষাণ তাঁতী, উপ-সভাপতি বাবলু মুণ্ডা, কাৰ্যনিৰ্বাহক সদস্য বিটু বাউৰী, আটছাৰ কাজিৰঙা উপ-শাখাৰ সভাপতি সন্তোষ ঘাটোৱাল আৰু সম্পাদক সুমিত তাঁতী উপস্থিত থাকে। উপস্থিত বিষয়ববীয়াসকলে সংগঠনটোৰ আদৰ্শ, চাহ জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীৰ শিক্ষা, সামাজিক উন্নয়ন, অধিকাৰ সুৰক্ষা আৰু ঐক্যবদ্ধ সংগঠনৰ প্ৰয়োজনীয়তা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰি মূল্যৱান ভাষণ দিয়ে। লগতে চাহ জনগোষ্ঠীৰ নতুন প্ৰজন্মক সংগঠনৰ সৈতে জড়িত কৰি সমাজখনৰ সামগ্ৰিক উন্নয়নৰ বাবে আগবাঢ়ি আহিব লাগিব। লগতে শিক্ষাৰ প্ৰসাৰ, সামাজিক সচেতনতা বৃদ্ধি আৰু সমাজৰ বিভিন্ন সমস্যা সমাধানৰ ক্ষেত্ৰত আটছাৰ ভূমিকা অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হয়। দিৰিং চাহ বাগিচা প্ৰাথমিক গোট গঠনৰ জৰিয়তে অঞ্চলটোত আটছাৰ সাংগঠনিক ভেটি অধিক সুদৃঢ় হোৱাৰ লগতে নতুন সমিতিখনে আগন্তুক দিনত সমাজ আৰু ছাত্ৰ সমাজৰ স্বাৰ্থত নিষ্ঠাৰে কাম কৰি যাব বুলি সভাত সকলোৱে আশা প্ৰকাশ কৰে। একেদৰে আটছাৰ বোকাখাত শাখাৰ অন্তৰ্গত বৰজুৰি চাহ বাগিচা প্ৰাথমিক গোটৰ বাবে ২১জনীয়া সদস্যৰে এখন পূৰ্ণাংগ সমিতি গঠন কৰা হয়। এই উপলক্ষে বৰজুৰিত আয়োজিত সাংগঠনিক সভাত নেহা বাউৰীক সভানেত্ৰী হিচাপে আৰু মিণ্টু ভূমিজক সম্পাদক হিচাপে নিৰ্বাচিত কৰি এখন সমিতি গঠন কৰা হয়।

### কমলাবাৰী ৰামধনু শতদল শাখা সাহিত্য সভা

# সোণালী জয়ন্তী উৎসৱৰ বৰ্ষজোৰা কাৰ্যসূচীৰ আয়োজন

**দৈনিক অসমৰ প্ৰতিনিধি**
**মাজুলী, ২৩ মে' ঃ** সত্ৰীয়া সংস্কৃতিৰ পীঠভূমি দুজনা গুৰুৰ মহামিলনৰ ইতিহাস ৰঞ্জিত মাজুলীৰ কমলাবাৰীত ১৯৭৬ চনত গঠন কৰা হয় ৰামধনু শাখা সাহিত্য সভা। চলিত বৰ্ষত পঞ্চাশ বছৰত উপনীত হোৱা শাখাটিয়ে মাজুলীৰ প্ৰথমটো শতদল শাখা হিচাপে স্বীকৃতি লাভ কৰাটোও আন এক গৌৰৱৰ বিষয়। উক্ত শাখাটিয়ে বৰ্ষজোৰাকৈ সোণালী জয়ন্তী উৎসৱ উদ্‌যাপন কৰাৰ সিদ্ধান্তৰে পহিলা জুনত আৰম্ভণী অনুষ্ঠানৰ আয়োজন কৰিছে। ইতিমধ্যে গঠন কৰা সোণালী জয়ন্তী উৎসৱৰ আয়োজক সমিতিয়ে উক্ত আৰম্ভণিৰ অনুষ্ঠানত মাজুলী ভিত্তিক কবিতা পাঠ অনুষ্ঠানৰ লগতে ৰামধনু শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাকালৰ ইতিহাস ৰোমন্থনৰ এলানি বক্তৃতানুষ্ঠানৰ আয়োজন কৰিছে। ছাত্ৰ-ছাত্ৰীৰ মাজত আয়োজন কৰা কবিতা আবৃত্তি প্ৰতিযোগিতা দুটা শাখাত আয়োজনৰ সিদ্ধান্ত কৰি 'ক' শাখাৰ বাবে জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'অকণমানিৰ প্ৰাৰ্থনা' আৰু 'খ' শাখাৰ বাবে ডঃ ভূপেন হাজৰিকাৰ 'প্ৰচণ্ড ধুমুহাই প্ৰশ্ন কৰিলে মোক' শীৰ্ষক কবিতা দুটি নিৰ্বাচন কৰিছে। কবিতা আবৃত্তি প্ৰতিযোগিতা ১ জুনত দিনৰ ১০ বজাৰপৰা অনুষ্ঠিত কৰা হ'ব। শুভাৰম্ভণী অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি পুৱা ৭ বজাত পৰিৱেশ নিকাকৰণ, ৯ বজাত পতাকা উত্তোলন, ৯.১০ বজাত স্মৃতি তৰ্পণ, ১০ বজাৰপৰা কবিতা আবৃত্তি প্ৰতিযোগিতা আৰু বিয়লি ১ বজাৰপৰা মুকলি সভা অনুষ্ঠিত হ'ব বুলি আয়োজক সমিতিয়ে জানিবলৈ দিছে। উল্লেখ্য যে ২৭ মে'ত সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ এখন সভা কমলাবাৰীস্থিত জিলা সাংবাদিক সন্থাৰ কাৰ্যালয়ত বিয়লি ২ বজাৰপৰা আয়োজন কৰি সমূহ উপ-সমিতিৰ বিষয়ববীয়াৰ উপস্থিতি কামনা কৰিছে আয়োজক সমিতিয়ে।




### হেমচন্দ্ৰ দেৱগোস্বামী

# মহাবিদ্যালয়ত বক্তৃতানুষ্ঠান সম্পন্ন

**দৈনিক অসমৰ প্ৰতিনিধি**
**ডিমৌ, ২৩ মে' ঃ** ডিমৌৰ নিতাইপুখুৰীস্থিত হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ত কালি 'জীৱনৰ দিক্ দৰ্শন' শীৰ্ষক এক অভিৰোচনামূলক বক্তৃতানুষ্ঠান অনুষ্ঠিত হৈ যায়। মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ বিৰিঞ্চি কুমাৰ বৰা প্ৰশাসনীয় শাখাৰ কৰ্মচাৰীসকলৰ উদ্যোগত অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষে উচ্চতৰ মাধ্যমিক প্ৰথম আৰু দ্বিতীয় বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক, বৌদ্ধিক উৎকৰ্ষ সাধনৰ সহায়ক হোৱাকৈ অনুষ্ঠিত কৰা বক্তৃতানুষ্ঠানটোত আমন্ত্ৰিত বক্তা হিচাপে বক্তৃতা প্ৰদান কৰে ২০২৫ বৰ্ষত অসম চৰকাৰৰ জিলা পৰ্যায়ৰ লোকসেৱা পুৰস্কাৰপ্ৰাপক দক্ষ অভিৰোচন বক্তা আৰু শৈক্ষিক পৰামৰ্শদাতা ডম্বিধৰ টায়ে। বক্তাগৰাকীয়ে ৰসাল আৰু মনোগ্ৰাহী বক্তৃতাৰ মাজেৰে ছাত্ৰ-ছাত্ৰীসকলক আকৃষ্ট কৰিবলৈ সক্ষম হয়।

### কলেজ অব লণ্ডনৰপৰা প্ৰথম শ্ৰেণীৰ

# স্নাতকোত্তৰ ডিগ্ৰী লাভ অসম কন্যা নিশংকা খাউণ্ডৰ

**দৈনিক অসমৰ প্ৰতিনিধি**
**জাঁজী, ২৩ মে' ঃ** বিশ্বৰ আগশাৰীৰ শিক্ষানুষ্ঠান ইউনিভাৰ্ছিটী কলেজ অব লণ্ডনৰপৰা সুখ্যাতিৰে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছে অসমৰ নিশংকা খাউণ্ডে। নিশংকা খাউণ্ড বিশিষ্ট ব্যৱসায়ী, কংগ্ৰেছ নেতা জয়ন্ত খাউণ্ড আৰু অধিবক্তা ডঃ জোনমণি দেৱী খাউণ্ডৰ কন্যা। উল্লেখযোগ্য যে নিংশকাৰ পিতৃ জয়ন্ত খাউণ্ডৰ জাঁজী জামুগুৰি ব্ৰাহ্মণ গাঁৱৰ বাসিন্দা। কলেজ অৱ লণ্ডনৰপৰা ডিষ্টিংচনসহ প্ৰথম শ্ৰেণীৰ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা মেধাৱী ছাত্ৰীগৰাকীৰ এনে সফলতাত জাঁজীবাসীয়ে সন্তোষ প্ৰকাশ কৰিছে আৰু ছাত্ৰীগৰাকীৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিছে।



# ডিমৌ মহাবিদ্যালয়ত সংলাপ আৰু উন্নয়নৰ বাবে বিশ্ব সাংস্কৃতিক বৈচিত্ৰ্য দিৱস উদ্‌যাপন

**দৈনিক অসমৰ প্ৰতিনিধি**
**ডিমৌ, ২৩ মে' ঃ** ডিমৌ মহাবিদ্যালয়ৰ পৰিৱেশ্য কলা কেন্দ্ৰৰ লগতে চিনে আৰু নাটকীয় কোষৰ উদ্যোগত ২১ মে'ত মহাবিদ্যালয়খনত সংলাপ আৰু উন্নয়নৰ বাবে বিশ্ব সাংস্কৃতিক বৈচিত্ৰ্য দিৱস উদ্‌যাপন কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ কৃষ্ণজ্যোতি সন্দিকৈয়ে উদ্বোধন কৰা বিশ্ব সাংস্কৃতিক বৈচিত্ৰ্য দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ডঃ ৰাকিদুৰ ৰহমানে সাংস্কৃতিক বৈচিত্ৰ্য আৰু সৰ্বাংগীণ উন্নয়নৰ তাৎপৰ্য সন্দৰ্ভত আলোকপাত কৰে। ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপিকা তথা পৰিৱেশ্য কলা কেন্দ্ৰৰ যুটীয়া সমন্বয়ক সবনম ৰিচা সোণোৱাল আৰু অধ্যাপিকা অংকিতা চেতিয়াই অনুষ্ঠানটোৰ আঁত ধৰাৰ উপৰি ভাষিক বৈচিত্ৰ্য আৰু আন্তঃ সাংস্কৃতিক শিক্ষণৰে ভাষা বিকাশ আৰু সাংস্কৃতিক বিনিময়ৰ দিশত সহায়ক হোৱাকৈ ছাত্ৰ-ছাত্ৰীসকলক মেইটেই, জাৰ্মান আৰু কোৰিয়ান ভাষাৰ বিষয়ে চমু আভাস দাঙি ধৰে। ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ডঃ লেংডন চেতিয়াই বহুমূলীয়া বক্তব্য প্ৰদান কৰা অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে থলুৱা চহকী সাংস্কৃতিক ঐতিহ্য আৰু থলুৱা গীত পৰিৱেশন কৰে। বিশ্ব সাংস্কৃতিক বৈচিত্ৰ্য দিৱস উপলক্ষে এখন তথ্যচিত্ৰও প্ৰদৰ্শন কৰা হয়। ডিমৌ মহাবিদ্যালয়ৰ সমূহ শিক্ষক-কৰ্মচাৰীয়ে অংশ লোৱা অনুষ্ঠানত সাংস্কৃতিক বৈচিত্ৰ্য আৰু ঐক্যৰ মনোভাবক প্ৰতিফলিত কৰি ডিমৌ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন সংস্কৃতি আৰু সম্প্ৰদায়ক প্ৰতিনিধিত্ব কৰা পৰম্পৰাগত সাজ-পোছাক পৰিধান কৰি বিশ্ব সাংস্কৃতিক বৈচিত্ৰ্য দিৱসৰ সৌষ্ঠৱ বৃদ্ধি কৰাত অৰিহণা যোগায়।

## পাকিস্তানৰ সন্ত্ৰাসবাদী শিবিৰত অজ্ঞাত ঘাতকৰ আতংক

# দুবছৰত ২০টাৰো অধিক ‘ম’ষ্ট ৱাণ্টেড’ক হত্যা



**ইছলামাবাদ, ২৩ মে’ ঃ** দুদিন পূৰ্বে পাক অধিকৃত কাশ্মীৰত অজ্ঞাত বন্দুকধাৰীয়ে পুলৱামা আক্ৰমণৰ মাষ্টাৰমাইণ্ড হামজা বুৰহানক হত্যা কৰাৰ পাছত পাকিস্তানত থকা সন্ত্ৰাসবাদী শিবিৰত আতংকৰ সৃষ্টি হৈছে। পি অ’ কেত উপৰ্যুপৰি গুলীবৰ্ষণত ঘটনাস্থলীত নিহত হোৱা হামজা বুৰহানৰ জানাজাত উপস্থিত হৈছে হিজবুল মুজাহিদীনৰ মুৰব্বী চৈয়দ ছলাহুদ্দিন, অল বাদৰৰ মুৰব্বী বখট জমীন খান প্ৰমুখ্যে পাক সমৰ্থিত সন্ত্ৰাসবাদী সংগঠনৰ ভালেসংখ্যক সদস্য। জানাজাৰ স্থানত কটকটীয়া সুৰক্ষাৰ ব্যৱস্থা কৰিছে পাক চৰকাৰে। সেই ভিডিঅ’ সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছে। পাকিস্তানত বিগত সময়ছোৱাত ইটোৰ পাছত সিটো ম’ষ্ট ৱাণ্টেড সন্ত্ৰাসবাদী হামজা বুৰহানৰ দৰেই অজ্ঞাত ঘাতকৰ চিকাৰ হোৱাত হাহাকাৰ লাগিছে সন্ত্ৰাসবাদী শিবিৰত। দেশখনত থকা কুখ্যাত সন্ত্ৰাসবাদীবোৰক খেদি ফুৰিছে মৃত্যুভয়ে। ইয়াৰ পৰিপ্ৰেক্ষিতত বিশ্ববাসীৰ আগত নিজৰ তথ্য অনুসৰি যোৱা দুটা বছৰত পাকিস্তানত ২০ টাৰো অধিক ম’ষ্ট ৱাণ্টেড সন্ত্ৰাসবাদীক অজ্ঞাত ঘাতকে নিধন কৰিছে। একে ধৰণে গুলীয়াই হত্যা কৰা হৈছে। হত্যাকাৰীৰ কোনো শুং-সূত্ৰ নাই। লক্ষণীয়ভাৱে নিহত হোৱাসকল ভাৰতত সংঘটিত কেইবাটাও বৃহৎ সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰে জড়িত আছিল। বৃহস্পতিবাৰে পাক অধিকৃত কাশ্মীৰত হত্যা হোৱা হামজা বুৰহান ২০১৯ চন ১৪ ফেব্ৰুৱাৰীত জম্মু কাশ্মীৰৰ পুলৱামাত চি আৰ পি এফৰ কনভয়ত চলোৱা ভয়ংকৰ আক্ৰমণৰ ঘটনাৰ মূল অভিযুক্ত আছিল। কেন্দ্ৰীয় চৰকাৰে ২০২২ চনত হামজাক সন্ত্ৰাসবাদী ঘোষণা কৰিছিল। ২০২২ চনৰ মাৰ্চত পাকিস্তানত জৈছ-ই-মহম্মদৰ ম’ষ্ট ৱাণ্টেড সন্ত্ৰাসবাদী জহুৰ ইব্ৰাহিমক হত্যা কৰা হৈছিল। ২০২৩ চনৰ ফেব্ৰুৱাৰীত হিজবুল মুজাহিদীনৰ সন্ত্ৰাসবাদী বছীৰ আহমেদ মীৰ, একেটা বৰ্ষৰে মে’ত খালিস্তানী সন্ত্ৰাসবাদী পৰমজিৎ সিং পঞ্জৱাৰ, ছেপ্টেম্বৰত লস্কৰ ই তৈবাৰ সন্ত্ৰাসবাদী মৌলানা জিয়াউৰ ৰহমান, লস্কৰ-ঈ-তৈবাৰ সন্ত্ৰাসবাদী ৰিয়াজ আহমেদ, অক্টোবৰত জৈছ-ঈ-মহম্মদৰ মুৰব্বী মাছুদ আজহাৰৰ ঘনিষ্ঠ সন্ত্ৰাসবাদী দাউড মালিক, নৱেম্বৰত মাছুদ আজহাৰৰ আন এজন ঘনিষ্ঠ সন্ত্ৰাসবাদী ৰহিম উল্লাহ তাৰিক, লস্কৰ-ঈ-তৈবাৰ সন্ত্ৰাসবাদী আক্ৰম নাজী, লোৱাজা ছাহিদ আৰু ডিচেম্বৰত লস্কৰ-ঈ-তৈবাৰ সন্ত্ৰাসবাদী আদনাদ আহমেদক গুলীয়াই হত্যা কৰিছে অজ্ঞাত ঘাতকে। একেদৰে ২০২৫ বৰ্ষৰ ফেব্ৰুৱাৰীত লস্কৰ-ঈ-তৈবাৰ ৰাজনৈতিক শাখাৰ মুৰব্বী মৌলানা কাছিফ আলী, মাৰ্চত লস্কৰ-ঈ-তৈবাৰ সন্ত্ৰাসবাদী ফৈজল নদীম ওৰফে আবু কটাল, আই এছ আইৰ এজেণ্ট মুফটী শ্বাহ মীৰ, আই এছ পি আৰৰ মেজৰ দালিয়াল আৰু এপ্ৰিলত মাছুদ আজহাৰৰ ঘনিষ্ঠ সন্ত্ৰাসবাদী কাৰী এজাজ আবিদকো অজ্ঞাত ঘাতকে গুলীয়াই হত্যা কৰিছে। তদুপৰি আৰু কেইবাটাও সন্ত্ৰাসবাদীক যোৱা দুটা বছৰত গুলীয়াই হত্যা কৰা হৈছে। অৱশ্যে পাক চৰকাৰে এইসমূহ হত্যাকাণ্ড সন্দৰ্ভত কোনো আনুষ্ঠানিক বিবৃতি দিয়া নাই। ঘটনাসমূহৰ তদন্তৰ বিষয়তো চৰকাৰখনে মৌনতা অৱলম্বন কৰিছে। কিন্তু এই ঘটনাসমূহে বুকু কঁপাইছে পাকিস্তানত থকা সন্ত্ৰাসবাদী সংগঠনৰ নেতাবোৰৰ।

■ বিজেপিত যোগদানৰ পুৰস্কাৰ ■


## ৰাজ্যসভাৰ গুৰুত্বপূৰ্ণ কমিটীৰ অধ্যক্ষ পদত চাড্ডা



**নতুন দিল্লী, ২৩ মে’ ঃ** আম আদমী পাৰ্টী ত্যাগ কৰি বিজেপিত যোগদান কৰা ৰাঘৱ চাড্ডাক ৰাজ্যসভাৰ গুৰুত্বপূৰ্ণ পিটিচন কমিটীৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হৈছে। দল ত্যাগৰ ঠিক এমাহৰ পাছতে তেওঁক এই গুৰুত্বপূৰ্ণ পদত নিযুক্তি দিয়া হয়। উল্লেখ্য যে ৰাজ্যসভাৰ পিটিচন কমিটী হ’ল সংসদৰ উচ্চ সদনৰ এখন গুৰুত্বপূৰ্ণ স্থায়ী কমিটী। ভাৰতীয় নাগৰিকসকলে পঠিওৱা বিভিন্ন অভিযোগ আৰু আবেদনপত্ৰ পৰীক্ষা তথা পৰ্যালোচনা কৰি কেন্দ্ৰীয় চৰকাৰৰ ওচৰলৈ প্ৰয়োজনীয় বিধানৰ বাবে আবেদন জনায় এই কমিটীয়ে। শনিবাৰে ৰাজ্যসভাৰ অধ্যক্ষ চি পি ৰাধাকৃষ্ণণে এই পেনেলত দহজন সাংসদক মনোনীত কৰিছে। ৰাঘৱ চাড্ডাক কমিটীৰ অধ্যক্ষৰ দায়িত্ব প্ৰদান কৰা হৈছে। ৰাজ্যসভাৰ সচিবালয়ৰপৰা এক বিবৃতিযোগে জনোৱা অনুসৰি অধ্যক্ষ ৰাধাকৃষ্ণণ, তৃণমূল কংগ্ৰেছৰ সাংসদ মেনকা গুৰুস্বামীক কৰ্প’ৰেট আইন (সংশোধনী) বিল, ২০২৬) সম্পৰ্কীয় যৌথ কমিটীৰ সদস্য হিচাপে মনোনীত কৰা হৈছে। প্ৰসংগক্ৰমে যোৱা মাহত ৰাঘৱৰ সৈতে আপৰ অন্য ছজন সাংসদে বিজেপিত যোগদান কৰিছিল। ইয়াৰ ফলত সংসদৰ উচ্চ সদনত শাসকীয় মিত্ৰজোঁট এন ডি এৰ সদস্য সংখ্যা ১৪৫লৈ বৃদ্ধি পায়। ২৫০খন আসনৰ ৰাজ্যসভাত দুই তৃতীয়াংশ সংখ্যাগৰিষ্ঠতাৰ বাবে প্ৰয়োজনীয় ১৬৩ খন আসনতকৈ এতিয়া মিত্ৰজোঁটৰ মাত্ৰ ১৮খন আসন কম।

## এ এছ এফৰ বিষয়াকো অপহৰণ

# পাক প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ শীৰ্ষ বিষয়াক বন্দী বেলুছ আৰ্মীৰ





**ইছলামাবাদ, ২৩ মে’ ঃ** বেলুচিস্তানত পাকিস্তানৰ নিদ্ৰা হৰণ কৰা বি এল এ বা বেলুচ লিবাৰেচন আৰ্মীয়ে দেশখনৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ এগৰাকী শীৰ্ষ বিষয়াক বন্দী কৰিছে। লগতে অপহৰণ কৰিছে এজন এ এছ এফৰ শীৰ্ষ বিষয়াক। পাকিস্তানে নিষিদ্ধ ঘোষণা কৰা সশস্ত্ৰ বিদ্ৰোহী সংগঠনটোৱে এক বিবৃতি যোগে এই কথা সদৰি কৰিছে। সংগঠনটোৱে জনোৱা মতে, পাকিস্তানৰ বিমান বন্দৰ সুৰক্ষা বাহিনী (এ এছ এফ)ৰ উপ-সঞ্চালক তথা কমাণ্ডিং বিষয়া ৱাচীম আহমেদক জিম্মাত লোৱা হৈছে। এ এছ এফৰ উপ-সঞ্চালক পাকিস্তানৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ অধীনস্থ এটা শীৰ্ষ পৰ্যায়ৰ পদ। একেদৰে বেলুচিস্তানৰ কলাড জিলাৰ প্ৰধান ঘাইপথৰ পৰা বিমান বন্দৰ সুৰক্ষা বাহিনীৰ আন এজন বিষয়াকো অপহৰণ কৰা বুলি দাবী কৰিছে বেলুচ লিবাৰেচন আৰ্মীয়ে। সামাজিক মাধ্যমত জাৰি কৰা বিবৃতিটোত বি এল এৰ ফালৰ পৰা কোৱা হৈছে যে সংগঠনটোৰ চোৰাংচোৱা গোট ‘জিৰাব’ৰ পৰা লাভ কৰা গোপন তথ্যৰ ভিত্তিত বিষয়া দুগৰাকীক বন্দী কৰা হৈছে। জানিব পৰা মতে, ৱাছিম আহমেদে চৰকাৰী কামৰ বাবে যাত্ৰা কৰি থকাৰ সময়তে সশস্ত্ৰ বেলুচ বিদ্ৰোহীয়ে তেওঁৰ বাহনখন আবদ্ধ কৰে। তাৰ পাছৰেপৰা বিষয়াগৰাকীৰ কোনো শুং-সূত্ৰ নাই। ঘটনা সংঘটিত হোৱাৰ কেইঘণ্টামান উকলি যোৱাৰ পাছতো বিষয়টো সন্দৰ্ভত এইপৰ্যন্ত পাক চৰকাৰ বা বিমান বন্দৰ সুৰক্ষা বাহিনীয়ে কোনো বিবৃতি দিয়া নাই।

■ ৰাষ্ট্ৰপতি ট্ৰাম্পৰ হৈ প্ৰস্তাৱ মাৰ্কিন বিদেশমন্ত্ৰীৰ ■

# প্ৰধানমন্ত্ৰী মোডীক হোৱাইট হাউছলৈ আমন্ত্ৰণ

**নতুন দিল্লী, ২৩ মে’ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক হোৱাইট হাউছলৈ আমন্ত্ৰণ জনাইছে মাৰ্কিন ৰাষ্ট্ৰপতি ড’নাল্ড ট্ৰাম্পে। ভাৰত ভ্ৰমণলৈ অহা আমেৰিকাৰ বিদেশ মন্ত্ৰী মাৰ্কো ৰুবিঅ’ই আজি প্ৰধানমন্ত্ৰী মোডীক ৰাজধানী দিল্লীত সাক্ষাৎ কৰি ৰাষ্ট্ৰপতি ট্ৰাম্পৰ হৈ এই প্ৰস্তাৱ দিছে। প্ৰধানমন্ত্ৰীক সাক্ষাতৰ পাছত মাৰ্কিন বিদেশ মন্ত্ৰীগৰাকীয়ে কয় যে মোডীৰে হোৱা বৈঠক যোগাত্মক আৰু উপযোগী আছিল। বৈঠকত দুয়োগৰাকী নেতাৰ মাজত প্ৰতিৰক্ষা, বাণিজ্য আৰু প্ৰযুক্তিগত সহযোগিতাক অধিক সুদৃঢ় কৰাৰ বিষয়ত আলোচনা হয়। বৈঠকতে ৰুবিঅ’ই ইণ্ডো-প্ৰশান্ত ক্ষেত্ৰৰ ভাৰত-আমেৰিকাৰ গুৰুত্বপূৰ্ণ ৰণনৈতিক সহযোগী বুলি মন্তব্য কৰে। তেওঁ দুয়োখন দেশৰ মাজত প্ৰতিৰক্ষা সহযোগিতা, যোগান শৃংখলা আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত সমন্বয় বৃদ্ধিৰ বিষয়ত জোৰ দিয়ে। মাৰ্কিন বিদেশ মন্ত্ৰীগৰাকীয়ে লগতে কয় যে ভাৰত আৰু আমেৰিকাৰ



মাজত সহযোগিতা বৃদ্ধিয়ে দুয়োখন দেশক শক্তিশালী কৰাৰ লগতে এক মুক্ত আৰু প্ৰশস্ত ইণ্ডো-প্ৰশান্ত ক্ষেত্ৰ গঢ়াত সহায়ক হ’ব। প্ৰধানমন্ত্ৰী মোডীয়ে সামাজিক মাধ্যমত এটা পোষ্টযোগে মাৰ্কিন বিদেশ মন্ত্ৰীৰে হোৱা বৈঠকত ক্ষেত্ৰীয় আৰু বিশ্ব শান্তি-সুৰক্ষা সম্পৰ্কীয় গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰাৰ কথা জানিবলৈ দিছে। প্ৰধানমন্ত্ৰীয়ে ভাৰত-আমেৰিকাৰ সম্পৰ্ক বৈশ্বিক স্থিৰতা আৰু বিকাশৰ বাবেও গুৰুত্বপূৰ্ণ বুলি মন্তব্য কৰিছে।



## ট্ৰাম্প প্ৰশাসনৰ চোৰাংচোৱা মুৰব্বীৰ পদত্যাগ

### মাৰ্কিন কংগ্ৰেছত প্ৰথম হিন্দু আছিল তুলসী

**লছএঞ্জেলছ, ২৩ মে’ ঃ** আমেৰিকাৰ ৰাষ্ট্ৰীয় চোৰাংচোৱা সংস্থাৰ সঞ্চালক তুলসী গাবাৰ্ডে পদত্যাগৰ কথা ঘোষণা কৰিছে। শুকুৰবাৰে নিজৰ কাৰ্যালয়ত এই সিদ্ধান্তৰ কথা জানিবলৈ দিয়ে গাবাৰ্ডে। সম্ভৱত অহা ৩০ জুন পৰ্যন্ত ট্ৰাম্প প্ৰশাসনৰ চোৰাংচোৱাপ্ৰধানৰ দায়িত্ব পালন কৰিব তেওঁ। অভেল অফিচত বৈঠকৰ সময়ত ৰাষ্ট্ৰপতি ড’নাল্ড ট্ৰাম্পক গাবাৰ্ডে জনায় যে তেওঁৰ স্বামী আব্ৰাহামৰ হাড়ৰ অতি বিৰল আৰু একধৰণৰ কৰ্কট ৰোগ হোৱা বাবেই তেওঁ এই সিদ্ধান্ত গ্ৰহণ কৰে। এই যুঁজত স্বামীক অকলে নেৰি সৰ্বতোপ্ৰকাৰে স্বামীৰ ওচৰত থাকিবৰ বাবেই জনসেৱাৰ দায়িত্বৰ পৰা অৱসৰ ল’বলগীয়া হৈছে। ট্ৰাম্পে জনাইছে যে ভাৰপ্ৰাপ্ত সঞ্চালক হিচাপে দায়িত্ব গ্ৰহণ কৰিব এৰন লুকাচে। বৰ্তমান চোৰাংচোৱা সংস্থাৰ উপ-সঞ্চালক হিচাপে দায়িত্ব পালন কৰি আছে এৰনে। গাবাৰ্ডে জনাইছে যে এঘাৰ বছৰীয়া বিবাহিত জীৱনত স্বামীয়েই তেওঁৰ অৱলম্বন। বিভিন্ন গুৰুত্বপূৰ্ণ বিভাগৰ দায়িত্ব পালনত মূল চালিকা শক্তিয়েই হৈছে স্বামীৰ শক্তি আৰু ভালপোৱা, যাৰ বাবে তেওঁ এই গুৰুত্বপূৰ্ণ পদৰ দায়িত্বৰপৰা অব্যাহতি গ্ৰহণ কৰিছে। উল্লেখ্য যে মাৰ্কিন কংগ্ৰেছত প্ৰথম হিন্দু আছিল তুলসী গাবাৰ্ড। চোৰাংচোৱা সংস্থাৰ বাৰ্ষিক ব্যয় প্ৰায় ৭০ কোটি মাৰ্কিন ডলাৰ হ্ৰাস কৰিছিল তেওঁ। প্ৰায় পাঁচলাখ গোপন চৰকাৰী নথি প্ৰকাশো কৰিছিল গাবাৰ্ডে। ইয়াৰ ভিতৰত আছে ট্ৰাম্প-ৰুছিয়া তদন্ত, কেনেডী হত্যাকাণ্ডৰ দৰে বিভিন্ন বিষয়।

গ্ৰীন কাৰ্ড লাভ কৰিবলৈ আমেৰিকা ত্যাগ কৰক

## স্থায়ীভাৱে বসবাসৰ পথ জটিল কৰিলে ট্ৰাম্প প্ৰশাসনে

**নিউয়ৰ্ক, ২৩ মে’ ঃ** বিদেশীসকলৰ বাবে আমেৰিকাত স্থায়ীভাৱে বসবাসৰ পথ অধিক জটিল হৈ পৰিল। এতিয়াৰেপৰা আমেৰিকাত থাকি গ্ৰীণ কাৰ্ডৰ বাবে আবেদন কৰিব নোৱাৰিব। গ্ৰীণ কাৰ্ডৰ আবেদন কৰিবলৈ হ’লে পূৰ্বে তেওঁলোকে আমেৰিকা এৰিব লাগিব। উভতি যাব লাগিব নিজ নিজ দেশলৈ। তাৰ পাছত নিজ দেশৰ পৰা গ্ৰীণ কাৰ্ডৰ আবেদন জনাব লাগিব। সম্প্ৰতি এই সম্পৰ্কে নিৰ্দেশনা জাৰি কৰিছে মাৰ্কিন হোমলেণ্ড ছিকিউৰিটী বিভাগৰ অধীনস্থ নাগৰিকত্ব আৰু অভিবাসন সেৱা বিভাগে। তাত কোৱা হৈছে যে ব্যতিক্ৰমী কিছু ক্ষেত্ৰৰ বাহিৰে সকলো বিদেশী নাগৰিকৰ বাবেই এই নিয়ম প্ৰযোজ্য হ’ব। উল্লেখ্য যে গ্ৰীণ কাৰ্ড হ’ল কোনো বিদেশী নাগৰিকৰ আমেৰিকাত স্থায়ীভাৱে বসবাসৰ চৰকাৰী পৰিচয়পত্ৰ। ইয়াৰ জৰিয়তে কোনো বিদেশী নাগৰিকে আমেৰিকাৰ নাগৰিকত্ব নাপায় যদিও তেওঁলোক স্থায়ীভাৱে আমেৰিকাত থাকিব আৰু কাম কৰিব পাৰিব। বহুতেই এই গ্ৰীণ কাৰ্ডক মাৰ্কিন নাগৰিকত্ব লাভৰ পূৰ্বৰ পৰ্যায় হিচাপেও ব্যাখ্যা কৰে। এই নতুন নীতিৰ জৰিয়তে আইনৰ সুৰুঙা বন্ধ কৰাত সহায়ক হ’ব বুলি আশা কৰা হৈছে। বিভাগটোৱে জনোৱা মতে, আমেৰিকাৰপৰা গ্ৰীণ কাৰ্ডৰ আবেদনৰ ক্ষেত্ৰত কিছু সমস্যাৰ সৃষ্টি হৈছিল। বহু ক্ষেত্ৰত কোনো বিদেশীৰ গ্ৰীণ কাৰ্ডৰ আবেদন বাতিল হোৱাৰ পাছতো তেওঁ আত্মগোপন কৰি আমেৰিকাতে থাকিবলৈ লৈছিল। পৰৱৰ্তী সময়ত তেওঁলোকক পুনৰ বিচাৰি উলিয়াবলগীয়া হয় প্ৰশাসনে।

## গো-মাংসৰ ৰপ্তানি নিষিদ্ধ হওক

### গৰুক ৰাষ্ট্ৰীয় পশুৰ মৰ্যাদা বিচাৰি সৰৱ আজমীৰ শ্বৰিফৰ মৌলবী



**আজমীৰ, ২৩ মে’ ঃ** গো-হত্যাত জড়িত থকাৰ সন্দেহত মুছলমানসকলক গণপ্ৰহাৰৰ ঘটনাৰ উদ্বেগ প্ৰকাশ কৰিছে আজমীৰ শ্বৰিফৰ মৌলবী চৈয়দ চাৰেয়াৰ ছিস্তিয়ে। গৰুক ৰাষ্ট্ৰীয় পশুৰ স্বীকৃতিৰ আবেদন জনাইছে তেওঁ। কেন্দ্ৰৰ নৰেন্দ্ৰ মোডী চৰকাৰৰ ওচৰত তেওঁ দাবী জনাইছে যে গৰুক ৰাষ্ট্ৰীয় পশুৰ মৰ্যাদা প্ৰদানৰ লগতে দেশৰ সৰ্বত্ৰে গো-হত্যা আৰু ধৰ্মীয় পৰ্ব উপলক্ষে বলিদানৰ বাবে গৰু বিক্ৰীও নিষিদ্ধ কৰা হওক। গো-মাংস ৰপ্তানিও নিষিদ্ধ কৰাটো বিচাৰিছে তেওঁ। উল্লেখ্য যে ১৮ মে’ত ঈদ-উজ-জোহা পালিত হ’ব সমগ্ৰ দেশত। পশ্চিমবংগত সদ্যসমাপ্ত বিধানসভা নিৰ্বাচনত জয়লাভ কৰি বিজেপিয়ে চৰকাৰ গঠন কৰাৰ পাছত প্ৰকাশ্যে গো-হত্যাত বিধি-নিষেধ জাৰি কৰিছে। সেই প্ৰেক্ষাপটত এগৰাকী শীৰ্ষ ধৰ্মগুৰুৱে এনে আবেদন জনোৱাৰ পাছতে আলোড়নৰ সৃষ্টি হৈছে। তেওঁ জনাইছে যে হিন্দুসকলৰ ওচৰত গৰুৰ গভীৰ ধৰ্মীয় গুৰুত্ব আছে বাবে তাৰ প্ৰতি যথাযথ সন্মান আৰু সাংবিধানিক সুৰক্ষাৰ প্ৰয়োজন। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক সংসদৰ বিশেষ অধিৱেশন অনুষ্ঠিত কৰি গৰুক ৰাষ্ট্ৰীয় পশুৰ স্বীকৃতি দিবৰ বাবে বিল উত্থাপনৰ আবেদন জনাইছে তেওঁ। ছিস্তিয়ে লগতে কয় যে এনে বিলৰ প্ৰতি কোন দলে সমৰ্থন জনাই অথবা কোন দলে আপত্তি কৰে সেয়াও জনাটো জৰুৰী। এই ক্ষেত্ৰত ৰাজনীতিৰ উৰ্দ্ধত থাকি সাম্প্ৰদায়িক সম্প্ৰীতি আৰু সাংস্কৃতিক শ্ৰদ্ধাৰ দৃষ্টিকোণৰ পৰা বিবেচনা কৰা উচিত বুলি তেওঁ মন্তব্য কৰে। মুছলমানসকলক এনে উদ্যোগৰ প্ৰতি স্বাগতম জনাবলৈও তেওঁ আহ্বান জনায়।

# চীনৰ কয়লাখনিত বিস্ফোৰণত ৯০ শ্ৰমিকৰ মৃত্যু



**বেইজিং, ২৩ মে’ ঃ** চীনৰ এটা কয়লাখনিত সংঘটিত বিস্ফোৰণৰ ফলত ৯০ জন শ্ৰমিকৰ মৃত্যু হৈছে। শুকুৰবাৰে নিশা কিন ইউআন কাউণ্টীৰ লিউচেনইউ কয়লাখনিত জমা হোৱা গেছৰ বিস্ফোৰণৰ ফলতে এই হৃদয়বিদাৰক ঘটনাটো সংঘটিত হয়। বহু শ্ৰমিক এতিয়াও ভিতৰত আবদ্ধ হৈ থকা বুলি আশংকা কৰা হৈছে। চীনৰ চৰকাৰী সংবাদ সংস্থাই জনাইছে যে শুকুৰবাৰে নিশা ৭.৩০ বজাত ৰাজধানী বেইজিঙৰপৰা ৫২০ কিলোমিটাৰ দক্ষিণ-পশ্চিমত অৱস্থিত লিউচেনইউ কয়লাখনিত দুৰ্ঘটনাটো ঘটে। খনন কাৰ্য চলি থকাৰ সময়তে খনিগৰ্ভত জমা হৈ থকা কাৰ্বন-ম’ন’ক্সাইড গেছৰ মাত্ৰা হঠাতে বৃদ্ধি হোৱাৰ ফলত এই ভয়ংকৰ বিস্ফোৰণ আৰু অগ্নিকাণ্ড সংঘটিত হয়। বিস্ফোৰণৰ কিছু সময় পূৰ্বে কাৰ্বন-ম’ন’ক্সাইড গেছ বৃদ্ধি পোৱাৰ সতৰ্কতা জাৰি কৰা হৈছিল। বিস্ফোৰণৰ সময়ত খনিৰ ভিতৰত মুঠ ২৪৭জন শ্ৰমিকে কাম কৰি আছিল। এতিয়াও বহু শ্ৰমিক ভিতৰত আবদ্ধ হৈ আছে। ফলত মৃতকৰ সংখ্যা অধিক বৃদ্ধি পোৱাৰ আশংকা কৰা হৈছে। আটকাধীন শ্ৰমিকসকলক উদ্ধাৰৰ বাবে যুদ্ধকালীন তৎপৰতাৰে কাম কৰি আছে উদ্ধাৰকাৰীসকলে। উল্লেখ্য যে চীনৰ বিভিন্ন কয়লাখনিত এনে দুৰ্ঘটনা আৰু মৃত্যুৰ ঘটনা ঘটি আহিছে। শ্ৰমিকসকলৰ নিৰাপত্তাৰ দিশটো চৰকাৰে উপেক্ষা কৰি অহা বুলিও দীৰ্ঘদিন ধৰি অভিযোগ উত্থাপন হৈছে। ২০০০ চনত কয়লাখনিত দুৰ্ঘটনা হ্ৰাস কৰিবলৈ চীনে কঠোৰ নিয়ম-কানুন প্ৰণয়ন কৰিছিল যদিও কোনো সুফল লাভ কৰা নাই।

## মধ্যপ্ৰদেশত অবৈধ অস্ত্ৰ কাৰখানা উৎখাত

**ভূপাল, ২২ মে’ ঃ** অত্যাধুনিক যন্ত্ৰ-পাতিৰ সহায়ত এজন লোকৰ ঘৰতে চলি আছিল দেশীয় পিষ্টল তৈয়াৰ কৰাৰ কাৰখানা। অস্ত্ৰ তৈয়াৰ কৰাৰ পাছত বিভিন্ন লোকৰ জৰিয়তে মধ্যপ্ৰদেশৰ দুষ্কৃতিকাৰীসকলৰ লগতে উত্তৰ প্ৰদেশ, ৰাজস্থান আৰু পঞ্জাবৰ দুষ্কৃতিকাৰীৰ হাতলৈ গৈছিল এই অস্ত্ৰ। মধ্যপ্ৰদেশৰ নিমুছ জিলাত অস্ত্ৰসহ এজন অভিযুক্তক গ্ৰেপ্তাৰৰ পাছত এই কাৰখানাৰ সম্ভেদ পায় মধ্যপ্ৰদেশ আৰক্ষীয়ে। এই সূত্ৰ ধৰিয়ে পোহৰলৈ আহে উত্তৰ ভাৰত জুৰি বিয়পি থকা বৃহৎ অস্ত্ৰ সৰবৰাহৰ নেটৱৰ্ক। গোপন সূত্ৰৰ পমখেদি মানাশা থানাৰ আৰক্ষীয়ে দুৰ্গা শংকৰ সুতাৰ নামৰ এজন যুৱকক গ্ৰেপ্তাৰ কৰে। তেওঁৰপৰা উদ্ধাৰ কৰে এটি দেশীয় পিষ্টল আৰু কাৰ্টুজ। যুৱকজনৰ তথ্যৰ ভিত্তিত নানালালৰ ঘৰত আৰক্ষীয়ে অভিযান চলাই অস্ত্ৰ তৈয়াৰ কৰাৰ এটি বৃহৎ কাৰখানাৰ সন্ধান লাভ কৰে। আৰক্ষীয়ে জনোৱা মতে অভিযুক্ত নানালালে গ্ৰেপ্তাৰ হোৱাৰ ভয়ত পলায়ন কৰিছে। তালাচী অভিযানত আৰক্ষীয়ে এটা গ্ৰেণ্ডাৰ মেচিন, এটা লেড মেচিন, এটা ৱেলডিং মেচিন, পিষ্টলৰ বেৰেল আৰু অস্ত্ৰ তৈয়াৰত ব্যৱহৃত বিভিন্ন সা-সৰঞ্জাম আৰু যন্ত্ৰপাতি উদ্ধাৰ কৰে।

## দ্ৰুতভাৱে বাঢ়িছে আফ্ৰিকান ছোৱাইন ফ্লুৰ প্ৰকোপ

### নগালেণ্ডত গাহৰিৰ মাংস বিক্ৰীত নিষেধাজ্ঞা

**কোহিমা, ২৩ মে’ ঃ** নগালেণ্ডৰ বিভিন্ন স্থানত আফ্ৰিকান ছোৱাইন ফ্লুৰ প্ৰকোপ বৃদ্ধি পোৱাত উদ্বিগ্ন হৈ পৰিছে ৰাজ্য চৰকাৰ। আফ্ৰিকান ছোৱাইন ফ্লুৰ সংক্ৰমণ ৰোধৰ বাবে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে নগালেণ্ড চৰকাৰে। ইয়াৰ অংশ হিচাপে ৰাজ্যখনত গাহৰি আৰু গাহৰিৰ মাংসৰ আমদানি, সৰবৰাহ আৰু বিক্ৰীত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। চৰকাৰে জাৰি কৰা এটা বিবৃতিত কোৱা হৈছে যে ৰাজ্যখনৰ পশুপালন আৰু পশু চিকিৎসা সেৱা সঞ্চালকালয়ে জিলা পশু চিকিৎসা বিষয়া আৰু কৰ্মচাৰীসকলৰ জৰিয়তে পৰিস্থিতিৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিছে। মন জিলা প্ৰশাসনে পৰৱৰ্তী নিৰ্দেশনা নিদিয়াপৰ্যন্ত জিলাখনত গাহৰিৰ মাংস বিক্ৰী আৰু জীৱিত গাহৰিৰ আমদানি-ৰপ্তানি তথা সৰবৰাহত নিষেধাজ্ঞা আৰোপ কৰিছে। অনুৰূপ নিষেধাজ্ঞা ডিমাপুৰ জিলাতো আৰোপ কৰা হৈছে। চৰকাৰী নিষেধাজ্ঞাৰ বাবে ৰাজ্যখনৰ ৰাজধানী কোহিমাসহ অধিকাংশ ঠাইতে আজি গাহৰি মাংসৰ বিক্ৰী কেন্দ্ৰসমূহ বন্ধ থাকে।

# চাৰি লাখ দিলেই পাছ কৰাই দিয়ে এছ এছ চি

**নয়দা, ২৩ মে’ ঃ** সৰ্বভাৰতীয় মেডিকেল পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ ঘটনাই দেশজুৰি তুমুল চৰ্চা লাভ কৰাৰ সময়তে উত্তৰ প্ৰদেশত চৰকাৰী চাকৰি দিয়াৰ নামত এটি বৃহৎ চক্ৰৰ সন্ধান লাভ কৰিছে ৰাজ্যখনৰ স্পেচিয়েল টাস্ক ফ’ৰ্চে। ষ্টাফ ছিলেকচন কমিছনৰ পৰীক্ষাত উত্তীৰ্ণ কৰাই দিয়াৰ নামত এটা বৃহৎ চক্ৰ চলি আহিছে। এই চক্ৰটোৱে পৰীক্ষাৰ্থীসকলক প্ৰতিশ্ৰুতি দিছিল যে চাৰি লাখ টকা দিলেই পৰীক্ষাত পাছ কৰাই দিয়া হ’ব। গোপন সূত্ৰৰ খবৰৰ ভিত্তিত টাস্ক ফ’ৰ্চে অনুসন্ধান চলাই গ্ৰেটাৰ নয়দাৰপৰা এই চক্ৰৰ মূল খলনায়কসহ সাতজনক গ্ৰেপ্তাৰ কৰা হৈছে। ধৃতসকলৰ পৰা নগদ ৫০ লাখ টকা, লেপটপ, ম’বাইল ফোন আৰু পৰীক্ষা সম্পৰ্কীয় বিভিন্ন নথি উদ্ধাৰ কৰিছে। অনলাইন চাকৰিৰ পৰীক্ষাত বিভিন্ন ধৰণৰ প্ৰযুক্তি ব্যৱহাৰ কৰি পৰীক্ষাৰ্থীসকলক প্ৰশ্নকাকত দিয়াৰ ব্যৱস্থা কৰিছিল চক্ৰটোৱে। শুকুৰবাৰে গ্ৰেটাৰ নয়দাৰ নলেজ পাৰ্ক অঞ্চলত তালাচী চলাই প্ৰদীপ চৌহান, অৰুণ কুমাৰ, সন্দীপ ভাটী, নিশান্ত ৰাঘৱ, অমিত ৰাণা, চাকিৰ মালিক আৰু বিবেক কুমাৰক গ্ৰেপ্তাৰ কৰিছে। প্ৰদীপ চৌহানে দীৰ্ঘদিন ধৰি এই চক্ৰটো চলাই আছিল।

উঃ প্ৰদেশত গ্ৰেপ্তাৰ ৭



## কেন্দ্ৰীয় আৱাস আৰু নগৰ উন্নয়ন মন্ত্ৰণালয়ৰ নিৰ্দেশনা

# দিল্লীৰ প্ৰসিদ্ধ জিমখানা ক্লাবৰ ভূমি অধিগ্ৰহণ কৰিব চৰকাৰে

**নতুন দিল্লী, ২৩ মে’ ঃ** দিল্লীৰ লুটিয়েনছত থকা প্ৰসিদ্ধ তথা ঐতিহাসিক জিমখানা ক্লাবৰ ভূমি অধিগ্ৰহণ কৰিব কেন্দ্ৰীয় চৰকাৰে। অহা ৫ জুনৰ ভিতৰত ভূমি খালী কৰি দিবলৈ জিমখানা ক্লাবক জাননী দিছে চৰকাৰে। জাননীখনত কোৱা হৈছে যে ২৭.৩ একৰ পৰিসৰত থকা জিমখানা ক্লাবৰ ভূমি প্ৰতিৰক্ষা আন্তঃগাঁথনিক সুদৃঢ় আৰু সুৰক্ষিত কৰাৰ বাবে জৰুৰী। ভূমি অধিগ্ৰহণ সম্পৰ্কীয় এই নিৰ্দেশনা জাৰি কৰিছে কেন্দ্ৰীয় চৰকাৰৰ আৱাস আৰু নগৰ উন্নয়ন মন্ত্ৰণালয়ে। মন্ত্ৰণালয়ে কৈছে যে ৰাজধানী দিল্লীৰ এক অতি সংবেদনশীল আৰু ৰণনৈতিক দৃষ্টিৰে গুৰুত্বপূৰ্ণ স্থানত থকা জিমখানা ক্লাবৰ চৌহদ প্ৰতিৰক্ষা আন্তঃগাঁথনিক সুদৃঢ় আৰু সুৰক্ষিত কৰাৰ লগতে সাৰ্বজনিক সুৰক্ষাৰ বাবেও জৰুৰী। কিয়নো লুটিয়েনছ দিল্লীৰ মাজভাগতে থকা জিমখানা ক্লাবৰ বিশাল এলেকা



লোককল্যাণ মাৰ্গৰ প্ৰধানমন্ত্ৰী আৱাসৰ চৌহদতে সংলগ্ন হৈ আছে। ইম্পিৰিয়েল দিল্লী জিমখানা ক্লাব লিমিটেডক এটা সময়ত ভূমিখিনি সামাজিক আৰু ক্ৰীড়া সংঘ পৰিচালনাৰ বিশেষ উদ্দেশ্যেৰে আবণ্টন দিয়া হৈছিল। কিন্তু এতিয়া শাসনতন্ত্ৰৰ আন্তঃগাঁথনি আৰু জনস্বাৰ্থজড়িত প্ৰকল্পৰ বাবে ভূমিখিনি অতি প্ৰয়োজনীয় হৈ পৰিছে। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনা অনুসৰি অহা ৫ জুনত জিমখানা ক্লাবৰ ভূমি অধিগ্ৰহণ কৰা হ’ব। কিয়নো ভূমিখিনি ৰাজধানীৰ উচ্চ সুৰক্ষাযুক্ত প্ৰশাসনিক ক্ষেত্ৰৰ অধীনত পৰে। তাত আছে কেন্দ্ৰীয় চৰকাৰ আৰু দেশৰ প্ৰতিৰক্ষাৰে জড়িত কেইবাটাও গুৰুত্বপূৰ্ণ ব্যৱস্থা। বৃটিছৰ শাসনকালত ১৯১৩ চনত ইম্পিৰিয়েল দিল্লী জিমখানা ক্লাবৰূপে তাত কাম-কাজ আৰম্ভ হৈছিল। বৰ্তমানৰ জিমখানা ক্লাবটোৰ ভৱন নিৰ্মাণ হৈছিল ১৯৩০ৰ দশকত।

## প্ৰকৃতি-পৰিৱেশৰ প্ৰতি দায়বদ্ধ হোৱাৰ

ৰাখি নলবাৰী আৰু বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতালত স্বচ্ছ অভিযান আৰু গছপুলি ৰোপণৰ উপৰি ৰোগীৰ মাজত ফল-মূল আৰু খাদ্য বিতৰণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ৰোগীৰ মাজত ফল-মূল বিতৰণ কৰে কৃষ্ণগুৰু প্ৰেমানন্দ প্ৰভু আৰু ভক্তিমাতৃ কুন্তলা পাটোৱাৰী গোস্বামীয়ে। চিকিৎসালয়ৰ দৰে এক পবিত্ৰ স্থানত পৰিৱেশ নিকা কৰা আৰু প্ৰকৃতি সুৰক্ষাৰ বাবে গছপুলি ৰোপণ কৰা কাৰ্যসূচীয়ে সমাজলৈ এক ধনাত্মক বাৰ্তা প্ৰেৰণ কৰিব বুলি তেওঁলোকে আশা কৰে। উল্লেখ্য যে আজি ৯২টা স্থানত স্বচ্ছ অভিযান আৰু গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। আবেলি কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয় চৌহদত বিশ্ববিদ্যালয়খনৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধীনত গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰকৃতি থাকিলেহে প্ৰাণী থাকিব আৰু এই সেউজ প্ৰকৃতিখন প্ৰাণীজগতৰ বাবেই। কৃষ্ণগুৰু প্ৰভুৱে সকলো সময়তে প্ৰকৃতিক আদৰ কৰিবলৈ দিয়া অমৰ বাণীৰ কথা উল্লেখ কৰি তেওঁ কয় যে কৃষ্ণগুৰুৱে প্ৰকৃতি আৰু পৰিৱেশৰ প্ৰতি দায়বদ্ধ হোৱাৰ শিক্ষাও দি গৈছে। মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰকৃতিৰ সুস্থ আৰু বিশুদ্ধ বাতাৱৰণ গঢ় দিয়াৰ উপলব্ধিৰে থকা সাতামপুৰুষীয়া মহৎ পৰম্পৰা আমি ৰক্ষা কৰিব লাগিব। কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে কৃষ্ণগুৰুৰ ভকতসকলে সুস্থ-সবলভাৱে শান্তিত থাকি যাতে বিশ্বত মানৱপ্ৰেম গঢ় দিয়াৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়াব পাৰে তাৰো কামনা কৰে। আবেলি ২.৩০ বজাত সেৱাশ্ৰম চৌহদত উপস্থিত হোৱা কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে গছপুলি ৰোপণ কাৰ্যসূচীৰ পাছত সেৱাশ্ৰমৰ সুৰ্বণকুণ্ডত কৃষ্ণগুৰু একনাম জপ কৰে আৰু আধ্যাত্মিক গুৰুজনাৰ সমাধিক্ষেত্ৰলৈ গৈ গুৰুজনাৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। পাছত কীৰ্তনঘৰত সেৱা জনায় আৰু গুৰুগৃহত কৃষ্ণগুৰু প্ৰেমানন্দ প্ৰভুক সাক্ষাৎ কৰে। তেওঁ সেৱাশ্ৰমত প্ৰায় আঢ়ৈ ঘণ্টা সময় অতিবাহিত কৰে।

## তামুলপুৰত হাতীৰ আক্ৰমণত নিহত যুৱক

ৰিজয়ে নিশা ব্যৱসায়ৰ কামত নিজ গাঁৱৰ কিছু দূৰত অৱস্থিত পূব চন্দ্ৰনগৰলৈ গৈছিল। যুৱকজন গৈ থাকোঁতে পথত এন্ধাৰৰ মাজতে হঠাৎ অকলশৰীয়া হাতী এটাৰ মুখামুখি হয় আৰু যুৱকজনক হাতীটোৱে আক্ৰমণ কৰে। ফলত থিতাতে নিহত হয় ৰিজয় দে'। নিশাই অঞ্চলটোৰ কেইবাটাও পৰিয়ালৰ বাসগৃহৰো ক্ষতিসাধন কৰে হাতীটোৱে। মুষলধাৰ বৰষুণৰ মাজতে বন্যহস্তীয়ে কেইবাটাও পৰিয়ালৰ গৃহ ভাঙি পেলোৱাৰ পাছত গাঁওখনত হাহাকাৰ লাগে। প্ৰতিকূল বতৰৰ মাজতে ভগা-ছিগা ঘৰতে আশ্ৰয় গ্ৰহণ কৰি উজাগৰী নিশাটো পাৰ কৰে লোকসকলে। ভয়-শংকাৰ মাজেৰে নিশাটো কটায় পৰিয়ালকেইটাই। পুৱা ঘটনাৰ খবৰ লাভ কৰি ঘটনাস্থলীত উপস্থিত হয় কুমাৰীকাটা ৰেঞ্জৰ বন বিষয়া-কৰ্মচাৰীৰ লগতে কুমাৰীকাটাৰ আৰক্ষী। বন বিভাগ আৰু আৰক্ষীয়ে সমগ্ৰ ঘটনাৰ বুজ লোৱাৰ লগতে গাঁওবাসীৰ সহযোগত হাতীৰ আক্ৰমণত নিহত যুৱকজনৰ নিথৰ দেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা গ্ৰহণ কৰে।

**বাক্সাৰ গৰুমাৰাত বনৰীয়া হাতীৰ আক্ৰমণত এজন আহত**

**জালাহৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ভুঞাপাৰা ৰেঞ্জৰ অন্তৰ্গত বনাঞ্চলৰ পৰা খাদ্যৰ সন্ধানত ওলাই অহা বনৰীয়া হাতীৰ আক্ৰমণত কালি এজন লোক গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন হ'ব লগা হয়। আহত লোকজন বাক্সা জিলাৰ গৰুমাৰা গাঁৱৰ মহোদৰ বড়ো (৪৯) বুলি জানিব পৰা গৈছে। কালি পথাৰত বৰোধান শুকাবলৈ দি পহৰা দি ৰৈ থকা অৱস্থাতে মানাহ বনাঞ্চলৰ পৰা অহা দুটা হাতীৰ এটাই খেদি আহি আক্ৰমণ কৰাত মহোদৰ বড়ো হাত আৰু এখন ভৰিত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। পাছত ততাতৈয়াকৈ আহত লোকজনক মানাহ মাউজীগেন্দ্ৰী ইক' ট্যুৰিজম ছ'চাইটী নামৰ স্বেচ্ছাসেৱী সংগঠনটোৰ স্বেচ্ছাসেৱকে মুছলপুৰত থকা ডাঃ ৰবি বড়ো অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰায়। পাছত আঘাত গুৰুতৰ হোৱাত চিকিৎসকে তেওঁক বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বনৰীয়া জীৱ-জন্তুবোৰে খাদ্যৰ সন্ধানত এনেদৰে সঘনাই জনাঞ্চললৈ ওলাই আহি বিচৰণ কৰে বুলি ৰাইজে অভিযোগ কৰিছে। এনে সমস্যা শীঘ্ৰে সমাধান কৰিবলৈ ৰাইজে বন বিভাগক দাবী জনাইছে।

## সত্ৰৰ ভূমি বেদখলৰ বিৰুদ্ধে কঠোৰ আইন

অধ্যক্ষ তথা ভৱানীপুৰ-সৰভোগ সমষ্টিৰ বিধায়ক ৰঞ্জিত কুমাৰ দাসে আজি পত্নীৰ সৈতে বৰপেটা সত্ৰত উপস্থিত হৈ গুৰু দুজনাৰ চৰণত সেৱা জনাই সত্ৰসমূহৰ ভূমি বেদখলৰ সমস্যা সন্দৰ্ভত এই আহ্বান জনায়। তেওঁ লগতে অসম আৰু অসমৰ ৰাইজৰ মংগল কামনা কৰি বৰপেটা সত্ৰত শৰাই আগবঢ়ায়। বিশেষকৈ সত্ৰৰ ভূমি উচ্ছেদৰ পাছতো তেনে ভূমি পুনৰ বেদখলৰ কবলত পৰে। সেয়ে এনে বেদখলকাৰীৰ বিৰুদ্ধে বিধানসভাত আইন প্ৰণয়ন কৰি কঠোৰ শাস্তিৰ পোষকতাৰ আহ্বান অধ্যক্ষগৰাকীৰ। ইপিনে সত্ৰৰ ভূমি বেদখলক কেন্দ্ৰ কৰি যাতে আগন্তুক দিনত কোনো অনাকাংক্ষিত পৰিস্থিতিৰ সৃষ্টি নহয় তাৰ বাবে চৰকাৰক তেওঁ কঠোৰ হ'বলৈ আহ্বান জনায়। বিশেষকৈ সত্ৰৰ বেদখলীকৃত ভূমি স্ব-ইচ্ছাই এৰি দিবলৈ বেদখলকাৰীৰ প্ৰতি আহ্বান জনায় অধ্যক্ষগৰাকীয়ে। উল্লেখ্য যে ৰঞ্জিত কুমাৰ দাসৰ জন্মভূমি সত্ৰনগৰী বৰপেটা। সেই সূত্ৰে এইবাৰ সত্ৰনগৰী বৰপেটাৰ পৰা দীপক কুমাৰ দাসৰ সৈতে দুজনকৈ বিধায়ক বিধানসভালৈ নিৰ্বাচিত হোৱা বুলি প্ৰকাশ কৰে। অগপৰ দীপক কুমাৰ দাসৰ সৈতে লগ লাগি দুয়ো এইবাৰ বৰপেটাৰ উন্নয়নত মনোনিৱেশ কৰিব বুলিও মন্তব্য কৰে ৰঞ্জিত কুমাৰ দাসে।

**খিলঞ্জীয়া সুৰক্ষা বাহিনীৰ আদৰণি**

অসম বিধানসভাৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসে সত্ৰৰ মাটি বেদখলমুক্ত কৰা আৰু বেদখল কৰা লোকৰ বিৰুদ্ধে কঠোৰ আইন প্ৰণয়ন কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰাৰ সিদ্ধান্তক খিলঞ্জীয়া সুৰক্ষা বাহিনী অসমৰ অধ্যক্ষ গোবিন্দ গায়ন, সচিবপ্ৰধান কৃষ্ণকান্ত দাস আৰু প্ৰচাৰ সচিব যুগান্ত বায়নে আদৰণি জনাইছে।

## বোকাজানত প্ৰশাসনৰ টাস্ক ফ'ৰ্চ গঠন

মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি তথা অতিৰিক্ত আয়ুক্ত কাকুমণি শইকীয়াৰ অধ্যক্ষতাত বোকাজানত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। এই বৈঠকৰ সিদ্ধান্ত মৰ্মে কাৰ্বি আংলঙৰ বোকাজান মহকুমাৰ বাবে এটা মহকুমা পৰ্যায়ৰ টাস্ক ফ'ৰ্চ (এছডিএলটিএফ) গঠন কৰে। এই মহকুমা টাস্ক ফ'ৰ্চত অধ্যক্ষ হিচাপে থাকিব অতিৰিক্ত জিলা আয়ুক্ত তথা বোকাজান মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি, সদস্য সচিব হিচাপে থাকিব বোকাজানৰ সহকাৰী আয়ুক্ত (এফ চি এছ এণ্ড চি এ শাখাৰ) আৰু সদস্য হিচাপে থাকিব ক্ৰমে বোকাজান মহকুমা আৰক্ষী বিষয়া, বোকাজানৰ খাদ্য-অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অধীক্ষক, বোকাজান আৰু নিলিপ ব্লকৰ কৃষি উন্নয়ন বিষয়া, বোকাজান ব্লক পশু চিকিৎসা বিষয়া, বোকাজানৰ মীন উন্নয়ন বিষয়া আৰু বোকাজানৰ সহকাৰী প্ৰৱৰ্তন পৰিদৰ্শক বিষয়া (পৰিবহণ বিভাগৰ)। এই মহকুমা টাস্ক ফ'ৰ্চৰ মুখ্য ভূমিকা আৰু দায়িত্ব হ'ব উপভোগ্য সামগ্ৰীৰ বৰ্ধিত দাম নিৰীক্ষণ, ব্যৱসায়ী সমাজ, চেম্বাৰ্চ অৱ কমাৰ্চ, ব্যৱসায়ী সন্থা, বজাৰ কমিটীৰ সৈতে পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰা, উৎস আৰু বজাৰত উপভোগ্য সামগ্ৰীৰ দাম নিৰীক্ষণ কৰি দাম বৃদ্ধিৰ কাৰণ জানিবলৈ তথা দাম হ্ৰাস কৰাৰ কৌশল বিচাৰি উলিয়াবলৈ খুচুৰা বিক্ৰেতাসকলৰ সৈতে বৈঠক কৰা, উৎপাদন তথ্য, পৰিবহণ লজিষ্টিকছ্ আৰু অন্যান্য জিলাৰ সৈতে থকা দামৰ তাৰতম্যৰ কাৰণ সংগ্ৰহ কৰা, বিক্ৰী দৰ নিয়ন্ত্ৰণত সহায় কৰা, পাইকাৰী বিক্ৰেতাৰ ওপৰত অভিযান আৰু অত্যাৱশ্যকীয় সামগ্ৰী আইনৰ অধীনত সামগ্ৰীসমূহ অন্তৰ্ভুক্ত কৰাৰ বাবে প্ৰতিৰোধমূলক পদক্ষেপ গ্ৰহণ কৰা, বিভিন্ন সংবাদ মাধ্যমৰ জৰিয়তে দামসমূহ প্ৰকাশ কৰি ৰাইজক অৱগত কৰা আৰু গ্ৰাহকৰ স্বচ্ছতাৰ বাবে দোকান, বজাৰ চৌহদত পাইকাৰী আৰু খুচুৰা দাম প্ৰদৰ্শন কৰা, সকলো পাইকাৰী বিক্ৰেতাই তেওঁলোকৰ নিজ নিজ খুচুৰা বিক্ৰেতাসকলক ৰচিদ প্ৰদান কৰা, অসাধু ব্যৱসায়ীৰ দ্বাৰা মজুতকৰণ, কৃত্ৰিম নাটনি আৰু দাম বৃদ্ধি ৰোধ কৰিবলৈ কঠোৰ ব্যৱস্থা লোৱা আৰু নিয়ম উলংঘা কৰা ব্যৱসায়ীৰ ব্যৱসায়িক অনুজ্ঞা-পত্ৰ বাতিল কৰাৰ দৰে গুৰুত্বপূৰ্ণ দিশসমূহৰ ওপৰত কাম কৰিব।

## ইন্ধনৰ বৰ্দ্ধিত দামে হাহাকাৰ লগাইছে

ইন্ধনৰ দাম বৃদ্ধিত সাধাৰণ মানুহৰ মাজত হাহাকাৰ লাগিছে। গুৱাহাটীত আজিৰ দিনটোত মানুহে ১০৪.১২ টকাত পেট্ৰ'ল আৰু ৯৫.৪৪ টকাত ডিজেল কিনিবলগীয়া হৈছে। কিন্তু পৰিতাপৰ বিষয়— নিৰ্বাচনত বিজেপিৰ দাম বৃদ্ধি দূৰ কৰাটোৱেই আটাইতকৈ ডাঙৰ শ্ল'গান আছিল।' ইতিমধ্যে সেই শ্ল'গান দি ১৪ আৰু ১৬ত বিজেপিয়ে নিৰ্বাচনত জিকা বুলি মন্তব্য কৰে অখিল গগৈয়ে। গগৈৰ দাবী— চিলিণ্ডাৰ, পেট্ৰ'ল, ডিজেলৰ দাম কমাব লাগে। তেতিয়াহে মানুহে চলিব পাৰিব। সংবাদমেলতে পেট্ৰ'লত কেন্দ্ৰীয় চৰকাৰে ১৯.৯০ টকা কৰ লয় বুলি উল্লেখ কৰি তেওঁ কয়— যদি সেইটো নলয় পেট্ৰ'লত ২০ টকা দাম কমি যাব। ইপিনে ৰাজ্য চৰকাৰে ১ লিটাৰ পেট্ৰ'লৰ বাবদ ভেট লয় ১৮.৮০ টকা। দুয়োখন চৰকাৰে সংকটকালত যদি এই দুয়োটা কৰ কমাই দিয়ে, তেন্তে ৬৫.৪২ টকাত পেট্ৰ'ল পোৱা যাব গুৱাহাটীত। ডিজেলত আবকাৰী শুল্ক ১৫.৮০ টকা, ভেট ১৪.৬০ টকা লয় কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে। এই কৰ কমাই দিলে ডিজেল ৬৫.০৪ টকাত পোৱা যাব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আহ্বান জনাই অখিল গগৈয়ে কয়— অৰ্থনৈতিক সংকটৰ সময়ত ৰাইজক সকাহ দিয়ক। ঘৰুৱা চিলিণ্ডাৰৰ ক্ষেত্ৰতো অনুৰূপ ব্যৱস্থা লোৱাৰ বাবে তেওঁ আহ্বান জনায়। তেওঁ কয় যে কৰ হিচাপে ৫৯২.৭৪ টকা দিব লাগে প্ৰতিটো বাণিজ্যিক চিলিণ্ডাৰৰ। এই কৰ ৰেহাই দিলে ২,৭০০ টকাতে বাণিজ্যিক চিলিণ্ডাৰ পোৱা যাব বুলি কয় গগৈয়ে। ইপিনে অবৈধ ছিণ্ডিকেটেই অসমত সকলো বস্তুৰ দাম বঢ়াৰ মূল কাৰণ বুলি তেওঁ অভিযোগ কৰে। কংগ্ৰেছৰ প্ৰসংগ উল্লেখ কৰি অখিল গগৈয়ে কয়— কংগ্ৰেছে ৰজা মনৰ স্বভাৱ এৰিব লাগিব আৰু ৰাইজৰ হৈ কাম কৰিব লাগিব। নিৰ্বাচনৰ ফলাফল ঘোষণা হোৱাৰ বিছ দিন পাৰ হৈ যোৱাৰ পাছতো বিৰোধীৰ দলপতি দিব নোৱাৰাটো দুৰ্ভাগ্যজনক বিষয়। ইপিনে ডঃ হিমন্ত বিশ্ব শৰ্মাই সম্পূৰ্ণ মন্ত্ৰীসভা গঠন কৰিব নোৱাৰাটোও গুৰুত্বপূৰ্ণ কথা বুলি কয় গগৈয়ে। মিত্ৰতাৰে নিৰ্বাচন খেলাৰ বাবে গৌৰৱ গগৈ আৰু লুৰীণজ্যোতি গগৈৰ প্ৰতি শুভেচ্ছা জনাই অখিলে কয়— আঞ্চলিকতাবাদ সবল কৰিবলৈ লুৰীণ গগৈয়েও চাল-চলন, ভাব-ভংগী সলাব লাগিব। সংবাদমেলখনত অখিল গগৈৰ লগতে ৰাইজৰ দলৰ কাৰ্যকৰী সভাপতি ভাস্কো ডি শইকীয়া, সাধাৰণ সম্পাদক চিন্ময় বড়া, আজিজুৰ ৰহমান উপস্থিত থাকে।

## হাজোৰ দোকনীয়া ৰিজাৰ্ভত বেদখলকাৰীৰ

দোকনীয়া ৰিজাৰ্ভত চৰাবলৈ নিয়াত বাধা প্ৰদান কৰে আব্বাছ আলী নামৰ এজন স্থানীয় মাতব্বৰে। বৃত্তিত শিক্ষক হৈও আব্বাছ আলীয়ে উক্ত পশুপালজনক ফোনযোগে ভয়-ভাবুকি দিয়া বুলি অভিযোগ উঠিছে। বৰ্তমান এই শিক্ষকজনৰ নেতৃত্বতে সমগ্ৰ গ্ৰেজিং ৰিজাৰ্ভখন পৰিচালিত হোৱা বুলি স্থানীয় ৰাইজে সদৰি কৰিছে। এই সন্দৰ্ভত ভুক্তভোগী ম'হপালক হৰি দাসে যোৱা ১৫ মে'ত ৰামদিয়া আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰিছিল যদিও আৰক্ষীয়ে বৰ্তমানলৈকে অভিযুক্ত শিক্ষকজনৰ বিৰুদ্ধে কোনো আইনী ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন কৰি খিলঞ্জীয়া গো-ম'হ পালকসকলে তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। ইফালে এই সমগ্ৰ কাণ্ডৰ আঁৰৰ আন এক বিস্ফোৰক তথ্য পোহৰলৈ আহিছে। স্থানীয় লোকৰ অভিযোগ অনুসৰি এজন যুৱকে ব্যক্তিগত স্বাৰ্থ সিদ্ধিৰ বাবে অভিযুক্ত আব্বাছ আলীৰ সৈতে গোপন বুজাবুজিৰে হাত মিলাইছে। এই যুৱকজনৰ সক্ৰিয় সহযোগতে আব্বাছ আলীয়ে খিলঞ্জীয়া পশুপালকসকলক ধাৰাবাহিকভাৱে ভাবুকি দি অহা বুলি খিলঞ্জীয়া ম'হপালকসকলে অভিযোগ তুলিছে। উল্লেখ্য যে অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা হাজোৰ সু-সন্তান, লৌহমানৱ বিষ্ণুৰাম মেধিয়ে স্থানীয় গো-ম'হ পালকসকলৰ জীৱিকা আৰু পশুপালনৰ বাবে এই দোকনীয়া ৰিজাৰ্ভৰ ২২ হাজাৰ বিঘা ভূমি বিশেষভাৱে সংৰক্ষণ কৰি থৈ গৈছিল। কিন্তু সম্প্ৰতি একাংশ সন্দেহযুক্ত লোকে অবৈধভাৱে এই সংৰক্ষিত ৰিজাৰ্ভৰ শ শ বিঘা ভূমি বেদখল কৰি কৃষিকাৰ্য কৰাৰ লগতে নিগাজিকৈ স্থায়ী গৃহ নিৰ্মাণ কৰি বাস কৰিবলৈ লৈছে। যাৰ ফলত ঐতিহ্যমণ্ডিত চৰণীয়া পথাৰখন দিনকদিনে সংকুচিত হৈ পৰিছে আৰু খিলঞ্জীয়া পশুপালকসকলৰ জীৱিকাত চৰম আঘাত হানিছে। দোকনীয়া গ্ৰেজিং ৰিজাৰ্ভৰ এই ঐতিহাসিক অস্তিত্ব সুৰক্ষিত কৰিবলৈ আৰু চলি থকা অবৈধ বেদখল উচ্ছেদ কৰিবলৈ কামৰূপ জিলাৰ আয়ুক্তক অতিশীঘ্ৰে বিহিত পদক্ষেপ গ্ৰহণ কৰিবলৈ খিলঞ্জীয়া গৰু-ম'হ পালক তথা স্থানীয় ৰাইজে দাবী জনাইছে।

## টোল ফ্ৰী নম্বৰ মুকলি

উক্ত অভিযোগ নিষ্পত্তিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব। তদুপৰি অত্যাৱশ্যকীয় সামগ্ৰী যোগানৰ ক্ষেত্ৰত জিলাখনত যাতে কোনো কৃত্ৰিম নাটনিৰ সৃষ্টি নহয় তাৰ প্ৰতিও জিলা প্ৰশাসনে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে আৰু এইক্ষেত্ৰত ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে। কোনো অসাধু ব্যৱসায়ীয়ে সামগ্ৰীৰ কৃত্ৰিম নাটনিৰ অজুহাত দেখুৱাই যাতে অস্বাভাৱিকভাৱে দাম বৃদ্ধি কৰিব নোৱাৰে তাৰ বাবেও প্ৰশাসনে অহৰহ চেষ্টা চলাই আছে আৰু এনেধৰণৰ অভিযোগ প্ৰমাণিত হ'লে সংশ্লিষ্ট ব্যক্তি বা প্ৰতিষ্ঠানৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জানিবলৈ দিছে।

## ২৯ মে'ৰপৰা বন্ধ কাজিৰঙা

অৰুণ বিঘ্নেশে কালি দিয়া জাননীৰ পূৰ্বে বিশ্ব ঐতিহ্য কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চল ২৬ মে'ৰ পৰিৱৰ্তে ২৯ মে'ৰ পৰাহে পৰ্যটকৰ বাবে বন্ধ কৰা হ'ব বুলি অৱগত কৰিছে। পুনৰ জাননী জাৰি নকৰা পৰ্যন্ত পৰ্যটকৰ বাবে বন্ধ হ'ব ২০২৫-২৬ পৰ্যটন বৰ্ষ। উল্লেখ্য যে চলিত পৰ্যটন বৰ্ষত কাজিৰঙালৈ অহা দেশী-বিদেশী পৰ্যটকৰ পৰিসংখ্যাই পূৰ্বৰ সকলো অভিলেখ ভংগ কৰিছে।

## থিতাতে নিহত মহিলা

হেৰুৱাই পথৰ দাঁতিৰ খাৱৈত বাগৰি পৰে। উক্ত দুৰ্ঘটনাত এগৰাকী মহিলা থিতাতে নিহত হয়। নিহত মহিলাগৰাকী ডিফুৰ কাৰে তিছ'পী (৬০) বুলি জানিব পৰা গৈছে। দুৰ্ঘটনাটোত আহতসকল ক্ৰমে ডিফুৰ মনোজ টেৰণ, বীণা ইংতিপী, সোণালী ৰংপিপী আৰু চম্ফু ৰংপিপী বুলি জানিব পৰা গৈছে। বকলীয়াঘাট আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ হতাহতসকলক উদ্ধাৰ কৰি বকলীয়াঘাটৰ ত্ৰিশখন বিছনাযুক্ত সামূহিক চিকিৎসালয়ত ভৰ্তি কৰায় আৰু পাছত আহত আটাইকেইগৰাকীকে উন্নত চিকিৎসাৰ বাবে ডিফু চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়।

## ৰহস্য ভেদ হোৱা নাই

এতিয়াও ৰহস্য ভেদ নহ'ল ছাত্ৰী অনামিকা আৰু সৰিতাৰ মৃত্যুৰ প্ৰকৃত কাৰণ। ৰহস্যৰ আৱৰ্তত সোমাই পৰা পুখুৰী এটাত ছাত্ৰী দুগৰাকীৰ মৃতদেহ উদ্ধাৰক লৈ এতিয়া সকলোৰে মাজত প্ৰশ্নৰ উদয় হৈছে এয়া হত্যাকাণ্ড নে দুৰ্ঘটনাজনিত ঘটনা বুলি। কাৰণ ছাত্ৰী দুগৰাকী পুখুৰীত ভৰি ধুবলৈ গৈ পিছল খাই বুৰ যোৱা বুলি একাংশই সন্দেহ কৰাৰ বিপৰীতে ছাত্ৰীদ্বয়ৰ পৰিয়ালে কিশোৰী দুগৰাকীক পৰিকল্পিতভাৱে হত্যা কৰি পুখুৰীৰ পানীত দলিয়াই দিয়া বুলি দাবী কৰিছে। পৰিয়ালৰ লোকে হত্যাকাৰীক ফাঁচিৰ দৰে কঠোৰ শাস্তি বিহাৰ দাবী উত্থাপন কৰিছে। ইপিনে তদন্তৰ খাতিৰত সমগ্ৰ ঘটনাক লৈ আৰক্ষীয়ে অদ্যাপি মুখ খোলা নাই যদিও আদিবাসী ছাত্ৰী দুগৰাকীৰ মৃত্যুৰ ঘটনা সংক্ৰান্তত ইতিমধ্যে দুজন লোকক গ্ৰেপ্তাৰ কৰি ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। এক সূত্ৰই জনোৱা মতে অহা দুই-তিনি দিনত মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন আহিব আৰু তেতিয়া ঘটনাৰ ৰহস্য ভেদ হোৱাৰ সম্ভাৱনা আছে। ইফালে অনামিকা বাৰা আৰু সৰিতা উৰাওৰ পৰিয়ালৰ কাষত আজি উপস্থিত হয় তিতাবৰ সমষ্টিৰ বিধায়ক ধীৰাজ গোৱালা। তেওঁ মৃত ছাত্ৰী দুগৰাকীৰ শোকসন্তপ্ত পৰিয়ালক সাক্ষাৎ কৰি ঘটনাক দুৰ্ভাগ্যজনক বুলি আখ্যা দিয়ে। ঘটনা সন্দৰ্ভত বিধায়কগৰাকীয়ে আৰক্ষীৰ তদন্ত চলি থকা বুলি আশ্বাস দিয়ে। বিধায়কগৰাকীয়ে জিলাৰ শীৰ্ষ আৰক্ষী বিষয়াৰে কথা পতা বুলি জানিবলৈ দি দোষী কোনোপধ্যে যাতে সাৰি যাব নোৱাৰে তাৰ বাবে কোনোধৰণৰ ত্ৰুটি নকৰাকৈ নিৰপেক্ষ তদন্তৰ দাবী কৰে। ধীৰাজ গোৱালাক আজি সংগ দিয়ে বিটিচিৰ কাৰ্যবাহী সদস্য দেৱহাছাৎ বসুমতাৰী, আদিবাসী কল্যাণ উন্নয়ন পৰিষদৰ মুখ্য কাৰ্যবাহী দুৰ্গা হাসদা, কাৰ্যবাহী সদস্য অমৃত বেক আৰু আছাৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক যোছেফ মিঞ্জ আদিয়ে।

## হাজিৰ নহ'ল কংগ্ৰেছ নেতা

কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা ৰাজ্যসভাৰ সাংসদ ৰণদীপ সিং সূৰ্যেৱালা। উল্লেখ্য যে অসম আৰক্ষীৰ অপৰাধ শাখাই জেৰাৰ বাবে হাজিৰ হ'বলৈ সূৰ্যেৱালালৈ চমন জাৰি কৰিছিল। তদন্তকাৰী দলটোৱে দিল্লীত থকা তেওঁৰ বাসগৃহত জাননী সংলগ্ন কৰি উপস্থিত থাকিবলৈ নিৰ্দেশ জাৰি কৰিছিল। কিন্তু বিশেষ অসুবিধাৰ কথা উল্লেখ কৰি সূৰ্যেৱালাই আৰক্ষীক এখন লিখিত পত্ৰ প্ৰেৰণ কৰি জনায় যে তেওঁ নিৰ্ধাৰিত দিনা হাজিৰ হ'ব নোৱাৰে। ফলত পৰৱৰ্তী সময়ত পুনৰ নতুন জাননী জাৰি কৰিব ক্ৰাইম ব্ৰাঞ্চে। এই গোচৰত ইতিমধ্যে জেৰাৰ সন্মুখীন হোৱা কংগ্ৰেছ নেতা পৱন খেৰাই তদন্তকাৰী সংস্থাৰ আগত সূৰ্যেৱালাৰ নাম উল্লেখ কৰিছিল বুলি সূত্ৰটোৱে প্ৰকাশ কৰিছিল। অভিযোগ অনুসৰি মুখ্যমন্ত্ৰীৰ পত্নী ৰিণিকি ভূঞা শৰ্মাৰ বিদেশৰ কোম্পানী আৰু পাছপ'ৰ্ট সম্পৰ্কীয় তথ্য পৱন খেৰাক যোগান ধৰিছিল সূৰ্যেৱালাই। তাৰ পাছতেই তদন্তকাৰী সংস্থাই কংগ্ৰেছৰ এই জ্যেষ্ঠ নেতাজনক তদন্তৰ আওতালৈ আনে। ইফালে, পৱন খেৰাকো পুনৰ জেৰা চলোৱাৰ বাবে ক্ৰাইম ব্ৰাঞ্চে নতুন দিন নিৰ্ধাৰণ কৰিছে। পূৰ্বে ২৫ মে'ত হাজিৰ হোৱাৰ কথা থাকিলেও এতিয়া তেওঁক ৫ জুনত উপস্থিত থাকিবলৈ নিৰ্দেশ দিয়া হৈছে। উল্লেখ্য যে নিৰ্বাচনৰ পূৰ্বে এখন সংবাদ মেলৰ জৰিয়তে পৱন খেৰাই মুখ্যমন্ত্ৰীৰ পত্নী ৰিণিকি ভূঞা শৰ্মাৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছিল। তেওঁ দাবী কৰিছিল যে ৰিণিকি ভূঞা শৰ্মাৰ তিনিখনকৈ ৰাষ্ট্ৰৰ পাছপ'ৰ্ট থকাৰ লগতে বিদেশত সম্পত্তি আৰু কোম্পানী আছে। এই অভিযোগক 'মিছা আৰু মানহানিকৰ' বুলি অভিহিত কৰি ৰিণিকি ভূঞা শৰ্মাই ক্ৰাইম ব্ৰাঞ্চত গোচৰ ৰুজু কৰিছিল। খেৰাই উচ্চতম ন্যায়ালয়ৰ পৰা আগতীয়া জামিন লাভ কৰিছে যদিও তেওঁক জেৰাৰ বাবে একাধিকবাৰ তলব কৰিছে অসম আৰক্ষীয়ে।

## লাচিত দাসৰ ৫ কোটি

১৮ লাখ ৩০ হাজাৰ টকা জব্দ কৰে। বেলতলাৰ ৰাণীবাগানস্থিত কুইনছ গাৰ্ডেন এপাৰ্টমেণ্টত থকা দাসৰ ফ্লেটৰ লগতে লাগি থকা তেওঁৰ আন এটা ফ্লেটৰ পৰা টকাখিনি জব্দ কৰে তদন্তকাৰী বিষয়াই। কালি অভিযান চলোৱা ফ্লেটটো লাচিত দাসৰে যদিও তেওঁৰ খুলশালী আৰু শালপতিক ইয়াত থাকিবলৈ দিছিল। কালি জব্দ কৰা ধনখিনিকে ধৰি লাচিত দাসৰ ঘৰৰ পৰা জব্দ কৰা নগদ ধনৰ পৰিমাণ ১ কোটি ৬৬ লাখ ৬৮ হাজাৰ ১৫০ টকা হৈছেগৈ। ইতিমধ্যে দাসৰ বাসগৃহৰ পৰা তেওঁৰ নামে-বেনামে থকা কমেও দহটা বেংক একাউণ্ট আৰু ৮৬ লাখ টকাৰ ফিক্সড ডিপ'জিট, ৭২ লাখ টকাৰ গহনা জব্দ কৰা হৈছে। তদাৰকী আৰু দুৰ্নীতি নিবাৰক সঞ্চালকালয়ৰ উপ-মহাপৰিদৰ্শক ডাঃ বেদান্ত মাধৱ ৰাজখোৱাই কালিৰ অভিযান সম্পৰ্কে প্ৰকাশ কৰি কয় যে লাচিত দাসৰ ৰহাত থকা এবিঘা, হোজাইত থকা চাৰি কঠা ১১ লেচা, গুৱাহাটীৰ বেলতলাত থকা একঠা ১.৬৭ লেচা আৰু একঠা ১০ লেচা মাটিৰ লগতে গুৱাহাটীৰ দুটা ফ্লেটৰ নথিপত্ৰ জব্দ কৰা হৈছে। লগতে বহুকেইটা বেংক একাউণ্টৰ পাছবুক আৰু বহু লাখ টকাৰ বীমাৰ নথিপত্ৰও জব্দ কৰা হৈছে। ইপিনে, কালি নিশাই তদন্তকাৰী বিষয়াই ৰুক্মিণীগাঁৱৰ হাউছফেড কমপ্লেক্সত থকা লাচিত দাসৰ এটা ফ্লেটতো অভিযান চলাই তেওঁৰ অনুজ্ঞাপত্ৰ থকা এটা পইণ্ট ৩২ পিষ্টলো জব্দ কৰে। কালি জব্দ কৰা সকলো ধন আৰু সম্পত্তিৰ নথিপত্ৰ আজি তদন্তকাৰী বিষয়াই আদালতত প্ৰদৰ্শন কৰে। মন কৰিবলগীয়া যে দীৰ্ঘকাল ধৰি ৰাজ্য প্ৰশাসনৰ বহু গুৰুত্বপূৰ্ণ পদত কাৰ্যনিৰ্বাহ কৰি শেহতীয়াকৈ ভূমিলেখ্য সঞ্চালকালয়লৈ বদলি হৈ আহিও বিয়াগোম দুৰ্নীতি অব্যাহত ৰখাৰ পাছত গ্ৰেপ্তাৰ হোৱা লাচিত দাসক আদালতত হাজিৰ কৰোৱাৰ ক্ষেত্ৰত তদন্তকাৰী বিষয়াই গাফিলতি কৰাৰ কথা পোহৰলৈ আহিছে। ২১ মে'ত কৰা গ্ৰেপ্তাৰৰ ২৪ ঘণ্টাৰ ভিতৰত আদালতত হাজিৰ কৰাবলৈ ব্যৰ্থ হোৱাত কালি আদালতে দাসক তদাৰকী জিম্মালৈ প্ৰেৰণ কৰে। ২৪ ঘণ্টাৰ নিয়মৰ উলংঘনেই নহয় দাসক আদালতলৈ অনাৰ সময়ত তদন্তকাৰী সংস্থাই গোচৰৰ কেছ ডায়েৰীও আদালতলৈ অনা নাছিল। যাৰ পৰিপ্ৰেক্ষিতত দাসৰ অধিবক্তাৰ যুক্তিৰ পতিয়ন হৈ আদালতে তেওঁক ২৬ মে' পৰ্যন্ত ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। গ্ৰেপ্তাৰৰ ২৪ ঘণ্টাৰ ভিতৰত কিয় হাজিৰ কৰোৱা নহ'ল সেই সন্দৰ্ভত চৰকাৰী তথা তদাৰকী সঞ্চালকালয়ৰ অধিবক্তাই আদালতত যুক্তি দৰ্শাব। সেইদিনা আদালতত তদন্তকাৰী সংস্থাই দাসক জিম্মাত দিয়াৰ সপক্ষে যুক্তি দাঙি ধৰিব।

## নিহত যুৱক, গুৰুতৰভাৱে আহত ১৩

এই ঘটনাত মাজুলীৰ দীপজ্যোতি বৰা নামৰ এজন যুৱকৰ মৃত্যু ঘটাৰ লগতে ১৩জন লোক গুৰুতৰভাৱে আহত হয়। ঘটনাৰ বিৱৰণী অনুসৰি প্ৰায় ৫০জন যাত্ৰী লৈ গুৱাহাটীৰ পৰা মাজুলী অভিমুখে আহি থকা এ আৰ-০১ডব্লিউ-১১৪৪ নম্বৰৰ 'যাত্ৰা' নামৰ নৈশবাছখন দলহাট তিনিআলিত নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিত থকা এজোপা গছত খুন্দা মাৰি পথত বাগৰি পৰে। ফলত বাছখনত যাত্ৰী হিচাপে অহা মাজুলীৰ গেৰেকী পোহাৰদিয়া গাঁৱৰ দীপজ্যোতি বৰা (৩০) নামৰ যুৱকজনৰ থিতাতে মৃত্যু হোৱাৰ লগতে অৱন বৈশ্য (৪৫, ঢাপলিয়াল ঘিলামৰা), হেমন্ত শইকীয়া (১৫, আজাদ যোৰহটীয়া), পম্পী ডেকা শইকীয়া (৩৮, আজাদ যোৰহটীয়া), অনুৰাগ বৰা (১৯, ২ নং কড়ালগাঁও, মাজুলী), ধনমণি নাথ (২৫, ফুলনি মাজুলী) পাৰ্থসাৰথি বৰা (২৩, ১ নং কেকী হোজাই), দীক্ষিতা গোস্বামী (২৫, পাঞ্জাবাৰী, গুৱাহাটী), দীপু গোস্বামী (৫৫, পাঞ্জাবাৰী গুৱাহাটী), ৰিংকু ৰাভা (২৯, দৰিদুৰি, গোৱালপাৰা), ভৱেশ শইকীয়া (৬২, শিঙিয়া, ঘিলামৰা)কে আদি ১৩জন লোক গুৰুতৰভাৱে আহত হোৱাৰ লগতে বাছখনৰ বাকী ৪৫জন যাত্ৰী কম-বেছি পৰিমাণে আহত হয়। ঘটনা সংঘটিত হোৱাৰ পাছতে চালকজনে পলায়ন কৰে। উল্লেখ্য যে দুৰ্ঘটনাটো ইমানেই ভয়ংকৰ আছিল যে বাছখনৰ সন্মুখভাগ ভাগি চূৰমাৰ হৈ যায়। আহত লোকসকলক আৰক্ষী আৰু স্থানীয় ৰাইজে উদ্ধাৰ কৰি ততাতৈয়াকৈ লখিমপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে।

## দুদিনৰ মূৰত নিৰাপদে উদ্ধাৰ ১৩২

আনে। জানিব পৰা মতে, ইম্ফলত বৰ্তমানৰ নিৰাপত্তাজনিত পৰিস্থিতি আৰু পথ যোগাযোগত আৰোপিত নিষেধাজ্ঞাৰ মাজতে ভাৰতীয় বায়ুসেনাই ইম্ফলত অনুষ্ঠিত শিবিৰত অংশগ্ৰহণ কৰা ১৩২জন কেডেটক সুৰক্ষিতভাৱে গুৱাহাটী আৰু যোৰহাটলৈ স্থানান্তৰ কৰিছে। এনচিচিৰ মহাপৰিচালকৰ কাৰ্যালয়ৰ পৰামৰ্শত আৰু ভাৰতীয় বায়ুসেনাৰ পূব বায়ু কমাণ্ডৰ সৈতে সম্পন্ন কৰা হয় উদ্ধাৰ অভিযানটো। ইয়াৰ ফলত তেওঁলোকে নিৰ্ধাৰিত শৈক্ষিক পৰীক্ষাসমূহত সময়মতে অংশগ্ৰহণ কৰিব পাৰিব। এই পদক্ষেপত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ অভিভাৱক আৰু পৰিয়ালৰ সদস্যসকলৰ মাজত যথেষ্ট স্বস্তিৰ নিশ্বাস পেলাইছে। উল্লেখ্য যে অভিযানটোৱে সশস্ত্ৰ বাহিনী আৰু এনচিচি কৰ্তৃপক্ষৰ পেছাদাৰী মনোভাৱ, প্ৰস্তুতি আৰু জনমুখী দৃষ্টিভংগীৰ এক উজ্জ্বল নিদৰ্শন দাঙি ধৰিছে। প্ৰতিকূল পৰিস্থিতিৰ মাজতো সমগ্ৰ অভিযানকালত কেডেটসকলৰ মনোবল অটুট আছিল। উদ্ধাৰ প্ৰক্ৰিয়াত তেওঁলোকৰ সুৰক্ষা, আৰাম আৰু সময়মতে সহায় নিশ্চিত কৰাৰ বাবে ভাৰতীয় বায়ুসেনা, এনচিচি কৰ্তৃপক্ষ আৰু ইয়াৰ লগত জড়িত সকলো কৰ্মীক কেডেটসকলে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। কেডেটসকলৰ স্বাৰ্থ আৰু কল্যাণ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত তৎপৰ পদক্ষেপ, অবিৰাম সহায় আৰু দৃঢ় অংগীকাৰৰ বাবে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, প্ৰতিৰক্ষা মন্ত্ৰালয় আৰু ভাৰতীয় বায়ুসেনালৈ বিশেষ কৃতজ্ঞতা জ্ঞাপন কৰা হৈছে। এনচিচি উত্তৰ-পূৰ্বাঞ্চল সঞ্চালকালয়ে কঠিন পৰিস্থিতিৰ মাজত অভিযানটো সফলভাৱে সম্পন্ন কৰাত পূব বায়ু কমাণ্ড, স্থানীয় প্ৰশাসন আৰু সহযোগী সংস্থাসমূহে আগবঢ়োৱা মূল্যৱান সহযোগিতাৰো উচ্চ প্ৰশংসা কৰে।

## গোসাঁইগাঁও-গোলাঘাটত বজ্ৰ পৰি দুজনৰ

আৰু বৰষুণৰ মাজতে বজ্ৰ পৰি ব্যক্তিজনৰ মৃত্যু হয়, লগতে এটা গৰুৰো মৃত্যু হয়। পুৱা ৮ মান বজাত লোকজনে পথাৰত গৰু এৰাল দিবলৈ যাওঁতে এই ঘটনা ঘটে। ঘটনাটোক কেন্দ্ৰ কৰি অঞ্চলটোত শোকৰ ছাঁ পৰে। স্থানীয় ৰাইজে শিমুলটাপু আৰক্ষীক খবৰ দিয়াত আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি থানালৈ আনে আৰু মৰণোত্তৰ পৰীক্ষাৰ বাবে কোকৰাঝাৰলৈ প্ৰেৰণ কৰে।

**গোলাঘাটৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** গোলাঘাট জিলাৰ মইনাপাৰাৰ ঘোঁৰামৰা বিলত সংঘটিত হৈছে এক শোকাৱহ ঘটনা । জিঅ' বেগৰ কাম কৰি থকাৰ সময়তে বজ্ৰ পৰাত এজন শ্ৰমিকৰ মৃত্যু হোৱাৰ লগতে চাৰিজন আঘাতপ্ৰাপ্ত হয়। মৃত্যু হোৱা লোকজনৰ নাম বছিৰুল ইছলাম। তেওঁৰ ঘৰ মানকাচৰত বুলি জানিব পৰা গৈছে। একেটা কোম্পানীৰ অধীনত কাম কৰি থকা আটাইকেইজন শ্ৰমিক বজ্ৰপাতৰ ঘটনাত আক্ৰান্ত হয়। আহত চাৰিজনক তৎক্ষণাৎ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। তদুপৰি আন এক বজ্ৰ পৰাৰ ঘটনাত দেৱেশ্বৰ শইকীয়া নামৰ এজন ব্যক্তি আহত হয়। আহত লোকজনক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

## গুৱাহাটীত অসম সাহিত্য সভাৰ লেখক শিবিৰ

সাহিত্য সভাক এটি নতুন মাত্ৰা প্ৰদান কৰিব। এই আয়োজনৰ দ্বাৰা ৰাজ্যখনৰ বৌদ্ধিক পৰিমণ্ডলক আমি সাহিত্য সভাৰ মজিয়াত মৰ্যাদা প্ৰদান কৰিবলৈ চেষ্টা কৰিছোঁ।' ইয়াৰ পাছতে অনুষ্ঠিত উদ্বোধনী সত্ৰৰ উদ্দেশ্যৰ কথকতাৰ প্ৰসংগত সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই কয়— 'অসম সাহিত্য সভাই ২০২৫-২৭ কাৰ্যবৰ্ষত বিভিন্ন কাৰ্যসূচী হাতত লৈ বুদ্ধিজীৱী, লেখক-সাহিত্যিক তথা ভিন্নস্তৰৰ ৰাইজৰ মাজলৈ যোৱাৰ প্ৰয়াস কৰিছে। তাৰে এটা অংশ হিচাপে এই লেখক শিবিৰৰ আয়োজন। আদৰণী সমিতিৰ সভাপতি ডঃ পৰাগ কুমাৰ বৰুৱাই আদৰণী ভাষণেৰে আৰম্ভ কৰা অনুষ্ঠানটি উদ্বোধন কৰে নগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য ডঃ সমুদ্ৰগুপ্ত কাশ্যপে। কৰ্মসূত্ৰে ৰাজ্যৰ বাহিৰলৈ যাব লগা হোৱাৰ বাবে তেওঁ ভিডিঅ' ৰেকৰ্ডিং যোগে উদ্বোধনী ভাষণ প্ৰদান কৰে। অনুষ্ঠানত এগছি বন্তি প্ৰজ্বলনেৰে শিবিৰ মুকলি কৰে বিশিষ্ট সাহিত্যিক-বিজ্ঞানী ডঃ দীনেশ চন্দ্ৰ গোস্বামীয়ে আৰু শিবিৰৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা স্মৃতিগ্ৰন্থ উন্মোচন কৰে অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই। দিনৰ ১১.৩০ বজাৰ পৰা সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদন, নেহা আগৰৱালা সোঁৱৰণী সভাকক্ষ আৰু সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱা সভাগৃহত সমান্তৰালভাৱে উপন্যাস সাহিত্য, ৰহস্য সাহিত্য আৰু গীতি সাহিত্য সত্ৰ অনুষ্ঠিত হয়। সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদনত অনুষ্ঠিত উপন্যাস সাহিত্য সত্ৰত সঞ্চালক হিচাপে ডঃ ধ্ৰুৱজ্যোতি বৰা আৰু আলোচক হিচাপে উপস্থিত থাকে প্ৰমোদ কলিতা, ডঃ মেঘনা চৌধুৰী, গোবিন কুমাৰ খাউণ্ড। নেহা আগৰৱালা সোঁৱৰণী সভাকক্ষত অনুষ্ঠিত ৰহস্য সাহিত্য সত্ৰত সঞ্চালক হিচাপে ডঃ দীনেশ চন্দ্ৰ গোস্বামী আৰু আলোচক হিচাপে অভিজিৎ শৰ্মা বৰুৱা, ডঃ বিনীতা বৰা দেৱচৌধুৰী, সত্যব্ৰত বৰা উপস্থিত থাকে। সমান্তৰালভাৱে সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱা সভাগৃহত অনুষ্ঠিত গীতি সাহিত্য সত্ৰত সঞ্চালক হিচাপে গৌতম শৰ্মা আৰু আলোচক হিচাপে ডঃ সৰোজ কাকতি, চয়নিকা বৰুৱাই অংশগ্ৰহণ কৰে। আনহাতে বিয়লি ২.৩০ বজাৰ পৰা পুনৰ সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদন, নেহা আগৰৱালা সোঁৱৰণী সভাকক্ষ আৰু সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱা সভাগৃহত সমান্তৰালভাৱে ক্ৰীড়া সাহিত্য, গল্প সাহিত্য আৰু সংবাদ সাহিত্য সত্ৰ অনুষ্ঠিত হয়। নেহা আগৰৱালা সোঁৱৰণী সভাকক্ষত অনুষ্ঠিত ক্ৰীড়া সাহিত্য সত্ৰখন সঞ্চালনা কৰে পংকজ বৰঠাকুৰে। এই সত্ৰত আলোচক হিচাপে অংশগ্ৰহণ কৰে ক্ৰমে সুবোধমল্ল বৰুৱা, দিগন্ত বুঢ়াগোহাঁই আৰু বিদ্যুৎ কলিতাই। সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদনত অনুষ্ঠিত গল্প সাহিত্য সত্ৰখন সঞ্চালনা কৰে ইমৰান হুছেইনে আৰু আলোচক হিচাপে অংশগ্ৰহণ কৰে গীতালী বৰা, অপু ভৰদ্বাজ, ডাঃ নমিতা বৈশ্যই। সমান্তৰালভাৱে সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱা সভাগৃহত অনুষ্ঠিত সংবাদ সাহিত্য সত্ৰ সঞ্চালনা কৰে দিলীপ চন্দনে আৰু আলোচক হিচাপে উপস্থিত থাকে পুলিন কলিতা, নৱ ঠাকুৰীয়া, ডঃ গীতালী শইকীয়া। আজিৰ এই লেখক শিবিৰৰ ভিন্ন সত্ৰত অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱাকে ধৰি জিলা সভা, শাখা সভাৰ বিষয়ববীয়াসকলৰ লগতে প্ৰায় ৫০০ৰো অধিক ন-পুৰণি লেখক-সাহিত্যিকে অংশগ্ৰহণ কৰে। ইফালে কাইলৈ দ্বিতীয় লেখক শিবিৰৰ অন্তিমদিনা পুনৰ সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদন, নেহা আগৰৱালা সোঁৱৰণী সভাকক্ষ আৰু সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱা সভাগৃহত সমান্তৰালভাৱে নাট্য সাহিত্য, শিশু সাহিত্য, অনুবাদ সাহিত্য, কাব্য সাহিত্য, ব্যঙ্গ সাহিত্য আৰু সাহিত্য সমালোচনা সত্ৰ অনুষ্ঠিত হ'ব। কাইলৈ দিনৰ ১১.৩০ বজাৰ পৰা সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদনত অনুষ্ঠিত হ'ব লগা নাট্য সাহিত্য সত্ৰত সঞ্চালক হিচাপে নৰেন পাটগিৰি আৰু আলোচক হিচাপে ডঃ সুব্ৰত জ্যোতি নেওগ, ৰবিজিতা গগৈ, ঋতুপৰ্ণ দাস উপস্থিত থাকিব। সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱা সভাগৃহত অনুষ্ঠিত হ'ব লগা শিশু সাহিত্য সত্ৰত সঞ্চালক হিচাপে হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞি আৰু আলোচক হিচাপে সুৰেন্দ্ৰমোহন দাস, যুগললোচন দাস, ডঃ নয়নমণি বৰুৱা উপস্থিত থাকিব। সমান্তৰালভাৱে নেহা আগৰৱালা সোঁৱৰণী সভাকক্ষত অনুষ্ঠিত হ'ব লগা অনুবাদ সাহিত্য সত্ৰত সঞ্চালক হিচাপে নীৰেন্দ্ৰ নাথ ঠাকুৰীয়া আৰু আলোচক হিচাপে ডঃ পৰী হিলৈদাৰী, কৃষ্ণদুলাল বৰুৱা, ডঃ জুৰি দত্ত উপস্থিত থাকিব। আনহাতে বিয়লি ২.৩০ বজাৰ সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদনত অনুষ্ঠিত হ'ব লগা কাব্য সাহিত্যত সঞ্চালক হিচাপে ডঃ প্ৰাণজিৎ বৰা আৰু আলোচক হিচাপে ডঃ বিজয় শংকৰ বৰ্মন, মৃদুল হালৈ, বৰ্ণালী বৰগোহাঁই উপস্থিত থাকিব। নেহা আগৰৱালা সোঁৱৰণী সভাকক্ষত হ'ব লগা ব্যঙ্গ সাহিত্য সত্ৰত সঞ্চালক হিচাপে প্ৰভাত গোস্বামী আৰু আলোচক হিচাপে ডাঃ অঞ্জনজ্যোতি চৌধুৰী, ৰিপুঞ্জয় গগৈ, ডঃ ধৰণী লাহন উপস্থিত থাকিব। আনহাতে সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱা সভাগৃহত অনুষ্ঠিত হ'ব লগা সাহিত্য সমালোচনা সত্ৰত সঞ্চালক হিচাপে ডঃ আনন্দ বৰমুদৈ আৰু আলোচক হিচাপে ডঃ বিভাস চৌধুৰী, ডঃ বিৰিঞ্চি কুমাৰ দাস, ডঃ চুমী কলিতা উপস্থিত থাকিব। সন্ধিয়া ৫.৩০ বজাত অনুষ্ঠিত হ'ব লগা সামৰণী অনুষ্ঠান আৰু সাংস্কৃতিক সমাৰেশত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডঃ কুলধৰ শইকীয়া বিশিষ্ট অতিথি আৰু উচ্চ শিক্ষা সঞ্চালকালয়ৰ সঞ্চালক পমী বৰুৱাই আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰিব বুলি প্ৰধান সম্পাদক দেৱজিৎ বৰাই সংবাদ মাধ্যমক জানিবলৈ দিয়ে।

## ৰাজ্যৰ সাম্প্ৰদায়িক সৌহাৰ্দ্য

আৰু দায়িত্বশীলভাৱে গ্ৰহণ কৰা এই স্বেচ্ছাসেৱী পদক্ষেপে ৰাজ্যখনৰ শান্তি, পাৰস্পৰিক বিশ্বাস আৰু সাম্প্ৰদায়িক সৌহাৰ্দ্য অধিক সুদৃঢ় কৰিব। আশা কৰোঁ অন্য সমিতিসমূহেই এই দায়িত্বশীল পদক্ষেপ গ্ৰহণ কৰিব।


## ডিব্ৰুগড়ৰ সামাজিক পৰিৱেশক প্ৰভাৱিত

বাস্তৱ ছবি। মহানগৰখনৰ মাজমজিয়াত থকা পুৰণি ৰে'ল ষ্টেচনৰ সমীপৰ হৰিজন কলনীৰ কাষত এজন যুৱক অচেতন হৈ পৰি থকা অৱস্থাত উদ্ধাৰ হোৱা ঘটনাই সমগ্ৰ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাটোৱে কেৱল এজন যুৱকৰ জীৱন-মৃত্যুৰ সংগ্ৰামকেই নহয়, বৰং ডিব্ৰুগড়ত দিনকদিনে ভয়ংকৰ ৰূপ ধাৰণ কৰা ড্ৰাগ্‌ছৰ সমস্যাকো পুনৰ উন্মোচিত কৰিলে। প্ৰত্যক্ষদৰ্শীয়ে জনোৱা অনুসৰি আজি সন্ধিয়া স্থানীয় লোকে ৰাস্তাৰ কাষত এজন যুৱকক অচেতন অৱস্থাত পৰি থকা প্ৰত্যক্ষ কৰে। যুৱকজনৰ শাৰীৰিক অৱস্থা অত্যন্ত সংকটজনক আছিল বুলি স্থানীয় লোকে জানিবলৈ দিয়ে। অভিযোগ অনুসৰি ড্ৰাগ্‌ছ সেৱনৰ ফলতেই যুৱকজন সেই অৱস্থালৈ গৈছে। বিশেষকৈ যুৱকজনৰ হাতত ছিৰিঞ্জেৰে ড্ৰাগ্‌ছ গ্ৰহণৰ স্পষ্ট চিন দেখা পোৱা গৈছে। ঘটনাৰ খবৰ লাভ কৰাৰ পাছতেই ডিব্ৰুগড় আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ যুৱকজনক উদ্ধাৰ কৰে আৰু চিকিৎসাৰ বাবে অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। বাতৰি লিখাৰ সময়লৈকে যুৱকজনৰ পৰিচয় জানিব পৰা হোৱা নাই। চিকিৎসালয়ত তেওঁ মৃত্যুৰ সৈতে যুঁজি থকাৰ কথা জানিব পৰা গৈছে। উল্লেখযোগ্য যে গুৱাহাটীৰ পাছতে দ্বিতীয় ৰাজধানী হিচাপে পৰিগণিত হোৱা ডিব্ৰুগড় মহানগৰ আজিকালি উন্নয়নৰ বিভিন্ন ক্ষেত্ৰত আগবাঢ়ি গৈছে যদিও একে সময়তে ড্ৰাগ্‌ছৰ সমস্যাই চহৰখনৰ সামাজিক পৰিৱেশক গভীৰভাৱে প্ৰভাৱিত কৰিছে। বিশেষকৈ একাংশ যুৱক-যুৱতী মাৰাত্মক ড্ৰাগ্‌ছৰ কবলত পৰাৰ ঘটনাই সচেতন মহলক চিন্তিত কৰি তুলিছে। চহৰৰ বিভিন্ন এলেকাত গোপনে তথা কেতিয়াবা মুকলিকৈও ড্ৰাগ্‌ছৰ বেহা চলি থকাৰ অভিযোগ উত্থাপন হৈ আহিছে। আৰক্ষী আৰু জিলা প্ৰশাসনে সময়ে সময়ে ড্ৰাগ্‌ছ বেপাৰীৰ বিৰুদ্ধে অভিযান চলাই বহু লোকক গ্ৰেপ্তাৰ কৰাৰ লগতে বুজন পৰিমাণৰ নিষিদ্ধ সামগ্ৰী জব্দ কৰিছে যদিও ড্ৰাগ্‌ছৰ অবৈধ বেহা সম্পূৰ্ণৰূপে বন্ধ কৰিব পৰা নাই। বিশেষকৈ চহৰৰ কিছুমান নিৰ্দিষ্ট এলেকাত ড্ৰাগ্‌ছ বেপাৰী আৰু আসক্তসকলৰ ঘাটিত পৰিণত হোৱাৰ অভিযোগ বহুদিনৰ পৰাই উত্থাপন হৈ আহিছে। কিন্তু সেই এলেকাসমূহত কঠোৰ আৰু স্থায়ী ব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰত আৰক্ষী প্ৰশাসন বিফল হৈছে বুলি অভিযোগ উত্থাপন হৈছে। স্থানীয় সচেতন ব্যক্তিসকলৰ মতে ড্ৰাগ্‌ছৰ এই ভয়ংকৰ প্ৰসাৰ যদি এতিয়াই নিয়ন্ত্ৰণ কৰা নহয়, তেন্তে অনাগত দিনত ডিব্ৰুগড়ৰ নৱপ্ৰজন্ম অধিক বিপথে পৰিচালিত হোৱাৰ আশংকা আছে। বহু পৰিয়াল ইতিমধ্যে ড্ৰাগ্‌ছৰ বাবে ধ্বংসৰ সন্মুখীন হৈছে বুলি অভিযোগ উঠিছে।

## টী-২০ বিশ্বকাপৰ বাবে ইংলেণ্ডলৈ ভাৰতৰ মহিলা দল

**নতুন দিল্লী, ২৩ মে' ঃ** সমাগত টী-২০ বিশ্বকাপৰ বাবে আজি ইংলেণ্ডলৈ ৰাওনা হ'ল ভাৰতৰ মহিলা ক্ৰিকেট দলটো। ভাৰতীয় দলটোৰ নেতৃত্বত আছে হৰমনপ্ৰীত কৌৰ। টী-২০ বিশ্বকাপৰ পূৰ্বে দলটোৱে ইংলেণ্ডৰ বিৰুদ্ধে তিনিখন মেচৰ টী-২০ ছিৰিজত অংশ ল'ব। বিশ্বকাপত ভাৰতৰ প্ৰথম প্ৰতিদ্বন্দ্বী হ'ব পাকিস্তান। এজবাষ্টনত ১৪ জুনত মেচখন অনুষ্ঠিত হ'ব। ১৭ জুনত নেদাৰলেণ্ডছ, ২১ জুনত দক্ষিণ আফ্ৰিকা, ২৫ জুনত বাংলাদেশ আৰু ২৮ জুনত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে খেলিব ভাৰতে। ভাৰতীয় সময় মতে সন্ধিয়া ৭ বজাৰপৰা মেচ আৰম্ভ হ'ব। ইফালে ইংলেণ্ডৰ বিৰুদ্ধে এদিনীয়া ছিৰিজৰ মেচ তিনিখন ২৮ মে', ৩০ মে' আৰু ২ জুনত অনুষ্ঠিত হ'ব।

## অনাকাংক্ষিত অভিলেখ ভুৱনেশ্বৰৰ



**নতুন দিল্লী, ২৩ মে' ঃ** আই পি এলৰ চলিত ছিজনত চমকপ্ৰদ বলিঙেৰে প্ৰত্যাৱৰ্তন ঘটোৱা আৰ চি বিৰ বেগী বলাৰ ভুৱনেশ্বৰ কুমাৰে কালিৰ মেচখনত অনাকাংক্ষিত অভিলেখ গঢ়ে। ৪ অভাৰত ১২.৭৫ গড়ে তেওঁ কালি ৫১ ৰান খৰচ কৰে। এইবাৰৰ সৰ্বাধিক উইকেট দখলকাৰী বলাৰজনৰ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বেটাৰৰ বিৰুদ্ধে কালি যেন কোনো উত্তৰেই নাছিল। আই পি এলৰ এটা ইনিংছত ৫০ বা ততোধিক ৰান খৰচ কৰাৰ ক্ষেত্ৰত ভুৱনেশ্বৰে কালি মহম্মদ ছামীৰ নামত থকা অনাকাংক্ষিত অভিলেখ স্পৰ্শ কৰে। দুয়োজনে আই পি এলত ৯বাৰকৈ ৫০ বা ততোধিক ৰান খৰচ কৰিছে এটা ইনিংছত। মহম্মদ ছিৰাজ আছে তালিকাৰ দ্বিতীয় স্থানত (৮ বাৰ)।

## নগাঁৱত ৰেংকিং বেডমিণ্টন

**দৈনিক অসমৰ ক্ৰীড়া প্ৰতিনিধি**

**নগাঁও, ২৩ মে' ঃ** হৰিপদ কুমাৰ সোঁৱৰণী য়'নেক্স ছানৰাইজ তৃতীয় সদৌ অসম ৰেংকিং বেডমিণ্টন প্ৰতিযোগিতাৰ অনূৰ্দ্ধ ৯ ল'ৰাৰ ছিংগল্‌ছত ডিগবৈৰ দেৱাজ্ঞ শইকীয়াই বিজয়ীৰ খিতাপ লাভ কৰিছে। ফাইনেলত তেওঁ তিনিচুকীয়াৰ প্ৰাণশুজ্যোতি গগৈক পৰাস্ত কৰে। অনূৰ্দ্ধ ১১ ছোৱালীৰ ছিংগল্‌ছত লখিমপুৰৰ সুপ্ৰিয়া পাউৰে তিনিচুকীয়াৰ ঈক্ষিকা শইকীয়াক হৰুৱাই বিজয়ী হয়। আনহাতে, অনূৰ্দ্ধ ১১ ল'ৰাৰ ছিংগল্‌ছত জয়ী হয় লখিমপুৰৰ ময়ূৰ নিৰ্বাণ কাশ্যপ।



বিশ্বকাপৰ ৱাৰ্ম আপ মেচত মেক্সিকোৰ বিৰুদ্ধে ঘানা। মেচখনত মেক্সিকো ২-০ গ'লত জয়ী হয়।

### জয়ী হ'লেই প্লে' অফত স্থান নিশ্চিত

## মুম্বাইৰ বিৰুদ্ধে আজি ৰাজস্থান ৰয়েলছৰ মৰণপণ যুঁজ



**মুম্বাই, ২৩ মে' ঃ** মুম্বাইৰ ৱাংখাড়ে ষ্টেডিয়ামত কাইলৈ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে মৰণপণ যুঁজত নামিব ৰাজস্থান ৰয়েলছ। কাইলৈ জয়ৰ গত্যন্তৰ নাই ৰিয়ান পৰাগ নেতৃত্বাধীন দলটোৰ। মেচখনত জয়ী হ'লেই ৰাজস্থানে প্লে' অফত প্ৰৱেশ কৰিব। পৰাস্ত হ'লেই চলিত আই পি এলৰ পৰা বাহিৰ হ'ব। ৱাংখেড়েৰ বেটিং সহায়ক পীটচত বৈভৱ সূৰ্যবংশী, যশস্বী জয়ছোৱালৰ প্ৰদৰ্শন গুৰুত্বপূৰ্ণ হ'ব। ষ্টেডিয়ামখনত প্ৰথম ইনিংছত গড় দলীয় স্ক'ৰ হৈছে ২২০। দুয়োটা দলৰ মাজৰ প্ৰতিদ্বন্দ্বিতাৰ অভিলেখলৈ লক্ষ্য কৰিলে আমি পাওঁ যে মুঠ ৩১খনৰ ভিতৰত ৰাজস্থানে ১৫খন মেচত জয়ী হৈছে। মুম্বাই জিকিছে ১৬খনত। বিগত ৭বাৰৰ মুখামুখিত অৱশ্যে ৰাজস্থান ৫বাৰ জয়ী হৈছে। হাৰ্দিক পাণ্ডিয়া নেতৃত্বাধীন মুম্বাই ইণ্ডিয়ানছ দলটো ইতিমধ্যে প্লে' অফৰ দৌৰৰপৰা বাহিৰ হৈছে। ইফালে ৰাজস্থানে ১৩খন মেচত মুঠ ১৩ পইণ্টেৰে তালিকাৰ চতুৰ্থ স্থানত আছে। কাইলৈ দলটোৱে জয়ী হ'লে পঞ্জাব, কলকাতা, দিল্লীৰ প্লে' অফৰ পথো ৰুদ্ধ হ'ব। কাইলৈ বিয়লি ৩.৩০ বজাৰপৰা মেচখন অনুষ্ঠিত হ'ব।

### ■ টেষ্টত গুলপীয়া বলৰ ব্যৱহাৰক লৈ নতুন চিন্তা আই চি চিৰ ■

# ক্ৰিকেটৰ তিনিওটা ফৰ্মেটতে হ'ব পৰিৱৰ্তন !





**নতুন দিল্লী, ২৩ মে' ঃ** ক্ৰিকেটৰ তিনিওটা ফৰ্মেটতে কিছু সাল-সলনি হ'ব পাৰে। ৰঙা বলেৰে আৰম্ভ হোৱা টেষ্ট মেচতো গুলপীয়া বল (পিংক বল) ব্যৱহাৰ কৰা হ'ব পাৰে। কম পোহৰৰ বাবে খেল বন্ধ কৰিব লগা হ'লে এই ব্যৱস্থা লোৱা হ'ব। আই চি চিয়ে এই প্ৰস্তাৱ ল'ব পাৰে। ৰঙা বলৰ টেষ্টত এনেদৰে গুলপীয়া বলৰ ব্যৱহাৰৰ বাবে অৱশ্যে দুয়ো দলৰ অধিনায়কৰ সন্মতিৰ প্ৰয়োজন হ'ব। ইয়াৰ লগতে টেষ্ট মেচ অনুষ্ঠিত হোৱা ষ্টেডিয়ামখনত ফ্লাড লাইটৰ ব্যৱস্থা পূৰ্বৰেপৰা থাকিব লাগিব। দিবা-নৈশ টেষ্টত কিন্তু পূৰ্বৰ দৰে কেৱল গুলপীয়া বলেই ব্যৱহাৰ হ'ব। আই চি চিৰ মুখ্য কাৰ্যবাহী কমিটীৰ ভাৰ্চুৱেল বৈঠকত এই প্ৰস্তাৱ উত্থাপন কৰা হৈছে। ৩০ মে'ত আহমেদাবাদত হ'বলগীয়া আই চি চিৰ বৰ্ডৰ বৈঠকত আলোচনা হ'ব আৰু তাত মঞ্জুৰী পালে ১ অক্টোবৰৰপৰা নতুন নিয়ম প্ৰযোজ্য হ'ব। ইফালে এদিনীয়া ক্ৰিকেটত ড্ৰিংকছ ব্ৰেকৰ সময়ত দলৰ মুখ্য প্ৰশিক্ষকো খেলুৱৈৰ সৈতে আলোচনা কৰিবৰ বাবে খেলপথাৰলৈ যাব পাৰিব। টী-২০ ক্ৰিকেটত প্ৰশিক্ষক খেলপথাৰলৈ যোৱাৰ অনুমতি পূৰ্বৰেপৰা আছে। টী-২০ ক্ৰিকেটত দুটা ইনিংছৰ মাজত পূৰ্বৰ ২০ মিনিটৰ স্থানত বিৰতিৰ সময় ১৫ মিনিটলৈ হ্ৰাস কৰাৰো প্ৰস্তাৱ লোৱা হৈছে। বলাৰৰ সন্দেহজনক একচনৰ বাবে আম্পায়াৰে প্ৰয়োজনত হক আই প্ৰযুক্তিৰ ব্যৱহাৰ কৰিব পাৰিব। এই প্ৰস্তাৱক লৈ ৩০ মে'ৰ বৈঠকত আলোচনা হ'ব।

### ২৬ মে'ত কোৱালিফায়াৰ-১

## গুজৰাটৰ সন্মুখত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু


**নতুন দিল্লী, ২৩ মে' ঃ** আই পি এলৰ চলিত ছিজনৰ প্লে' অফৰ ছবিখন প্ৰায় স্পষ্ট হৈ পৰিছে। কালি নিশাৰ মেচত ছানৰাইজাৰ্ছ হায়দৰাবাদে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক হৰুৱাই মুঠ ১৮ পইণ্ট লাভ কৰে। উন্নত ৰান ৰেটৰ হিচাপত কিন্তু বেংগালুৰুৱে পইণ্ট তালিকাত শীৰ্ষস্থান লাভ কৰে। সেই অনুসৰি ধৰমশালাত ২৬ মে'ত প্ৰথম কোৱালিফায়াৰত গুজৰাট টাইটানছৰ বিৰুদ্ধে খেলিব ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে। গুজৰাটে চেন্নাই ছুপাৰ কিংছক হৰুৱাই ইতিমধ্যে প্লে' অফত স্থান নিশ্চিত কৰিছিল। উন্নত ৰান ৰেটৰ হিচাপত শুভমন গীল নেতৃত্বাধীন দলটোৱে পইণ্ট তালিকাত লাভ কৰে দ্বিতীয় স্থান। হায়দৰাবাদৰো মুঠ পইণ্ট হৈছে ১৮, কিন্তু ৰান ৰেটত পাছপৰি থকাত তেওঁলোক তালিকাৰ তৃতীয় স্থানত থাকে। এতিয়া চতুৰ্থ স্থানৰ বাবে পঞ্জাব কিংছ, ৰাজস্থান ৰয়েলছ, দিল্লী কেপিটেলছ, কলকাতা নাইট ৰাইডাৰ্ছ দৌৰত আছে। উল্লেখ্য যে কোৱালিফায়াৰ-১ত জয়ী হোৱা দলটোৱে পোনে পোনে ফাইনেলত প্ৰৱেশ কৰিব। আনহাতে, পৰাস্ত হোৱা দলটোৱে কোৱালিফায়াৰ-২ত স্থান পাব।

## প্ৰিমিয়াৰ লীগৰ চলিত ছিজনৰ শ্ৰেষ্ঠ খেলুৱৈ ব্ৰুনো ফাৰ্নাণ্ডেজ




**লণ্ডন, ২৩ মে' ঃ** মানচেষ্টাৰ ইউনাইটেডৰ অধিনায়ক ব্ৰুনো ফাৰ্নাণ্ডেজক প্ৰিমিয়াৰ লীগৰ চলিত ছিজনৰ শ্ৰেষ্ঠ খেলুৱৈৰূপে নিৰ্বাচন কৰা হৈছে। পৰ্তুগালৰ মিডফিল্ডাৰজনক ফুটবল ৰাইটাৰ্ছ এছ'চিয়েচনৰ মাহটোৰ পুৰুষ খেলুৱৈৰূপেও ঘোষণা কৰা হৈছে। ফাৰ্নাণ্ডেজে প্ৰিমিয়াৰ লীগত ৩৭খন মেচত ৮টা গ'ল কৰিছিল। ২০১১ চনত নেমানজা ভিডিকৰ পাছত মানচেষ্টাৰ ইউনাইটেডৰ প্ৰথমজন খেলুৱৈৰূপে ছিজনৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে। ফুটবল বিশেষজ্ঞ আৰু ৰাইজৰ ভোটৰ সহায়ত ছিজনৰ শ্ৰেষ্ঠ খেলুৱৈজনক নিৰ্বাচন কৰা হয়। আৰ্ছেনালৰ ডেভিদ ৰায়া, গেব্ৰিয়েল ডেক্লান ৰাইচ, মানচেষ্টাৰ চিটীৰ আৰ্লিং হালাণ্ড আৰু এণ্টইনে ছেমেনয়ো, ব্ৰেণ্টফ'ৰ্ডৰ আইগৰ থিয়াগো আৰু নটিংহাম ফৰেষ্টৰ মৰ্গান গিবছ-হোৱাইটেও এইবাৰৰ মনোনয়ন তালিকাত স্থান পাইছিল। চলিত ছিজনৰ অন্তিমখন মেচ দেওবাৰে ব্ৰাইটনৰ বিৰুদ্ধে খেলিব মানচেষ্টাৰে। পইণ্ট তালিকাত তৃতীয় স্থান লাভেৰে অহাবাৰৰ উৱেফা চেম্পিয়নছ লীগলৈ যোগ্যতা অৰ্জন কৰিছে দলটোৱে।

### আই পি এলত আজিৰ খেল



**ৰাজস্থান ৰয়েলছ**
**বনাম**
**মুম্বাই ইণ্ডিয়ানছ**
**বিয়লি ৩.৩০ বজাৰপৰা**
**স্থান ঃ মুম্বাই**

**কলকাতা নাইট ৰাইডাৰ্ছ**
**বনাম**
**দিল্লী কেপিটেলছ**
**সন্ধিয়া ৭.৩০ বজাৰপৰা**
**স্থান ঃ কলকাতা**

### মহিলাৰ এছিয়ান চেম্পিয়নছ লীগ ফুটবল

## দক্ষিণ কোৰিয়াৰ ভূমিত ঐতিহাসিক জয় উত্তৰ কোৰিয়াৰ দলৰ




**ছিউল, ২৩ মে' ঃ** দক্ষিণ কোৰিয়াৰ ভূমিত মহিলাৰ এছিয়ান চেম্পিয়নছ লীগ ফুটবল টুৰ্নামেণ্টত বিজয়ী হ'ল উত্তৰ কোৰিয়াৰ এটা দল। এয়াই হৈছে ক্ৰীড়াৰ শক্তি। দুখন শত্ৰু ৰাষ্ট্ৰক একত্ৰিত কৰিব পাৰে ক্ৰীড়াই। তাৰেই উৎকৃষ্ট উদাহৰণ এয়া। উত্তৰ কোৰিয়াৰ নাগোহায়াং দলটো টুৰ্নামেণ্টখনৰ ফাইনেলত আজি জাপানৰ টকিঅ' ভাৰ্ডেক ১-০ গ'লত পৰাস্ত কৰে। বিজয়ী দলটোৰ হৈ গ'লটো দিয়ে ফৰৱাৰ্ড কিম কিয়ং-য়ঙে। উল্লেখ্য যে যোৱা দেওবাৰে দক্ষিণ কোৰিয়াৰ ভূমিত খোজ দিছিল উত্তৰ কোৰিয়াৰ মহিলা দলটোৱে। ছেমি ফাইনেলত দক্ষিণ কোৰিয়াৰ ছুৱন দলক ২-১ গ'লত হৰুৱাইছিল তেওঁলোকে। বিগত ৮ বছৰত দক্ষিণ কোৰিয়ালৈ অহা এইটো হৈছে উত্তৰ কোৰিয়াৰ প্ৰথমটো ফুটবল দল। দলটোৱে এই লীগত জয়ী হোৱাৰ লগে লগে অহা বৰ্ষৰ ফিফা মহিলা চেম্পিয়নছ কাপত খেলাৰ বাবেও যোগ্যতা অৰ্জন কৰে। উল্লেখ্য যে নাগোহায়াং দলটো ২০১২ চনত গঠন হৈছিল। কোৰিয়ান ভাষাত দলটোৰ নামৰ অৰ্থ হৈছে 'মোৰ গৃহ চহৰ'। ফাইনেলত জয়ী হোৱাৰ পাছত দক্ষিণ কোৰিয়াৰ ভূমিত হাতত পতাকা লৈ দলটোৱে আনন্দ-উল্লাস কৰাটো লক্ষণীয় হিচাপে বিবেচিত হৈছে।

## গুৱাহাটী মহানগৰ দবা চেম্পিয়নশ্বিপ আৰম্ভ




**গুৱাহাটী, ২৩ মে' ঃ** গুৱাহাটীৰ ৰাধাগোবিন্দ বৰুৱা পথত অৱস্থিত গুৱাহাটী দবা একাডেমীত আজিৰপৰা গুৱাহাটী মহানগৰ দবা চেম্পিয়নশ্বিপ (অনূৰ্দ্ধ ৯ বছৰ) আৰম্ভ হৈছে। তৃতীয় ৰাউণ্ডৰ শেষত অনূৰ্দ্ধ ৯ বছৰ ল'ৰাৰ শাখাত তিনিটা শীৰ্ষ বাছনিৰ মৈত্ৰভ বৰুৱা, দ্বিতীয় বাছনিৰ ৰেয়ান নবিচ, শ্ৰীহান কুমাৰ হোৰ, ঋদ্ধিমান ভূএঃা আৰু গৌৰৱ শৰ্মাই ৩ পইণ্টকৈ সংগ্ৰহ কৰি যৌথভাৱে শীৰ্ষস্থান দখল কৰিছে। মৈত্ৰভে আয়াংশ দাসক, ৰেয়ানে আদ্বিক ঠাকুৰীয়াক, গৌৰৱ শৰ্মাই জিশান কাশ্যপ বৰাক, শ্ৰীহান হোৰে আদ্বিক বণিকক আৰু ঋদ্ধিমান ভূএঃাই বৈভৱ গুৰুঙক পৰাস্ত কৰে। অনূৰ্দ্ধ ৯ বছৰ ছোৱালী শাখাত আদ্বিকা গিৰিয়ে তিনি ৰাউণ্ডৰ অন্তত ৩ পইণ্ট সংগ্ৰহ কৰি এককভাৱে শীৰ্ষস্থান অধিকাৰ কৰিছে। আনহাতে, ছানভি কাশ্যপ আৰু ডৰথী পাটগিৰিয়ে ২.৫ পইণ্টকৈ লাভ কৰি যৌথভাৱে দ্বিতীয় স্থানত আছে। আদ্বিকাই নায়ৰা জৈনক পৰাস্ত কৰি একক শীৰ্ষস্থান লাভ কৰে। আনহাতে, ছানভি আৰু ডৰথীৰ মাজৰ খেল ড্ৰ হয়। প্ৰতিযোগিতাখনত গুৱাহাটীৰ বিভিন্ন প্ৰান্তৰ ৬১গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। প্ৰতিযোগিতাখন উদ্বোধন কৰে সদৌ অসম দবা সন্থাৰ সভাপতি মুকুতা ডেকাই। উদ্বোধনী অনুষ্ঠানত গুৱাহাটী মহানগৰ দবা সন্থাৰ উপ-সভাপতি অভিষেক চক্ৰৱৰ্তী, কোষাধ্যক্ষ ছুজা উল ইছলাম হাজৰিকা, কাৰ্যবাহী সদস্য ৰণদীপ সিন্‌হা আৰু শংকৰ বৰুৱাও উপস্থিত থাকে।

## দুলীয়াজানত আন্তঃস্কুল ফুটবল

**দুলীয়াজান, ২৩ মে' ঃ** দুলীয়াজান ফুটবল একাডেমীৰ উদ্যোগত আজিৰেপৰা ইয়াৰ নেহৰু ময়দানত বৃহত্তৰ দুলীয়াজান আন্তঃস্কুল ফুটবল প্ৰতিযোগিতা আৰম্ভ হৈছে। মিনি ছাব-জুনিয়ৰ আৰু ছাব-জুনিয়ৰ শাখাত অনুষ্ঠিত প্ৰতিযোগিতাৰ ফাইনেল অনুষ্ঠিত হ'ব ৩০ মে'ত। আজি ছাব-জুনিয়ৰ পৰ্যায়ত ক্ৰিষ্ট কিং হাইস্কুল দলে নিউ ভিষ্টা স্কুলক ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। দুয়োটা শাখাতে মুঠ ১৮টা দলে ভাগ লৈছে। প্ৰতিযোগিতাখন উদ্বোধন কৰে অইল ইণ্ডিয়াৰ মহাপ্ৰবন্ধক ৰাণা ভৰালীয়ে। অনুষ্ঠানত উপস্থিত থাকে ডাঃ বিৰাজ হাজৰিকা, মনোজ দাস, ৰাজীৱ চেতিয়া আৰু ভাস্কৰজ্যোতি গগৈ। আদৰণী ভাষণ দিয়ে একাডেমীৰ সভাপতি মাধৱ বুঢ়াগোহাঁয়ে।

## আজি যোৰহাট ছুইমিং ছ'চাইটীৰ বৰ্ষপূৰ্তি

**যোৰহাট, ২৩ মে' ঃ** যোৰহাটত সাঁতোৰ প্ৰশিক্ষণৰ ধাৰাবাহিকতা ৰক্ষা কৰি যোৰহাট ছুইমিং ছ'চাইটীয়ে ৪০ সংখ্যক বৰ্ষত ভৰি দিছে। যোৰহাটত সাঁতোৰ প্ৰশিক্ষণ প্ৰদানৰ বাবে ১৯৮৭ চনৰ ২৪ মে'ত অনুষ্ঠিত ছ'চাইটীৰ সাধাৰণ সভাত ৰক্তিম শইকীয়াক সভাপতি, প্ৰয়াত সমীৰণ বৰদলৈক সাধাৰণ সম্পাদক, জিলা আয়ুক্তক পৃষ্ঠপোষক, ৪গৰাকীকৈ উপদেষ্টাক লৈ ২৪জনীয়া পূৰ্ণাংগ কমিটী গঠিত হৈছিল। সেই সময়ৰপৰা পৰ্যায়ক্ৰমে তিনিকোণীয়া পুখুৰীৰ একাংশ, যোৰহাট ক্লাবৰ কাষৰ পুখুৰীত, তাৰ পাছত ২০টা বছৰ ধৰি যোৰহাট জলসিঞ্চন বিভাগৰ এটা পুখুৰীত সাঁতোৰ প্ৰশিক্ষণ চলাই যোৱাৰ পাছত ২০১১ চনত যোৰহাট ষ্টেডিয়ামৰ পূব দিশত গঢ় লৈ উঠা ছুইমিং পুলত বৰ্তমানে সাঁতোৰ প্ৰশিক্ষণ চলি আছে। এই সুদীৰ্ঘ সময়ছোৱাত বহুকেইগৰাকী প্ৰতিভাৱান সাঁতোৰ খেলুৱৈয়ে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত পদক অৰ্জনেৰে ছ'চাইটীলৈ তথা দেশলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। কাইলৈ ছ'চাইটীৰ গৌৰৱোজ্জ্বল ৪০ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে ছ'চাইটীয়ে আয়োজন কৰিছে প্ৰতিষ্ঠা দিৱসৰ। এই উপলক্ষে সদৌ অসম ভিত্তিত প্ৰাইজমানী আন্তঃক্লাব ৱাটাৰ প'ল' প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। লগতে ১৯৮৭ চনৰ ২৪ মে'ত অনুষ্ঠিত ছ'চাইটীৰ সাধাৰণ সভাত উপস্থিত সদস্যমণ্ডলী আৰু ছ'চাইটীৰ প্ৰতিষ্ঠাকালৰ ৬গৰাকী সাঁতোৰ প্ৰশিক্ষকক সম্বৰ্দ্ধনা জনাব। অসম সাঁতোৰ সংস্থাৰ সম্পাদক তথা ছুইমিং ফেডাৰেচন অব ইণ্ডিয়াৰ উপ-সভাপতি ভাস্কৰ ৰঞ্জন দাসে মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰিব।

## টিহুৰ নিশা ঠাকুৰীয়াৰ সাফল্য

**দৈনিক অসমৰ প্ৰতিনিধি**

**টিহু, ২৩ মে'ঃ** টিহুৰ প্ৰাক্তন ৰাষ্ট্ৰীয় ভলীবল খেলুৱৈ গুৰু প্ৰসাদ ঠাকুৰীয়া আৰু কল্পনা ঠাকুৰীয়াৰ কনিষ্ঠ কন্যা নিশা ঠাকুৰীয়াই কটন বিশ্ববিদ্যালয়ত অনুষ্ঠিত সদৌ অসম আন্তঃশিক্ষানুষ্ঠান টাইকোৱানডো চেম্পিয়নশ্বিপত ছোৱালীৰ ৪৬ কিলোগ্ৰাম শাখাত পাঠশালা শিক্ষাপীঠ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ হৈ প্ৰতিনিধিত্ব কৰি স্বৰ্ণ পদক লাভ কৰি শিক্ষানুষ্ঠানখনৰ লগতে টিহুলৈ গৌৰৱ কঢ়িয়াই আনিছে।

## ৰাষ্ট্ৰীয় ড্ৰিপ বলত অসমৰ তৃতীয় স্থান



**দৈনিক অসমৰ প্ৰতিনিধি**

**মৰিয়নি, ২৩ মে' ঃ** সৰ্বভাৰতীয় ড্ৰিপ বল এছ'চিয়েচনৰ উদ্যোগত অন্ধ্ৰপ্ৰদেশৰ তিৰুপতিৰ কে ভি এছ স্প'ৰ্টছ পাৰ্কত অনুষ্ঠিত প্ৰথম ৰাষ্ট্ৰীয় ড্ৰিপ বল ফেডাৰেচন কাপ চেম্পিয়নশ্বিপত অসমৰ ল'ৰাৰ দলে তৃতীয় স্থান দখল কৰিবলৈ সক্ষম হৈছে। কুৰিখন ৰাজ্যই অংশগ্ৰহণ কৰা এই চেম্পিয়নশ্বিপত মহাৰাষ্ট্ৰই প্ৰথম আৰু কেৰালাই দ্বিতীয় স্থান দখল কৰে। প্ৰথমবাৰৰ বাবে আয়োজিত এই চেম্পিয়নশ্বিপত তৃতীয় স্থান দখলেৰে অসমৰ ল'ৰাৰ দলটোৱে গৌৰৱ কঢ়িয়াই আনিছে। চেম্পিয়নশ্বিপখনৰ লীগ পৰ্যায়ৰ খেলত অসমৰ দলটোৱে দৰ্শনীয় খেল প্ৰদৰ্শন কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে। কালি অনুষ্ঠিত ছেমিত মহাৰাষ্ট্ৰৰ হাতত পৰাস্ত হৈ তৃতীয় স্থানতে ক্ষান্ত থাকে। সৰ্বভাৰতীয় ড্ৰিপ বল এছ'চিয়েচনৰ উত্তৰ-পূৰ্বাঞ্চলৰ কাৰ্যবাহী অসমৰ ভাৰতী ৰয়ে এটা বিবৃতিযোগে এয়া প্ৰকাশ কৰিছে।

## নৱজ্যোতি কাৰাটে ডো একাডেমীৰ সফলতা



**গুৱাহাটী, ২৩ মে' ঃ** দ্য ৱৰ্ল্ড ট্ৰেডিচনেল শ্বটোকান কাৰাটে ফেডাৰেচন ইণ্ডিয়াৰ ২৪সংখ্যক ৰাষ্ট্ৰীয় কাৰাটে প্ৰশিক্ষণ শিবিৰ আৰু ৰাষ্ট্ৰীয় প্ৰতিযোগিতাখন গুৱাহাটীৰ দিছপুৰস্থিত ভোগেশ্বৰী ফুকননী ইনড'ৰ ষ্টেডিয়ামত ফেডাৰেচনৰ অসম শাখাৰ উদ্যোগত যোৱা ১৫-১৭ মে'ত তিনিদিনীয়াকৈ অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত ডব্লিউ টি এছ কে এফ আইৰ সন্থাৰ মুখ্য প্ৰশিক্ষক সত্ৰজিৎ চৌধুৰীৰ উপস্থিতিত অনুষ্ঠিত ব্লেক বেল্ট ডিগ্ৰীৰ পৰীক্ষাত দেশৰ অন্য ৰাজ্যৰ লগতে নৱজ্যোতি কাৰাটে ডো একাডেমীৰ পৰীক্ষাৰ্থী ক্ৰমে শ্ৰেয়াংশ দাস, প্ৰাণজিৎ ৰাভা, হৃষিদ লেখাৰু, মন্দনীল পাটগিৰি, অচিন্ত্য ৰাজবংশী, তপত্য ডেকা, ৰূপজ্যোতি নাথ, জয়দীপ ৰত্নই ব্লেক বেল্ট ডিগ্ৰী পাবলৈ সক্ষম হয়। আনহাতে, ১৬ মে' আৰু ১৭ মে'ত অনুষ্ঠিত ৰাষ্ট্ৰীয় কাৰাটে প্ৰতিযোগিতাখনৰ বিভিন্ন শাখাত শ্ৰেয়াংশ দাসে দুটা স্বৰ্ণ, কল্যাণ দাসে এটা স্বৰ্ণ, নিবিড় ৰঞ্জন বৰাই এটা স্বৰ্ণ, এটা ব্ৰঞ্জ, দীশান্ত বেজবৰুৱাই এটা ৰূপ, এটা ব্ৰঞ্জ, প্ৰাণজিৎ ৰাভাই এটা ৰূপ, এটা ব্ৰঞ্জ, অনালিশা ৰত্নই এটা ৰূপ, এটা ব্ৰঞ্জ, ক্ৰমে জয়দীপ কলিতা, জ্যোতিদীপ কলিতা, কৃষ্ণাভ তালুকদাৰ, বিষ্ণু কুমাৰ, তপত্য ডেকাই ব্ৰঞ্জৰ পদক লাভ কৰে। পদক জয়ী খেলুৱৈসকলে গাড়ীগাঁও নৱজ্যোতি কাৰাটে ডো একাডেমীৰ মুখ্য প্ৰশিক্ষক পৱিত্ৰ ৰাজবংশীৰ তত্ত্বাৱধানত প্ৰশিক্ষণ লৈ আছে।

### সদৌ অসম আন্তঃশিক্ষানুষ্ঠান টাইকোৱানডোৰ সামৰণি

## সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ শ্ৰেষ্ঠত্ব অৰ্জন




**গুৱাহাটী, ২৩ মে' ঃ** মহানগৰীৰ ঐতিহ্যমণ্ডিত সন্দিকৈ ছোৱালী মহাবিদ্যালয়ে সদৌ অসম আন্তঃশিক্ষানুষ্ঠান টাইকোৱানডো প্ৰতিযোগিতাত শ্ৰেষ্ঠ শিক্ষানুষ্ঠানৰ সন্মান অৰ্জন কৰিছে। মহাবিদ্যালয়খনে ৪টা স্বৰ্ণ, ৩টা ৰূপ আৰু ১০টা ব্ৰঞ্জসহ মুঠ ১৭টা পদক লাভ কৰে। কটন বিশ্ববিদ্যালয়ৰ উদ্যোগত আৰু অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালকালয়ৰ সহযোগত অনুষ্ঠিত দুদিনীয়া (২২-২৩ মে'ত) প্ৰতিযোগিতাখনত উদ্যোক্তা কটন বিশ্ববিদ্যালয়ে লাভ কৰে দ্বিতীয় শ্ৰেষ্ঠ শিক্ষানুষ্ঠানৰ সন্মান। কটনে দখল কৰে ২টা স্বৰ্ণ, ৪টা ৰূপ আৰু ৯টা ব্ৰঞ্জসহ মুঠ ১৫টা পদক। কটন বিশ্ববিদ্যালয়ৰ ডাঃ টালিমেৰাণ আও ইনড'ৰ ষ্টেডিয়ামত আজি সামৰণি পৰা প্ৰতিযোগিতাখনত ৰাজ্যৰ ৬০খন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ পৰা অহা প্ৰায় ২৭৫গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। কিউৰোগী শাখাত অনুষ্ঠিত জুনিয়ৰ আৰু ছিনিয়ৰ শাখাৰ উচ্চতৰ মাধ্যমিকৰপৰা স্নাতকোত্তৰ পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনৰ সামৰণী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে কটন বিশ্ববিদ্যালয়ৰ পূৰ্বৰ ছাত্ৰ কল্যাণ সঞ্চালক ডঃ প্ৰশান্ত শৰ্মা আৰু কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ কল্যাণ সঞ্চালক ডঃ গুণেন্দ্ৰ চন্দ্ৰ দাস। অনুষ্ঠানটোত কুৰিগৰাকী টাইকোৱানডো খেল পৰিচালক আৰু বিচাৰকক সম্বৰ্দ্ধনা জনোৱা হয়।

দৈনিক অসম প্ৰাইভেট লিমিটেডৰ পৰিচালন সঞ্চালক কিশোৰ বৰাৰ হৈ জ্যোতিষ পৱন বৰদলৈৰ দ্বাৰা আৰ্কন আৰ্কেড, ২-এ, দ্বিতীয় মহলা, ডাঃ বি বৰুৱা ৰোড, গুৱাহাটী, অসম, পিন-৭৮১০০৭ৰপৰা প্ৰকাশিত আৰু জি এল পাব্লিকেচনছ লিমিটেড, সাতগাঁও, গুৱাহাটী-২৭ত মুদ্ৰিত। টেলিফোন ঃ ৮৮১১৮-৮১০২৪, ০৩৬১-৩২৪৪৬৩৩। ই-মেইল ঃ dainikasam@gmail.com, dainikasam.marketing@gmail.com
কাৰ্যবাহী সম্পাদক ঃ শংকৰ লস্কৰ

দৈনিক অসম
দেওবৰীয়া
চ'ৰা
দেওবাৰ, ২৪ মে', ২০২৬
Sunday, May 24, 2026



# এখনেই আকাশ

**কুইন জি তালুকদাৰ**

এখনেই আকাশ
মূৰ তুলি চাওঁ

এখনেই আকাশ
নৈৰ বুকুৰেদি
পানী হৈ উটি যাওঁ

এখনেই আকাশ
গাড়ীৰ আইনাত
চলন্ত জীৱন কঢ়িয়াওঁ

এখনেই আকাশ
ৰ'দ আৰু বৰষুণৰ
সাহস চাওঁ...

এখনেই আকাশ
বেলি আৰু জোনৰ
পোহৰ সজাওঁ

ফোন ঃ ৮৭২৪০ ২৭০৬০




# সীমাৰ সিপাৰে দেশৰ মানুহ

**শাব্দিক আলাপ**

**ডঃ তন্ময়ী ৰাণী নেওগ**




বিচাৰি পালোঁ এনে **এখন ভাৰত, যাৰ অৱস্থিতি ভৌগোলিক সীমাৰেখাৰ ভিতৰতে আবদ্ধ** নহয়, কিন্তু মানুহৰ মনৰ ভিতৰত জীয়াই আছে; যি সময় আৰু স্থানৰ পৰিধি **নেওচি প্ৰতিটো প্ৰজন্মৰ হাতত নতুন ৰূপত গঢ়ি উঠিছে আৰু তথাপি** কোনোবাখিনিত নিজৰ অস্তিত্ব অক্ষুণ্ণ ৰাখিছে।

নেদাৰলেণ্ডৰ লাইডেনৰ এখন ভাৰতীয় দোকানত এপ্ৰিল মাহৰ এটা সাধাৰণ মঙলবৰীয়া আবেলিৰ কথা। দোকানখন বেচ ডাঙৰ, কাষতে থাই টেক-এৱে এখন আৰু ফাৰ্মাচী এখন। দোকানৰ ভিতৰত জাপি থোৱা কাৰ্টনবোৰত চাউলৰ বেগ আৰু মছলাৰ পেকেটবোৰ আছিল। বস্তুবোৰৰ নামবোৰ কোনো অসুবিধা নোহোৱাকৈ পঢ়িব পাৰিছিলোঁ, কিয়নো হিন্দী আৰু ইংৰাজীত লিখা আছিল। হঠাৎ নাকত এটা গোন্ধ লাগিল— হালধি, জীৰা আৰু শুকান আমৰ এক বিশেষ গোন্ধ, চিনাকি গোন্ধ। দেখিলোঁ মানুহজনে ৰুটি-আচাৰ খাই আছে। দিনৰ ১২ বাজিছে, নিশ্চয় দুপৰীয়া আহাৰ গ্ৰহণ কৰিছে।

কাউণ্টাৰত বহি ৰুটি খাই থকা মানুহজনৰ বয়স হয়তো পঞ্চাশৰ ঘৰত আছিল। নিজে বিচাৰি নাপাই তেওঁক হিন্দীতে সুধিলোঁ পাঁচফোৰণ ক'ত থৈছে। তেওঁ মোৰ ফালে এনে এটা প্ৰকাশেৰে চালে যিটো সৌহাৰ্দ্যমূলক আছিল যদিও মোৰ লাগিল তেওঁ বুজি পোৱা নাই। হঠাৎ ডাচ ভাষাত কিবা ক'লে, এইবাৰ মই বুজি নাপালোঁ। ক'লোঁ ইংৰাজী আৰু জাৰ্মানহে পাৰিম ক'বলৈ। হিন্দীয়ে সংযোগ স্থাপন কৰাৰ পৰিৱৰ্তে এক প্ৰাচীৰহে সৃষ্টি কৰিলে। ওচৰতে শাক-পাচলি সজাই থকা এগৰাকী মহিলাই মানুহজনক এনে এটা ভাষাত কিবা এটা ক'লে যিটো মই কেতিয়াও শুনা হিন্দীৰ কোনো সংস্কৰণ নাছিল অথচ কিবা এটা মিল আছে। ধৰিব পাৰিছোঁ কিন্তু বুজি পোৱা নাই।

'আপুনি ভাৰতৰ পৰা আহিছে?'— মহিলাগৰাকীয়ে




মোক ইংৰাজীত সুধিলে।

'হয়, মই ভাৰতৰে,'— মই ক'লোঁ। 'আৰু আপুনি?' আপোনালোক ভাৰত'ৰ ক'ৰ...

'আমি চুৰিনামী হিন্দুস্তানী। আমাৰ পৰিয়াল চুৰিনামৰ (Suriname) পৰা আহিছে'— তেওঁ ক'লে। 'মোৰ আজো-ককা, তেওঁক চুৰিনামলৈ বনুৱা হিচাপে বহুত বছৰৰ আগতে লৈ গৈছিল। মই কেতিয়াও ভাৰতলৈ গৈ পোৱা নাই। মোৰ মা-দেউতাৰেও ভাৰতত ভৰি দি নাপালেই, এতিয়া তেওঁলোক এই পৃথিৱীত নাই। ককা গৈছিল নেকি এবাৰমান!'

মোক পাঁচফোৰণৰ পেকেট দুটা দিলে। মই যাৱতীয় আৰু দুটামান বস্তু লৈ উভতিলোঁ। মানুহজনৰ কথাখিনিয়ে মোক আমনি কৰি থাকিল। ভাবিলোঁ আজি লাইব্ৰেৰীত এওঁলোকৰ বিষয়ে পঢ়িম। কফি কাপ খায়ে লাইব্ৰেৰীলৈ ওলালোঁ।

ভাৰতীয় নোহোৱাকৈ ভাৰতীয় হোৱাৰ অৰ্থ কি? তেওঁলোকৰ পৰিচয় কি? মানুহৰ পৰিচয় স্থায়ীনে? এই প্ৰশ্নবোৰৰ গুৰুত্ব বুজি ইণ্টাৰনেটত গ্ৰন্থসূচীত দুখনমান কিতাপ দেখিলোঁ।পঢ়িবলৈ বহিলোঁ। সেই দোকানৰ মানুহজনৰ দৰে হাজাৰ হাজাৰ লোক সমগ্ৰ নেদাৰলেণ্ডত সিঁচৰতি হৈ আছে। তেওঁলোকে নিজকে চুৰিনামী হিন্দুস্তানী বুলি চিনাকি দিয়ে। সেইসকলে একেলগে চুৰিনামী প্ৰব্ৰজনকাৰী সমাজখন গঠন কৰিছে।

আধুনিক পৃথিৱীৰ বহুতো কাহিনীৰ দৰেই এই কাহিনীও আৰম্ভ হয় ঔপনিৱেশিকতাবাদ আৰু সাম্ৰাজ্যসমূহৰ ভোকৰ পৰা। সোতৰ শতিকাত, যেতিয়া ডাচসকলে দক্ষিণ আমেৰিকাৰ উত্তৰ উপকূলৰ চুৰিনামত নিজকে প্ৰতিষ্ঠা কৰিছিল, তেতিয়া তেওঁলোকে চেনিক কেন্দ্ৰ কৰি এক সাম্ৰাজ্য গঢ়ি তুলিছিল। চেনি মানেই আছিল সম্পদ আৰু সম্পদ মানেই আছিল মানৱ শ্ৰমৰ নিৰ্দয় শোষণ। যেতিয়া ডাচ উপনিৱেশবোৰত দাসপ্ৰথাৰ বিলুপ্তি অনিবাৰ্য যেন লাগিল, তেতিয়া খেতিয়কসকলে বনুৱাৰ বিকল্প উৎসৰ সন্ধান কৰিলে। তেওঁলোকে ভাৰতৰ ফালে দৃষ্টি নিক্ষেপ কৰিলে। দাৰিদ্ৰ্য, ঔপনিৱেশিকৰণ আৰু স্থানান্তৰৰ বাবে দুৰ্বল হৈ পৰা মানৱ দেহৰ অফুৰন্ত ভাণ্ডাৰ তেতিয়াৰ ভাৰত। ১৮৭৩ চনৰ পৰা ১৯১৬ চনৰ ভিতৰত সাতত্ৰিশ হাজাৰতকৈও অধিক ভাৰতীয় পুৰুষ, মহিলা আৰু শিশুক চুক্তিবদ্ধ বনুৱা (indentured labor) হিচাপে চুৰিনামলৈ লৈ যোৱা হৈছিল। কিছুমান তথ্যই ইংগিত দিয়ে, তেওঁলোকক কোৱা হৈছিল যে তেওঁলোকে এটা নিৰ্দিষ্ট সময়ৰ বাবে কাম কৰিব আৰু তাৰ পিছত সাঁচি থোৱা ধনেৰে ঘৰলৈ ঘূৰি আহিব। বেছিভাগেই কিন্তু কেতিয়াও ভাৰতত পুনৰ ভৰি দিবলৈ নাপালে।


'মিডল পেছেজ' (The Middle Passage ) আমাৰ সামূহিক কল্পনাত আটলাণ্টিক মহাসাগৰীয় দাস বাণিজ্যৰ সমাৰ্থক হৈ পৰিছে, কিন্তু চুক্তিবদ্ধ বনুৱা প্ৰথাৰো নিজা এক সুকীয়া ভয়াৱহতা আছিল। ভাৰতীয় চুক্তিবদ্ধ বনুৱাসকলে এনে কিছুমান জাহাজত যাত্ৰা কৰিছিল যিবোৰ বন্দী আফ্ৰিকানসকলক কঢ়িয়াই নিয়া জাহাজবোৰতকৈ কোনোগুণে কম কষ্টকৰ নাছিল। এই যাত্ৰাতে হাজাৰ হাজাৰ মানুহৰ মৃত্যু হৈছিল। যিসকল জীয়াই থাকিল, তেওঁলোকে এনে এক পৰিৱেশত ভৰি দিলে যিটো সকলো ফালৰ পৰাই অচিনাকি আছিল। গৰমটো হয়তো চিনাকি আছিল বা বৰষুণৰ পিছৰ মাটিৰ গোন্ধটো, কিন্তু বাকী সকলোবোৰতে ষড়যন্ত্ৰ এটাৰ গোন্ধ আছিল। কষ্টকৰ কাম আৰু সেই পৰিৱেশৰ ৰোগসমূহ ভাৰতীয় উপ-মহাদেশৰ জলবায়ুৰ শৰীৰৰ বাবে অজ্ঞাত আছিল। ভাষাও বুজি নাপাইছিল তেওঁলোকে। তেওঁলোকৰ চাৰিওফালে থকা মুখবোৰ অচিনাকি-ক্ৰেওল (Creole), খিলঞ্জীয়া আৰু ইউৰোপীয় লোক বেছিকৈ আছিল। চুৰিনামৰ সামাজিক স্তৰবিন্যাস তেওঁলোকে এৰি অহা স্তৰবিন্যাসতকৈ পৃথক হ'লেও, কোনোগুণে কম কঠোৰ নাছিল বা তেওঁলোকক আবদ্ধ কৰাৰ বাবে কম পৰিকল্পিত নাছিল।

তথাপি মানুহৰ এক অপূৰ্ব ক্ষমতা আছে যে কঠিনতকৈও কঠিন পৰিস্থিতিতো তেওঁলোকে অৰ্থ আৰু সমাজ গঢ়ি তুলিব পাৰে। ভাৰতীয় বনুৱাসকলে নতুনকৈ সমাজ এখন গঢ়ি তুলিবলৈ আৰম্ভ ২ পৃষ্ঠাত চাওক

'আপুনি ভাৰতৰপৰা আহিছে?'— মহিলাগৰাকীয়ে মোক ইংৰাজীত সুধিলে। 'হয়, মই ভাৰতৰে,'— মই ক'লোঁ। 'আৰু আপুনি?' আপোনালোক ভাৰত'ৰ ক'ৰ...



# সমুদ্ৰ সৈকতত অসমীয়া সাহিত্য








**নোমল মাহাত্তা**

অসমীয়া সাহিত্যৰ বাছকবনীয়া ৰচনাসমূহ অধ্যয়ন কৰিলে এটা ধাৰণা ক্ৰমান্বয়ে বদ্ধমূল হৈ আহে যে অসমীয়া সাহিত্যই বিশ্ব সাহিত্যৰ সৈতে ফেৰ মাৰিব পৰাকৈ বিস্তৃতি তথা বিচিত্ৰতা লাভ কৰিছে; মাত্ৰ আমি সতৰ্ক সজাগ হৈ নিজস্ব সৃষ্টিৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰাৰ প্ৰয়োজনীয়তা আছে। আৰ্নেষ্ট হেমিংৱে ৰচনা কৰা মহাকাব্যিক ৰচনা 'দ্য অ'ল্ড মেন এণ্ড দ্য ছি' বাৰম্বাৰ অধ্যয়ন কৰিলে প্ৰতিবাৰতে উপন্যাসখনৰ মাজত এজন উৎসাহী পাঠকে নিজকে ভিন্ন ৰূপত আৱিষ্কাৰ কৰে। এজন বৃদ্ধ মাছমৰীয়া ছাণ্টিয়াগোৱে চৌৰাশি দিন ধৰি মাছ ধৰিব পৰা নাই; ডেকা মাছুৱৈ মেন'লিন সহযোগী হিচাপে থাকি তেওঁক অনুপ্ৰেৰণা যোগাই থাকে। পঁচাশী দিনৰ দিনা তেওঁ নাও লৈ ওলাই যায় আৰু দিনান্তত এটা বিয়াগোম মাৰ্লিন মাছ ধৰিবলৈ সক্ষম হয় আৰু ইয়াক পাৰলৈ লৈ আহিবলৈ কৰা সংগ্ৰাম; মাজসাগৰত চাৰ্কবিলাকে কৰা আক্ৰমণ; বৃদ্ধ মাছমৰীয়াই জাকে জাকে অহা চাৰ্কবিলাকৰ সৈতে ব'ঠা আৰু কটাৰীৰে যুঁজাৰ দৃশ্যৰ অন্তত তৃতীয় দিনা যেতিয়া সাগৰৰ পাৰত উপস্থিত হ'ল; অৱশ হৈ ছাণ্টিয়াগো শুবলৈ গ'ল; পৰ্যটকসকলৰ লগতে বৃহৎসংখ্যক স্থানীয় লোক সাগৰৰ পাৰত উপস্থিত হৈ নাৱতকৈ দীঘল ওঠৰ (১৮) ফুটৰ এটা মাৰ্লিন মাছৰ কংকাল দেখা পাই আচৰিত হ'ল। ডেকা মাছুৱৈ মেন'লিনে ছাণ্টিয়াগোক জীৱিত অৱস্থাত প্ৰত্যক্ষ কৰি স্বস্তিৰ নিশ্বাস পেলালে অৰু দুয়ো মাছ মাৰিব যাবলৈ আকৌ সংকল্পবদ্ধ হ'ল। চৰিত্ৰটিয়ে মানৱীয় জীৱনৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামক প্ৰতীকধৰ্মিতাৰে উপস্থাপন কৰিছে। জীৱন সাগৰত মানুহৰ জীয়াই থকাৰ অনন্ত সংগ্ৰাম আৰু অন্তঃসাৰশূন্য পৰিণতি; বিজয় বা পৰাজয় জীৱনৰ বিষয়বস্তু নহয়; মানৱীয় জীৱন হৈছে সংগ্ৰামৰ এক অনন্তগাথা; এক বিৰামহীন সংগতিপূৰ্ণ সংকল্প; জীৱন ধ্বংস হৈ যাব পাৰে কিন্তু জীৱন জিজ্ঞাসাৰ অনন্ত অন্বেষণৰ যুঁজ সদায় অপৰাজেয়।

বিষয়বস্তুৰ ভিন্নতা থাকিলেও হোমেন বৰগোহাঞিয়ে ৰচনা কৰা 'অস্তৰাগ' এখন কালজয়ী উপন্যাস। ছাণ্টিয়াগো আৰু দিলীপৰ চৰিত্ৰ দুটাৰ বৈশিষ্ট্যকৰণৰ ক্ষেত্ৰত উৎকৃষ্ট চিন্তামূলক নিবিড়তা লক্ষ্য কৰা যায়; চাৰিকড়িয়া নদীৰ ২ পৃষ্ঠাত চাওক

জ্ঞানপীঠ বঁটা বিজয়িনী ডঃ অমৃতা **প্ৰীতমে কৈছিল— পৃথিৱীৰ শ্ৰেষ্ঠ দহটা গল্পৰ ভিতৰত** মামণি ৰয়ছম গোস্বামীৰ 'সংস্কাৰ' নামৰ গল্পটো **অন্তৰ্ভুক্ত হ'ব পাৰে। প্ৰয়োজনীয়।**

# এল্ নিনো



**বিপুলজ্যোতি শইকীয়াৰ কলম**

অতি সম্প্ৰতি গোটেই পৃথিৱীতে 'এল্ নিনো' (El Niño) নামেৰে পৰিচিত জলবায়ুগত পৰিঘটনাটোৰ বিষয়ে বৰকৈ আলোচনা হৈছে। বিজ্ঞানীসকলে সতৰ্ক কৰি দিছে যে ২০২৬ চনত এক অতি শক্তিশালী, আনকি 'ছুপাৰ এল্ নিনো'ও সৃষ্টি হ'ব পাৰে। যদি সেয়া হয়, তেন্তে বিশ্বজুৰি তাপপ্ৰৱাহ, খৰাং, বানপানী আদি বৃদ্ধি পাব; কৃষি উৎপাদন হ্ৰাস পাব আৰু সেয়ে খাদ্যৰ সংকট হ'ব; আৰু ভাৰতীয় মৌচুমী বৰষুণত বিঘিনি ঘটিব। আমেৰিকাৰ National Oceanic and Atmospheric Administration (NOAA), অষ্ট্ৰেলিয়া, ইউৰোপ আৰু ভাৰতৰ জলবায়ু বিজ্ঞানীসকলে ইতিমধ্যে প্ৰশান্ত মহাসাগৰৰ পানীৰ অস্বাভাৱিক উষ্ণতা লক্ষ্য কৰি এই বিষয়টো সূক্ষ্মভাৱে পৰ্যৱেক্ষণ কৰি আছে।

এল্ নিনো কি? এল্ নিনো হৈছে প্ৰশান্ত মহাসাগৰৰ মধ্য আৰু পূব অংশৰ সমুদ্ৰপৃষ্ঠৰ পানী অস্বাভাৱিকভাৱে উষ্ণ হৈ উঠাৰ ফলত সৃষ্টি হোৱা এক স্বাভাৱিক জলবায়ুগত প্ৰক্ৰিয়া। ই এক স্বাভাৱিক প্ৰক্ৰিয়া, ইয়াত অস্বাভাৱিকতা একো নাই। ই বৃহত্তৰ ENSO (El Niño–Southern Oscillation) নামেৰে পৰিচিত এক জলবায়ু চক্ৰৰ এটা অংশ। ইয়াৰ বিপৰীত অৱস্থাটোক কোৱা হয় 'লা নিনা' (La Niña),—যেতিয়া সমুদ্ৰপৃষ্ঠৰ পানী স্বাভাৱিকতকৈ অধিক পৰিমাণে শীতল হয়।

স্বাভাৱিক অৱস্থাত বিষুৱৰেখাৰ গাতে গা লগাই পূবৰ পৰা পশ্চিমলৈ বাণিজ্য বতাহ (trade wind) নামেৰে পৰিচিত এছাটি বতাহ বয়। এই বতাহে সমুদ্ৰপৃষ্ঠৰ উষ্ণ জলৰাশিক ইণ্ডোনেছিয়া আৰু অষ্ট্ৰেলিয়াৰ দিশলৈ ঠেলি নিয়ে। ফলত দক্ষিণ আমেৰিকাৰ পশ্চিম উপকূলত গভীৰ সমুদ্ৰৰ পৰা শীতল আৰু পুষ্টিসমৃদ্ধ পানী ওপৰলৈ উঠি আহে। এই প্ৰক্ৰিয়াক 'আপৱেলিং' (upwelling) বোলা হয়, যাৰ ওপৰত স্থানীয় মৎস্যজীৱী ৰাইজৰ অৰ্থনীতি বহুলাংশে নিৰ্ভৰ কৰে।

কিন্তু এল্ নিনোৰ সময়ত এই বাণিজ্য বতাহ দুৰ্বল হৈ পৰে অথবা কেতিয়াবা বিপৰীত দিশলৈও বয়। ফলত উষ্ণ পানী পূব দিশলৈ বিয়পি পৰে আৰু প্ৰশান্ত মহাসাগৰৰ বিশাল অঞ্চলৰ বায়ুমণ্ডলীয় পৰিৱেশ সলনি হৈ যায়। এই পৰিৱৰ্তনৰ ফলস্বৰূপে পৃথিৱীৰ বিভিন্ন অঞ্চলত বৰষুণ, তাপমাত্ৰা আৰু বায়ু চাপৰ স্বাভাৱিক অৱস্থাবোৰ বিঘ্নিত হৈ পৰে। কোনো ঠাইত ভয়ংকৰ খৰাং হ'ব পাৰে, আন কোনো অঞ্চলত আকৌ অতিবৃষ্টি আৰু বানপানী হ'ব পাৰে। সাধাৰণতে প্ৰতি দুইৰ পৰা সাত বছৰৰ ভিতৰত এবাৰ এল্ নিনো দেখা যায় আৰু ই প্ৰায় এবছৰ বা তাতকৈ অধিক সময় স্থায়ী হ'ব পাৰে।

কিন্তু ২০২৬ চনক লৈ বিজ্ঞানীসকল চিন্তিত কিয়?

শেহতীয়া তথ্য অনুসৰি প্ৰশান্ত মহাসাগৰৰ পানী অত্যন্ত দ্ৰুতগতিৰে উষ্ণ হ'বলৈ আৰম্ভ কৰিছে। NOAA আৰু আন বহু আন্তৰ্জাতিক সংস্থাই ২ পৃষ্ঠাত চাওক





অত্যধিক গৰমে **হিটষ্ট্ৰ'ক, নিৰ্জলীকৰণ আদিকে ধৰি বিভিন্ন** স্বাস্থ্যজনিত সমস্যাৰ সৃষ্টি কৰিব পাৰে। বনজুইৰ **সম্ভাৱনাও বৃদ্ধি পাব পাৰে।...** এল্ নিনোৰ প্ৰভাৱ কেৱল ভাৰততেই সীমাবদ্ধ **নহয়। সমগ্ৰ বিশ্বৰ বায়ুমণ্ডলীয় পৰিৱেশত** ইয়াৰ গভীৰ প্ৰভাৱ পৰে।

# ১৭ শতিকাৰ পূৰ্বেই ভাৰতত আছিল বিজ্ঞানৰ সাম্ৰাজ্য

## বিশ্বজিৎ নাথ



**মা**নৱ ইতিহাসৰ এক আটাইতকৈ ডাঙৰ ট্ৰেজেডী হ'ল যে যিটো জাতিয়ে সমগ্ৰ বিশ্বক সভ্যতা, দৰ্শন আৰু বিজ্ঞানৰ প্ৰথম পাঠ শিকাইছিল, সেই জাতিটোকে দীৰ্ঘকাল ধৰি 'অসভ্য', 'অন্ধবিশ্বাসী' আৰু 'অনুন্নত' বুলি প্ৰচাৰ কৰা হ'ল। ইউৰোপীয় উপনিৱেশবাদ কেৱল ভূখণ্ড দখলৰ মাজতে সীমাবদ্ধ নাছিল; ইয়াৰ আটাইতকৈ মাৰাত্মক ৰূপ আছিল 'বৌদ্ধিক উপনিৱেশবাদ' (Intellectual Colonialism)। মেকলেৰ শিক্ষানীতি আৰু পশ্চিমীয়া ইতিহাসবিদসকলৰ একপক্ষীয় লেখাৰ জৰিয়তে আমাৰ মন-মগজুত সুমুৱাই দিয়া হ'ল যে ১৭ শতিকাৰ বৈজ্ঞানিক বিপ্লৱৰ পূৰ্বে পৃথিৱীত কোনো পদ্ধতিগত বিজ্ঞান নাছিল আৰু যি আছিল সেয়া কেৱল ইউৰোপৰহে দান।

কিন্তু সত্যক বেছি দিন লুকুৱাই ৰাখিব নোৱাৰি। ভাষা, শব্দ, গ্ৰন্থ আৰু স্থাপত্য— এই সকলোবোৰেই ইতিহাসৰ এনে একো একোটা জীৱন্ত দলিল, যাক সহজে মচি পেলাব নোৱাৰি। সমগ্ৰ পৃথিৱীত ১৭ শতিকাৰ পূৰ্বে যেতিয়া বিজ্ঞানৰ নামত এক স্থবিৰ অৱস্থা আছিল, তেতিয়া কেৱল ভাৰতবৰ্ষতে এনে এক ঋষি-পৰম্পৰা আছিল, যিয়ে আধ্যাত্মিকতাক বিজ্ঞানৰ ভেটি কৰি লৈ মহাজগতৰ সৰ্বোচ্চ ৰহস্যসমূহ উদ্‌ঘাটন কৰিছিল।

এই আলোচনাত আমি ভাষাতত্ত্ব, পদাৰ্থবিজ্ঞান, জ্যোতিৰ্বিজ্ঞান, চিকিৎসাশাস্ত্ৰ আৰু সনাতন ধৰ্মৰ পৰম আধ্যাত্মিক দৰ্শনৰ আধাৰত প্ৰাচীন ভাৰতৰ সেই হেৰাই যোৱা বৈজ্ঞানিক সাম্ৰাজ্যৰ এক গভীৰ, অভূতপূৰ্ব আৰু বস্তুনিষ্ঠ বিশ্লেষণ দাঙি ধৰিবলৈ চেষ্টা কৰিছোঁ।

**১। ভাষাতত্ত্বৰ জ্ঞান-মীমাংসা ঃ শব্দ, সংজ্ঞা আৰু প্ৰযুক্তিৰ অস্তিত্ব**

ভাষাতত্ত্বৰ এটা মৌলিক নিয়ম আছে— 'শব্দই বস্তু বা ধাৰণাৰ অস্তিত্বক প্ৰতিফলিত কৰে।' কোনো এটা ভাষাত এটা নিৰ্দিষ্ট শব্দ তেতিয়াই গঢ় লৈ উঠে, যেতিয়া সেই শব্দটোৱে বুজোৱা পদাৰ্থ, ক্ৰিয়া বা ধাৰণাটো সমাজত সচৰাচৰ ব্যৱহাৰ হয় বা চিন্তা কৰা হয়। উদাহৰণ স্বৰূপ, মৰুভূমিত থকা এটা জাতিৰ ভাষাত 'বৰফ'ৰ বিভিন্ন অৱস্থা বুজাবলৈ ১০টা শব্দ নাথাকে, কিন্তু মেৰু অঞ্চলৰ এস্কিম'সকলৰ ভাষাত থাকে। কাৰণ বৰফ তেওঁলোকৰ জীৱনৰ বাস্তৱতা।

একেদৰেই, প্ৰাচীন ভাৰতৰ সংস্কৃত আৰু তাৰ পৰা উদ্ভুদ্ধ অসমীয়া, হিন্দী আদি ভাষাত যিবোৰ অতি জটিল বৈজ্ঞানিক শব্দ হাজাৰ হাজাৰ বছৰ ধৰি সংৰক্ষিত হৈ আছে, সেইবোৰ কোনো কবিৰ কল্পনা নাছিল। সেইবোৰ আছিল বাস্তৱ প্ৰযুক্তি আৰু বৈজ্ঞানিক গৱেষণাৰ নামকৰণ।

[মানৱ অভিজ্ঞতা/আৱিষ্কাৰ]→ [মগজুৰ ধাৰণা (Concept)]→ (শব্দ গঠন (Linguistic Term)]

অৰ্থাৎ, প্ৰযুক্তিৰ বাস্তৱ অস্তিত্ব নথকাকৈ ভাষাৰ অভিধানত সেই সম্পৰ্কীয় কাৰিকৰী শব্দ কেতিয়াও স্থায়ী হ'ব নোৱাৰে।



**ক) বিমান আৰু বৈমানিক শাস্ত্ৰ**

আজিকালি আমাক পঢ়ুৱায় যে ১৯০৩ চনত ৰাইট ভাতৃদ্বয়ে প্ৰথম বিমান সাজি উলিয়াইছিল। কিন্তু ভাৰতীয় সংস্কৃতিত 'বিমান' শব্দটো হাজাৰ হাজাৰ বছৰ পুৰণি। 'বি-মান' শব্দটোৰ ব্যুৎপত্তিগত অৰ্থ হ'ল— 'যিটো আকাশত বিশেষভাৱে পৰিমাপ কৰি গতি কৰে।'

মহৰ্ষি ভৰদ্বাজৰ 'বৈমানিক শাস্ত্ৰ' কেৱল ধৰ্মীয় গ্ৰন্থ নহয়, ই আছিল এভিয়েচন ইঞ্জিনীয়াৰিঙৰ এক বৃহৎ দলিল। এই গ্ৰন্থত ৪টা অধ্যায়, ৩,০০০ শ্লোক আৰু ১০০টা শাখা আছিল, য'ত বিমান চালনাৰ ৩২টা গোপন কৌশল (Secrets), বিমানৰ যান্ত্ৰিক অংশসমূহৰ নিৰ্মাণ পদ্ধতি আৰু পাইলটৰ খাদ্য আৰু পোছাকৰ বিষয়েও বিতং আলোচনা আছিল।

তাত বৰ্ণিত কিছুমান ধাতু বা মিশ্ৰধাতু (যেনে— ৰাজাদ্ৰুত, ত্ৰিপুৰা ইত্যাদি) তৈয়াৰ কৰাৰ যি পদ্ধতি দিয়া হৈছে, তাক আজিৰ ধাতু বিজ্ঞানেও (Metallurgy) বিস্ময়ৰ চকুৰে চায়। যদি বিমানৰ অস্তিত্বই নাছিল, তেন্তে বৈমানিক শাস্ত্ৰত শূন্যত বিমান থৈ দিয়া বা শত্ৰুৰ বিমানক নিষ্ক্ৰিয় কৰাৰ দৰে কাৰিকৰী নিৰ্দেশনা কিয় আছিল?

**খ) বিদ্যুৎ আৰু অগস্ত্য সংহিতা**

পশ্চিমীয়া বিজ্ঞানে বেটাৰী আৰু বিদ্যুৎ আৱিষ্কাৰৰ শ্ৰেয় ভল্টা বা ফয়াৰাডেক দিয়ে। কিন্তু মহৰ্ষি অগস্ত্যৰ 'অগস্ত্য সংহিতা' পঢ়িলে যিকোনো আধুনিক বিজ্ঞানী স্তম্ভিত হ'ব। তাত বিদ্যুৎ উৎপাদনৰ বাবে এটা নিখুঁত সূত্ৰ দিয়া হৈছে ঃ

'সংস্থাপ্য মৃণ্ময়ে পাত্ৰে তাম্ৰপত্ৰং সুসংস্কৃতম্।
ছাচিখীগ্ৰীৱেন চাদ্ৰাভিঃ কাষ্ঠপাংসুভিঃ।।
দস্তাষ্টোষ্টো ধাৰয়েন্মিত্ৰাৱৰুণসংজ্ঞিতঃ।
সংযোগাজ্জায়তে তেজঃ মিত্ৰাৱৰুণসংজ্ঞিতম্।।'

ইয়াৰ সহজ-সৰল অৰ্থ হ'ল— মাটিৰ পাত্ৰ এটাত এটা পৰিষ্কাৰ তামৰ পাত লওক। তাত ক'পাৰ ছালফেট (শিখীগ্ৰীৱ) আৰু ওভালি থকা কাঠৰ গুড়ি দিয়ক। তাৰ পাছত তাত দস্তা (Zinc) সংযোগ কৰক। ইয়াৰ ফলত যি শক্তি উৎপন্ন হ'ব, তাক 'মিত্ৰাৱৰুণ' বা বিদ্যুৎ বোলা হ'ব। ইয়াৰ পাছৰ শ্লোকত পানীৰ বিদ্যুৎ বিশ্লেষণ (Electrolysis) কৰি পানীৰ পৰা প্ৰাণবায়ু (Oxygen) আৰু উদজান বায়ু (Hydrogen) পৃথক কৰাৰ স্পষ্ট উল্লেখ আছে। আমাৰ ভাষাত 'বিদ্যুৎ' বা 'তড়িৎ' শব্দটো ইমান নিখুঁতভাৱে ব্যৱহাৰ হোৱাৰ অন্তৰালত এই গভীৰ গৱেষণাগাৰৰ ইতিহাস লুকাই আছিল।

**গ) অণু, পৰমাণু আৰু কণা পদাৰ্থ বিজ্ঞান**

গ্ৰীক দাৰ্শনিক ডেম'ক্ৰিটছ বা আধুনিক বিজ্ঞানী ডেল্টনৰ বহুত আগতেই, খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকাত মহৰ্ষি কণাদে 'বৈশেষিক সূত্ৰ' ৰচনা কৰিছিল। তেওঁৰ নাম 'কণাদ' হৈছিল এই কাৰণেই যে তেওঁ পদাৰ্থৰ আটাইতকৈ সৰু 'কণা'বোৰ লৈ গৱেষণা কৰিছিল।

তেওঁ কৈছিল যে প্ৰতিটো পদাৰ্থই একো একোটা অদৃশ্য, অবিভাজ্য অংশৰে গঠিত, যাক 'পৰমাণু' বোলা হয়। দুটা পৰমাণু মিলি 'দ্ব্যণুক' (Diatomic molecule) আৰু তিনিটা দ্ব্যণুক মিলি 'ত্ৰ্যণুক' গঠন কৰে। আজিৰ কণা পদাৰ্থ বিজ্ঞানৰ (Particle Physics) যি আধাৰ, সেয়া মহৰ্ষি কণাদে ধূলিকণা আৰু পোহৰৰ কণা পৰ্যৱেক্ষণ কৰি আধ্যাত্মিক আৰু তৰ্কশাস্ত্ৰৰ মাধ্যমেৰে প্ৰমাণ কৰি থৈ গৈছিল।

**২। জ্যোতিৰ্বিজ্ঞান আৰু মহাজাগতিক কাল-গণনা ঃ আধুনিক বিজ্ঞান য'ত থমকি ৰৈছে**

আধুনিক জ্যোতিৰ্বিজ্ঞানে অলপ দিন আগতেহে গম পাইছে যে ব্ৰহ্মাণ্ডখন বিলিয়ন বিলিয়ন বছৰ পুৰণি। খ্ৰীষ্টান চাৰ্চৰ মতে এসময়ত সৃষ্টিৰ বয়স আছিল মাত্ৰ কেইহাজাৰমান বছৰ। কিন্তু সনাতন ধৰ্মত সৃষ্টিৰ যি কাল-গণনা (Cosmological Time Scale) কৰা হৈছে, সি আজিৰ বৈজ্ঞানিক হিচাপৰ সৈতে হুবহু মিলি যায়। **(অহা সংখ্যাত)**

# সীমাৰ সিপাৰে দেশৰ মানুহ

**১ পৃষ্ঠাৰপৰা** কৰিলে, ধৰ্মীয় স্থানসমূহ সৃষ্টি কৰিলে, হিন্দু আৰু ইছলামিক ৰীতি-নীতিসমূহ বজাই ৰাখিলে, যদিও তেওঁলোকে সেইবোৰক নতুন পৰিস্থিতিৰ সৈতে খাপ খুৱাই লৈছিল। লগত লৈ অহা ভাষাসমূহৰ এক সুকীয়া ৰূপ বিকশিত কৰিলে, এক সংমিশ্ৰণৰ সৃষ্টি কৰিলে যাক 'চাৰ্নামী হিন্দুস্তানী' (Sarnami Hindustani) বুলি কোৱা হ'ল। ডাচ, ক্ৰেওল আৰু চুৰিনামত মুখামুখি হোৱা অন্যান্য ভাষাৰ উপাদানসমূহ অন্তৰ্ভুক্ত আছে এই ভাষাটোত। এই ভাষিক পৰিৱৰ্তনটো আছিল বাস্তৱ জীৱনৰ প্ৰতি এক সৃষ্টিশীল সঁহাৰি।

প্ৰজন্মৰ পিছত প্ৰজন্ম ধৰি, এই বনুৱাসকলৰ বংশধৰসকলে এটা পৰিচয় গঢ়ি তুলিলে। প্ৰথমে চুৰিনামী আছিল, যিটো সেই দেশৰ সুনিৰ্দিষ্ট ইতিহাস আৰু ইয়াৰ মানুহ তথা সংস্কৃতিৰ বিশেষ মিশ্ৰণৰ দ্বাৰা গঢ়ি উঠিছিল। তেওঁলোকে ভাৰতীয় ৰীতি-নীতি, খাদ্য আৰু সংগীত বজাই ৰাখিছিল যদিও পোনপটীয়াভাৱে ভাৰতীয় হৈ থকা নাছিল। উপাসনা গৃহত গোৱা ভক্তিগীতবোৰত কেৰিবিয়ান অঞ্চলত শিকা সুৰ মিহলি হৈছিল। উৎসৱসমূহ চুৰিনামী সংস্কৃতিৰ বিশেষ নিয়মেৰে উদ্‌যাপন কৰা হৈছিল। তথাপি যেনেকৈ পাৰে ভাৰতীয় হৈ থাকিবলৈ চেষ্টা কৰিছিল। মহাসাগৰৰ সিপাৰে আপোনত্ব অনুভৱ কৰিব পৰাকৈ এখন পৃথিৱী সৃষ্টি কৰি লৈছিল।

স্থানৰ সৈতে থকা এই জটিল সম্পৰ্কটো আৰু অধিক জটিল হৈ পৰিল যেতিয়া ১৯৭৫ চনত চুৰিনামে স্বাধীনতা লাভ কৰিলে। ইয়াৰ পিছত দেখা দিয়া ৰাজনৈতিক অনিশ্চয়তা, অৰ্থনৈতিক বিপৰ্যয় আৰু স্বাধীন চুৰিনামৰ প্ৰাৰম্ভিক বছৰবোৰত দেখা দিয়া জাতিগত উত্তেজনাই ভাৰতীয় মূলৰ বহু চুৰিনামী লোকক প্ৰব্ৰজন কৰিবলৈ বাধ্য কৰিলে। কিছুমান আমেৰিকা যুক্তৰাজ্যলৈ গ'ল। বহুতে নেদাৰলেণ্ডলৈ আহিল। নেদাৰলেণ্ডৰ তেতিয়াও চুৰিনামৰ সৈতে ঔপনিৱেশিক সম্পৰ্ক আছিল আৰু সেয়ে প্ৰব্ৰজন আইনে চুৰিনামী নাগৰিকসকলক অগ্ৰাধিকাৰ দিছিল। ১৯৮০ চনৰ এটা সামৰিক অভ্যুত্থানে এই সোঁত আৰু বৃদ্ধি কৰিলে। সেই দশকটোৰ শেষৰ ফালে, দুই লাখতকৈও অধিক চুৰিনামী লোক নেদাৰলেণ্ডত বাস কৰিবলৈ ল'লে। বেছিভাগেই আছিল চুৰিনামী হিন্দুস্তানী।

আমষ্টাৰডাম, ৰটাৰডাম আৰু লাইডেনৰ দৰে চহৰবোৰত তেওঁলোকে সমাজ প্ৰতিষ্ঠা কৰিলে, মন্দিৰ আৰু মছজিদ নিৰ্মাণ কৰিলে, ৰেষ্টুৰেণ্ট আৰু দোকান খুলিলে। গেলামালৰ দোকানত মই লগ পোৱা মানুহজনে এটা আন্দোলনক প্ৰতিনিধিত্ব কৰিছিল— প্ৰব্ৰজনৰ ভিতৰত এই নতুন প্ৰব্ৰজনক। তেওঁৰ মাক-দেউতাক বা হয়তো তেওঁৰ ককাক-আইতাকে চুৰিনামৰ পৰা নেদাৰলেণ্ডলৈ যাত্ৰা কৰিছিল, সুযোগ আৰু স্থিৰতাৰ সন্ধানত লগত লৈ আহিছিল স্মৃতি, যি স্মৃতি প্ৰতিটো প্ৰজন্মৰ সৈতে হস্তান্তৰিত, পৰিৱৰ্তিত আৰু পুনৰ ব্যাখ্যা কৰা হৈছিল।

পৰৱৰ্তী সপ্তাহবোৰত যেতিয়া মই সেই দোকানখনলৈ বাৰে বাৰে গৈছিলোঁ, তেতিয়া মোক আটাইতকৈ বেছি স্পৰ্শ কৰা কথাটো আছিল যে তেওঁলোকে পৰিচয়ক কোনো এটা স্থিৰ পৰিধি হিচাপে লোৱা নাছিল, বৰঞ্চ জীৱনৰ এক সজীৱ চৰ্চা আৰু পৰিস্থিতিৰ সৈতে কৰা এক নিৰন্তৰ বুজা-পৰা হিচাপেহে প্ৰকাশ কৰিছিল। এই চুৰিনামী হিন্দুস্তানী সম্প্ৰদায়টোৰ বাবে ভাৰত একেলগে তেওঁলোকৰ উৎসও আছিল আৰু এক কল্পনাৰ দাপোণো আছিল। এইখন এখন এনে দেশ, যাক তেওঁলোকে চিনি পায় জ্যেষ্ঠসকলৰ কাহিনীৰ মাজেৰে, উত্তৰাধিকাৰীসূত্ৰে পোৱা ৰীতি-নীতিৰ মাজেৰে আৰু এক আপোনত্বৰ গভীৰ অনুভৱৰ মাজেৰে— যাৰ বাবে কোনো প্ৰত্যক্ষ অভিজ্ঞতা বা বাস্তৱ উপস্থিতিৰ প্ৰয়োজন হোৱা নাই।

ঠিক একে সময়তে, চুৰিনামখন তেওঁলোকৰ বাবে কেৱল এৰি অহা অতীত হৈয়েই থকা নাই। ই আজিও তেওঁলোকৰ অস্তিত্বৰ অন্যতম কেন্দ্ৰবিন্দু হৈ আছে। তেওঁলোকৰ সাংস্কৃতিক প্ৰকাশ, জীৱনক লৈ কৰা দৃষ্টিভংগী আৰু ইজনে সিজনৰ সৈতে গঢ়া আত্মীয়তাৰ ধৰণটোক আজিও এক চুৰিনামক সুকীয়া মাত্ৰা দিছে আৰু তাৰ পিছত এতিয়া নেদাৰলেণ্ড হৈছে তেওঁলোকৰ বৰ্তমান, য'ত এই সমগ্ৰ ইতিহাস একত্ৰিত হৈছে আৰু সময়ে সময়ে নতুন ৰূপত বিকশিত হৈ গৈ আছে।

পৰিচয়ৰ এই বহুতপৰীয়া স্তৰে প্ৰব্ৰজনৰ সৰল ধাৰণাক এক প্ৰত্যাহ্বান জনায়। ভাবিবলৈ বাধ্য কৰে যে কেৱল ভৌগোলিক দূৰত্ব অতিক্ৰম কৰাই নহয়, বৰঞ্চ সময়ৰ বিশাল ব্যৱধান নেওচি কোনো এখন ঠাইক নিজৰ বুলি বুকুত সাবটি ৰখাৰ প্ৰকৃত অৰ্থ বাৰু কি হ'ব পাৰে? এটা সাংস্কৃতিক পৰিচয়ক নিজৰ বুলি দাবী কৰাৰ অধিকাৰ আচলতে কাৰ আছে, আৰু সেই অধিকাৰৰ চৰ্তবোৰনো বাৰু কি?

কেইদিনমানৰ কাৰণে লাইডেনলৈ অহা এজন ভাৰতীয় হিচাপে, মই অনুভৱ কৰিলোঁ যে মোৰ নিজৰ ধাৰণাবোৰেই লাহে লাহে সলনি হ'বলৈ ধৰিছে। মই ভাৰতীয় হোৱাৰ এক সুনিৰ্দিষ্ট ধাৰণাটো গঢ়ি উঠিছে নিজৰ অভিজ্ঞতা আৰু আপোন ঠাইখনৰ স্মৃতিক কেন্দ্ৰ কৰি। অথচ ইয়াত এনে কিছুমান মানুহক লগ পালোঁ, যিসকলে সমান দৃঢ়তাৰে নিজকে ভাৰতীয় বুলি দাবী কৰে। যদিও ভাৰতৰ সৈতে তেওঁলোকৰ সম্পৰ্কটো কেইবাটাও প্ৰজন্মৰ বিচ্ছিন্নতাৰ মাজেৰেহে উদ্ভৱ হোৱা।

এটা আবেলি মই দোকানীজনক সুধিছিলোঁ যে তেওঁৰ বাবে ভাৰতৰ অৰ্থ কি। তেওঁ কিছু সময় থমকি ৰ'ল, যেন এনে এটা শব্দৰ সন্ধান কৰিলে যিয়ে এনে এটা বিশাল অনুভৱক সহজতে প্ৰকাশ কৰিব পাৰে।

'ভাৰত হৈছে মোৰ ককা-আইতাহঁতে কোৱা এটা সাধুকথা'— তেওঁ ক'লে। 'কিন্তু ভাৰত আমাৰ ৰন্ধন প্ৰণালীত সোমাই আছে, আমাৰ প্ৰাৰ্থনাত আছে, আমি গোৱা গীতবোৰতো আছে। হয়তো এইখন আপুনি জনা ভাৰতখনৰ দৰে একে নহয়। কিন্তু তথাপি এইখন আমাৰ নিজৰে ভাৰত।' তেওঁৰ কথাত কোনো আত্মৰক্ষাৰ ভাব নাছিল, নিজকে শুদ্ধ প্ৰমাণ কৰাৰ বা বুজোৱাৰ কোনো প্ৰয়োজনো নাছিল। আছিল বুকুত সাবটি ৰখা ইতিহাস, হেৰুওৱাৰ বেদনা, পৰিস্থিতিৰ সৈতে খাপ খুৱাই লোৱাৰ সংগ্ৰাম আৰু এক নীৰৱ দৃঢ়তাৰ গভীৰ ভৰ।

সেই মুহূৰ্ততে অনুভৱ কৰিলোঁ যে একমাত্ৰ আৰু অপৰিৱৰ্তিত ভাৰতৰ ধাৰণাটো হয়তো এটা ভ্ৰম মাথোঁ। যিকোনো সাংস্কৃতিক সত্তাৰ দৰেই ভাৰতৰো অস্তিত্ব বহু ৰূপত বিৰাজমান; যি গঢ়ি উঠে স্থানান্তৰণ, স্মৃতি আৰু ইয়াক বুকুত কঢ়িয়াই লৈ ফুৰা মানুহবোৰৰ জীৱনৰ মাজেৰে। লাইডেনৰ এই চুৰিনামী হিন্দুস্তানী সম্প্ৰদায়টোৱেই হৈছে তেনে এটা ৰূপ। ভাৰতৰ এনে এটা সংস্কৰণ তেওঁলোক, যিয়ে মহাসাগৰ পাৰ হৈ সুদূৰ পৃথিৱীৰ মাটিত শিপা মেলিছে আৰু অপ্ৰত্যাশিতভাৱে আজিও বাঢ়ি গৈ আছে।

কেনেলবোৰৰ কাষে কাষে পুনৰ খোজ কাঢ়িবলৈ লওঁতে, লাইডেন চহৰখন মোৰ চকুত এক নতুন ৰূপত ধৰা দিলে। লাইডেন এতিয়া নিজা ইতিহাস আৰু স্থাপত্যৰে চহকী এখন ডাচ চহৰ হৈ থকা নাই। হৈ পৰিছিল ভিন্ন পৃথিৱীৰ এক মিলনভূমি। এনে এক মঞ্চ য'ত ভাৰত, চুৰিনাম আৰু নেদাৰলেণ্ডৰ কাহিনীসমূহ একত্ৰিত হৈছিল আৰু ইটোৰ সৈতে সিটো সাঙোৰ খাই পৰিছে। সেই ভাৰতীয় দোকানখন মোৰ বাবে এক বিশেষ ধৰণৰ মহাফেজখানা হৈ পৰিল— চৰকাৰী ইতিহাসৰ নহয়, বৰঞ্চ বাস্তৱ জীৱনৰ অনুভৱৰ।

আৰু মই, যিয়ে চিনাকি ভাৰতখনক সেই দোকানখনত বিচাৰি গৈছিলোঁ, বিচাৰি পালোঁ তাতকৈ বহুগুণে জটিল আৰু সত্য স্তৰযুক্ত ভাৰতীয়ত্বক। বিচাৰি পালোঁ এনে এখন ভাৰত, যাৰ অৱস্থিতি ভৌগোলিক সীমাৰেখাৰ ভিতৰতে আবদ্ধ নহয়, কিন্তু মানুহৰ মনৰ ভিতৰত জীয়াই আছে; যি সময় আৰু স্থানৰ পৰিধি নেওচি প্ৰতিটো প্ৰজন্মৰ হাতত নতুন ৰূপত গঢ়ি উঠিছে আৰু তথাপি কোনোবাখিনিত নিজৰ অস্তিত্ব বজাই ৰাখিছে।

ফোন ঃ ৯৭১৭২৮৭৬৯৮

# এল্ নিনো

**১ পৃষ্ঠাৰপৰা** অনুমান কৰিছে যে ২০২৬ চনৰ মাজভাগত এল্ নিনো গঢ় লৈ উঠিবগৈ পাৰে আৰু ই ২০২৭ চনলৈকে অব্যাহত থাকিব পাৰে। কিছুমান জলবায়ু আৰ্হি অনুসৰি এই এল্ নিনো সাম্প্ৰতিক ইতিহাসৰ সবাতোকৈ শক্তিশালী ঘটনাবোৰৰ ভিতৰত পৰিব পাৰে।

বিজ্ঞানীসকলে সমুদ্ৰৰ তলত বিপুল পৰিমাণৰ উষ্ণ পানীৰ স্তৰ জমা হোৱা লক্ষ্য কৰিছে। একাধিক আগজাননীমূলক আৰ্হিত প্ৰশান্ত মহাসাগৰৰ তাপমাত্ৰা গড় মানতকৈ ২ ডিগ্ৰী চেলছিয়াছ বা তাতকৈও অধিক বৃদ্ধি পাব পাৰে বুলি কোৱা হৈছে। এনে অৱস্থাটোক অনানুষ্ঠানিকভাৱে 'ছুপাৰ এল্ নিনো' বুলি কোৱা হয়। অৱশ্যে বিজ্ঞানীসকলে এইটোও কৈছে যে এল্ নিনো সম্পৰ্কীয় আগজাননী সদায় শতকৰা এশভাগ নিশ্চিত নহয়;—কাৰণ ই বহুতো জটিল বায়ুমণ্ডলীয় প্ৰক্ৰিয়াৰ ওপৰত নিৰ্ভৰ কৰে। তথাপিও বৰ্তমানৰ লক্ষণসমূহে এক বৃহৎ জলবায়ুগত পৰিৱৰ্তনৰ সম্ভাৱনাক স্পষ্টভাৱে সূচিত কৰিছে।

ভাৰতৰ বাবে এল্ নিনো বিশেষভাৱে গুৰুত্বপূৰ্ণ, কাৰণ আমাৰ দেশখনৰ কৃষি, জলসম্পদ আৰু সামগ্ৰিক অৰ্থনীতি দক্ষিণ-পশ্চিম মৌচুমী বৰষুণৰ ওপৰত বহুলাংশে নিৰ্ভৰশীল। জুন মাহৰ পৰা ছেপ্টেম্বৰ মাহলৈ হোৱা এই মৌচুমী বৰষুণে ভাৰতৰ বছৰেকীয়া বৰষুণৰ শতকৰা প্ৰায় ৭০ ভাগ যোগান ধৰে। বুৰঞ্জীয়ে এই সাক্ষ্য দিয়ে যে এল্ নিনোৰ বছৰবোৰত সাধাৰণতে ভাৰতত স্বাভাৱিকতকৈ কম বৰষুণ হয়। ২০১৫-১৬ চনৰ শক্তিশালী এল্ নিনোৰ সময়তো ভাৰতত মৌচুমী বৰষুণ যথেষ্ট পৰিমাণে কম হৈছিল। ২০২৬ চনৰ বাবে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে ইতিমধ্যে 'below normal' অৰ্থাৎ স্বাভাৱিকতকৈ কম বৰষুণৰ সম্ভাৱনাৰ আগজাননী দিছে।

আমাৰ দেশৰ কৃষিৰ বৃহৎ অংশ আজিও বৰষুণৰ ওপৰত নিৰ্ভৰশীল। যদি মৌচুমী বৰষুণ কম হয়, তেন্তে ধান, মাহজাতীয় শস্য, তৈলবীজ, শাক-পাচলি আদি শস্যৰ উৎপাদন হ্ৰাস পাব। ইয়াৰ ফলত এফালে কৃষকৰ আয় হ্ৰাস পাব আৰু আনফালে খাদ্যদ্ৰব্যৰ মূল্য বৃদ্ধি পাব। অৱস্থাটো দুইফালে ধাৰ থকা তৰোৱালৰ দৰে। এল্ নিনোৰ বছৰবোৰত সাধাৰণতে গৰম বেছি হয়। ইতিমধ্যে ভাৰতৰ বহু অঞ্চলত তীব্ৰ তাপপ্ৰবাহ দেখা গৈছে। এল্ নিনো শক্তিশালী হ'লে এই অৱস্থা ইয়াতোকৈ অধিক ভয়ংকৰ হ'ব পাৰে। নদী, জলাশয় আৰু ভূগৰ্ভস্থ পানীৰ ওপৰত চাপ বৃদ্ধি পাব। পানীৰ অভাৱত জলবিদ্যুৎ উৎপাদন কমিব, আনহাতে তাপমাত্ৰা বৃদ্ধিৰ বাবে বিদ্যুতৰ চাহিদা বৃদ্ধি পাব। ফলত শক্তি খণ্ডত প্ৰচণ্ড চাপৰ সৃষ্টি হ'ব।

অত্যধিক গৰমে হিটষ্ট্ৰ'ক, নিৰ্জলীকৰণ অদিকে ধৰি বিভিন্ন স্বাস্থ্যজনিত সমস্যাৰ সৃষ্টি কৰিব পাৰে। বনজুইৰ সম্ভাৱনাও বৃদ্ধি পাব পাৰে। কিছুমান ৰোগ, বিশেষকৈ বাহকনিৰ্ভৰ ৰোগৰ বিস্তাৰো বৃদ্ধি পাব পাৰে। তথাপি বিজ্ঞানীসকলে এই কথাও সদায় উল্লেখ কৰে যে এল্ নিনো মানেই সকলো সময়ত ভাৰতত খৰাং হ'বই বুলি নিশ্চিত নহয়। পূব আৰু পশ্চিম ভাৰত মহাসাগৰৰ সমুদ্ৰপৃষ্ঠৰ তাপমাত্ৰাৰ দোলনিৰ (যাক ভাৰত মহাসাগৰীয় দ্বিমেৰু (Indian Ocean Oscillation) বুলি কোৱা হয়) দৰে আন জলবায়ুগত উপাদানসমূহে কেতিয়াবা ইয়াৰ প্ৰভাৱ হ্ৰাস কৰি পেলায়।

এল্ নিনোৰ প্ৰভাৱ কেৱল ভাৰততেই সীমাবদ্ধ নহয়। সমগ্ৰ বিশ্বৰ বায়ুমণ্ডলীয় পৰিৱেশত ইয়াৰ গভীৰ প্ৰভাৱ পৰে। বৰ্তমানৰ এল্ নিনো আগৰ এল্ নিনোৰ দৰে নহয়। কাৰণ বৰ্তমানৰ পৃথিৱীখন মানৱসৃষ্ট জলবায়ু পৰিৱৰ্তনৰ ফলত ইতিমধ্যে অধিক উষ্ণ হৈ পৰিছে। বিজ্ঞানীসকলৰ মতে, এই পটভূমিত এল্ নিনোৰ প্ৰভাৱ আগতকৈ অধিক তীব্ৰ হ'ব পাৰে।বহু গৱেষকে এতিয়া সতৰ্ক কৰি দি কৈছে যে অতীতৰ অভিজ্ঞতা এতিয়া সম্পূৰ্ণ নিৰ্ভৰযোগ্য পথপ্ৰদৰ্শক নহয়। জলবায়ুৰ পৰিৱৰ্তনৰ বাবে সমুদ্ৰ আৰু বায়ুমণ্ডলৰ মৌলিক অৱস্থা সলনি হৈ যোৱাৰ ফলত ভৱিষ্যতৰ এল্ নিনো ঘটনাবোৰে আগৰ তুলনাত ভিন্ন আচৰণ কৰিব পাৰে। ক্ৰমান্বয়ে উষ্ণ হৈ অহা পৃথিৱীখনত এল্ নিনো আৰু জলবায়ু পৰিৱৰ্তনৰ যুগ্ম প্ৰভাৱ মানৱ সমাজৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান হৈ উঠিব পাৰে।

লেখকৰ ই-মেইল ঃ bsaikia@rediffmail.com


# সমুদ্ৰ সৈকতত অসমীয়া সাহিত্য

**১ পৃষ্ঠাৰপৰা** পাৰত এটা টিলাৰ ওপৰত বৈ দিলীপে লক্ষ্য কৰিছে যে সঁজাল ধৰা ধাননিপথাৰ ক্ৰমান্বয়ে ফাট মেলি দো খাই পৰিছে; কোনো বাস্তৱিক ছবি বা দৃশ্য প্ৰত্যক্ষ নকৰাকে প্ৰটাগনিষ্টে আৱিষ্কাৰ কৰিছে— শিয়াল এটা পাৰ হৈ গৈছে। পৰ্যালোচনা কৰিলে এই নৈসৰ্গিকতাৰ অন্তৰালত এক নতুন জীৱন দৃষ্টি উদ্ভাৱিত হোৱা পৰিলক্ষিত হয়। দুয়োখন কালজয়ী উপন্যাসতে বিষয়বস্তু নিৰ্বাচনৰ ক্ষেত্ৰত প্ৰাকৃতিক উপজীব্য প্ৰাধান্যতা পালেও কিউবাৰ তথা গ্ৰাম্য অসমীয়া জীৱনৰ সংৰক্ষণশীলতাৰ বিপৰীতে এক মননশীল যাত্ৰাৰ প্ৰগতি পৰিলক্ষিত হয়।

জ্ঞানপীঠ বঁটা বিজয়িনী ডঃ অমৃতা প্ৰীতমে কৈছিল— পৃথিৱীৰ শ্ৰেষ্ঠ দহটা গল্পৰ ভিতৰত মামণি ৰয়ছম গোস্বামীৰ 'সংস্কাৰ' নামৰ গল্পটো অন্তৰ্ভুক্ত হ'ব পাৰে। বিষয়টো চৰ্চা হোৱাৰ লগে লগে আমি অধিক সজাগ হ'লোঁ; আমি আমাৰ উন্নতমানৰ সৃষ্টি কৰ্মৰাজিসমূহৰ প্ৰতি সজাগ দৃষ্টি নিক্ষেপ কৰি মৌলিক মননশীলতা তথা মৰ্মবস্তু আৱিষ্কাৰ কৰাটো অতীৱ প্ৰয়োজনীয়।

জাতীয়তাবাদ এটা জাতিৰ জাতীয় সংস্কৃতি। প্ৰকৃত জাতীয়তাবাদে আঞ্চলিকতাবাদ চেৰাই গৈ এক প্ৰগতিশীল আন্তৰ্জাতিকবোধক স্পৰ্শ কৰে; সেইবাবে যুভাল নুৱাহ হাৰাৰিয়ে অতি সম্প্ৰতি লিখিছে— a good nationalist should be a good globalist। আজি যিবোৰ সমস্যাই মানৱীয় সভ্যতাৰ অস্তিত্ব বিপন্ন কৰিছে, সেইসমূহ বিশ্বজুৰি সৃষ্টি হোৱা সমস্যা। যেনে- গোলকীয় উষ্ণতা বৃদ্ধি। ইয়াৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ মানৱজাতি পৃথিৱীৰ পৰা যিকোনো মুহূৰ্ততে নিঃশেষ হৈ যোৱাৰ উপক্ৰম হৈছে; আমি মানৱীয় সভ্যতাৰ সংকটৰ বিৰুদ্ধে অকলে যুঁজ দিব নোৱাৰিম; ইয়াৰ বাবে বৈশ্বিক সহমতৰ প্ৰয়োজন। ঠিক একেদৰে অসমীয়া সাহিত্য-সংস্কৃতি জীয়াই ৰাখিবলৈ বহল ব্যাসাৰ্দ্ধৰ অসমীয়া জাতীয়তাবাদৰ প্ৰয়োজনীয়তা আছে, যিয়ে সকলো জাতি-জনজাতি লোকসকলৰ ঐতিহ্য জীৱন আৰু সংস্কৃতি সামৰি অসমীয়া তাপ তীব্ৰতাৰে নিৰ্মিত হ'ব এক নৱ উচ্ছ্বাস।

অসমত প্ৰকাশিত সাহিত্য আলোচনীৰ সংখ্যা তেনেই নগণ্য। যিকেইখন আলোচনী প্ৰকাশিত হৈ আছে সেইবোৰৰ



পৰিসঞ্চৰণ (circulation) অতি দুখলগা; তিনি হাজাৰৰো অধিক নহয়; এই দৃশ্য অতি দুৰ্ভাগ্যজনক। অসমত সাহিত্য অনুৰাগীৰ লগতে মহাবিদ্যালয়/বিশ্ববিদ্যালয় পৰ্যায়ত প্ৰায় ত্ৰিশ হাজাৰৰো অধিক ভাষা-সাহিত্যৰ প্ৰবক্তা/অধ্যাপক কৰ্মৰত হৈ আছে। সকলোৱে যদি একো একোখনকৈ আলোচনী বা গ্ৰন্থ প্ৰতিমাহে ক্ৰয় কৰে, তেন্তে অসমীয়া ভাষা-সাহিত্য জীয়াই ৰখাৰ ক্ষেত্ৰত এক অতুলনীয় পদক্ষেপ হ'ব পাৰে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই গতবৰ্ষটোক গ্ৰন্থ বৰ্ষৰূপে ঘোষণা কৰিছিল আৰু গ্ৰন্থ ক্ৰয় কৰিলে তাৰ বাবে আৰ্থিক সাহায্য প্ৰদান কৰিছিল। অসম সাহিত্য সভাই এইক্ষেত্ৰত চৰকাৰী সহায়ত অসমৰ সকলো মহাবিদ্যালয়/বিশ্ববিদ্যালয় প্ৰতি মাহে একো একোখন সাহিত্যালোচনী ক্ৰয় কৰাটো বাধ্যতামূলক কৰাৰ লগতে শিক্ষক/অধ্যাপকসকলো অসমীয়া ভাষা-সাহিত্য জীয়াই ৰখাৰ ক্ষেত্ৰত আগবাঢ়ি অহাটো অতীৱ প্ৰয়োজনীয়।

কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ ভাৰতবৰ্ষৰ এজন অন্যতম সাংস্কৃতিক অধিনায়ক, যিয়ে আমাৰ চিন্তাৰ পৰিসৰক এক বহল বাচ্যাৰ্থ তথা নব্য চেতনা স্ৰোত (stream of consciousness) প্ৰদান কৰিছে। মানুহে যেতিয়া জীৱন বাটত বিপদৰ সন্মুখীন হয়, অদৃশ্যজনৰ ওচৰত ইয়াৰ পৰিত্ৰাণৰ বাবে প্ৰাৰ্থনা কৰে। এই চিন্তানায়কগৰাকীৰ মতে—

বিপদে মোৰে ৰক্ষা কৰ এ নোহে মোৰ প্ৰাৰ্থনা।
বিপদে যেন আমি নাকৰি ভয়।

অৰ্থাৎ সংকট উপশমৰ বাবে এই মিনতি নহয়; এই কাকুতি বিপদ অতিক্ৰমণ কৰাৰ বাবে শক্তি লাভৰ আকুতি; সচৰাচৰ বৈপৰিত্যত এক ব্যতিক্ৰমী ভক্তিমূলক আহ্বান। প্ৰাকৃতিক আগ্ৰাসনৰ বিৰুদ্ধে যুদ্ধ কৰি মানুহে প্ৰকৃতাৰ্থত মানুহ হৈছে। যেতিয়ালৈকে প্ৰত্যাহ্বানৰ সন্মুখীন নহয়, মানুহৰ পাৰ্থিৱ তথা মননৰ উত্তৰণ নঘটে। জন মিল্টনৰ 'দ্য পেৰাডাইছ লষ্ট' নামৰ গ্ৰন্থত সৰগৰ নিয়ম ভংগ কৰাৰ অপৰাধত দেৱদূত আৰু তেওঁৰ সহযোগীসকলক চিৰদিনৰ বাবে নৰকত নিৰ্বাসন দিয়া হয়। অসহনীয় নৰক যন্ত্ৰণাৰ মাজত বহিষ্কৃত চয়তানে স্বৰ্গীয় একনায়কত্ববাদৰ বিৰুদ্ধে বিদ্ৰোহ কৰি গৰজি উঠিছে। সীমাহীন নৰক যন্ত্ৰণাৰ মাজত কক্‌বকাই তেওঁ পুনৰ বিপদক প্ৰত্যাহ্বান সহকাৰে নিমন্ত্ৰণ জনাইছে—

'Farewell happy Fields,
Where Joy for ever dwells; Hail horrours, hail
Infernal World, and thou profoundest Hell
Receive thy new Possessor; One who brings
A mind not to be changed by Place a Time
The mind is its own place, and in itself
Can make a Heaven of Hell, a Hell of Heaven.'
(Paradise Lost, Book-I).

ইংৰাজী সাহিত্যৰ বিশিষ্ট কবি উইলিয়াম ব্লেকে তেওঁৰ গ্ৰন্থ ' দ্য মেৰিজ অব হেভেন এণ্ড হেল' (১৭৯৩)ত মিল্টনৰ চয়তান চৰিত্ৰটিক অদম্য ইচ্ছাশক্তিৰ বাবে নায়ক হিচাপে অভিহিত কৰিছে— Milton was 'of the Devil's party without knowing it'। আনহাতে 'এ ডিফেন্স অব পয়েত্ৰী ' (১৮২১) ৰচনাত প্ৰখ্যাত ৰমন্যাসিক কবি শ্যেলীয়ে এই চৰিত্ৰটিত জীৱনৰ প্ৰত্যহিকতাৰ বিৰুদ্ধে যুঁজাৰ যি অবিৰত সংকল্প ইয়াৰ বাবে চয়তানক প্ৰশংসাৰে উপচাই ('far superior to God') প্ৰকৃত নায়ক হিচাপ ঘোষণা কৰিছে। জীৱন জাজৰিত চূড়ান্ত শোষণ-নিষ্পেষণৰ বলি হোৱা লোকসকলৰ সৈতে যুদ্ধভূমিত থিয় হৈ এগৰাকী বিশিষ্ট কবিয়ে আহ্বান জনাইছে—

দোকোলটকা বানৰ দৰে ধুমুহা আহক
নিমিষতে খহি পৰক সকলো
প্ৰাচীন মন্দিৰৰ চূড়াবিলাক
তোমালোকে থিয় হৈ থকা
তোমালোকে থিয় হৈ থাকা।



পৰিভ্ৰমণ কৰিছিল। জনজীৱন, ভাষা-সংস্কৃতি অধ্যয়ন কৰি সকলোৱে বোধগম্য হোৱাকৈ জ্ঞানত সৰলাকৃতভাৱে এক শৰণ ভক্তিভাব প্ৰকাশৰ কাৰণে ব্ৰজাৱলী ভাষা সৃষ্টি কৰিছিল। ইয়াৰ শাব্দিক ভাব-ভাষা অসমীয়া হ'লেও ইয়াৰ বৈয়াকৰণিক নিৰ্মাণ মৈথিলী ভাষাৰ পৰা লোৱা হৈছে। মহাপুৰুষজনাৰ সৃষ্টিত ভাষাগত অৱস্থান সম্পৰ্কে কৃতিবিদ্য সমালোচক কবি ডঃ কবীন ফুকনৰ মন্তব্য প্ৰণিধানযোগ্য— 'ইতিহাসৰ এটা অনন্য পৰিহাসেৰে শংকৰদেৱৰ শব্দ সম্ভাৰত অসমীয়া শব্দটো নথকা সত্ত্বেও সাম্প্ৰতিক কালত অসমীয়া পৰিচয়ৰ এটা অন্যতম আৰু জ্ঞান অৱলম্বন হ'ব শংকৰদেৱৰ কৰ্মৰাজি... শংকৰদেৱৰ মনত কোনো আধুনিক ধৰণৰ পৰিচয়সূচক ভাষিক জাতীয়ত্ববোধ ঠন ধৰি উঠাটো সেই কালৰ অসমত সম্ভৱ হৈ উঠা নাছিল' (শংকৰদেৱৰ ভাষাগত অৱস্থান— ডঃ কবীন ফুকন)। অসম বা অসমীয়া জাতীয়তাবোধ সজোৰে প্ৰবহমান নহ'লেও ভাষা-সাহিত্যৰ উত্তৰণৰ ক্ষেত্ৰত শংকৰদেৱৰ অৱদান অতুলনীয়; ধৰ্ম ভাবাপন্ন ভাষিক ৰচনা তেওঁৰ যুগান্তকাৰী সাহিত্যিক অৱদান; সন্দেহাতীতভাৱে তেওঁ স্থাপন কৰি গ'ল এক অনিৰ্বচনীয় অসমীয়া ভাষিক আয়তন। 'চিহ্নযাত্ৰাৰ' পৰা আৰম্ভ কৰি তেওঁৰ প্ৰায়বোৰ ৰচনাতে বৃহত্তৰ ভাৰত বন্দনা প্ৰতিফলিত হয়; তেওঁ এখন অখণ্ড ভাৰত ৰাষ্ট্ৰ নিৰ্মাণৰ সপোন দেখিছিল—

'ধন্য ধন্য কলি কাল
ধন্য নৰতনু ভাল
ধন্য ধন্য ভাৰত বৰিসে'

এজন বিশিষ্ট ইংৰাজ সমালোচকে কৈছিল, 'আমি যি বিশাল বৃটিছ সাম্ৰাজ্য নিৰ্মাণ কৰিলোঁ তাত সূৰ্য কাহানিও মাৰ যোৱা নাছিল; সেই সাম্ৰাজ্য এদিন ভাঙি চুৰমাৰ হৈ গ'ল; কিন্তু আমি শ্বেইক্সপীয়েৰৰ জৰিয়তে যি সাম্ৰাজ্য গঢ়িলোঁ ইয়াৰ শ্ৰীবৃদ্ধি আজিও প্ৰবহমান। মহাপুৰুষজনাৰ ৰচনাৰাজিৰ লগতে অসমীয়া কালজয়ী ৰচনাসমূহৰ সময়োপযোগী উচিত মূল্যায়ন আৰু প্ৰচাৰেৰে অসমীয়া ভাষা-সাংস্কৃতিক জগতসভালৈ লৈ যোৱাৰ বাট প্ৰশস্ত কৰিব।■

# ভালপোৱাৰ পৃথিৱীত কথাৰ ফুলনি



দেৱপ্ৰসাদ তালুকদাৰ

**পা**ৰিলে অকলে এখন্তেক বৈ ভাবকচোন দিনবোৰ কেনেদৰে পাৰ হৈছে। ৰাতি পুৱাল আৰু ক'বয়ে নোৱাৰিলে কেতিয়ানো সাঁজ লাগিল। সাঁজ লগাতো অৱশ্যে তৎক্ষণাৎ ধৰা টান হৈ পৰে ব্যস্ত হৈ থাকিলে।

উধাতু খাই ওলাই আহিছে ঘৰখনৰ পৰা বাহিৰলৈ কিবা এটা কামত নতুবা কিবা এটা ল'বলৈ, হঠাৎ লগ পাই গ'ল মনে মিলা কাৰোবাক। আৱেগে খুন্দিয়াই দিব আপোনাক। ঠিক সেইদৰে লগ পোৱাজনকো যদিহে খুন্দিয়াই, ক'বই নোৱাৰিব কিমান সময় পাৰ কৰি দিছে বিশেষ কামৰ তাগিদা নাথাকিলে। ভাবিবই নোৱাৰিব কিমান বুকুখন খালী খালী লাগে, মনটো ভৰি পৰে। ওলাই-সোমাই আজৰি সময় বন্ধু-বান্ধৱীসৰৰ লগত কটোৱাসকলৰ কথা সুকীয়া। মনবোৰ সজীৱ হৈ থাকে। কথা পাতিব লাগে। কি কথা পাতিম আগতীয়াকৈ প্ৰস্তুত হোৱাৰো প্ৰয়োজন নাই। ব্যস্ততা ইমান বাঢ়িছে, ভাবিলে এটা দিন দুই-চাৰি ঘণ্টা যেন লাগে। যন্ত্ৰৰ দৰে কাম কৰি যোৱা যেন লাগে। মাত কথা দিয়াৰ সময় নাথাকে। কোনো ৰসাল আলাপ নাই, হাঁহি-ধেমালি নাই, কেৱল লাভ-লোকচানৰ কথা। মন-মগজুত সেই এটাই চিন্তা। আহৰি নাই মনৰ খবৰ ল'বলৈ। খবৰ কৰিবলৈ সময় উলিওৱাটো ডাঙৰ কথা হৈ পৰিছে। মনে কিমান প্ৰভাৱ পেলায় শৰীৰত আমাৰ ভাবি চাবলৈও আহৰি নাই। অকাৰণে কোনো স্বাৰ্থ নোহোৱাকৈ কথা পতাটো সপোন দেখাৰ দৰে কথা। আৰু কেতিয়াবা লগ পালেও মনে মিলাজনক, সময় নাথাকে পাতোঁ বুলিও কিছু আত্মিক সম্পৰ্কৰ কথা। বুকুখন গধুৰ গধুৰ লাগি থাকে। উপযুক্ত সময়ত উপযুক্ত কথাৰ বিনিময় কৰিব নোৱাৰিলে কেতিয়াবা ভুল সিদ্ধান্ত গ্ৰহণ কৰা দেখা যায়। মানুহ সদায় মানুহৰ সংগত থাকিব লাগে। সমাজ জীৱনে আয়ুস বৃদ্ধি কৰে।



আমি অকলে অকলে থাকি দুখবোৰক পুনৰ সজীৱ কৰি ম্ৰিয়মাণ হৈ শুই বহি কটাব পাৰোঁ, সেয়া নকৰি আপোনাক বুজি পোৱাজনৰ ওচৰত উজাৰি দি কথা পাতি দুখবোৰ পাতলাব পাৰে। পৰিলোঁ আৰু উঠিলোঁ। পৰি থকাটো কাম্য নহয়। হাৰিবলৈ শিকা নাই, হাৰি হাৰি জিকিব শিকিব লাগে সত্যটো সহজে স্বীকাৰ কৰি লৈ। শুভাকাংক্ষী, গুৰুত্বসহকাৰে আপোন বুলি ভবাজনৰ লগত হোৱা কথা-বাৰ্তাই বহুত মনোবল বৃদ্ধি কৰে, উচিত কামত সাহস গোটাব পাৰি। আজিকালি আমি কাম নাথাকিলে কথাই নপতা হলোঁ। অনবৰতে ম'বাইলটো লৈ ব্যস্ত থাকোঁ। নিজৰ মাজত কিবা এটা ভবাৰ, চোৱাৰ অৱকাশ নাথাকে। গঠনমূলক চিন্তাবোৰত মামৰে ধৰে। কথা পাতিলে যি কথা পাতিলোঁ পাছত নিজানত বহি ভাবিব পাৰি কথাবোৰৰ উচিত কোনটো অনুচিত কোনটো।

সেই মতে বিচাৰ কৰি গ্ৰহণ কৰিব লাগে। কেতিয়াবা অকলে থাকিলে কিবা এটা দুশ্চিন্তাত মনটো ক'ৰবালৈ গুচি যায়, য'ত অকণো আশা নাথাকে। পোৱাৰ বাবে হেঁপাহ কৰাৰ আগ্ৰহ নাথাকে, ঠিকনা হয় মাথোঁ শূন্যতাৰ, সেই সময়তে যদি কোনো ফালৰ পৰা টোকৰ মাৰে আগতে আন্তৰিকতাৰে কথা পতা সুহৃদ কোনো এজনে আৰু শুভ বাৰ্তাৰে ভাগি পৰা মনটো আলোকিত কৰে, শূন্যতা ফালি মনটোৱে নিৰাশাবোৰ ফালি-ছিৰি উভতি আহে পোৱাৰ সঠিক ঠিকনাৰ পদূলিমুখলৈ। ক'ৰবাত পঢ়িছিলোঁ এখন নিশাৰ ৰে'লত যাত্ৰীসকলৰ একাংশৰ মাজত এজন পিতৃয়ে যুদ্ধ ক্ষেত্ৰত হেৰুওৱা তেওঁৰ পুত্ৰৰ সাহসিকতা সুঁৱৰি কৈ গৈছিল— 'দেশ এখন নোহোৱাকৈ মানুহ জীয়াই থাকিব নোৱাৰে। নিজৰ দেশখন মানুহৰ পৰিচয়, মানুহৰ অধিকাৰ। তেন্তে সেই দেশখনক বচাবলৈ মানুহ আগবাঢ়ি যাবইতো লাগিব।' 'মাক-দেউতাকে কন্দা-কটা নকৰি প্ৰাণখুলি হাঁহিব লাগে।' ওচৰতে অতপৰে বেজাৰত ভাগি পৰা মহিলা এগৰাকীৰ কথাবোৰ শুনি নিজকে স্বাৰ্থপৰ যেন লাগিল। কথাবোৰে মনৰ পৰিৱৰ্তন আনিলে। মানুহজনৰ পিনে স্থিৰ দৃষ্টিৰে চাই প্ৰশ্ন কৰিছিল— সঁচাকৈ আপোনাৰ ল'ৰাটো ঢুকাল? প্ৰশ্নটো শুনি দবাটোৰ সকলোৱে আচৰিত হৈ মহিলাগৰাকীৰ ফালে চালে। কৈ থকা মানুহজনে মহিলাগৰাকীক তধা লাগি চায়েই থাকি মুখেৰে একো শব্দ বিনিময় নকৰি উপলব্ধি কৰিলে গোটেই কথা। পাছত হুকহুকাই কান্দি পেলালে, মই পঢ়া কথাখিনি এই কাৰণে প্ৰাসংগিক যে কথা পাতিলে, আলোচনাত ভাগ ল'লে মনৰ বহুখিনি পৰিৱৰ্তন আনি দিয়ে।

দবাটোৰ বতাহ সলনি হৈ গ'ল। কথাই কথাৰ ভৰ পাতলায়। বিশেষকৈ মফচলীয় অঞ্চলবোৰত ব্যস্ততা কম থকা দোকান বা কোনো যোগাযোগৰ চেম্বাৰৰ দৰে অলপ হ'লেও শান্ত পৰিৱেশত মনে মিলা মানুহ দুই-চাৰিজন কুচি-মুচিকৈ হ'লেও বহি কথা পতাৰ পৰিৱেশ এটাৰ সৃষ্টি কৰে। কোনো উদ্দেশ্য নথকাকৈ বহি মনটো মুকলি কৰে নানা কথা আলোচনাৰে। এনে বহা ঠাইবোৰৰ আলোচনা সত হ'লে বহুত নজনা কথা এজনৰ পৰা বাকীকেইজনে জানিব পাৰে। সময়ে সময়ে উচ্চ পৰ্যায়ৰ কথালৈ উন্নীত হয়। গুৱাহাটী মহানগৰীৰ আশে-পাশেও এনে আলোচনা দেখা যায় অকমান জিৰণি চ'ৰা উলিয়াই লৈ। এনে আলোচনাই ক'ব নোৱৰাকৈয়ে মাতৃভাষাটোৰ প্ৰতি সজাগতা বৃদ্ধি পোৱাত সহায় কৰে। মানসিক অশান্তি বহুত কমি থাকে। মুকলিকৈ ওলাই আহি দিনটোৰ সকলো অৱসাদ আঁতৰাই, ভালপোৱাৰ পৃথিৱী এখন বিচাৰি মনৰ কথা মুকলিকৈ পাতি সজীৱ কথাৰ ফুলনি এখন সজাব পাৰি, মনৰ সৰলৰেখাডালত ওলমি। ■

ফোন ঃ ৭০৮৬২৯৬৭২৪

# অসমীয়া নাট্য চৰ্চাৰ জলঙাৰে বিশ্বমুখী যাত্ৰা



তপন দত্ত

**স**মকালীন অসমীয়া নাট্য ক্ষেত্ৰখনক উদ্বেলিত কৰি এই বৰ্ষৰ মাৰ্চ মাহত দক্ষিণ কোৰিয়াৰ ছিউল মহানগৰীত অনুষ্ঠিত '২০২৬, ছিউল আন্তঃৰাষ্ট্ৰীয় মন'ড্ৰামা মহোৎসৱ'ত মঞ্চস্থ হৈ যায় 'প্ৰেমৰ দোলনা'। মহোৎসৱৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা এক প্ৰেছ বিজ্ঞপ্তি অনুসৰি ১৬ মাৰ্চত প্ৰদৰ্শিত দুয়োটা প্ৰদৰ্শনীয়েই আছিল 'হাউছ-ফুল'। স্মৰ্তব্য যে প্ৰত্যেক বৰ্ষতে নিয়মিয়াকৈ ছিউল মহানগৰীত এই মহোৎসৱ অনুষ্ঠিত হৈ আহিছে।

'প্ৰেমৰ দোলনা'— এই নাটখনক যথাৰ্থতেই অসমৰ প্ৰথমখন আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ ভিত্তিত প্ৰযোজিত নাট বুলি অভিহিত কৰিব পাৰি। মূল নাট 'ছুইং অৱ লাভ' ফ্ৰান্স নিবাসী মঞ্জুলা ৱেডিৱৰ্দ্ধনাৰ। উদ্যোক্তা আই এ এ (Inter act Art ) নামৰ নাট্য সংস্থাটো আৰু গুৱাহাটীৰ 'ভুল্লুং-বুথুৰ আন্তঃৰাষ্ট্ৰীয় নাট মহোৎসৱ' (BBITF )ৰ উদ্যোক্তা 'আঁক এ- ক্ৰিয়েটিভ লাইন' নামৰ নাট্য গোষ্ঠীটো এই নাটখনৰ যুটীয়া প্ৰযোজক। উল্লেখযোগ্য যে গুৱাহাটীৰ এই নাট্য গোষ্ঠীটোৱে হাতত লোৱা আন্তঃৰাষ্ট্ৰীয় সহযোগিতামূলক প্ৰকল্পৰ অধীনত এই নাটখনৰ জন্ম হৈছিল। মঞ্চস্থ নাটখনৰ আঁৰৰ শিল্পীসকল আছিল— ডিজাইন আৰু পৰিচালনাত কলম্বো নিবাসী এম ছফীৰ। ছফীৰৰ নেতৃত্বত কলম্বোস্থিত 'ইণ্টাৰ এক্ট আৰ্ট' (আই এ এ) নামৰ এই দ্বীপ ৰাষ্ট্ৰখনৰ আটাইতকৈ সন্মানীয় এই নাট্যদলে নিৰৱচ্ছিন্নভাৱে কলম্বো ইণ্টাৰনেচনেল থিয়েটাৰ ফেষ্টিভেল অনুষ্ঠিত কৰি আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ প্ৰেক্ষাপটত নাট মঞ্চস্থ কৰাৰ এটা নতুন দিশ মুকলি কৰিবলৈ সক্ষম হৈছে। নাটখনৰ প্ৰডাকচন মেনেজমেণ্টত আছিল যৌথভাৱে 'আঁক এ ত্ৰিয়েটিভ লাইন'ৰ হৈ ডঃ জোনমণি গগৈ, আইনাউ জেংৰাই আৰু শ্ৰীলংকাৰ সুজীৱা পাথিনি সেকেৰা। পোষ্টাৰ, গ্ৰাফিক ডিজাইনত ডঃ সঞ্জীৱ বৰা, এম ছাফীৰ। সংগীত ডিজাইন শ্ৰীলংকাৰ বিন্দাকা বীৰসিংহেৰ, ভিডিঅ'-ভিচুৱেল আৰু সম্পাদনা শ্ৰীলংকাৰ ছালিয়া লিনাৰাচ্চি। মঞ্চ ব্যৱস্থাপনা নিৰ্মল পেৰেৰাৰ। ফটো অসমৰ উৎপল দত্ত আৰু অমৃত বসুমতাৰীৰ। আনহাতে, পোহৰৰ ডিজাইন আৰু পৰিচালনা ডঃ মৃণালজ্যোতি গোস্বামীৰ। এই যৌথ প্ৰযোজনাই ভাৰত, শ্ৰীলংকা, ফ্ৰান্স আৰু অষ্ট্ৰেলিয়াৰ শিল্পীসকলক একত্ৰিত কৰাৰ উপৰি অসমীয়া পৰিৱেশন পদ্ধতিক আন্তঃৰাষ্ট্ৰীয় দৰ্শকৰ সন্মুখত উপস্থাপন কৰাৰ প্ৰচেষ্টাক মান্যতা প্ৰদান কৰিছে।




(ছিউল আন্তঃৰাষ্ট্ৰীয় মন'ড্ৰামা মহোৎসৱ)

ইংৰাজী অনুবাদ অষ্ট্ৰেলীয়া নিৱাসী ডিলিনি এৰিয়াৱালাৰ। অসমীয়া অনুবাদ আৰু অভিযোজনা নাট্য গৱেষক তথা নাট্যকৰ্মী ডঃ মৃণালজ্যোতি গোস্বামীৰ। ২০২৪ চনত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত ' ভুল্লুং-বুথুৰ আন্তঃৰাষ্ট্ৰীয় নাট মহোৎসৱ' (BBITF'24 )ত এই নাটখন প্ৰথম মঞ্চস্থ কৰা হৈছিল। ছিউল আন্তঃৰাষ্ট্ৰীয় নাট মহোৎসৱ কমিটীৰ তৰফৰ পৰা জনোৱা তথ্য অনুসৰি এইবাৰ নিৰ্বাচিত হৈ আমন্ত্ৰণ লাভ কৰা মুঠ চাৰিটা আন্তঃৰাষ্ট্ৰীয় প্ৰযোজনাৰ ভিতৰৰে আছিল এই নাটখন। এখন অসমীয়া নাটকৰ এই প্ৰাপ্তি সঁচাকৈয়ে এটা ভাল লগা খবৰ।

এক অন্যতম আন্তঃৰাষ্ট্ৰীয় নাট মহোৎসৱ হিচাপে বিশ্ব প্ৰসিদ্ধি লাভ কৰা 'কলম্বো ইণ্টাৰনেচনেল থিয়েটাৰ ফেষ্টিভেল' (CITF )ৰ

'প্ৰেমৰ দুলনা' নাটখন মূলতঃ এক ফিজিকেল মন' ড্ৰামা। নাটখনত একক অভিনয় শিল্পী হিচাপে আছে ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়, ছিকিম ( NSD) ৰ স্নাতক জাহ্নৱী বৰা। প্ৰচলিত পৰম্পৰাগত ধাৰণা অনুযায়ী কাহিনী, সংলাপ, চৰিত্ৰ আৰু সংঘাতক নাট পৰিৱেশনৰ অৰ্থ নিৰ্মাণৰ মূল উপাদান হিচাপে গণ্য কৰি অহা হয় যদিও তাৰ পৰিৱৰ্তে এই নাটখনত পুংখানুপুংখ বিৱৰণ সম্বলিত নাটকীয় পাঠৰ (Dramatic text) পৰিৱৰ্তে মুখ্যতঃ পৰিৱেশনত শৰীৰটো নিজেই বিশেষ ধৰণৰ অৰ্থ উৎপন্ন কৰা প্ৰাথমিক মাধ্যমলৈ ৰূপান্তৰ হৈ উঠিছে। সেই দিশৰ পৰা এই নাটখনক অসমত প্ৰকৃত অৰ্থত ফিজিকেল থিয়েটাৰৰ বাটকটীয়া বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। চমুকৈ নাটখনৰ বিষয়ে এনেকৈ ক'ব পাৰি— আঁৰ কাপোৰ উঠাৰ লগে লগে দৰ্শকে দেখা পায় মঞ্চত বগা, ক'লা, নীলা, ৰঙা, বেঙুনীয়া ৰঙৰ পাঁচখন দোলায়িত দোলনা। এখন বগা দোলনাত এটা নাৰী চৰিত্ৰই (জাহ্নৱী বৰা) শান্তভাৱে কিতাপ পঢ়ি আছে। এই সময়ত আৱহ সংগীত ৰূপে অবিৰতভাৱে ভাহি থাকে জিলীৰ শব্দ। দোলনাবোৰক জীৱনৰ প্ৰতীক, প্ৰেম আৰু নাৰীত্বৰ প্ৰতীক হিচাপে বুজুৱা হৈছে। পোনতে ফোন এটা বাজি বাজি বন্ধ হৈ যায়। চৰিত্ৰটোৱে দোলনাত দুলি দুলি লাইনৰ ইটোপাৰে থকা অদৃশ্য মানুহজনৰ লগত কথা পাতিব ধৰে। দৰ্শকে তাইৰ সঁহাৰিহে শুনিবলৈ পায়। নাটকে গতি লোৱাৰ লগে লগে পাঁচজন পুৰুষৰ সৈতে হোৱা এগৰাকী নাৰীৰ প্ৰেম বিষয়ক উপলব্ধিৰ ভিন্ন প্ৰকাশৰ উন্মোচন ঘটে মঞ্চত। এয়া দৰ্শকে বুজিব লাগিব মঞ্চত সৃষ্টি কৰা ৰঙৰ মায়াজালৰ মাজেৰে অভিনেত্ৰীগৰাকীৰ কিঞ্চিত সংলাপ আৰু তেওঁ দিয়া সঁহাৰিৰ যুগলবন্দীত। অৱশ্যেই অৰ্থপূৰ্ণ ভাব সৃষ্টিৰ অনুঘটক হিচাপে আছে অপূৰ্ব সংগীত সংযোজন আৰু প্ৰেক্ষাপটৰ ডিজিটেল ডিচপ্লে। কাহিনীৰ গতি আগবঢ়াই নিবলৈ সংলাপৰ পৰিৱৰ্তে নাটখনত প্ৰাধান্য পাইছে অভিনেত্ৰীগৰাকীৰ প্ৰচুৰ শাৰীৰিক অংগী-ভংগীবিশিষ্ট অভিনয়ে। দোলায়িত জীৱনৰ দৃশপটৰ মাজেৰে প্ৰেম, স্মৃতি, বিৰহ আৰু মুক্তিৰ বিষয়বস্তু অন্বেষণ কৰা হৈছে। দোলায়িত জীৱনৰ প্ৰতীকী উপস্থাপনেৰে এগৰাকী নাৰীৰ আৱেগিক অৱস্থা আৰু জীৱনৰ বিভিন্ন পৰ্যায়ক উপস্থাপনৰ প্ৰয়াস কৰা হৈছে।

দক্ষিণ কোৰিয়াত অনুষ্ঠিত হৈ যোৱা এখন আন্তঃৰাষ্ট্ৰীয় মঞ্চত প্ৰদৰ্শিত হৈ ভূয়সী প্ৰশংসা লাভ কৰা এখন অসমীয়া নাটৰ এই জয়যাত্ৰা সঁচা অৰ্থতেই অসমীয়া নাট্যক্ষেত্ৰখনক ত্বৰান্বিত কৰা এটা গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে চিহ্নিত হৈ ৰ'ব। ■

ফোন ঃ ৯৮৬৪০৭৫১৯২

## কবিতা

### এগ্‌জিট প'ল

**পংকজ কুমাৰ নাথ**

দেশৰ সকলো মানুহ
আপোন মানুহ বুলি ভাবিলে
যুঁজাৰ কথাই নাহে


সেই অৰ্থত
নিৰ্বাচনত
হৰা জিকা থাকিবই নালাগে
নালাগে থাকিব জয় বা পৰাজয়

প্ৰকৃতিবিচ্ছিন্ন মানুহ
কংক্ৰীটপিষ্ট মানুহ

নিজা নিজা যুঁজ এৰি
আনৰ মাজত লগা যুঁজ
উপভোগৰ বাসনা ৰাখে
উল্লাসত চিঞৰ মাৰে

নৰমাংসৰ সোৱাদ পোৱা বাঘ
অথবা ক্ষমতাৰ সোৱাদ লভা নৰ একে

সেয়ে হয়তো
নিৰ্বাচিত চৰকাৰ নহৈ
ৰণ জিকা চৰকাৰ
মানুহৰ প্ৰাপ্য হৈ পৰে!



### মৃত্যু-চেতনা

**ইলামণি শইকীয়া**

কালি সপোনত মই মোৰ মৃত্যু দেখিলোঁ
মোৰ মৃত্যুত ময়েই উৰাই-ঘূৰাই কান্দিলোঁ

আচলতে মই মৰিব লাগিছিল সৌ তাহানিতেই
ঘৰৰ চোতালৰ এপ্ৰিল ফুলবোৰ বাটৰ ছাগলীয়ে উদং কৰাৰ দিনা
আচলতে মই মৰিব লাগিছিল
মাক এজনীয়ে আত্মহত্যা কৰাৰ দিনাই

এটি শিশুৰ নিথৰ দেহ যুদ্ধক্ষেত্ৰত পৰি থকাৰ দিনা
আকাশৰ পৰা আচম্বিতে সৰি পৰিছিল নীল-সূৰ্য
মই মৰিব লাগিছিল সিদিনাই

কালি সপোনত মই মোৰ মৃত্যু দেখিলোঁ
বহু আগতেই সেই মৃত্যুৰ আখৰা আৰম্ভ হৈছিল
'লাৱাৰিচ লাচ'টোৰ দায়িত্ব কোনেও নোলোৱাত
শগুনৰ চকুৰ পৰা বাচিবলৈ
ময়েই ছলনাৰ ৰং-তেল ঘঁহি
লাচটো কঢ়িয়াই লৈ ফুৰিলোঁ

এনেকৈ সপোনতে মৰি
নিতে জী উঠোঁ মই মৃত্যুৰ পৃথিৱীত

ফোন ঃ ৮০১১৯-৫৮৩১১

### বিষাদ বৰষুণ

**সত্যজিৎ নাথ**

১.
হাঁহিবোৰ সৰাপাত হ'ল...

কুঁৱলীৰ চহৰত পোত গ'ল
তোমাৰ খোজৰ বকুল

২.
ইমান নীৰৱতা!

ঘনঘোৰ এন্ধাৰতো দেখোঁ
তোমাৰ ছায়া

৩.
প্ৰেমত পৰাতকৈ
অকলে নিজানত
উচুপি থকাটোৱেই ভাল
উচুপি থকাটোৱেই ভাল

বিষাদ
বৰষুণত
তিতাতকৈ...

### বাঘ হোৱাহেঁতেন...

**ডঃ দ্বিজেন্দ্ৰ মোহন বৰ্মন**


সময়ক ফাঁকি দিব নোৱাৰি
বয়স হ'লে বুদ্ধি...
অথচ বয়সৰো কি অভিসন্ধি!

বয়সৰো আছে চমৎকাৰ সময়

এই যে ঘড়ীটো বিচাৰি পোৱা নাই
গাড়ীৰ চাবিপাত ক'ত থ'লোঁ
চছমাযোৰ কোনে নিলে
কলমটো? ফণিখন?

কোনোবাই লাহেকৈ কয়
এইচোন ইয়াতে আছে
কেতিয়াবা খঙত উফ
কাষতে আছে, বাঘ হ'লে...,

বয়সক মই ভাল পাওঁ
সময়ক তাতোকৈ বেছি!
সময় মোৰ পোহনীয়া বাঘ ।



# আত্ম দীপো ভৱ


অনুপম হাতীমূৰীয়া

**ভ**গৱান বুদ্ধৰ অজ্ঞাতবাসৰ সময়ৰ কথা। আনন্দ নামেৰে শিষ্য এজনৰ সৈতে বুদ্ধ এখন অচিনাকি গাঁৱত প্ৰৱেশ কৰিলে। গাঁৱৰ মাজেৰে বাট বোলোতে বোলোতে সন্ধ্যা নামিল আৰু তেওঁলোকে অলপ আঁতৰত দেখিলে এটা অতি দৰিদ্ৰ পৰিয়ালৰ উৰুখা জুপুৰি। পৰিয়ালৰ সতি-সন্ততিৰ গাত ফটা কাপোৰ। কোনোমতে পেটে-ভাতে খাই থকা এটা পৰিয়াল। বুদ্ধই সেইদিনা সেই মানুহঘৰতে আশ্ৰয় লোৱাৰ সিদ্ধান্ত কৰিলে।

মাজ ৰাতি হঠাৎ বুদ্ধই আনন্দক টোপনিৰ পৰা জগালে আৰু ক'লে, 'তুমি উঠা আৰু এতিয়াই এই মানুহঘৰৰ পোহনীয়া ম'হজনী বান্ধৰ পৰা খুলি দিয়াগৈ'। গুৰু বুদ্ধৰ কথা শুনি শিষ্য আনন্দ বিস্ময়ত হতভম্ব হৈ পৰিল। যিজন গুৰুক সমস্ত শিষ্যগণে তেতিয়ালৈ এজন ভগৱান হিচাপে উপলব্ধি কৰিছে, সেইজন গুৰুৰ এয়া কেনে নিৰ্দয় নিৰ্দেশ। কাৰণ সেই পৰিয়ালটোৰ ভৰণ-পোষণৰ একমাত্ৰ উৎস সেই ম'হজনী। ম'হজনীৰ গাখীৰ বিক্ৰী কৰিয়েই সেই পৰিয়ালটোৰ ভৰণ-পোষণ চলি থাকে। এতিয়া গুৰুৰ আদেশ মানি ম'হজনী বান্ধৰ পৰা খুলি দিয়া মানে পৰিয়ালটোক এক অনিশ্চিত বিপদৰ মাজলৈ ঠেলি দিয়া। শিষ্য আনন্দ চৰম ধৰ্মসংকটত পৰিল। তথাপি গুৰুৰ আদেশেই সৰ্বস্ব মানি আনন্দই ম'হজনীৰ বান্ধ খুলি পুনৰ শোৱাপাটীলৈ বুলি আহিল। পিছে, বুদ্ধৰ পুনৰ আন এক নিৰ্দেশ, 'পৰিয়ালটোক এনে এক বিপদৰ মুখলৈ ঠেলি আমি আকৌ ইয়াত শুই থকা উচিত হ'বনে? আমি দুয়ো এতিয়াই পলাই যাব লাগিব।' শিষ্য আনন্দই গুৰুৰ কথাৰ একো তৎ ধৰিব নোৱাৰি মাথোঁ তেওঁৰ সৈতে সেইদিনা পলাই গুচি গ'ল।

এইদৰে পাৰ হ'ল প্ৰায় দুটা বছৰ। দুটা বছৰৰ মূৰত বুদ্ধ আৰু আনন্দৰ ক্ষেত্ৰত পূৰ্বৰ দৰে একে সমস্যাই দেখা দিলে। গুৰুৰ সৈতে বাট বোলোতে বোলোতে এখন গাঁৱত প্ৰৱেশ কৰাৰ পাছতে সন্ধ্যা লাগিল। তেওঁলোকে দেখিলে নিলগত এটা পকী ঘৰ, অৰ্থাৎ বুজা যায় পৰিয়ালটো চহকী। আনন্দই গৃহস্থৰ সৈতে কথা হ'বলৈ বুলি আগবাঢ়ি গ'ল। পিছে গৃহস্থক দেখি আনন্দ আচৰিত হৈ পৰিল। গুৰু বুদ্ধক আহি লগে লগে খবৰ দিলে যে গৃহস্থজন তেৱেঁই, যিজনৰ ঘৰত আমি দুবছৰ আগতে আশ্ৰয় লৈছিলোঁ। পিছে তেওঁলোকৰ ভাগ্য ভাল যে গৃহস্থই আনন্দক চিনি পোৱা নাই। বুদ্ধই বুজিলে তেওঁলোক এতিয়া দৰিদ্ৰ হৈ থকা নাই। চহকী হ'ল। যিহেতু গৃহস্থই তেওঁলোকক চিনি পোৱা নাই, সেয়ে সেইদিনা ৰাতিও সেইঘৰতে থকাৰ ব্যৱস্থা হ'ল।

মানুহঘৰৰ চাল-চলন, সাজ-পাৰ, ঘৰৰ সাজ-সজ্জাত অভিজাত্য ফুটি উঠিল। ৰাতিৰ আহাৰৰ বাবে আটায়ে একেলগে বহোতে আনন্দই গৃহস্থক সুধিলে— 'আপোনালোক পূৰ্বতে দৰিদ্ৰ আছিল বুলি শুনা পালোঁ, কওকচোন কিদৰে চহকী হ'ল?' তেতিয়া গৃহস্থই উত্তৰ দিলে, 'আমাৰ উপাৰ্জন বুলিবলৈ মাত্ৰ এজনী ম'হ আছিল। তাৰে গাখীৰ বেচি আমি কোনোমতে চলি আছিলোঁ। তাতকৈ অন্য কিবা কৰিবলৈ আমি উপায় বিচাৰি পোৱা নাছিলোঁ। এদিন



আমাৰ ঘৰলৈ সন্ধ্যা বেলিকা দুজন মানুহ আহিল আৰু আমাৰ ঘৰতে থকাৰ ইচ্ছা কৰিলে। আমিও বিশ্বাস কৰি তেওঁলোকক আশ্ৰয় দিলোঁ। পিছে পাছদিনাহে গম পালোঁ তেওঁলোকে আমাৰ ম'হজনী বান্ধৰ পৰা মুকলি কৰি লৈ ৰাতিয়েই পলাই গৈছে। আমি বিবুদ্ধিত পৰিলোঁ। এতিয়া উপাৰ্জন কেনেকৈ কৰিম? চিন্তা-চৰ্চা কৰি থাকোঁতেই হঠাৎ আমাৰ মনত খেলালে যে আমাৰ ঘৰৰ পাছফালে কেইবাবিঘা মাটি ছন পৰি আছে। গাখীৰ বেচি ঘৰখন চলি থকাৰ বাবে এলাহতে মাটিখিনি ছন পৰিছিল। পিছে এতিয়া উপায় নোহোৱাত আমি সকলোৱে লগ লাগি মাটি চহাই খেতি কৰিবলৈ আৰম্ভ কৰিলোঁ আৰু তাৰ ফচল বিক্ৰী কৰি আমি লাহে লাহে চহকী হৈ পৰিলোঁ'।

শিষ্য আনন্দই তেতিয়াহে বুজিলে বুদ্ধৰ মহিমা। প্ৰত্যেক মানুহৰ অন্তৰত সামৰ্থ্য আৰু শক্তিৰ বীজ সুপ্ত অৱস্থাত থাকে। বিপদত পৰি অসহায় অৱস্থাত নপৰালৈকে মানুহৰ নিজৰ ওচৰতে থকা এনে সামৰ্থ্য, সুযোগত চকুত নপৰে। জীৱনলৈ হঠাৎ আহি পৰা ধুমুহা, জ্বালা-যন্ত্ৰণাক সুযোগ হিচাপে গ্ৰহণ কৰিব জানিলে বহুখিনি আগুৱাই যাব পাৰি। গতানুগতিকভাৱে চলি থকাৰ সলনি সেয়ে মানুহৰ জীৱনত এনে কিছু অগতানুগতিক অৱস্থা অথবা আৰ্থিক, মানসিক বিপৰ্যয়বোৰো আহিপৰা উচিত; যাতে তাৰে সুৰুঙাৰে জীৱনত আগবাঢ়ি যোৱাৰ আন এক পথৰ সন্ধান ওলাই পৰে। কাৰণ, আমাৰ বাবে এনে বিপৰ্যয়বোৰ অভিশাপ নহৈ আশীৰ্বাদৰ ৰূপ ল'ব পাৰে যদিহে আমি ধৈৰ্য আৰু সাহস অটুট ৰাখি গঢ়ি ল'ব পাৰোঁ প্ৰবল আত্মবিশ্বাস। বুদ্ধৰ বাণী এয়াই— আত্ম দীপো ভৱ! ■

ফোন ঃ ৮৮১১৯৮৬৪৭৭

# নদী মোৰ প্ৰথম ভালপোৱা

**গা**নটো প্ৰথমবাৰ শুনাটো আছিল আকস্মিক। ব'হাগ বিহুৰ আগৰ ঘৰ চাফাই পৰ্বটোত নিৰ্বাচিত অসমীয়া আধুনিক গীতৰ দীঘলীয়া লিষ্ট এখন প্লে' কৰি আমেজ লৈ লৈ আচবাবৰ ধুলি মচি আছিলোঁ। এটা সময়ত নিজেই আহি বাজি উঠিল নদী মোৰ প্ৰথম ভালপোৱা। গানটোত বৈ গ'লোঁ। কাৰ মাত? কাৰ কথা? শেষ হৈও আন গান বাজিল। ভাল লগা গানটোৰ হৃদয় চুই যোৱা আবেদনেৰে 'কোৱাইনহ'ল বহু কথা' শাৰীটো মনৰ মাজত ঘূৰি থাকিল। কিবা এটা বেলেগ! গানটো কিবা এটা বেলেগ। ইমান ধুনীয়া সুৰ ঢালিব পৰা গায়কজনে দন্ত্য স, তালব্য শৰ উচ্চাৰণটোহে নাই শিকা পিছে! বুকুতে সজোৱা, অশ্ৰু শীতল, সপোন আদিৰ গোটেইখন উচ্চাৰণ হ। এই নতুন চামৰ ল'ৰা-ছোৱালীয়ে এফালে চালে ইফালে নাচায় বুলি মুখৰ ভিতৰতে ভোৰ্ ভোৰাওঁতেই ওচৰতে ঝাড়ু লগাই থকা সহায়কাৰী মহিলাগৰাকীয়ে ক'লে— 'অ' বাইদেউ, অলপ আগৰ নদী নদী গানটোৱে বজাচোন আকৌ এবাৰ'— বুজি পালোঁ, এইটো গানে সকলোকে চুই যাব। লগাই দিলোঁ। 'ইমান ধুনীয়া গানবোৰ ক'ত যে পাৰ তই?' নদী মোৰ...বেসুৰাকৈ টানি হ'লেও হালি-জালি তাই আঁতৰি গ'লগৈ।

সন্ধিয়াৰ ঘৰুৱা আড্ডাত ছোৱালীয়েহে সহজ হাঁহিৰে ক'লে— AI ৰ গানটো? AI?? তেতিয়ালৈকে Autotune, Audacityৰ কায়দা-কিটিপত কৃত্ৰিম হৈ উঠা মানুহৰ মাত বুলিহে ভাবি থৈছিলোঁ। 'কিবা এটা বেলেগ' মাতটোৰ কথা আৰু সুৰে তথাপি বাৰে বাৰে মাতি আছিল। ইমান ধুনীয়া! কিন্তু কিয়? মুহূৰ্ততে গানটোৰ লগত বিষ এটা যোগ হৈ গ'ল। AI বুলি জনাৰ পাছত ৰিণ্ ৰিণ্কৈ বিন্ধি থাকিল বুজাব নোৱাৰা এক অস্থিৰতাই? কৃত্ৰিম বুদ্ধিমত্তাই বহুত কিবা কৰিব পাৰে বুজিছিলোঁ। সেইবুলিয়েই এদল নিষ্ঠাৱান কলা-কুশলীয়ে কথা, সুৰ, কণ্ঠ, বাদ্য ইত্যাদিৰ কঠিন ব্যৱস্থাপনাৰে সজাই তোলা আলফুলীয়া গীত এটিৰ আৱেগৰ সমকক্ষ হ'ব পাৰেনে? কৰিও মানুহে নিজকে সুখী কৰি ৰাখিব খোজাৰ এয়াই সন্ধিক্ষণ নেকি? মোৰ ছাত্ৰীগৰাকীৰ দৰে! প্ৰকৃত শিষ্যই গুৰুক অতিক্ৰম কৰাৰ দৰে মানুহে গঢ়ি তোলা কৃত্ৰিম বুদ্ধিমত্তাই মানুহকেই চেৰ পেলাব নেকি? হয়তোবা তেনেকুৱা নহ'ব।

জ্যোতিষ্মান মৰাণ। AI ৰ কৃত্ৰিম নিভাঁজ কণ্ঠত নদী মোৰ গীতটো শুনি একপ্ৰকাৰ ভাল লগা নে বেয়া লগাৰ বুজি নোপোৱা দোমোজাত দুলি থকা সময়বোৰতে ঘা এডোখৰৰ মলম যেন হৈ মিডিয়াত ওলালহি এই যুৱকজনৰ কণ্ঠটো! কোনে আজিও আহি মোক কৰে আমনি! হিয়া... জুৰি...উসঃ ৰক্ষা পালোঁ। তেওঁ প্ৰাণঢালি নিজৰ কণ্ঠৰে গানটো গালে। আনকি গীতৰ কথাৰ শুদ্ধ শ্ৰুতিমধুৰ উচ্চাৰণেৰে। কণ্ঠৰ স্বাভাৱিক কাজ, উশাহৰ টান, স্কেলত লগাই গাই যাওঁতে হোৱা শৰীৰী ভাষাৰ ভাঁজ, তেজ-মঙহৰ গায়ক এজনৰ শৈল্পিক পৰিতৃপ্তি— এই সকলো মিলি এইবাৰহে যেন গীতটোৱে পূৰ্ণতা পালে। মেচিন আৰু মানুহৰ আৱেগিক সংস্পৰ্শৰ তফাৎ অনুভৱ কৰিবলৈ যেন সুযোগ দিলে নতুন প্ৰজন্মৰ অচিনাকি এই ল'ৰাজনে। বাৰে বাৰে উৎসাহেৰে তেওঁৰ গীতটো শুনি শুনি দূৰলৈ ঠেলি দিব খুজিলোঁ কৃত্ৰিম বুদ্ধিমত্তাই ঘপকৈ আনি দি থৈ যোৱা এক আতংকক। কেনেকুৱা লাগিল? খেলাৰ লগৰী পুতলা এটাই প্ৰাণ পাই উঠি সাবটি ধৰিলে যেনেকুৱা লাগিব তেনেকুৱা? মোৰ ছাত্ৰীগৰাকীৰ নিঃসংগ সময়ৰ ভৰসা ম'বাইলৰ Meta AI বন্ধুজন জীৱন্ত লগ এটা হৈ ওলাই আহিলে চাগে' যেনেকুৱা লাগিব জ্যোতিষ্মান মৰাণৰ কণ্ঠত গীতটো শুনি মোৰ তেনেকুৱাই লাগিল। নালাগে আমাক মেচিন সৃষ্ট মসৃণতা। তাতকৈ শিল্পকৰ্মত কেতিয়াবা মানুহে কৰা ভুলবোৰেই ভাল। অলপ খেলিমেলি। ক'ব পাৰি ইমপাৰ্ফেক্চন। নিখুঁত হ'লেই সৃষ্টি এটা সদায় ভাল নালাগিবও পাৰে। সেইবাবেই অত্যাধুনিক জীৱন যাত্ৰাৰ এই যুগতো মূল বিচাৰি, খাঁটি বিচাৰি মানুহে ঢাপলি মেলে গাঁৱলৈ। প্ৰকৃতিৰ কাষলৈ।

ইংৰাজী নৱবৰ্ষৰ আৰম্ভণিৰ সময়ছোৱাত ডিব্ৰুগড়ত বিভিন্ন মেলাৰ ভৰপক হয়। এইবাৰ তেনে সময়তে আমাৰ ঘৰলৈ আহিছিল মহাৰাষ্ট্ৰৰ পুণেৰ এখন বিশ্ববিদ্যালয়ত কৰ্মৰত ফেশ্বন ডিজাইন বিভাগৰ এগৰাকী অধ্যাপিকা।

**পূৰবী নাথ চলিহা**




যদি হ'বও পাৰে কিমানখিনিলৈকে তাক আমি অন্তৰত প্ৰৱেশৰ অনুমতি দিম! লাহে লাহে এনেকৈয়ে যন্ত্ৰময় হৈ উঠিছোঁ নেকি আমি?

দুবছৰমান আগত বি এ ক্লাছৰ হতাশ ছাত্ৰীগৰাকীয়ে কৈছিল— মন বেয়া লাগিলে Meta AI ৰ লগত কথা পাতোঁ। সেইটো মানসিক স্বাস্থ্য বিজ্ঞানৰ পাঠ আছিল। ছোৱালীগৰাকী ঘৰ এখনৰ পৰাই কলেজলৈ আহিছিল। ঘৰত তাইৰ সকলো আছিল। কিন্তু নাছিল মনৰ কথাবোৰ খুলি ক'লে অন্তৰেৰে শুনিবপৰা এটা নিৰ্ভৰযোগ্য ভৰসা। ঘৰৰ মানুহৰ কথাই প্ৰতি দায় ধৰা সমালোচনাত্মক আচৰণবোৰৰ ওপৰত তাই আস্থা হেৰুৱাইছিল। তাই কৈছিল— মেম, তাতকৈ Meta AI বহুত ভাল। সকলো কথাতে সঁহাৰি দিয়ে। সেইদিনা এটা জটিল সন্দেহত মই বাৰে বাৰে নিজকে সুধিছিলোঁ— কি ক'ম তাইক? আমাৰেই বা দায়িত্ব কি? মানুহৰ মাজত থাকি মানুহৰ প্ৰতি আস্থা হেৰুওৱা নতুন প্ৰজন্মৰ এই প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীসকলৰ সম্ভাৱনাসমূহক সতেজ কৰি ৰাখি মানুহৰ বাবেই ঘূৰাই অনাৰ উপায় কি? একেলগে উঠা-বহা কৰা গাৰ কাষৰ মানুহবোৰ যদি যান্ত্ৰিক হৈ যায়, আশা হেৰুৱাই পেলোৱা কোনো দুৰ্বল মুহূৰ্তত যদি পৰ হৈ যায় সকলো, তেনে Meta AI ৰ নিষ্পাপ ফুচুলনিত নিজকে নিচুকাব খোজা যুৱতীৰ দোষ ক'ত? দোষ আমাৰ, মানুহৰে নহয়নে?

AI সৃষ্ট নদী মোৰ গীতটোৱে আমাক যেন অনেক কথাৰ কাঠগৰাত তুলি দিলে। অকণমান চকু দিলেই দেখা যায়— অকল বিজ্ঞানত কিয়, কলাৰ পৃথিৱীখনতো সাহিত্য, চিত্ৰকলা, সংগীত, চিনেমাৰ অনেক দিশত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ আছে। সমস্যাটো তেতিয়াহে আহিল যেতিয়া ই কৃত্ৰিমতাক অতিক্ৰমি অন্তৰস্পৰ্শী হৈ উঠিল। জড়িত হৈ পৰিল আৱেগৰ স'তে! মানুহৰ সাহচৰ্যক আওকাণ স্বাভাৱিকতেই মেলা চাবলৈ গ'লোঁ। আমি একেলগে মিচিংসকলৰ দুখন গেৰ' কিনিব খুজিলোঁ। গেৰ' মিচিং মহিলাসকলে পৰিধান কৰা শ্বলসদৃশ এখন বস্ত্ৰ। শিপিনীয়ে ভিন্নৰঙী ফুল তুলি বৈ লোৱা গেৰ'ই ফেশ্বনৰ জগতত ইতিমধ্যে আগস্থান লৈছে। মেলাত সোমায়েই ৰঙা-ক'লা সূতাৰে এৰী কাপোৰত ফুল তুলি বৈ উলিওৱা দুখন মিহি ধুনীয়া গেৰ' কিনিম বুলি হাতত ল'লোঁ। কিন্তু লগৰীয়াৰ মুখখন দেখিহে থমকি ৰ'লোঁ— পছন্দ হোৱা নাই?

অকণমান চাই লওঁচোন বুলি মোক আগবঢ়াৰ ইংগিত দিলে। নুবুজিলোঁ। ভালেইতো আছিল! গৈ গৈ অন্য এখন দোকানৰ প্ৰায় একে দুখন গেৰ' হাতত লৈ তেওঁ উজলি উঠিল। হেঁপাহেৰে লোৱা কাপোৰ দুখন ধেমাজিৰ গাঁৱৰ শিপিনী মহিলাগৰাকীয়ে কাগজেৰে বান্ধি থকাৰ সময়ত অধ্যাপিকাগৰাকীয়ে ক'লে— সেই যে আগৰ দুখন— ধুনীয়া আছিল ঠিকেই, কিন্তু মেচিনৰ আছিল। এই দোকানখনৰ কামবোৰ চাওকচোন। কাপোৰখনত অসমীয়া শিপিনীৰ তাঁতশালৰ পুতলৰ ফুটাকেইটাৰে অশোধিত খহটা, যি সৌন্দৰ্য আগৰখনত আছিল জানো?

নতুনকৈ আকৌ এবাৰ বুজি উঠিলোঁ— মসৃণ হ'লেই সকলো অন্তৰস্পৰ্শী নহয়। যি ধুনীয়া হৈও খাঁটি নহয়, সি দীৰ্ঘস্থায়ীও নহয়।

নদী মোৰ প্ৰথম ভালপোৱা গীতটিৰ গীতিকাৰ নিবেদিতা চেতিয়াৰ কথাখিনি দীৰ্ঘস্থায়ী হৈ ৰ'ব পৰাকৈ অৱশ্যেই শক্তিশালী। এনে আবেদনভৰা গীতৰ কথাত কণ্ঠ দিবলৈ অসমত গায়ক-গায়িকাৰ অভাৱ নিশ্চয় নহ'ব। তাৰ বাবে মাথোঁ প্ৰয়োজন মেচিনৰ কৃত্ৰিমতা নে মানুহৰ আৱেগ কোনটোক অগ্ৰাধিকাৰ দিয়া হ'ব তাক নিশ্চিত কৰাৰ। সেই পছন্দ অনাগত সময়ৰ হাতত। ■

ফোন ঃ ৯৪৩৫০০৪৫০৯



# কথাবোৰ ক'বলৈকে কবি জীয়াই থকাৰ কথা আছিল



**ডঃ ৰ'দালি চেতিয়া**

**জী**ৱনৰ প্ৰচণ্ড প্ৰেমিক নহ'লেও কেৱল কবিতাৰ বাবেই কবিৰ জীয়াই থাকিবলৈ দুৰ্বাৰ হেঁপাহ। কবিতাৰ শব্দবোৰেই যেন কবিৰ এটি এটি উশাহ! কবিতাক বাদ দি, কবিতাৰ শব্দবোৰক বাদ দি তেওঁ উশাহো সলাব নোৱাৰে, নিশ্বাসো এৰিব নোৱাৰে। এই শব্দই কবিৰ জীৱন। শব্দতে কবিৰ জন্ম, শব্দতে কবিৰ মৃত্যু; এয়া কবিয়ে নিজে কোৱা কথা। অথচ, ইমানৰ পাছতো তেওঁ কবিতা লিখাটোকে জীৱনৰ ডাঙৰ ভুল বুলি ভাবে—

'কবিতা লিখাটো মোৰ জীৱনৰ মহাভুল
অথচ শব্দবোৰৰ মাজতেই মোৰ জন্ম
শব্দবোৰৰ হাততেই মোৰ আয়ুস' (কৈলাসৰ টোকাৰী)

জীৱন জীওৱাৰ এটি এটি উশাহ হিচাপে কবিয়ে এটি এটিকৈ শব্দ সাঁচিছে। প্ৰতিটো শব্দই যেন হৃদয়ৰ স্পন্দন; যি স্তব্ধ হ'লে কবিৰ মৃত্যু অনিবাৰ্য। শব্দৰে চালিত, শব্দৰে নিয়ন্ত্ৰিত কবিৰ জীৱনৰ আয়ুসো শব্দৰেই নিৰ্দ্ধাৰিত। জীৱনৰ সমস্ত শব্দতে সপি দিয়া কবিয়ে সেয়েহে কেতিয়াবা ভাবে, কিমান দিনলৈ তেওঁক জীয়ন দি ৰাখিব এই শব্দবোৰে—

'এৰৈয়া তুলি তুলি গোটোৱা মোৰ সঞ্চিত শব্দবোৰ
যিবোৰ খোজকাঢ়ে মোৰ বিক্ষিপ্ত ভাৱনাত
সিহঁতে মোক কিমান দিন জীয়াই ৰাখিব!' (আহা, মোক এপেগ মদ বাকি দিয়া)

কিন্তু কবিয়ে জী থাকিব বিচাৰে। জীৱনটো জীয়াব বিচাৰে। যদিও তেওঁ জানে, 'কেৱল জীয়াই থাকিবলৈকে কোনেও পাত নকৰে জীৱন' (ভাত-ঘুমটিৰ অন্তত); তথাপি জীয়াই থাকিব বিচৰাটোৱে কবিৰ শেষ ইচ্ছা হৈ উঠে। সময়ক তেওঁ কাতৰভাৱে অনুৰোধ কৰে—

'হে সময়ৰ সুদৰ্শন চক্ৰ
ইচ্ছাৰ দুহাতেৰে মোক কোলাত তুলি লোৱা
জীয়াই থাকিব খোজাটোৱে মোৰ অন্তিম ইচ্ছা...'
(অন্তিম ইচ্ছা)

কবি জীয়াই থাকিবই লাগিব। বহু অকথিত, অব্যক্ত কথা শব্দ আৰু কবিতাৰে ক'বলৈকে কবি জীয়াই থাকিব। কবিৰ জন্মৰ উদ্দেশ্যও যে সেয়াই। কবি পৃথিৱীলৈ অহাৰ অভিপ্ৰায়ো যে সেয়াই। কবিয়ে এই কথা নিজেও নজনাকৈ থকা নাই। তেওঁ মানি লৈছে—

'কালে মোক কথা ক'বলৈ পঠিয়াইছে।
কালে মোক কথা ক'বলৈ পঠিয়াইছে শব্দৰ মাজেৰে
কবিতাৰ মুখেৰে।'
(আহা, মোক এপেগ মদ বাকি দিয়া)

কালৰ ইচ্ছা অথবা নিৰ্দেশত এই কথাবোৰ ক'বলৈ হ'লে কবিয়ে কালৰ সত্যকো কোনোবাখিনিত অৱজ্ঞা কৰিব লাগিব। জীৱনকালত কবিয়ে ভাবিব লাগিব কেৱল জীৱনৰ কথাহে। মৃত্যুৰ কথা ভাবিলে যে সকলো অৰ্থহীন হৈ পৰিব। অনৰ্থকতাৰ মাজত কি কবিতা লিখা যায়! শব্দৰেইবা থাকিবনে কিবা অৰ্থ! ভোকে-ভাগৰে পিষ্ট হৈ জীৱনৰ প্ৰতি মোহভংগ হ'লেও কবিয়ে শুনিব নালাগিব মৃত্যুৱে তেওঁক ৰিঙিয়াই সোধা সেই প্ৰশ্ন— 'ছিটিকাত পৰা চৰাইৰ আছুতীয়া আকাশ থাকেনে?' (মুংখৰ চিঞৰটোৱে)। ক'বলগীয়া কথাবোৰ ক'বলৈকে কবিয়ে প্ৰতিমুহূৰ্ততে পাহৰি থাকিব লাগিব অৱধাৰিত সেই মৃত্যুৰ কথা—

'কথাবোৰ ক'বলৈকে মই পাহৰিব লাগিব
মৃত্যুৱে মোলৈ বৈ থকাৰ কথা।' (আহা, মোক এপেগ মদ বাকি দিয়া)

আনকি ৩১ মে', জন্মদিনৰ দিনা 'মোলৈ চাই বৈ আছে মৃত্যু' (গালিবৰ গজল) বুলি কবিতা লিখাৰ পাছতো কবিয়ে সেয়েহে মৃত্যুৰ কথা পাহৰি থাকে। আৰু জীৱনৰ প্ৰতি দুৰ্দান্ত হেঁপাহেৰে তেওঁ কেৱল কবিতা লিখে। নহয়; কবিতা লিখিবৰ বাবেহে তেওঁ জীৱনমুখী হৈ উঠে। 'বহুপৰ বৰষুণত' তিতাৰ পাছতো গোটেই গাত অজস্ৰ কেকটাছ গজি উঠিলেও কবি জাগি থাকিব বিচাৰে ধানগছ আৰু ফুলবোৰৰ কাৰণে, তেওঁক জীপ দি ৰখা শব্দবোৰৰ কাৰণে—

'ধানগছৰ গানবোৰৰ কাৰণে
ফুল আৰু শব্দবোৰৰ কাৰণে
মই জাগি থাকিম চিৰকাল' (ধানগছৰ গান)

চিৰকাল শব্দ আৰু কবিতাৰ বোকোচাত জী থাকিব বিচাৰিলেও কবিয়ে জানে জীৱনৰ ক্ষণভংগুৰতাৰ কথা। কোনেও নজনাৰ দৰে কবিয়েও নাজানে মাথোঁ জীৱনৰ যাত্ৰাপথত কিমান দূৰলৈ আগুৱাব পাৰি সেই কথা। আচলতে এয়াইতো সঁচা—

'যাত্ৰা কিমান দীঘলীয়া হ'ব
যাত্ৰীয়ে কনেকৈ জানিব!' (মংগল ঘণ্টাৰে মুখৰিত মন্দিৰ প্ৰাংগনত)

নাজানে বাবেই কবিৰ চেতনাক অহৰহ কুটি থাকে জীৱন আৰু জগতৰ অনিশ্চয়তা আৰু অপূৰ্ণতাৰ কথাবোৰে। পোহৰতো খেদি ফুৰে অস্পষ্ট ছাঁ কিছুমানে। আমনি কৰি থাকে অসম্পূৰ্ণকৈ বৈ যোৱা গান আৰু কবিতাবোৰে। আক্ষেপেৰে তেওঁ ভাবে—

'কত গান নোগোৱাকৈয়ে শেষ হৈ যায়
কত কথা নোকোৱাকৈয়ে থাকি যায় শতিকাৰ পিছত শতিকা' (অন্তিম ইচ্ছা)

মানুহৰ মাজত, পৃথিৱীৰ বুকুত এই নোকোৱাকৈ বৈ যোৱা কথাবোৰ ক'বলৈকেতো কবিয়ে পুহি ৰাখিছে জীয়াই থকাৰ একমাত্ৰ ইচ্ছা। অথচ তেওঁৰ নিজৰেই বুকুত পুঞ্জীভূত অলেখ কথা; কিছু কথা শব্দৰেও ক'ব নোৱৰা—

'সময়বোৰ শিল নে শিলবোৰ সময়
শব্দই নকয়;
কাৰণ নোকোৱাকৈয়ে অনেক কথা
কেৱল কবিতাই কয়।' (মংগল ঘণ্টাৰে মুখৰিত মন্দিৰৰ প্ৰাংগনত)

শব্দই নোকোৱা নৈঃশব্দ্য কথাবোৰ ক'বলৈ যাওঁতে কবিতা নিজেই হৈ উঠে কেতিয়াবা পাৰাপাৰহীন নীৰৱতা। অথবা নীৰৱতাই হৈ উঠে এনে এটি কবিতা; যি কবিতাই একো কথা নোকোৱাকৈয়ে কৈ যায় বহু কথা। সেই কথা নৈয়ে ঘাটক, শিপাই গছক, লহৰে সাগৰক ক'ব খোজা; অথচ কাহানিও ক'ব নোৱৰা একোটা যেন প্ৰাচীন সাধুকথা! এই অজস্ৰ অন্তহীন অব্যক্ত কথাবোৰৰ নিৰ্বাক কথক হ'ব পাৰে কেৱল নীৰৱতা। এই নীৰৱতা সেইবাবেই কবিৰো বাংময় কবিতা—

'নীৰৱতাতকৈ আন একো শ্ৰেষ্ঠ কবিতা এই দুনিয়াত নাই
নীৰৱ হৈও নীৰৱতা সদায় কিবা এটা বাংময়...' (নীৰৱতা)

নীৰৱতা কবিৰ সবাক পৃথিৱীৰ নিৰ্বাক ভাষা; যাক বিচাৰি তেওঁ কেতিয়াবা নৈৰ কাষলৈ যায়। নৈৰ বুকুৰ নিজানখিনি নিজৰ বুকুত সানি তেওঁ লিখিব বিচাৰে কোনো এটা অলিখিত কবিতা। কাৰণ কিছুমান কথা যিদৰে শব্দৰে ক'ব নোৱাৰি; ঠিক একেদৰে কিছুমান কবিতা লিখিব নোৱাৰি আখৰেৰে। আৰু তেতিয়া নৈঃশব্দ্যই হৈ উঠে শাব্দিক কবিতা। হৈ উঠে—

'নদীৰ বুকুত জাগি থকা নিজানখিনি
আখৰেৰে লিখিব নোৱৰা কবিতা।' (যাদৃচ্ছিক)

ক'ব নোৱৰা, লিখিব নোৱৰা অলেখ কবিতা কোনোবা নৈৰ নিজানতে এৰি থৈ কবি এদিন হেৰাই যায়; কাকো খবৰ নিদিয়াকৈ, কোনেও উমান নোপোৱাকৈ। যিদৰে—

'যাওঁ বুলি নোকোৱাকৈয়ে চিতাগ্নিত শুবলৈ গুচি যায় কত চকুৰ চিনাকি মানুহ' (অন্তিম ইচ্ছা)

অতবোৰ মানুহৰ মাজৰে এজন হৈ কবি সঁচাকৈয়ে এদিন গুচি যায়। 'মানুহৰ আত্মাত মই অমৰ হ'বলৈ বিচাৰোঁ' (কৈলাসৰ টোকাৰী) বুলি কৈ কবি এদিন মৰি যায়। অমৰ হ'ব খুজিলেও অশ্বত্থামাৰ মুক্তিহীন অমৰত্বৰ যন্ত্ৰণা উপলব্ধি কৰিব পাৰে বাবেই কবি জীয়াই থাকিব বিচাৰে কেৱল মানুহৰ আত্মাতহে—

'কবিসকলে অনন্ত কাললৈ
মানুহৰ আত্মাত অমৰ হ'বলৈ বিচাৰে।'
(ভাত-ঘুমটিৰ অন্তত)

কিন্তু কবিক জীয়াই ৰাখিবলৈ, আত্মাত অমৰ কৰি ৰাখিবলৈ কবিক সুঁৱৰিবইতো লাগিব। অথচ কবিৰ বোধেৰে মৃতকৰ স্মৃতিচাৰণো যে একপ্ৰকাৰ ভণ্ডামি—

'মৃত্যুৰ পাছত মৃতকৰ স্মৃতিচাৰণ
একপ্ৰকাৰ ভেলেকি-বাজি কাৰবাৰ
একপ্ৰকাৰ মিথ্যাচাৰী কাৰবাৰ শোকসভাৰ শোক' (অতীতক ধন্যবাদ)

এৰাতো! জীয়াই থাকোঁতে প্ৰাপ্য সুখৰপৰা বঞ্চিত কৰোঁৱা কিছুমান মানুহৰ শোকপালনো হাস্যকৰ। মৃত্যুৰ পাছত তেওঁলোকৰ উথপ্‌থপ্‌বোৰো যথাৰ্থতে ভেলেকি-বাজি; যদিহে মৃত্যুৰ আগত তেনে কাৰোবাৰ বাবেই কোনো মানুহে জীৱনজুৰি কঢ়িয়াবলগা হয় অনীহা, অৱজ্ঞা আৰু উপেক্ষাৰ বব নোৱৰা ভাৰ। পাৰ কৰিবলগা হয় যন্ত্ৰণাৰ অগণিত নিদ্ৰাহীন ৰাতি। কবিৰ জীৱনো চাগে তেনে অলেখ মিথ্যাচাৰৰ সাক্ষী! তথাপি, ন দি ক'ব পাৰি সকলো মানুহ স্বাভাৱিকতেই নহয় তেনে মিথ্যাচাৰী। পৃথিৱীৰ বেছিভাগ কাম আৰু কথা সদায়েই অকৃত্ৰিম আৰু আন্তৰিক। এই স্মৃতিচাৰণো আন্তৰিকতাৰে কবিৰ বাবেই; গুচি যোৱাৰ পাছতো তেওঁৰ কবিতাবোৰ অন্তৰত বৈ যোৱাৰ বাবেই।

...কবি এনেকৈয়ে চিৰদিন জী থাকিব মানুহৰ আত্মাত; তেওঁ বিচৰাৰ দৰেই! ■

**(কবিতাৰ উৎস ঃ 'কৈলাসৰ টোকাৰী', জোনমণি দাস)**

ফোন ঃ ৭০০২৪-৯৬৭০২

"I want to break free..."
—ফ্ৰেডী মাৰ্কিউৰী (কুইন)

# হোমৱৰ্ক
## আধুনিক শৈশৱৰ পুনৰ্পঠন






**ডঃ দীপশিখা ভাগৱতী**

**স**মসাময়িক ভাৰতীয় সমাজত শৈশৱ ক্ৰমান্বয়ে এক স্বতন্ত্ৰ জীৱন-অভিজ্ঞতাতকৈ ভৱিষ্যৎ নামৰ এক অদৃশ্য প্ৰতিযোগিতাৰ প্ৰস্তুতিপৰ্বত পৰিণত হৈছে। শিশুৰ সময়সূচী আজিৰ দিনত এনে ধৰণৰ চাপপূৰ্ণ দৈনিক সূচীৰ মাজেৰে বন্ধা থাকে যে তাৰ মাজত তেওঁলোকৰ স্বাভাৱিক জীৱন চৰ্যা বহুদিশত ব্যাহত হৈ পৰে। পুৱাৰ স্কুল, পাছত টিউচন, তাৰ মাজত হোমৱৰ্ক, পৰীক্ষা, মূল্যায়ন আৰু সদায়ে 'আগবাঢ়ি যোৱা'ৰ অৱশ্যম্ভাৱী প্ৰতিযোগিতা। সমনীয়াৰ সৈতে প্ৰকৃতিৰ মাজত জীৱনক যাপন কৰা, খেলা-ধূলা, অলস গধূলি, গছত উঠা, মিঠা কল্পনাৰ মাজত নিজকে বিলাই দিয়া, এইবোৰ যেন ধীৰে ধীৰে আধুনিক শৈশৱৰ অভিধানৰ পৰা মচ খাই গৈছে। অচিন্ত শংকৰৰ হোমৱৰ্কে এই বাস্তৱতাক কোনো উচ্চকণ্ঠী শ্ল'গান বা অতিনাটকীয় সংঘাতেৰে নহয়, বৰং এক শান্ত, সংযত আৰু গভীৰ মানৱীয় দৃষ্টিৰে চায়। ছবিখনে দৰ্শকক, বিশেষকৈ সংশ্লিষ্ট পিতৃ-মাতৃ কাকোৱেই দুখবোধ বা অপৰাধবোধত ভোগাবলৈ চেষ্টা নকৰে; তাৰ সলনি ই দৰ্শকক অলপ ৰ'বলৈ, লক্ষ্য কৰিবলৈ আৰু অনুভৱ কৰিবলৈ বাধ্য কৰে, আৰু এইখিনিতেই ছবিখনৰ মূল শক্তি নিহিত হৈ আছে।

প্ৰসিদ্ধ ইৰাণী চিত্ৰনিৰ্মাতা আব্বাছ কিয়াৰ'স্তমিয়ে ১৯৮৯ চনত 'হোমৱৰ্ক' শীৰ্ষক এখন তথ্যচিত্ৰ নিৰ্মাণ কৰিছিল। ইয়াত হোমৱৰ্ক সম্বন্ধে বহুকেইগৰাকী শিক্ষাৰ্থীৰ সাক্ষাৎকাৰ লোৱা হৈছিল, লগতে দুগৰাকী অভিভাৱকৰো সাক্ষাৎকাৰ লোৱা হৈছিল। শিক্ষা ব্যৱস্থাৰ কঠোৰ চাপে কেনেকৈ বহু শিশুৰ স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত কৰে, কেনেকৈ কোনো কোনো সময়ত বহু অভিভাৱকে নিজৰ বিভিন্ন সীমাবদ্ধতাৰ হেতুকে সন্তানক হোমৱৰ্ক কৰোৱাত সহায় কৰিব নোৱাৰে— এনে ধৰণৰ বহুতো সমস্যা ফাৰ্ষ্ট হেণ্ড ইনফৰ্মেচনৰ (প্ৰত্যক্ষ অভিজ্ঞতা) ভিত্তিত উন্মোচিত হৈছিল কিয়াৰ'স্তমিৰ সংবেদনশীল মানসিক পৰিব্ৰতাৰ জৰিয়তে। তেনেকৈ 'তাৰে জমিন পৰ'-ৰ দৰে চলচ্চিত্ৰয়ো এই বিষয় সন্দৰ্ভত উল্লেখযোগ্য বক্তব্যৰ সৃষ্টি কৰিছিল।

অসমীয়া চলচ্চিত্ৰত অচিন্ত শংকৰ ইতিমধ্যে এক স্বতন্ত্ৰ কণ্ঠস্বৰ হিচাপে প্ৰতিষ্ঠিত। তেওঁৰ ছবিত উচ্চকণ্ঠৰ নাটকীয়তাৰ পয়োভৰ কম; তাৰ সলনি থাকে মানৱ জীৱনৰ অসম্পূৰ্ণ পাঠ আৰু জীৱনৰ ভিতৰত লুকাই থকা আপাতদৃষ্টিত সৰু অথচ অবিচ্ছেদ্য সংঘাত। হোমৱৰ্ক এই সৃষ্টিশীল যাত্ৰাৰেই এক পৰিণত অধ্যায়।

ছবিখনৰ কেন্দ্ৰত আছে অপু (সূৰ্য্যাংগ জীউ মাৰ্ঘেৰিটা)— এটি সৰু ল'ৰা, যাৰ এটা আন্তৰিক ইচ্ছা হৈছে গ্ৰীষ্মবন্ধৰ মাহটো ককাকৰ ঘৰত, গাঁৱত কটোৱা। এই সৰু ইচ্ছাটোৱেই ছবিখনত এক বৃহৎ, প্ৰতিফলক আকাংক্ষাৰ ৰূপ লয়। অপুৰ বাবে ককাকৰ গাঁওখন মাথোঁ এক ভৌগোলিক স্থান নহয়, ই সেয়া স্বাধীনতাৰ সুখপ্ৰদ অনুভৱ। চহৰৰ নিয়ম আবদ্ধ, সময়-নিয়ন্ত্ৰিত জীৱনৰ বিপৰীতে গাঁও এক মুকলি নিশ্বাস। পথাৰত দৌৰি ফুৰা, লগ সমনীয়াৰ সৈতে সময় কটোৱা, কোনো ঘড়ীৰ কাঁটাই নিয়ন্ত্ৰণ নকৰা গধূলি পুৱা— এইবোৰ অপুৰ বাবে এক বিকল্প জগত। অচিন্ত শংকৰে এই দ্বন্দ্বটোক অতি সূক্ষ্মভাৱে উপস্থাপন কৰিছে। তেওঁ শৈশৱক কোনো অতি-নষ্টালজিক ৰূপত মহিমামণ্ডিত কৰা নাই, কিন্তু ছবিখনে স্পষ্টকৈ এটা প্ৰশ্নৰ অৱতাৰণা কৰে যে যদি শিশুৰ জীৱনৰ পৰা যুক্তিগত স্বাধীনতা, স্বাভাৱিক অৱকাশ, কৌতূহল আৰু কল্পনাৰ অলস সময়েই আঁতৰাই পেলোৱা হয়, তেন্তে শৈশৱৰ অৰ্থই বা কি?

ছবিখনৰ অন্যতম শক্তি হৈছে ইয়াৰ অভিনয়, সমন্বিত মৌনতা, চহৰ আৰু গাঁৱৰ কোলাহল তথা বিস্তীৰ্ণ প্ৰকৃতিৰ অপৰূপ ধ্বনিময় নীৰৱতাক এক বিপৰীতমুখী কিন্তু মসৃণ বিন্যাসেৰে ধৰি ৰখা বহু ৱাইড এংগল শ্বট। এই আপাতদৃষ্টিত বিপৰীতমুখী শ্বটসমূহৰ মাজৰ মিহি কাটসমূহৰ ক'তো দৰ্শকে visual jerkৰ সন্মুখীন হ'বলগীয়া হোৱা নাই, যি এক সুখদ চাক্ষুষ আনন্দ প্ৰদান কৰিছে। চলচ্চিত্ৰীয় ডিটেইলিঙৰ সুষম ব্যৱহাৰে বহুকেইটা শ্বট বিশেষভাৱে অৰ্থৱহ কৰি তুলিছে। যেনে অপুহঁতৰ উচ্চবিত্তীয় পৰিসৰৰ বাহক ডাঙৰ বাহনখনৰ পৰিৱৰ্তে ককাকৰ ঘৰৰ মধ্যবিত্তীয় অৱস্থাক প্ৰতিফলিত কৰা পুৰণি অল্টোখন— য'ত এচিও চলোৱা হোৱা নাই। অপুৰ ভূমিকাত সূৰ্য্যাংগ জিউ মাৰ্ঘেৰিটাই এক সহজ অভিনয় আগবঢ়াইছে, যাক অভিনয়ৰ পৰিৱৰ্তে নিজৰ কাহিনী বুলি কোৱাটোহে অধিক যুগুত বোধ হয়। তেওঁৰ সামগ্ৰিক অভিব্যক্তি, চাৱনি, বিৰক্তি, কৌতূহল— সকলোতে স্বাভাৱিক শিশুসুলভ সততা আছে। এনে অভিনয় সাধাৰণতে সেইসকল শিশুৰ পৰাই আহে, যিসকল অভিনয় 'কৰি' থকাৰ সলনি চৰিত্ৰটোত জীয়াই থাকে। দৰ্শকে কোনো মুহূৰ্ততে অনুভৱ নকৰে যে তেওঁ কেমেৰাৰ সন্মুখত আছে। অপুৰ আনন্দ যেন প্ৰকৃত আনন্দ, অপুৰ অভিমান যেন আচল অভিমান। তেওঁৰ লগত থকা মোমায়েকৰ ল'ৰা-ছোৱালী দুটিৰ অভিনয়েও হোমৱৰ্কক সহজ আৰু উপভোগ্য কৰি তুলিছে। মোমায়েকৰ কণমানি ল'ৰাটিৰ (বৃত্তান্ত নয়ন কাশ্যপ) সৰল মৰমলগা কথা, ডাঙৰ বায়েকৰ (অলংকৃতা পদ্মৰাগ গোস্বামী) শাসন আৰু মৰমিশ্ৰিত কথা-বতৰাই ছবিখনত দৰ্শকক আমোদ দিয়ে, আমনিৰ অৱকাশ নিদিয়ে।

গায়ত্ৰী মহন্তৰ প্ৰত্যাৱৰ্তন ছবিখনৰ এক বিশেষ আকৰ্ষণ। অপুৰ মামীয়েকৰ ভূমিকাত তেওঁ এক সংযত, মৰমিয়াল, অন্তৰ্মুখী অভিনয় আগবঢ়াইছে। তেওঁ চৰিত্ৰটোক কোনো নাটকীয় মাতৃত্বৰ ৰূপ দিয়া হোৱা নাই। এগৰাকী পৰম্পৰাগত ভাৰতীয় মাতৃ তথা নাৰীৰ দ্বিধা, ক্লান্তি আৰু মমতাক চৰিত্ৰটোৱে বিশ্বাসযোগ্যকৈ বহন কৰে। বাস্তৱ জীৱনতো গায়ত্ৰী মহন্ত আৰু অপু মাতৃ-পুত্ৰ হোৱাৰ বিষয়টোৱে ছবিখনৰ বহু দৃশ্যক অজানিতেই এক সহজ আন্তৰিকতাৰে সজাইছে। বিশেষকৈ দুয়োৰে মাজত থকা নীৰৱ মুহূৰ্তবোৰ— য'ত খুব কম কথা কোৱা হয়, সেইখিনিও ছবিখনৰ স্পৰ্শকাতৰ অংশ।

ছবিখনৰ আন এক উল্লেখযোগ্য দিশ হৈছে ইয়াৰ চৰিত্ৰ সৃষ্টিৰ উদাৰতা। ইয়াত কোনো 'খলনায়ক' নাই। অপুৰ ওপৰত শৈক্ষিক 'চাপ' সৃষ্টি কৰা অভিভাৱকসকল বা শিক্ষকসকল নিষ্ঠুৰ মানুহ নহয়। তেওঁলোক সাধাৰণ অভিভাৱক, দায়িত্বশীল পথ প্ৰদৰ্শক, যিসকলে বিশ্বাস কৰে যে সন্তানৰ মংগলৰ বাবে কঠোৰতা প্ৰয়োজন। ছবিখনে তেওঁলোকক দোষাৰোপ নকৰে, ই দেখুৱায় যে আধুনিক সমাজৰ প্ৰতিযোগিতামূলক বাস্তৱতাই কেনেকৈ অভিভাৱককো এক অদৃশ্য ভয়ৰ ভিতৰত ৰাখিছে। সন্তান যাতে 'পিছ পৰি' নাযায়— এই আশংকাই তেওঁলোকক অধিক নিয়ন্ত্ৰণশীল কৰি তোলে। হোমৱৰ্কে এই সংকটটোক সংবেদনশীলতাৰে অনুধাৱন কৰিছে।

জুবিন গাৰ্গৰ যন্ত্ৰৰ শ্ৰদ্ধাঞ্জলিমূলক পুনৰ প্ৰয়োগে ছবিখনৰ আৱেগিক স্তৰটোক গভীৰ কৰি তোলে। হয়তো ইয়াৰ ভিতৰত থকা এক অদৃশ্য বিষণ্ণতাই দৰ্শকক ছবিৰ বক্তব্যৰ সৈতে অধিক সংযোজিত কৰিবলৈ সমৰ্থ হৈছে। অৰূপজ্যোতি বৰুৱাৰ অৱদানেও ছাউণ্ডট্ৰেকক সমৃদ্ধ কৰিছে। কাৰিকৰীভাৱে সৃষ্ট শব্দ আৰু diegetic শব্দৰ সন্তুলনে গ্ৰাম্য তৰংগ আৰু চহৰৰ ব্যস্ততা, বিদ্যালয়ৰ পৰিৱেশ— সকলোকে কুশলতাৰে সংযোজিত কৰি ৰাখিছে। যন্ত্ৰ গীতটিয়ে ছবিখনৰ মূল বক্তব্যক শক্তিশালী ৰূপেৰে বহন কৰে।

উৎসৱমুখী যাত্ৰাতো হোমৱৰ্কে উল্লেখযোগ্য সফলতা লাভ কৰিছে। ৰামেশ্বৰম আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱ, গোৱা আন্তৰ্জাতিক চলচ্চিত্ৰ প্ৰতিযোগিতা, তামিজগাম আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱ আৰু উৰুভাতি আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱ (চেন্নাই)ত ছবিখনে শ্ৰেষ্ঠ শিশু অভিনেতাসহ একাধিক সন্মানৰ অধিকাৰী হৈছে। যদিও চলচ্চিত্ৰ উৎসৱৰ স্বীকৃতি সদায় জনমানসৰ অনুভৱৰ মাপকাঠী নহয়, তথাপি এইক্ষেত্ৰত সেই স্বীকৃতিসমূহ যথেষ্ট তাৎপৰ্যপূৰ্ণ।

হোমৱৰ্ক কোনো সমাধানধৰ্মী চলচ্চিত্ৰ নহয়। ইয়ে শিক্ষা ব্যৱস্থাৰ বিকল্পও আগবঢ়োৱা নাই, সমাজ সংস্কাৰৰ শ্ল'গানো ইয়াত নাই; ই কেৱল এক সমস্যাক চিনাক্ত কৰে— শৈশৱৰ পৰা ধীৰে ধীৰে হেৰাই যোৱা স্বাধীনতাৰ কথা আৰু সেই বেদনাক ই সততা আৰু সংবেদনশীলতাৰে দৰ্শকৰ সন্মুখত মুকলি কৰিছে। অচিন্ত শংকৰে এনে এখন ছবি নিৰ্মাণ কৰিছে, যি শিশুৰ অন্তৰ্জগতক তুচ্ছ বুলি গণ্য নকৰে। আধুনিক অসমীয়া চলচ্চিত্ৰত শৈশৱৰ নীৰৱ উদ্বেগসমূহক লৈ যি নতুন চলচ্চিত্ৰীয় পৰিভাষা গঢ়ি উঠিছে, হোমৱৰ্ক সেই ভাষাৰ এক উল্লেখযোগ্য সংযোজন। ■

দৈনিক অসম প্ৰাইভেট লিমিটেডৰ পৰিচালন সঞ্চালক কিশোৰ বৰাৰ হৈ জ্যোতিষ পৱন বৰদলৈৰ দ্বাৰা আৰ্কন আৰ্কেড, ২-এ, দ্বিতীয় মহলা, ডাঃ বি বৰুৱা ৰোড, গুৱাহাটী, অসম, পিন-৭৮১০০৭ৰপৰা প্ৰকাশিত আৰু জি এল পাব্লিকেচন্ছ লিমিটেড, সাতগাঁও, গুৱাহাটী-২৭ত মুদ্ৰিত। টেলিফোন ঃ ৮৮১১৮-৮১০২৪, ০৩৬১-৩২৪৪৬৩৩। ই-মেইল ঃ dainikasam@gmail.com, dainikasam.marketing@gmail.com
কাৰ্যবাহী সম্পাদক ঃ শংকৰ লস্কৰ